● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২)
২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

মই বতাহৰ দিশ সলনি কৰিব নোৱাৰো; কিন্তু মই মোৰ লক্ষ্য স্থানত উপনীত হোৱাকৈ পাল তৰি ল'ব পাৰো।



জিমী ডিন
*আমেৰিকাৰ গায়ক*

www.dainikagradoot.in

৭ সলনি হ'ব ডেবিট-ক্ৰেডিট কাৰ্ডৰ নিয়ম
১৫ দৰ্শক অবিহনে ভাৰত-দক্ষিণ আফ্ৰিকাৰ শৃংখলা
৪ অসমীয়া ভাষা নমৰে, অঘৰী হ'ব

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৭৫তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ৫ পুহ ১৪২৮ ভাস্কৰাব্দ ২১ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 21 December 2021 মূল্য ঃ ৯.০০ টকা

■ মুখ্যমন্ত্ৰীৰ 'নতুন ছিষ্টেম' ■ কিছুমান সমষ্টিত উপ-নিৰ্বাচন হ'ব, কিছুমানত উপ-নিৰ্বাচন অবিহনেই বিধায়ক আমাৰ লগত থাকিব ■ ৰহাৰ কংগ্ৰেছ বিধায়ক শশীকান্তৰ চৰকাৰলৈ সমৰ্থন

# কংগ্ৰেছতে থাকি বিজেপিক সমৰ্থন



*মুখ্যমন্ত্ৰীৰ চৰণত কংগ্ৰেছ বিধায়ক, বিধানসভাত সোমবাৰে।*

■ ড° শৰ্মাৰ চৰণ চুই আশীৰ্বাদ ল'লে ঃ ■ সদনৰ ভিতৰত কংগ্ৰেছৰ বেঞ্চত আৰু বাহিৰত বিজেপিৰ লবীত বহিব ■ দলৰ কাৰণ দৰ্শোৱাৰ জাননী ■ অতি মৰ্মাহত হৈছো ঃ ৰকিবুল ■ শ্বাসৰুদ্ধ পৰিস্থিতিত আছে কংগ্ৰেছী ঃ পীযুষ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** ৰূপজ্যোতি কুৰ্মী, সুশান্ত বৰগোহাঁই, ফণীধৰ তালুকদাৰে ক্ৰমে কংগ্ৰেছ আৰু এআইইউডিএফ ত্যাগ কৰি বিজেপিত যোগদানৰ ফলত সৃষ্টি কৰা উপ-নিৰ্বাচনৰ ঢৌ সদ্যহতে প্ৰশমিত কৰি নতুন ফৰ্মূলা গ্ৰহণ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শেহতীয়াভাৱে উপ-নিৰ্বাচনৰ ধামখুমীয়াত মুখ্যমন্ত্ৰীয়ে সন্মুখীন হোৱা সঘন প্ৰশ্নটো আছিল যে ৰাজ্যত আৰু কিমানটা এনে নিৰ্বাচন অনুষ্ঠিত হ'ব; অৰ্থাৎ কিমানজন বিধায়কে পূৰ্বৰ দল ত্যাগ কৰি বিজেপিলৈ আহিব। বিভিন্ন সময়ত পুনৰ উপ-নিৰ্বাচন অনুষ্ঠিত হোৱাৰ ইংগিত দিয়া মুখ্যমন্ত্ৰী শৰ্মাই আজি এক নতুন ফৰ্মূলাৰ কথা সদৰী কৰে। ৰহাৰ কংগ্ৰেছী বিধায়ক শশীকান্ত দাসৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ প্ৰতি সমৰ্থন ঘোষণাৰ সন্দৰ্ভতে মুখ্যমন্ত্ৰীয়ে কয় যে শশীকান্ত দাস আজি পুৱা তেওঁৰ বাসগৃহলৈ আহি চৰকাৰৰ স'তে একেলগে কাম কৰাৰ আগ্ৰহ প্ৰকাশ কৰিছে। 'ৰাজনৈতিক দলৰ কথা চিন্তা কৰা নাই এই মুহূৰ্তত। শশীকান্ত যি দলতেই থাকক কিয় চৰকাৰৰ লগত থকাৰ বাবে তেওঁ যিহেতু আগ্ৰহ প্ৰকাশ কৰিছে সেয়েহে শাসকীয় দলৰ বিধায়কৰ স'তে ৰক্ষা কৰাৰ দৰেই তেওঁৰ লগত সম্পৰ্ক থাকিব।' এইদৰে কয় মুখ্যমন্ত্ৰীয়ে। ইয়াৰ ১০ পৃষ্ঠাত চাওক

■ কংগ্ৰেছৰ সভাস্থগিত প্ৰস্তাৱ অধ্যক্ষৰ নাকচ ■ মুখ্যমন্ত্ৰীৰ পৰিয়াল জড়িত বাবে আলোচনাৰ অনুমতি নিদিয়া বুলি অভিযোগ অখিলৰ ■ নিয়ন্ত্ৰণহীন পৰিস্থিতিত সদন স্থগিত-সদন ত্যাগ

## ভূমি কেলেংকাৰিক লৈ উত্তপ্ত বিধানসভা


**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** চৰকাৰী নীতি উলংঘাৰে ৰাজ্যত বৃহৎ ভূমি কেলেংকাৰি সংঘটিত হোৱা বুলি কংগ্ৰেছৰ অভিযোগক লৈ আজি অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ প্ৰথম দিনটোতে উত্তাল পৰিৱেশৰ সৃষ্টি হয়। কংগ্ৰেছে বিধানসভাৰ আজিৰ অন্যান্য কাৰ্যসূচী বাতিল কৰি কেৱল এই ভূমি কেলেংকাৰিৰ সম্পৰ্কত আলোচনা অনুষ্ঠিত কৰাৰ দাবী জনায়। কংগ্ৰেছৰ হৈ এই সম্পৰ্কীয় সভাস্থগিত প্ৰস্তাৱটো উত্থাপন কৰে বিৰোধী দলপতি দেবব্ৰত শইকীয়াই। কংগ্ৰেছৰ প্ৰস্তাৱটোক সমৰ্থন কৰে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে। কংগ্ৰেছে নাম উল্লেখ নকৰাৰ বিপৰীতে গগৈয়ে অসমৰ মুখ্যমন্ত্ৰীৰ পৰিয়াল এই কেলেংকাৰিত জড়িত থকা বুলি অভিযোগ কৰে। শইকীয়াই প্ৰস্তাৱটো উত্থাপনৰ কৰাৰ পাছত অধ্যক্ষ বিশ্বজিৎ ১০ পৃষ্ঠাত চাওক



**আৱৰ্জনা... পাৰ্শ্বজ্যোতি**

■ সঞ্জীৱ সভাপণ্ডিত



'আৱৰ্জনা বিচৰাৰ অভিযান' পঢ়ি কিছুমান মানুহে মোলৈ ফোন কৰিলে। আনকালৰ দৰে এইবাৰো সেই 'ভাৰতীয়ৰ হিচাপত' বুঢ়া মানুহৰে ফোন বেছি। ডেকা মানুহৰ ফোন কাচিৎহে আহে। এইটো মোৰ বাবে এটা হতাশাৰ বিষয়। কাৰণ 'ভাৰতীয় বুঢ়া' মানুহৰ পৰা বিশেষ একো আশা কৰিব নোৱাৰি যদিওবা নৰেন্দ্ৰ মোদী বা ৰতন টাটা বা তেনে অন্যান্য বহুত কৰ্মক্ষম ব্যক্তি আমাৰ মাজত ১০ পৃষ্ঠাত চাওক

৬০ জনক অভিযুক্ত কৰি অভিযোগনামা দাখিল

## এছ আই কেলেংকাৰিৰ তদন্ত সম্পূৰ্ণ, ১০জন আছে কাৰাগাৰতে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** বিগত বৰ্ষত ৰাজ্য কঁপোৱা অসম আৰক্ষীত উপ-পৰিদৰ্শক নিযুক্তিৰ বাছনি পৰীক্ষাত সংঘটিত কেলেংকাৰিৰ তদন্ত সম্পূৰ্ণ হৈছে। আজি বিধানসভাত গৃহ বিভাগৰ পৰা এই তথ্য ১০ পৃষ্ঠাত চাওক

## চোৰাংকৈ সৰবৰাহ কৰা ১৭টা গৰু জব্দ মৰিগাঁৱত


**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২০ ডিচেম্বৰ ঃ** চোৰাংকৈ সৰবৰাহ কৰা অৱস্থাত আজি মৰিগাঁও জিলাৰ ধৰমতুল আৰক্ষীয়ে জব্দ কৰিলে ১৭টা গৰু। লগতে গৰু কঢ়িয়াই নিয়া বাহন এখন আৰক্ষীয়ে আঠ পৃষ্ঠাত চাওক

## কাকীত জীৱন্তে দগ্ধ ১০মহীয়া শিশু, ভস্মীভূত হ'ল বাসগৃহ

**অগ্ৰদূত বাৰ্তা**

**কাকী, ২০ ডিচেম্বৰ ঃ** হোজাই জিলাৰ কাকীত যোৱা নিশা সংঘটিত এক ভয়ানক অগ্নিকাণ্ডত জীৱন্তে দগ্ধ হ'ল এটি ১০মহীয়া শিশু। কন্যা শিশুটিৰ মৃত্যুৰ উপৰি এটা বাসগৃহও জুইত সম্পূৰ্ণৰূপে ভস্মীভূত হয়। আঠ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১২° |
| ডিব্ৰুগড় | ২৪° | ১০° |
| দিল্লী | ১৮° | ০৬° |
| কলকাতা | ২৩° | ১২° |
| মুম্বাই | ৩১° | ২১° |
| চেন্নাই | ২৯° | ২২° |
| বাংগালুৰু | ২৬° | ১৩° |
| শ্বিলং | ১৮° | ০৬° |

*২০ ডিচেম্বৰ, ২০২১*

**চেঙা তেল**



*তেওঁ বোলে কংগ্ৰেছতে আছে, সমৰ্থনহে কেৱল বিজেপিক দিছে আৰু অগপৰ স'তে বন্ধুত্ব পাতিছে!*

■ লামডিঙৰ ওচৰত হাতী-মানুহৰ সংঘাত নাথাকে ■ এই ধৰণৰ চিন্তা-চৰ্চা আগতে নাছিল, কথাবোৰ জানিও ব্যৱস্থা লোৱা নাছিল

## কাম হৈছে কাৰণে বিজেপি চৰকাৰৰ প্ৰতি মানুহৰ আস্থা বৃদ্ধি পাইছে ঃ শৰ্মা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** বিজেপি চৰকাৰৰ প্ৰতি সাধাৰণ মানুহৰ আস্থা বৃদ্ধি পাইছে বুলি আজি দাবী কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ১১ লাখ মাইক্ৰ'ফাইনেন্সৰ ঋণগ্ৰস্তক উদগনি ধন আগবঢ়োৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে এই সকাহ দিয়া হৈছে। এই কথা কোনোবাই আশা কৰিছিল নে? আইন সংশোধনীৰ জৰিয়তে এক লাখ লোকৰ নিযুক্তিৰ পথ মুকলি কৰা হৈছে। ইমান কাম আগতে হোৱা নাই। মই বহু বছৰ ধৰি মন্ত্ৰী হৈ আছিলো। আগে-পিছে এনে হোৱা নাছিল। এতিয়া সেয়েহে সকলোৱে আহিব বিচাৰে।' লামডিং বনাঞ্চলত শেহতীয়া উচ্ছেদ অভিযানৰ সন্দৰ্ভত তেওঁ কয় যে ইয়াৰ পাছত আৰু সেই অঞ্চলৰ ওচৰে-পাঁজৰে হাতী-মানুহৰ সংঘাত নাথাকে। 'হাতীয়ে নিজৰ ঠাই ওভতাই পালে। মানুহকো আমি যিমান পাৰো সহায় কৰিছো। এতিয়াৰে পৰা লামডিঙৰ কাষত হাতী-মানুহৰ সংঘাত নাথাকে। কাৰ্বি আংলঙৰ যি ঠাইত আঠ পৃষ্ঠাত চাওক

**সোনকালে অভিযোগনামা অনিমেষ হত্যাৰ**

## অসমতো গণপ্ৰহাৰ প্ৰতিৰোধী আইন প্ৰণয়ৰ বিবেচনা চৰকাৰৰ ঃ পীযুষ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** ৰাজ্য চৰকাৰে মণিপুৰ, ৰাজস্থান আৰু পশ্চিমবংগৰ আৰ্হিত গণপ্ৰহাৰৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰিব। আজি অসম বিধানসভাৰ অধিবেশনত সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই এই সম্পৰ্কত কয় যে গণপ্ৰহাৰ প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অসমত এই সম্পৰ্কীয় পৃথক আইন নাই। অলপতে ১০ পৃষ্ঠাত চাওক



## সিদলসতীত ডাম্পাৰৰ খুন্দাত নিহত যুৱতী

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২০ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সিদলসতীত আজি সংঘটিত এক পথ দুৰ্ঘটনাত এগৰাকী যুৱতীৰ মৃত্যু হয়। এই দুৰ্ঘটনাত যুৱতীৰ ভ্ৰাতৃৰ সৌভাগ্যক্ৰমে প্ৰাণৰক্ষা পৰে যদিও তেওঁ কিছু পৰিমাণে আহত হয়। নিহত যুৱতীগৰাকী হৈছে জিলাখনৰ আঠ পৃষ্ঠাত চাওক

'পচা'ক লৈ যোৰহাটত উত্তপ্ত পৰিস্থিতি ঃ অপৰাধীৰ বিৰুদ্ধে নিষ্ক্ৰিয়

## আৰক্ষীৰ অস্তিত্বহীনতা প্ৰমাণ কৰি ৰাইজ ওলাল ড্ৰাগছ-জুৱাৰ ঘাটি উচ্ছেদৰ বাবে



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২০ ডিচেম্বৰ ঃ** আৰক্ষীৰ ওপৰত আস্থা হেৰুৱাই আজি ড্ৰাগছ মাফিয়া তথা জুৱা সম্ৰাট নামে খ্যাত ৰমেশ বাছফৰ ওৰফে পচাৰ ঘৰত চলি থকা অসামাজিক কাজ-কাজ উচ্ছেদ কৰিবলৈ ওলাই আহিল হৰিজন কল'নীৰ শ শ ৰাইজ। দীৰ্ঘদিন ধৰি হৰিজন কল'নীত চলি থকা অসমাজিক কাম-কাজ নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হৈছে আৰক্ষী। সমানে ব্যৰ্থ সেই অঞ্চলত ড্ৰাগছ আৰু জুৱাৰ মুকলি বেহা ১০ পৃষ্ঠাত চাওক

**পাৰ্শ্বজ্যোতি**

### বিধানসভাত ঘড়ীয়েই ঘড়ী, সময়ৰহে অমিল

**বিধানসভাত** পুৰণি ঘড়ীকেইটাৰ লগতে এইবাৰ কে'বাটাও ডিজিটেল ঘড়ী সংস্থাপন কৰা হৈছে। ইমানবোৰ ঘড়ীৰ প্ৰয়োজনীয়তাক লৈও বহুতে আজি প্ৰশ্ন উত্থাপন কৰে; কিন্তু ঘড়ীবোৰক লৈয়ো পয়মাল লাগে। পুৰণি ঘড়ীবোৰৰ সময় পূৰ্বৰ দৰেই হেৰফেৰ নোহোৱাকৈ আগবাঢ়ে যদিও নতুনকৈ স্থাপন কৰা বৃহৎ আকাৰৰ বহুৰঙী ডিজিটেল ঘড়ীবোৰৰ সময়ৰ গতি বিধানসভাৰ সময়তকৈ এঘণ্টা দেৰিকৈ চলে। তাকে দেখি চকু চৰহাৰ মন্তব্য—ৰূপতকৈ গুণৰহে দাম বেছি।

### সদনত নাই উত্তৰ

**বিধানসভাৰ** আজিৰ পৰা অনুষ্ঠিত শীতকালীন অধিবেশনত বিধায়কসকলে পূৰ্বৰ দৰে প্ৰশ্নোত্তৰ কাৰ্যসূচীৰ উত্তৰবোৰ নাপালে। চলি অহা নিয়ম অনুসৰি বিধানসভাৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ পূৰ্বে প্ৰশ্নৰ উত্তৰবোৰ বিধায়কসকলৰ মেজত বিধানসভাৰ কৰ্মচাৰীয়ে সজাই থয়। আজি তেনেকুৱা নহ'ল। ফলত বহু বিধায়কে অধ্যক্ষক প্ৰশ্নোত্তৰৰ আৰম্ভণিতে বিষয়টোক লৈ প্ৰশ্ন কৰে। অধ্যক্ষই কয়, 'কিয় নাথাকিব? আপোনালোকৰ সন্মুখত নাই কিন্তু লবীত আছে। তাৰ পৰা সংগ্ৰহ কৰি ল'ব। এইটো এইবাৰ নতুন ব্যৱস্থা কৰা হৈছে। আমি লাহে লাহে কাগজবিহীন ব্যৱস্থালৈ যাব লাগিব।' অধ্যক্ষৰ উত্তৰক লৈ সন্তুষ্ট নহ'ল বিৰোধীৰ বহু বিধায়ক। তাৰ মাজতে বিজেপিৰ তৰংগ গগৈকে ধৰি নিৰ্দিষ্ট দুজনমানে দাবী কৰে যে তেওঁলোকে অনলাইনত উত্তৰবোৰ পাইছে। এই দাবীলৈ গুৰুত্ব নিদি একাংশ বিধায়কে তেওঁলোকৰ আঠ পৃষ্ঠাত চাওক

প্ৰতিশ্ৰুতি ৰক্ষা কৰি কোচ ৰাজবংশী-তাই আহোমক জনজাতি মৰ্যাদা প্ৰদানৰ দাবী আক্ৰাছু-টাইপাৰ ■ স্বায়ত্তশাসন দাবী কছাৰী পৰিষদৰ

## অধিৱেশনৰ প্ৰথম দিনাই প্ৰাপ্যৰ দাবীত ১০ টাকৈ সংগঠনৰ প্ৰতিবাদ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** আজিৰে পৰা আৰম্ভ হোৱা অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনাই সমস্যা সমাধান আৰু বিজেপিৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি কাৰ্যকৰীকৰণৰ দাবীত ১০ টাকৈ সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে। বিশেষকৈ জনজাতিকৰণৰ দাবীত কোচ ৰাজবংশী ছাত্ৰ সন্থা, তাই আহোম যুৱ পৰিষদ, চাওতাল ছাত্ৰ সন্থাই, মাননি বৃদ্ধি আৰু খাদ্য বিতৰণৰ পৰা এনজিঅ' ব্যৱস্থা প্ৰত্যাহাৰৰ দাবীত মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নে, স্বায়ত্তশাসিত ১০ পৃষ্ঠাত চাওক

■ চৰকাৰৰ নৱগঠিত বিভাগক লৈ বিধানসভাত হুলস্থূলীয়া পৰিৱেশ

## জটিলতা বাঢ়িবহে ঃ খিলঞ্জীয়া কোন প্ৰশ্নক লৈ পুনৰ উত্তপ্ত হ'ল সদন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** অসমৰ খিলঞ্জীয়া কোন? এই প্ৰশ্নক লৈ আজি আকৌ এবাৰ অসম বিধানসভাত বিতৰ্কৰ অৱতাৰণা হয়। খিলঞ্জীয়া, অসমীয়াৰ সংজ্ঞা আদিক লৈ বিধানসভাৰ বাহিৰে ভিতৰে সঘনে বিতৰ্কৰ সৃষ্টি হৈ আহিছে। আজিৰ বিতৰ্কৰ সূত্ৰপাত হয় অসম চৰকাৰে 'ইণ্ডিজেনাছ এণ্ড ট্ৰাইবেল ফেইথ এণ্ড কালচাৰ' নামেৰে নতুনকৈ গঠন কৰা বিভাগটোৰ প্ৰসংগত । ইউপিপিএলৰ বিধায়ক লৰেন্স ইছলাৰীয়ে বিধানসভাৰ প্ৰশ্নোত্তৰ কালত খিলঞ্জীয়া বড়ো লোকসকলৰ খেল-ধেমালি, বয়ন, নৃত্য আদি সংৰক্ষণৰ ক্ষেত্ৰত বিভাগটোৱে বিশেষ কি ব্যৱস্থা গ্ৰহণ কৰিছে বুলি প্ৰশ্ন কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই উত্তৰত কয় যে বড়ো, কাৰ্বি, মিচিং আদি খিলঞ্জীয়া জাতি-জনগোষ্ঠীবোৰৰ সংস্কৃতি, খেল-ধেমালি আদিকে ধৰি মৌলিক সকলোবোৰ বিষয় সংৰক্ষণ কৰিবলৈ চৰকাৰ দায়বদ্ধ। তেতিয়া বিৰোধী দলপতি দেবব্ৰত শইকীয়াই খিলঞ্জীয়া কোন বুলি প্ৰশ্ন কৰে। কংগ্ৰেছৰ কমলাক্ষ্য দে পুৰকায়স্থয়ো একেটা প্ৰশ্ন কৰে। তেতিয়া মন্ত্ৰী হাজৰিকাই কয়, আঠ পৃষ্ঠাত চাওক

মদ-জুৱাৰ পৰিণতিতে মৰ্মান্তিক ঘটনা

## তিনিচুকীয়াৰ চাহবাগিচাত মাতৃয়েই হত্যা কৰি পুতিলে একমাত্ৰ পুত্ৰক

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২০ ডিচেম্বৰ ঃ** মাদক দ্ৰব্য আৰু জুৱাৰ পৰিণতিতে তিনিচুকীয়া জিলাত সংঘটিত হ'ল এক মৰ্মান্তিক ঘটনা। এগৰাকী দুৰ্ভগীয়া মাতৃয়ে অহৰহ অত্যাচাৰৰ পৰা পৰিত্ৰাণ পাবলৈ একমাত্ৰ পুত্ৰক মৰিয়াই হত্যা কৰি ঘৰৰ পাছফালে পুতি থোৱাৰ দৰে চাঞ্চল্যকৰ ঘটনা সম্প্ৰতি পোহৰলৈ আহিছে। এই ঘটনা সংঘটিত হৈছে তিনিচুকীয়া জিলাৰ ডুমডুমাৰ দিয়ামুলী চাহ বাগিচাৰ দুই নম্বৰ লাইনত। উক্ত লাইনৰ নিবাসী সামনি ৰাজপুত (৬০) নামৰ মহিলাগৰাকীয়ে একমাত্ৰ পুত্ৰ ৰাম ৰাজপুত (২৪)ক হত্যা কৰি ঘৰৰ আঠ পৃষ্ঠাত চাওক

**চাৰিশ আৰক্ষী-চিআৰপি জোৱান নিয়োজিত**

## লাহৰীজানত অভিযানত শতাধিক বেদখলকাৰী পৰিয়ালক উচ্ছেদ প্ৰশাসনৰ



**অগ্ৰদূত বাৰ্তা**

**বোকাজান/ডিফু, ২০ ডিচেম্বৰ ঃ** কাৰ্বি আংলং জিলাৰ অসম-নগালেণ্ড সীমান্তৰ লাহৰীজানৰ দুদু কলনিৰ তিনি নম্বৰ ব্লকত আজি চলে উচ্ছেদ অভিযান। পুৱাৰ পৰাই চলা এই বেদখল উচ্ছেদ অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। কোনো বিশেষ প্ৰতিৰোধ অথবা প্ৰতিবাদ দেখা নগ'ল এই উচ্ছেদ কাৰ্যত। অভিযানত ১০৭টা পৰিয়ালৰ গৃহ উচ্ছেদ কৰা হয় এই, য'ত প্ৰায় ১২শ লোকে বাস কৰিছিল। দেওবাৰে বিয়লিৰ পৰাই অঞ্চলটোৰ সাতশ মিটাৰ ব্যাসাৰ্ধত কাৰ্বি আংলং জিলা প্ৰশাসনে ১৪৪ ধাৰা ১০ পৃষ্ঠাত চাওক

ৰাষ্ট্ৰপতিৰ নিৰ্দেশকো আওকাণ কৰি পেলাই থ'লে প্ৰকল্পৰ কাম ■ বিনষ্ট হৈছে পৰিৱেশ

## পৰিভ্ৰমী পক্ষীৰ প্ৰিয় হাঁহিলা বিললৈ ভাবুকি

**বিশেষ সংবাদদাতা**

**নগাঁও, ২০ ডিচেম্বৰ ঃ** নগাঁও চহৰৰ পৰা প্ৰায় ১০ কিলোমিটাৰ নিলগৰ শস্যে-মৎসে নদন-বদন জলাহ গাঁৱৰ সমীপত অৱস্থিত এখন প্ৰকাণ্ড বিল। নাম হাঁহিলা বিল। বিভিন্ন প্ৰজাতিৰ থলুৱা চৰাই, থলুৱা মাছ, বিভিন্ন সৰীসৃপ আদিৰ বাসস্থান এই হাঁহিলা বিল শেহতীয়াভাৱে একাংশ লোকৰ বাবেই কিছু ভাবুকিৰ সন্মুখীন হ'বলগীয়া হৈছে। ইপিনে, শীতৰ আগমনৰ লগে লগেই এই হাঁহিলা বিললৈ আহে জাকে জাকে দেশী-বিদেশী



পৰিভ্ৰমী পক্ষী। হেজাৰ হেজাৰ দেশী-বিদেশী শীতৰ অতিথি পক্ষীৰ কলৰৱত মুখৰিত হৈ থাকে বিলখন। এই বিলখন সংৰক্ষণ কৰিবৰ বাবে বহু বছৰ ধৰি বিভিন্ন প্ৰকৃতিপ্ৰেমী সংগঠনে চৰকাৰক দাবী জনাই আহিছে যদিও চৰকাৰে আজিকোপতি বিষয়টোক বিশেষ গুৰুত্ব প্ৰদান কৰা নাই। এই বিলখন বিভিন্ন প্ৰজাতিৰ বিলুপ্তপ্ৰায় থলুৱা মাছ, কাছ, অজগৰ সাপ আৰু বিভিন্ন মূল্যবান জলজ উদ্ভিদেৰে পৰিপূৰ্ণ। তদুপৰি দুষ্প্ৰাপ্য কাম চৰাইৰো ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, মঙলবাৰ ৫ পুহ ১৪২৮ ভাস্কৰাব্দ ২১ ডিচেম্বৰ ২০২১


## আশংকাৰ আঁৰত

প্ৰাগঐতিহাসিক যুগত মানুহৰ সংখ্যা কম আছিল যদিও হেজাৰ হেজাৰ সৰু-বৰ জনগোষ্ঠীৰ ভাষাসমূহ জীয়াই আছিল; কিন্তু উদ্যোগ বিপ্লৱ তথা ঔদ্যোগীকৰণ আৰু বিশেষকৈ ঔপনিৱেশিক শাসন তথা বিশ্বায়নৰ ফলত ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠী বা জনজাতিসমূহ নিঃশেষ হ'বলৈ ধৰিছে। সাম্ৰাজ্যবাদী ঔপনিৱেশিক শাসনে দেশসমূহৰ চুকে-কোণে জীয়াই থকা ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনজাতিসমূহৰ ভাষাসমূহৰ বিকাশত সহায় কৰাৰ পৰিৱৰ্তে সেই ক্ষুদ্ৰ ভাষাসমূহক ধ্বংসৰ গৰাহলৈ ঠেলি দিলে। উপনিৱেশৰ প্ৰজাবৰ্গক সাম্ৰাজ্যবাদীসকলৰ ভাষাসমূহৰ প্ৰচলনৰ স্বাৰ্থত সেই ভাষাসমূহ জাপি দিয়া হয়। ব্ৰিটিছ সাম্ৰাজ্যবাদীসকলে বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ বিস্তৃত হৈ থকা শাসনাধীন দেশসমূহত ইংৰাজী ভাষাৰ প্ৰচলন কৰে। স্পেইনৰ শাসকসকলে লেটিন আমেৰিকা আৰু আফ্ৰিকাৰ দেশসমূহত উপনিৱেশ স্থাপন কৰি স্পেনিছ ভাষাৰ প্ৰচলন কৰে। আজি এই দেশসমূহত ইংৰাজ তথা স্পেনিছসকলৰ শাসন নাই যদিও ইংৰাজী আৰু স্পেনিছ ভাষাৰ প্ৰাধান্য তথা প্ৰচলন হৈ থাকিল। অৱশ্যে ঔপনিৱেশিক শাসনৰ অৱসান ঘটিল যদিও এই দেশসমূহত ঔপনিৱেশিক শাসনে সৃষ্টি কৰি থৈ যোৱা প্ৰশাসন ব্যৱস্থা শাসকীয় শ্ৰেণীসমূহৰ প্ৰতিপত্তি, প্ৰভুত্ব আৰু ক্ষমতা বৰ্তি থাকিল। এই সম্পদশালী, ক্ষমতাশালী, শাসকীয় শ্ৰেণীসমূহৰ হাততেই থাকিল দেশ শাসনৰ চাবি-কাঠি। তেওঁলোকে পূৰ্বৰ ঔপনিৱেশিক শাসকসকলৰ পৰা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা ভাষাসমূহ চৰকাৰী ভাষা হিচাপে প্ৰচলন কৰি ৰাখিলে। আনকি ভাষাৰ লগতে সাহিত্য-সংস্কৃতিও শাসিত প্ৰজাসকলৰ বাবে প্ৰদান কৰি থৈ গ'ল। সেয়ে ভাৰত আদি একালৰ ইংৰাজ উপনিৱেশসমূহত ইংৰাজী ভাষাৰ লগতে সাহিত্য-সংস্কৃতি আজিও প্ৰচলিত তথা প্ৰভাৱশালী হৈ থাকিল। লেটিন আমেৰিকা, আফ্ৰিকাৰ বহু দেশত স্পেনিছ ভাষা-সাহিত্যৰ প্ৰভাৱ আৰু প্ৰভুত্ব আজিও অব্যাহত থাকিল। ইয়াৰ ফলত, বিশেষকৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰত এই পশ্চিমীয়া ভাষাসমূহ মাধ্যম হৈ থকাত সকলোৱে সেই ভাষাত অধ্যয়ন নাইবা শিক্ষা লাভ কৰিবলৈ বাধ্য হয়। বিশেষকৈ ঔপনিৱেশিক শাসনৰ অৱসান ঘটিল যদিও আৰু শাসকসকল নিজ দেশলৈ ঘূৰি গ'ল যদিও বিশ্ব বাণিজ্য একালৰ সাম্ৰাজ্যবাদী দেশসমূহৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰিচালিত হৈ থাকিল। যিসকলৰ হাতত বিশ্ব-বাণিজ্যৰ নিয়ন্ত্ৰণ থাকিল, সেইসকলৰ ভাষাও সমগ্ৰ বিশ্বতে প্ৰভাৱশালী আৰু প্ৰচলিত হৈ থাকিল। সমগ্ৰ বিশ্বতে এক ধৰণৰ বাণিজ্যিক উপনিৱেশ সৃষ্টি হোৱা দেখা গ'ল।

ইতিমধ্যে অসম তথা উত্তৰ-পূবৰ আঞ্চলিক অথবা মাতৃভাষাসমূহৰ ভৱিষ্যতক লৈ অঞ্চলটোৰ সচেতন সমাজ চিন্তিত হৈ পৰিছে। ভাষা বিজ্ঞানী তথা ৰাষ্ট্ৰসংঘৰ সতৰ্কবাণীয়ে অসম তথা উত্তৰ-পূবৰ জনসাধাৰণৰ মনত হতাশা আৰু শংকাৰ জন্ম দিব পাৰে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত কে'বাশ ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষা আছে। ভাষা বিজ্ঞানীসকলৰ মতে যদিহে কোনো এটা ভাষা কোৱা লোকৰ সংখ্যা ১০ লাখৰ অধিক, তেন্তে সেই ভাষা জীয়াই থকাৰ সম্ভাৱনা আছে; কিন্তু যদিহে সেই ভাষা-ভাষী লোকৰ সংখ্যা ১০ লাখতকৈ কম, তেন্তে সেই ভাষাৰ ভৱিষ্যৎ অন্ধকাৰ। অসম তথা উত্তৰ-পূবত এনে বহু মাতৃভাষা আছে, যিবিলাক ভাষা কোৱা লোকৰ সংখ্যা ১০ লাখতকৈ কম। কিছুমান ভাষা কোৱা লোকৰ সংখ্যা মাত্ৰ হেজাৰ নাইবা কে'বাশৰ ভিতৰত সীমিত। অৰুণাচল প্ৰদেশৰ কিছুমান ভাষা কোৱা লোকৰ সংখ্যা তিনি-চাৰিশ নাইবা তাতকৈ কম। অসম, অৰুণাচল প্ৰদেশ, নগালেণ্ড আদিত এনে বহু ভাষা আছে, যিবিলাক ভাষা কোৱা লোকৰ সংখ্যা অতি কম। এইসমূহ ভাষা কিদৰে জীয়াই ৰাখিব পাৰি, সেইটো চিন্তাৰ বিষয়। চৰকাৰে বিদ্যালয়সমূহত প্ৰাথমিক তথা মাধ্যমিক পৰ্যায়ত মাতৃভাষা বা আঞ্চলিক ভাষা বাধ্যতামূলক কৰিলে ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষাসমূহ জীয়াই থকাৰ সম্ভাৱনা আছে। বিদ্যালয় পৰ্যায়ত মাতৃভাষা বা আঞ্চলিক ভাষা বাধ্যতামূলক কৰিলে মাতৃভাষাসমূহ জীয়াই ৰখাৰ ক্ষেত্ৰত সহায় হ'ব বুলি আশা কৰিব পাৰি। নতুন শিক্ষা নীতিত এই সম্পৰ্কত কেতবোৰ প্ৰস্তাৱ ৰখা হৈছে যদিও কাৰ্যক্ষেত্ৰত সেইবোৰ কেনেদৰে ৰূপায়ণ কৰা হয়, তাৰ ওপৰতে সকলো নিৰ্ভৰশীল। উচ্চ শিক্ষাৰ মাধ্যম ইংৰাজী হ'লেও চিন্তাৰ কাৰণ নাই। যিহেতু বিশ্বায়নৰ প্ৰভাৱক নস্যাৎ কৰিব পৰা নাযাব। জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ কাৰণেই আন্তঃৰাষ্ট্ৰীয় ভাষা নৱ প্ৰজন্মৰ বাবে প্ৰয়োজন; কিন্তু বিদ্যালয় পৰ্যায়ত মাতৃভাষা বাধ্যতামূলক কৰাৰ বাহিৰে আন কোনো বিকল্প নাই।

# অসমীয়া ভাষা নমৰে, অঘৰী হ'ব

**বিদেশত বা বহিঃৰাজ্যৰ ভিন্ন ভাষা-ভাষীৰ মাজত বাস কৰিবলগীয়া হ'লে মাতৃভাষাৰ প্ৰতি তান সচৰাচৰ বাঢ়েহে, নকমে**



অসবৰ্ণ

হীৰেন গগৈ

অসমত অসমীয়া ভাষাৰ ভৱিষ্যতক লৈ চিন্তাশীল লোকসকল খুব উদ্বিগ্ন হৈ পৰাটো লক্ষ্যণীয় কথা হৈ পৰিছে। ছপা আৰু বৈদ্যুতিন উভয় মাধ্যমতে সেই বিষয়ে চৰ্চাও হৈছে যথেষ্ট। সেইবোৰ দেখি-শুনি আৰু পঢ়ি-মেলি মোৰ মনত হ'লে আশাৰহে সঞ্চাৰ হৈছে। নিজৰ মাতৃভাষাটোৰ চিন্তাত একাংশ অসমীয়াৰ হৃদয়-মন যদি এনেদৰে শংকিত বা বিহ্বল হৈ পৰিব পাৰে, তেন্তে নিশ্চিতভাৱে ধৰি ল'ব পাৰি যে তেওঁলোকৰ আৰু লগতে আন অসংখ্যজনৰ, সৰৱ সক্ৰিয়তাই অসমীয়া ভাষাক সদায় জীয়াই ৰাখিব। কেৱল মৌখিক ৰূপতে নহয় (কোনো কোনোৱে ভয় কৰাৰ দৰে), লিখিত ৰূপতো। শংকাৰ চেতনা আৰু আত্মপৰিচয়ৰ তাড়নাই তেওঁলোকৰ মাজত সৃষ্টিৰো লহৰ তুলিব। অসমীয়া ভাষা-সাহিত্য ফুলে-ফলে জাতিষ্কাৰ হৈ ৰ'ব।

ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত তেতিয়াৰ এমুঠি মাত্ৰ শিক্ষিত অগ্ৰণী অসমীয়াই চলোৱা মৰণপণ যুঁজখনৰ কথা জানো সকলো অসমীয়াই পাহৰিব পাৰিব? প্ৰৱল শক্তিধৰ ইংৰাজ প্ৰশাসনে নিজৰ সুবিধাৰ বাবে আৰু তেওঁলোকৰ গোলামি কৰা শিক্ষিত বাঙালী বাবুসকলৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ অসমৰ স্কুল-কাছাৰীত বঙলা ভাষা প্ৰৱৰ্তন কৰিছিল। অৱশ্যে ইংৰাজ শাসনৰ প্ৰথমকেইটামান বছৰত অসমীয়াৰেই কাম চলোৱা হৈছিল; কিন্তু সেই সময়ত আধুনিক অসমীয়া ভাষাই সুসংবদ্ধ আৰু তেজে-মঙহে চিকুণ ৰূপ এটা পোৱাই নাছিল। ভাষাটোৰ নাছিল কোনো ব্যাকৰণ, নাছিল পাঠ্যপুথি, নাছিল অভিধান, নাছিল আধুনিক সাহিত্যৰ কোনো ভঁৰাল। পোন্ধৰ-ষোল শতিকাৰ শংকৰী সাহিত্যৰাজিৰ বাহিৰে আৰু বোধহয় আহোম বুৰঞ্জীকেইখনৰ বাহিৰে, অসমীয়াৰ সম্পদ বুলিবলৈ আন বিশেষ একো নাছিলেই। শংকৰ-মাধৱৰ সময়ৰ পৰা ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধলৈকে মাজৰ সেই তিনিশমান বছৰত অসমীয়া সাহিত্যৰ বিশেষ একো সৃষ্টি হোৱাই নাছিল। অথচ সেই সময়ছোৱাতে ইংৰাজী সাহিত্যৰ ভঁৰাল অপৰূপ মণি-মুকুতাৰে ঠাঁহ খাই পৰিছিল, শ্বেক্সপীয়েৰৰ পৰা বাৰ্ণাৰ্ড শ্ব'লৈকে শত শত সৃষ্টিশীল প্ৰতিভাই ইংৰাজ জাতি আৰু ইংৰাজী সাহিত্যৰ আকাশত তৰাৰ দীপাৱলী পাতি ৰাখিছিল। আনকি আমাৰ চুবুৰীয়া বংগদেশতো এশ বছৰৰ আগতেই নৱজাগৰণৰ জোৱাৰ উঠিছিল। দলে দলে বাঙালী ইংৰাজী শিক্ষাৰে শিক্ষিত হৈ বিদেশী মালিক ইংৰাজৰ প্ৰশাসনিক যন্ত্ৰটো চলাব পৰাকৈ প্ৰস্তুত হৈ উঠিছিল। ইংৰাজসকল অসম শাসন কৰিবলৈ আহোতে তেনে এইখিনি শিক্ষিত বাঙালী বাবুকো লগত লৈ আহিছিল আৰু তেওঁলোকেই প্ৰশাসন, চাহ বাগিচা, স্কুল, বেংক, হাস্পতাল আদিত কেৰাণী, শিক্ষক ডাক্তৰ আদি হিচাপে মকৰল হৈছিল। সেই সময়ৰ অসমীয়াৰ অৱস্থাটোৰ কথা আমি পাহৰি গ'লে নহ'ব। তেতিয়া সাধাৰণ অসমীয়া লোকসকলহে নালাগে, শিক্ষিতসকলৰো বহুতেই নিশ্চয় বাঙালী ভাষাকে নিজৰ ভৱিতব্য বুলি বিশ্বাস কৰিবলৈ লৈছিল; কিন্তু সেই নিয়তিৰ ওচৰত আনন্দৰাম-গুণাভিৰাম-হেমচন্দ্ৰ আৰু জোনাকী যুগৰ মুষ্টিমেয় নক্ষত্ৰসকলে জানো আত্মসমৰ্পণ কৰিছিল? আৰু তেওঁলোকে আত্মসমৰ্পণৰ সলনি ভাষা-উদ্ধাৰৰ ৰণ এখন মৰসাহেৰে তৰি লৈছিল বাবেই অসমীয়া ভাষাৰ কালনিশা আঁতৰাই নতুন প্ৰভাত জানো অহা নাছিল?

এতিয়াটো অসমীয়া ভাষা-সাহিত্যৰ এটা মেটমৰা ভঁৰাল আছে। দেশৰ আন কোনো ভাষা-সাহিত্যতকৈ অসমীয়া ভাষা-সাহিত্য দুখীয়া হৈ থকা নাই। তিনিগৰাকীকৈ নমস্য সাহিত্যিক জ্ঞানপীঠ বঁটাৰেও বিভূষিত হৈছে। বছৰে বছৰে একাধিক সাহিত্যিকে সাহিত্য একাডেমিৰ বঁটাও পাই আছে। লেখক-লেখিকা ওলাইছেও জুমে জুমে। চুবুৰিয়ে চুবুৰিয়ে এতিয়া গ্ৰন্থ উন্মোচনী সভাবোৰো হৈ থাকে। গ্ৰন্থমেলাবোৰতো শই শই গল্প-কবিতা-উপন্যাস-ভ্ৰমণ কাহিনী-শিশু সাহিত্যৰ কিতাপ প্ৰকাশিত হয়। এনেদৰে প্ৰতি বছৰে বোধকৰো সহস্ৰাধিক অসমীয়া কিতাপৰ প্ৰকাশ হয়। অসমীয়া ভাষাৰ বাতৰি কাকতৰ সংখ্যাও হ'ব এক ডজনৰ ওপৰত। এই অৱস্থাত আনে নপঢ়িলেও হেজাৰ-বিজাৰ কবি-গল্পকাৰ-ঔপন্যাসিক-প্ৰৱন্ধকাৰ-শিশু সাহিত্যিক-ভ্ৰমণ কথকসকলেও যদি অসমীয়া ভাষা শুদ্ধকৈ চৰ্চা কৰি থাকে, নতুন নতুন অসমীয়া কিতাপ-পত্ৰবোৰ যদি সংগ্ৰহ কৰি পঢ়ি থাকে, অসমীয়া ভাষা সদায় জীয়াই থাকিব। আৰু এইসকলে যদি অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা আন্তৰিকতাৰে অব্যাহত ৰাখে, আন লিখকৰ কিতাপপত্ৰবোৰো সমানে পঢ়ি থাকে, তেনেহ'লে তেওঁলোকৰ অনুপ্ৰেৰণাত আন বহু হেজাৰ সাধাৰণ পাঠকৰো সৃষ্টি হ'ব। তেনেহ'লে ভাষাটো মৰিব বুলি আতংকিত হ'ব লাগে কিয়?



বহুতৰে অভিযোগ, ইংৰাজী মাধ্যমত সৰহসংখ্যক অসমীয়া ল'ৰা-ছোৱালীয়ে পঢ়িবলৈ ধৰাৰ পৰা মাতৃভাষাৰ চৰ্চা কমি গৈছে। অভিযোগটো আংশিকভাৱেহে সঁচা হ'ব পাৰে। বাতৰি কাকততে দুই-এখন চিঠি পঢ়িছো যিবোৰত পত্ৰ লেখকসকলে এই অভিযোগ খণ্ডন কৰিছে। ইংৰাজী মাধ্যমত পঢ়া অসমীয়া ল'ৰা-ছোৱালীৰো বহুতেই অসমীয়া ভাষা সুন্দৰকৈ ক'ব আৰু লিখিব পাৰে। তেওঁলোকে অসমীয়া কিতাপ-পত্ৰও পঢ়ে আৰু জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ, ভূপেন হাজৰিকা আদিৰ গীতবোৰো সুন্দৰকৈ গাব পাৰে। সেয়ে গুৰুত্বপূৰ্ণ কথা স্কুল-কলেজৰ মাধ্যমটো নহয়; দৰকাৰী কথাটো হৈছে ঘৰুৱা পৰিৱেশটোহে। দেখা যায়, ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালীৰ মাজৰে যিসকলে অসমীয়া ভাষা ভালকৈ ক'ব আৰু লিখিব পাৰে, অসমীয়া কিতাপ-পত্ৰ পঢ়ে, অসমীয়া গীত গায়, তেওঁলোকৰ ঘৰবোৰতো সেইবোৰৰ বাবে এটা সুচল পৰিৱেশ থাকে, মাক-দেউতাকসকলো হয় জাতি-সচেতন। গতিকে মাধ্যমক গালি-গালাজ পাৰি থকাতকৈ অভিভাৱকসকলৰ জাতীয় স্বাভিমান জাগ্ৰত কৰাৰ বাবেহে ৰাজহুৱা উদ্যোগ এটা পাৰিলে হাতত লোৱাটো অধিক ফলপ্ৰসূ হ'ব। এই ক্ষেত্ৰত বাঙালীসকলৰ পৰা অসমীয়াৰ শিকিবলগীয়া আছে। বাঙালী ল'ৰা-ছোৱালীয়ে য'ত যি মাধ্যমতে আৰু যি বিদ্যাকে পঢ়ি-শুনি নাথাকক কিয়, দুজন লগ হ'লেই বাঙালীত কথা পতা আৰম্ভ কৰি দিব। ঘৰলৈ আহিলেও আন্তৰ্জাতিক খ্যাতি সম্পন্ন পণ্ডিত বা বিজ্ঞানীজনো মাতে-কথাই আচৰণে একেবাৰে বাঙালী হৈ পৰে। সেই জাতিৰ ভাষিক সম্প্ৰসাৰণ নঘটি অসমীয়াৰ ঘটিবনে? অৱশ্যে বাঙালীৰ সেই গুণটোৱেই কেতিয়াবা সামাজিক দোষ বা অন্যায়ৰ ৰূপ নোলোৱাকৈয়ো নাথাকে।

বিদেশত বা বহিঃৰাজ্যৰ ভিন্ন ভাষা-ভাষীৰ মাজত বাস কৰিবলগীয়া হ'লে মাতৃভাষাৰ প্ৰতি তান সচৰাচৰ বাঢ়েহে, নকমে। আনহাতে, অসমীয়া ল'ৰা-ছোৱালীয়ে বা প্ৰবাসী পৰিয়ালবোৰে আন ৰাজ্য বা বিদেশত থাকিলে নিজৰটো পাহৰি আনৰটোহে সহজে লয় বুলি বদনাম এটা আগৰে পৰাই আছে; কিন্তু এতিয়া অসমীয়াই সেই বদনাম গাৰ পৰা আঁতৰাবলৈহে চেষ্টা চলাই আছে যেন লাগে। দিল্লী-মুম্বাই-বাংগালুৰুত থকা অসমীয়া ছাত্ৰ, যুৱক বা পৰিয়ালবোৰেও আজি-কালি বিহু পাতে, বিহু নাচে, অসমীয়াত স্মৰণিকা উলিয়ায়, সাহিত্য সভা পাতে, অসমৰ নামী-দামী পণ্ডিত-সাহিত্যিক-শিল্পীক মাতি নি অনুষ্ঠান পাতে। অসমত থকাসকলেই সিমান আন্তৰিকতাৰে হয়তো সেই কামবোৰ নকৰে, অসমীয়া কথা কেইটাও শুদ্ধকৈ নকয় বা ক'ব নোৱাৰে, লিখিলেও শাৰীয়ে প্ৰতি বানানৰ ভুল হয়। অসমৰ অসমীয়াই বহু বিজতৰীয়া শব্দক এতিয়া একেবাৰে নিজৰ কৰি লৈছে। তেওঁলোকে এতিয়া কাৰোৰ বাবে ৰৈ নাথাকে, সকলোকে 'ৰখি'হে থাকে; কণী খাবলৈ কেতিয়াবাই এৰি দিছে, এতিয়া সকলোৱে 'ডিম'হে খায়। সমাপিকা আৰু অসমাপিকা ক্ৰিয়াৰ ছেদ-ভেদো নোহোৱা কৰি পেলাইছে। হিন্দীভাষী মানুহৰ স'তে কথা পাতিবলগীয়া হ'লে ভুলে-শুদ্ধই হিন্দীকে ক'ব, তথাপি অসমীয়া নকয়, লাজ পায়। অসমীয়া জনা মাৰোৱাৰী দোকানীয়েও কোৱা শুনিছো, তেওঁলোকে অসমীয়া ক'বলৈ বিচাৰিলেও অসমীয়া গ্ৰাহকেই হিন্দীহে আৰম্ভ কৰি দিয়ে। অসমৰ সৰহভাগ অসমীয়াৰ মাতৃভাষা প্ৰেমৰ নমুনা সেইটো। সেই বুলি অসমীয়া ভাষাটো মৰি নাযায়। কাৰণ ভাষিক স্বাভিমান থকা অসমীয়া অসমতো বহুত আছে আৰু অসমৰ বাহিৰত থকা অসমীয়াসকলৰ মাজত ভাষিক চেতনাৰ উন্মেষ দৃঢ়তৰ আৰু সম্প্ৰসাৰিত হৈছে।

মোৰ ভয় হৈছে আন এটা কথাতহে। অসমীয়া ভাষা কেতিয়াও নমৰে, অসমীয়া সাহিত্যৰো সৃষ্টি শক্তিৰ বিলোপ নঘটে; কিন্তু ভাষাটো হয়তো এদিন একেবাৰে অঘৰী হৈ পৰিব। নিজৰ মাটি-ভেটি হেৰুৱাই অঘৰী হৈ পৰা অসমীয়াই ভাষা-সাহিত্যৰ ঐশ্বৰ্যখিনিকে সাবটি ঘৰৰ এচুকত হিন্দীভাষী আৰু বাঙালীভাষীৰ চৰ-ভ্ৰূকুটি খাই আৰু প্ৰৱাসীসকলে 'ধৰাৰ দিহিঙে-দিপাঙে নিবিচাৰি নিজা ঘৰ। মই এক যাযাবৰ' বুলি চাৰণ জীৱন যাপন কৰিব লাগিব।

এইদৰে ভবাৰ কাৰণ এটাই ঃ অসমীয়া জাতিটো নিজৰ ভাষাটোক লৈ যিমান স্পৰ্শকাতৰ আৰু সৰৱ, নিজৰ মাটিবাৰীবোৰৰ ক্ষেত্ৰত সিমানেই নীৰৱ আৰু উদাসীন। অসমীয়াই নিজৰ মাটি-ভেটিৰ নামত যে চিঞৰ-বাখৰ নকৰে, তেনে নহয়। তেওঁলোকে জাতি-মাটি-ভেটিৰ কথা আওৰাইয়ে থাকে সকলো সময়তে; কিন্তু সেয়া তেওঁলোকৰ প্ৰচাৰৰ শ্ল'গানহে, কামৰ নহয়। ভাষাৰ শ্ল'গানটো কিন্তু বেলেগ। সেইটো হাতে-কামে কৰি দেখুৱাই থকা শ্ল'গান। তাৰ বাবে ভাষা-সাহিত্যৰ চৰ্চা একাংশই যিদৰে দিনে-ৰাতিয়ে চলাই আছে, আন একাংশই ভাষাৰ নামত আনবোৰৰ ওপৰত দাদাগিৰিও সমানে চলাই আছে। সেয়ে ভাষাটো নমৰে; কিন্তু নিজৰ মাটিবাৰীবোৰৰ ক্ষেত্ৰত তেনে সক্ৰিয়তা বা তৎপৰতা অসমীয়াই কোনোদিনে দেখুওৱা নাই। অসমৰ প্ৰায় আটাইবোৰ চহৰৰ মাটিবাৰীবোৰৰ অধিকাংশই এতিয়া মাৰোৱাৰী-বিহাৰীৰ দখলত। সেইবোৰ আগতে অসমীয়া মানুহৰে আছিল। নিজে ব্যৱসায় কৰিবলৈ সাহস নকৰি বহিৰাগত ব্যৱসায়ীক সেইবোৰ বিক্ৰী কৰি দিছে। আৱাসিক অঞ্চলৰ মাটিও অসমীয়াই কেইলাখমান টকা বেছিকৈ পোৱাৰ লোভত মনে মনে বহিৰাগত ব্যৱসায়ীকহে বিক্ৰী কৰি আছে। মোৰ চকুৰ আগতে, আনকি মোৰ ঘৰৰ একেবাৰে কাষতে, গোলাঘাট নগৰখনৰ আটাইবোৰ মাটি মাৰোৱাৰী ব্যৱসায়ীৰ হস্তগত হৈছে। অসমীয়া মালিকেই সেইবোৰ বহিৰাগত ব্যৱসায়ীক বিক্ৰী কৰি আছে। একেদৰে চাৰিলেনৰ এক্সপ্ৰেছ হাইৱেৰ কাষৰ অসমীয়া খেতিয়কৰ মাটিবোৰো বহিৰাগত ব্যৱসায়ীকে অত্যাধিক মূল্যত বিক্ৰী কৰা হৈ গৈছে। ৰাজ্যিক হাইৱেবোৰৰ কাষৰ পথাৰ-সমাৰৰ মাটিবোৰো অসমীয়া কৃষকেই ব্যৱসায়ী-সকলৰ হাতত তুলি দি আছে। এইদৰে নগৰ তথা ব্যৱসায়ীক অঞ্চলৰ অধিকাংশ মাটিয়েই অসমীয়াৰ হাতৰ পৰা গুচি গৈছে। বাকীখিনিও এটা সময়ত যাবগৈ। অসমীয়া নিজৰ ঘৰতে আলহী হ'ব।

আনহাতে, অসমৰ খেতি, খেতিপথাৰ, চৰণীয়া পথাৰ, চৰ-চাপৰি সকলোবোৰ ক্ৰমাগতভাৱে বংগমূলীয় মুছলমান বা মিঞা কৃষকৰ হাতলৈ গৈছে বা গৈ আছে। থলুৱা অসমীয়াই খেতি-বাতিৰ কষ্টখিনিও এতিয়া কৰিবলৈ নিবিচৰা হৈছে। সেয়ে আনক দেখুৱাই বাংলাদেশী খেদা অসমীয়াই মনে মনে বা প্ৰকাশ্যেও মিঞা কৃষিশ্ৰমিক আমদানি কৰিহে পুৰণি পথাৰবোৰতো খেতি কৰিছে নাইবা মধ্য আৰু নামনি অসমৰ বহুবোৰ অঞ্চলত মিঞাকে খেতি মাটিবোৰ বেচি দি খেতিৰ লেঠাৰ পৰা আজৰি হৈছে। মিঞাৰ জনসংখ্যা বাঢ়ি আছে সবৃদ্ধিমূল হাৰত। জনবিস্ফোৰণৰ বাবে তেওঁলোকৰ মাজত ৰাহি শ্ৰমিকৰ বা কৃষকৰ কোনো অভাৱ নাই। সেই ৰাহি শ্ৰমৰ বিস্তাৰ আৰু প্ৰব্ৰজন ঘটি আছে সৰ্বত্ৰ আৰু সৰ্বদিশত।

কিন্তু অসমীয়াই যে নিজৰ মাটিবাৰীবোৰ বহিৰাগত ব্যৱসায়ী আৰু কৃষকসকলক সোপাসোপে দি আছে, তাক লৈ অসমীয়াৰ হৃদয় মন জ্বলিছেনে? সেইটো স্পৰ্শকাতৰ বিষয় বুলি গণ্য হৈছেনে? আলফাইও অনা-অসমীয়াক মাটি নেবেচিবলৈ কাহানিবা ধমকি এটাকে দিলেনে? নাই, সেইবোৰ একোৱেই হোৱা নাই। কেইলাখমান টকা বেচিকৈ পালে মাতৃভূমি বেচিব পৰা অসমীয়াই নিজৰ মাকবোৰকো ভাল দৰ পালে বেচি দিব পাৰে। সেয়ে কৈছো, ভাষাটো নমৰে, কাৰণ অসমীয়াৰ আবেগ কেৱল তাতহে আছে; কিন্তু এদিন অসমীয়া ভাষাটো অঘৰীৰ ভাষাতহে পৰিণত হ'বগৈ। সেই পৰিণামৰ পৰা অসমীয়াই যদি নিজক বচাবলৈ বিচাৰে, 'কন্যাকা' বা 'গৰুখুঁটি'ৰ বাটকেই ল'ব লাগিবগৈ। *ফোন ঃ ৮৮১১৮২৭৪৩২*

## খোলা মঞ্চ

## অসমীয়া বৰ্ণাঢ্য সাজপাৰ হেৰাই যাব নেকি?



**অসমীয়াৰ** বৰ্ণাঢ্য সাজপাৰবোৰ তথাকথিত আধুনিকতাৰ মেৰপেছত সোমাই হেৰাই যাব নেকি বুলি মানুহৰ মনত প্ৰশ্নৰ উদয় হৈছে।

প্ৰতিজন খিলঞ্জীয়া অসমীয়াৰ অন্তৰত যদি জাতি সত্তাৰ ভাব জাগ্ৰত হয়, নতুন প্ৰজন্মই যদি খিলঞ্জীয়া অসমীয়াৰ কৃষ্টি-সংস্কৃতি আদৰি লয়, শংকৰ-মাধৱৰ আদৰ্শৰে যদি অসমীয়া জাতি গঠন কৰিব পৰা যায়, পাশ্চাত্য সংস্কৃতিৰ প্ৰতি যদি মোহভংগ হয়, আৰৱীয় সংস্কৃতিৰ অৱসান ঘটাই যদি ইছলামধৰ্মী লোকসকলৰ মাজত খিলঞ্জীয়া অসমীয়াৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিব পৰা যায়, প্ৰতিজন খিলঞ্জীয়া অসমীয়া যদি নিজৰ সাজপাৰৰ প্ৰতি সচেতন হয়, তেনেহ'লে খিলঞ্জীয়া অসমীয়াৰ সাজপাৰ বিশ্বৰ দৰবাৰত জিলিকি থাকিব। তাৰ কাৰণে প্ৰতিজন খিলঞ্জীয়াই নিজৰ প্ৰতিভাৰে সকলোৰে মনত একতা, ভ্ৰাতৃত্ববোধ আৰু অসম প্ৰেম জাগ্ৰত কৰিব লাগিব। পৰস্পৰৰ মাজত থকা হিংসা, দ্বেষ, ঘৃণা, ধৰ্মৰ মনোমালিন্যতা, জাতি-উপজাতিৰ মাজত ভেদাভেদ আদি পাহৰি পৰস্পৰে পৰস্পৰক সহায়-সহযোগৰ হাত আগবঢ়াই সংবেদনশীল হ'ব লাগিব।

নানা জাতি-উপজাতি আৰু জনজাতিৰে পৰিৱেষ্টিত, বিচিত্ৰ সাজ পাৰেৰে সুসজ্জিত অসম এখন প্ৰকৃতিৰ ৰম্যভূমি। প্ৰকৃতিৰ উৎপাদিত সামগ্ৰীৰ জৰিয়তে নিজৰ কৌশল প্ৰয়োগ কৰি জাতিৰ স্বকীয় মহিমাৰে মহিমামণ্ডিত সাজপাৰ তৈয়াৰ কৰি নিজেও পৰিধান কৰে আৰু বজাৰত বিক্ৰী কৰি আৰ্থিক দিশ টনকিয়াল কৰে। উৎসৱ-পাৰ্বণ ধৰ্মীয় অনুষ্ঠান আদিত স্বকীয় সাজপাৰ পৰিধানে জাতীয় চেতনাৰ উমান দিয়ে। জাতীয় সাজপাৰে নিজক আৰু নিজৰ জাতিৰ চিনাকি প্ৰদান কৰে। আজি এইসকলৰ মাজতো সংশয়ৰ সৃষ্টি হৈছে। অতি আপোন, হেঁপাহৰ সাজপাৰবোৰ কাৰোবাৰ পাকচক্ৰত প্ৰৱেশ কৰি হেৰাই যাব নেকি?

**জ্যোতিষ চন্দ্ৰ দত্ত,** লেখক

সময় গতিশীল। সময়ৰ সোঁতত মানুহৰ মানসিক বিকাশ সাধন হয়। মানুহৰ ৰুচিবোধ সলনি হয়। তেতিয়া মানুহে নতুনৰ সন্ধান বিচাৰে। আন দেশৰ বা ৰাজ্যৰ কম দামত, জকমকীয়া, জটিলতাহীন নতুন ৰূপাংকন আৰু নতুন ফেছনৰ বস্তুৰ প্ৰতি আকৰ্ষিত হয়। গতিকে ইয়াৰ প্ৰতিৰোধৰ বাবে সময়ৰ লগত খোজ মিলাই উৎপাদিত সামগ্ৰীসমূহৰ দ্বাৰা তৈয়াৰী পুৰণি সাজপাৰৰ ৰূপাংকন সলনি কৰি ৰুচিবোধ অনুসাৰে ফেছনত মুকলি কৰি দি নতুন প্ৰজন্মক আকৰ্ষিত কৰিব লাগিব। উদাহৰণ স্বৰূপে এৰী চাদৰৰ চাহিদা কমি যোৱাৰ লগে লগে এৰি চাদৰৰ সলনি কামিজ কোট আদি তৈয়াৰ কৰি মুকলি কৰি দিয়াৰ বাবে, তাৰ প্ৰতি নতুন প্ৰজন্ম আকৰ্ষিত হৈছে। গতিকে পুৰণিক খামোচ মাৰি ধৰি থাকিলেই সংস্কৃতি ৰক্ষা কৰিব নোৱাৰে। সময়ৰ ফাঁকে ফাঁকে প্ৰয়োজনীয়তাৰ মাজে মাজে নতুন ৰূপাংকন স্বীকাৰ কৰি ল'ব লাগিব। এৰী, পাট-মুগা পোহা কপাহৰ খেতিৰ প্ৰতি নতুন প্ৰজন্মক উৎসাহিত কৰিব লাগিব। খিলঞ্জীয়া অসমীয়াৰ উৎসৱ- পাৰ্বণ, ধৰ্মীয় অনুষ্ঠান আদিত জাতীয় সাজপাৰ পৰিধান কৰাত গুৰুত্ব প্ৰদান কৰিব লাগিব। ইতিমধ্যে কিছুমানে এই দিশত যথেষ্ট আগভাগ লৈছে। ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত জাতীয় সাজপাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে। বিগত বিধানসভাত ইয়াৰ প্ৰতিফলন দেখা পোৱা গৈছে। খিলঞ্জীয়া অসমীয়াৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি আনকি আকৰ্ষিত কৰিবলৈ হ'লেই নিজেও ইয়াৰ নিদৰ্শন দাঙি ধৰিব লাগিব। পুৰণি গাম খাৰু, কাণৰ থুৰীয়া আদিৰ সংশোধিত ৰূপাংকন গ্ৰহণ কৰাত অৰিহণা যোগাব লাগিব।

প্ৰতিজন খিলঞ্জীয়াই যদি নিজৰ জাতীয় সাজপাৰৰ প্ৰতি শ্ৰদ্ধাশীল হয়, উৎসৱ-পাৰ্বণ, ধৰ্মীয় অনুষ্ঠান আদিত নিজৰ জাতীয় সাজপাৰ পৰিধান কৰে, এৰী মুগা-পাট পলু পোহাৰ ব্যৱস্থা কৰে, নিজৰ জাতীয় সাজপাৰৰ প্ৰতি সচেতনশীল হয়, তেনেহ'লে অসমীয়াৰ বৰ্ণাঢ্য সাজপাৰ কেতিয়াও হেৰাই যাব নোৱাৰে। *ফোন ঃ ৯৮৫৪০-৪১৮১৫*

## সংস্কৃতি আৰু অৰ্থনীতিৰ চিৰন্তন সম্পৰ্কত

# গোলকীয় সংস্কৃতিৰ দুৰ্নিবাৰ আগ্ৰাসন

**ড° অনিল কুমাৰ শইকীয়া**

**চিকাৰী** জীৱন, জুই আৱিস্কাৰ আৰু কৃষি জীৱন গ্ৰহণ কৰি আদিম জনগোষ্ঠীসমূহে সভ্যতাৰ ক্ৰমবিকাশ ঘটাই সংস্কৃতি আৰু অৰ্থনীতিৰ এক স্বকীয় ঐতিহ্যৰ ভেটি গঢ়ি তুলিছিল। কৃষি সভ্যতাই সংস্কৃতিৰ মৌলিক চৰিত্ৰ উন্মোচিত কৰাই নহয়, ইয়াৰ বিকাশ আৰু পৰিৱৰ্তন সম্ভৱ কৰি তুলিছিল। কৃষি শ্ৰমৰ লগত সংস্কৃতিৰ সম্পৰ্ক অতি নিবিড় আৰু গভীৰ ৰূপত সংপৃক্ত হৈ আছে আৰু সংস্কৃতিৰ লগত শ্ৰমৰ উৎকৰ্ষতা নিহিত হৈ থাকে।

সংস্কৃতি আৰু অৰ্থনীতিৰ অনিবাৰ্য সম্পৰ্ক আৰু ইহঁতৰ দ্বৈত ভূমিকা তথা উৎকৰ্ষতাৰ প্ৰসংগত জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ 'ভাবিব কালৰ সংস্কৃতি'ত বৰ সুন্দৰকৈ আৰু সাৰ্বজনীনভাৱে বিশ্লেষণ আগবঢ়াই থৈ গৈছে। তেওঁৰ ভাষাৰেই কোৱা হওক যে বাস্তৱিক সংস্কৃতি প্ৰকাশৰ বাহনটো অৰ্থনীতি হোৱাত কেৱল মানৱ জীৱনৰ বাস্তৱিক সম্পাদিত প্ৰকাশটো অকলে চালে মানুহটোক এটা অৰ্থনৈতিক জীৱ বুলিও ক'ব পাৰি। .....অন্তৰ সংস্কৃতিৰো আকৌ এক হিচাপে গুৰিতে অৰ্থনীতি। দেহৰ পোষক হ'ল অন্ন, ভাত। সেইবাবে অৰ্থনীতি আধ্যাত্মিক প্ৰকাশ বা উন্নতিৰো গুৰিতেই। সংস্কৃতিৰ প্ৰধান অৱলম্বন হৈছে অৰ্থনীতি। সেইকাৰণে অৰ্থনীতি বিপৰ্যয় হ'লে দেশৰ সংস্কৃতিৰ নানা সৌন্দৰ্যমণ্ডিত বৰঘৰটো ভাগি যাব পাৰে (সাম্প্ৰতিক সময়ত এনে সম্ভাৱনা সৰ্বত্ৰ প্ৰত্যক্ষ হৈ আছে)। সেইদৰে আকৌ সংস্কৃতিৰ অন্তৰভাগৰ কোনো বিভাগত কেৰোণ লাগিলে তাৰ প্ৰতিক্ৰিয়া অৰ্থনীতিত পৰি মানৱৰ সভ্যতা-সংস্কৃতিৰ বিপদ ঘটায়। নৈতিকতা অন্তৰ সংস্কৃতিৰ বস্তু— তাৰ বাস্তৱ সংস্কৃতিৰ ওপৰত প্ৰভাৱ আছে।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ এই কথাখিনি আঁত ধৰি আমাৰ সংস্কৃতিৰ বিপৰ্যয় আৰু স্খলিত অৱস্থাটো আলোচনা কৰিবলৈ লৈছো। সম্প্ৰতি উদাৰীকৰণ অৰ্থনীতিৰ তথা গোলকীকৰণৰ কু-সংস্কৃতিয়ে আমাৰ সামাজিক অনুষ্ঠান যেনে— পৰিয়াল, বিবাহ আৰু লিংগৰ ক্ষেত্ৰতো আঘাত হানিছে। অধিক বয়সত বিবাহ কাৰ্যটো গোলকীকৰণৰ কু-ফল, কম সন্তান জন্ম দিয়া, বহুদিন সন্তান জন্ম দিয়াৰ পৰা বিৰত থকা, বিবাহ কাৰ্য পলমকৈ কৰা, সন্তান আৰু পৰিয়ালক সংগ দিয়াৰ পৰা আঁতৰি থকা, পিতৃ-মাতৃৰ মূল্যবোধ কলুষিত কৰিছে। ভোগৰ লগত জড়িত খাদ্যাভ্যাসৰ পৰম্পৰাগত সংস্কৃতি এতিয়া পৰিচিত নহয়। সাম্প্ৰতিক সময়ত মানুহে কি খাব, কি পিন্ধিব, ক'ত যাব, কি গাব, কি শুনিব সকলো নিৰ্দেশনা আহে বজাৰ সংস্কৃতিৰ পৰা। প্ৰকৃততে ক'বলৈ গ'লে মানুহক গঢ়ি তোলা হৈছে বজাৰ সংস্কৃতিৰ দ্বাৰাইহে। ইয়াৰ সুপৰিবাহী ব্যৱস্থাপনাবোৰ যিকোনো প্ৰচাৰ মাধ্যমেই সফল কৰি তোলে।

এইখিনিতে সুন্দৰ দুটি বৈপৰীত্যৰ বাক্য উল্লেখ কৰিব খোজা হৈছে। পৌৰাণিক বা অতীতত কোৱা হৈছিল— I think, therefore I am আৰু এতিয়া কোৱা হয় I consume, therefore, I am এনে ব্যক্তিকেন্দ্ৰিক স্বাৰ্থপৰতা সম্প্ৰতি ভোগবাদী সংস্কৃতিৰ উৰ্বৰা ফচল।

পৰম্পৰাগত নৈতিকতাক লৈ আমি গৰ্ববোধ কৰি আহিছিলো য'ত বিশ্বাস, ৰাজহুৱা কৰ্মনিষ্ঠতা, সমন্বয়, আনৰ লগত সম্পৰ্ক, বৈবাহিক পবিত্ৰতাৰ মৰ্যাদা জড়িত হৈ আছিল। এনেবোৰ পৰম্পৰাগত সংস্কৃতিক লৈ আমি বিশ্বাস স্থাপন কৰি আহিছিলো। পিছে আজি এনে মূল্যবোধৰ সংস্কৃতিৰ স্থানত 'বিকল্প নৈতিক' সংস্কৃতিয়ে অৱস্থান গ্ৰহণ কৰিবলৈ ধৰিছে। স্পষ্টকৈ ক'বলৈ গ'লে গোলকীকৰণে উৎসাহিত কৰিছে 'New era of alternative life-style (অৰ্থাৎ ভোগবাদী সৰ্বস্বতাক), বিকল্প যৌন নৈতিকতা (অৰ্থাৎ শিথিল যৌন ব্যৱস্থা) আৰু বিকল্প নৈতিক সম্পৰ্ক। বজাৰকেন্দ্ৰিক অৰ্থব্যৱস্থাই এনেধৰণৰ বিকল্প নৈতিকতাক Progressive morality অৰ্থাৎ 'প্ৰগতিশীল নৈতিকতা' বুলিহে আদৰণি জনাই আহিছে।

গোলকীকৰণ একমাত্ৰ অৰ্থনৈতিক প্ৰবাহেই নহয়, ই সাংস্কৃতিক প্ৰবাহৰ অন্যতম শক্তিশালী বাহক, ইয়াৰ ফলত বিশ্বব্যাপী গোলকীকৰণে পৰম্পৰাগত সংস্কৃতি আৰু পৰিচয়ৰ ওচৰত প্ৰচণ্ড প্ৰভাৱ পেলাইছে, বিশেষকৈ অনা-পশ্চিমীয়া ৰাষ্ট্ৰসমূহত। এই প্ৰসংগত ডি এন ধানাগাৰেৰৰ বক্তব্য এনেধৰণৰ— The prirnicious effects (evil effects) of globalisation on local community and culture বহুজাতীয় নিগম আৰু প্ৰচাৰ মাধ্যমবিলাকে গোষ্ঠীয় পৰম্পৰা আৰু শিল্পৰ ওপৰত অলেখ কু-প্ৰভাৱ পেলাইছে। স্থানীয় অৰ্থব্যৱস্থা ক্ৰমশঃ শোচনীয় হৈ আহিছে। বৃদ্ধা অৱস্থাত অৱহেলা কৰা, খাদ্য-আচাৰ আচৰণৰ পৰিৱৰ্তন, বহুবিবাহ তথা বিবাহিতৰ বহুজনৰ স'তে অবৈধ সম্পৰ্ক স্থাপন কৰা, দেশীয় সংস্কৃতি বিৰোধী পাশ্চাত্য-সংস্কৃতিৰ প্ৰতি প্ৰৱল আকৰ্ষণ, কৰ্পৰেটকেন্দ্ৰিক মানসিকতা সৃষ্টি, সামাজিক সম্পৰ্কৰহিত আদি কিছুমান সংস্কৃতিৰ অধিকাৰী হৈ উঠাত আমাৰ সমাজৰ মৌলিক মূল্যবোধ বিসৰ্জন দিবলৈ ধৰিছে। অসমত এই মুহূৰ্তত বিহু বা অন্যান্য ধৰ্মীয় অনুষ্ঠানতো সাত্বিকতা বিসৰ্জন দি যৌন আবেদনযুক্ত, ৰোমাঞ্চকৰ নৃত্য-গীত পৰিৱেশন কৰা (বিশেষ প্ৰসংগত ৰাস অভিনয়ত) ব্যৱস্থাবোৰ গোলকীয় অথবা নব্য উদাৰবাদ সংস্কৃতিৰ দুৰ্দান্ত ফচল, সম্প্ৰতি চূড়ান্ত যৌনতাৰ আগ্ৰাসনত একাংশ উচ্চধনীক লোক সোমাই পৰিছে। বিবাহৰ প্ৰকৃত মূল্যবোধ, মৰ্যাদা আদিৰ লগত জড়িত সাংস্কৃতিক গোলকীয় সংস্কৃতিয়ে কলুষিত কৰিছে। সেয়ে সমাজবিজ্ঞানী এছ এল শৰ্মাই পৰামৰ্শ আগবঢ়াই কৈছে যে- Now effect need to be made by the spouse to make marriage work and it will wrong to observe that in many cases conventional marriage is providing inadequate rope with new development.

গোলকীকৰণে পৰিয়ালৰ মাজত থকা সম্পৰ্কিত সংস্কৃতি অপমানিত কৰিছে। আধুনিক অৰ্থ ব্যৱস্থাই যৌথ পৰিয়ালকেন্দ্ৰিক সংস্কৃতিৰ নস্যাৎ কৰি একক পৰিয়াললৈ পৰ্যবসিত ঘটাইছে। অতিমাত্ৰাত ব্যক্তিকেন্দ্ৰিক বস্তুবাদী চিন্তাৰ আৱৰ্তত সোমাই পৰিবলৈ বাধ্য কৰিছে। পৰিয়ালত এতিয়া কেৰিয়াৰ সৰ্বস্বতা আৰু ভোগ্যৰ প্ৰাধান্যই স্থান লাভ কৰাত আমাৰ পৰম্পৰাগত ধ্যান-ধাৰণা আৰু মূল্যবোধৰ সংস্কৃতিক অতিক্ৰম কৰিব/কৰিছে। আমি সম্প্ৰতি এনে এখন আধুনিকতা সৰ্বস্ব অৰ্থনীতিৰ আৱৰ্তত সোমাই পৰিছো য'ত Double income single childৰ পৰিৱৰ্তে Double incame no-child মানসিকতাৰে নিমজ্জিত হৈ পৰিছো। আশ্চৰ্যজনকভাৱে বহু দম্পতীৰ নিঃসন্তান হোৱা দুৰ্ভাগ্যৰ মূলতে আছে আমাৰ ভোগবাদী জীৱন-যাপন। আমাৰ সমাজ ব্যৱস্থাত গোলকীকৰণে প্ৰদান কৰা এনে সংস্কৃতিয়ে সামাজিক মূল্যবোধৰ সংস্কৃতি বিনষ্ট কৰিছে, যুগ্মজীৱন সংসাৰ কৰা বহু দম্পতীৰ সংসাৰ ভাগি গৈছে। সেইদৰে পুত্ৰৰ অতি দায়বদ্ধতা মাতৃকেন্দ্ৰিক হোৱাৰ বিপৰীতে পিতৃকেন্দ্ৰিক হৈ পৰিছে, ফলত মাতৃৰ উমাল স্নেহ হৈ পৰিছে যান্ত্ৰিক অথবা কৃত্ৰিম। নিজ সন্তানৰ কেৰিয়াৰ গঢ়াৰ প্ৰতি ইমানেই ব্যাকুল হৈ পৰিছো যে আমাৰ পবিত্ৰতম সংস্কৃতিৰে আবৃত্ত চৰিত্ৰ গঠনৰ মূল্যবোধ পাহৰি গৈছো। সেয়ে যুৱ সমাজৰ উশৃংখলতাই আমাৰ সমাজ ব্যৱস্থাত ভয়ংকৰ সমস্যা হিচাপে থিয় দিছে। সাংঘাতিক নিঃসংগতাবোধে সন্তানক ড্ৰাগছ অথবা বহু অপৰাধমূলক কৰ্মত লিপ্ত কৰাবলৈ উৎসাহিত কৰি আহিছে।

অতি সম্প্ৰতি এনে এক ভয়লগা প্ৰজন্মৰ সংঘাত যিদৰে প্ৰত্যক্ষ হৈছে সেইদৰে এচামে প্ৰজন্মৰ সংঘাত হ্ৰাস কৰিবলৈও আগবাঢ়ি আহিছে। এনে ইতিবাচক দৃষ্টিভংগীৰ পৰা হয়তো পলমকৈ হ'লেও শুভফল আশা কৰিব পাৰি। আজি নতুন প্ৰজন্মই পৰম্পৰাগত সংস্কৃতিৰ প্ৰতি প্ৰশ্ন তুলিছে আৰু এনে সংস্কৃতিক সময়ৰ সংস্কৃতি নহয় বুলি ক'বলৈ প্ৰয়াস কৰিছে। গোলকীকৰণৰ সাংস্কৃতিক বৈচিত্ৰ্যতাৰ সংবাদ লোৱা আৰু সোৱাদ পোৱা আমাৰ নতুন প্ৰজন্মই থলুৱা সংস্কৃতিৰ বৈচিত্ৰ্যতাৰ বৈভৱৰ ভূ নাপায়। পিতৃৰ প্ৰতি দায়বদ্ধতা. পুত্ৰৰ প্ৰতি কৰ্তব্যনিষ্ঠাৰ সংস্কৃতি এতিয়া দুষ্কৃতিৰে পৰিবেশিত, সম্প্ৰতি গোলকীকৰণে আমাৰ পৰিয়ালৰ মাজত থকা সম্পৰ্কবোৰ সাংকেতিক কৰি পিতৃ-মাতৃৰ প্ৰতি থকা কৰ্তব্যক উপেক্ষা কৰিবলৈ বাধ্য কৰাইছে। এনে প্ৰেক্ষাপটত চৰকাৰে পিতৃ-মাতৃৰ প্ৰতি থকা কৰ্তব্যক আইনৰ যোগেদি বাধ্য কৰাব লগা হৈছে।

গোলকীকৰণৰ পৰম সংস্কৃতি ভোগবাদত বিধ্বস্ত সমাজত আমাৰ পৰম্পৰাগত বিশ্বাস আৰু মূল্যবোধ আজি ভূ-লুণ্ঠিত হৈছে। সাম্প্ৰতিক সময়ত ভোগবাদৰ সংস্কৃতি, নৈতিক নিষ্ঠাহীনতা আৰু অৱনমিত সভ্যতা গোলকীকৰণৰ ফলশ্ৰুতি বুলি পৰিচিত হৈছে। ভোগবাদী সংস্কৃতি উদ্যাপন কৰাই হৈছে গোলকীয় সংস্কৃতিৰ পৰমতম লক্ষ্য। বৃহৎ শ্বপিং মল, আকৰ্ষণীয় বজাৰ, বহুমুখী আৰু বিবিধ সামগ্ৰীৰে পৰিবেশিত এককযুক্ত বজাৰ অৰ্থনীতিৰ প্ৰাদুৰ্ভাৱ সৰ্বত্ৰ। মানুহৰ জীৱনশৈলী পৰিৱৰ্তন ঘটাই ভোগবাদী অৰ্থনীতিয়ে লাভ সৰ্বস্ব বজাৰ সম্প্ৰসাৰণ ঘটাইছে। বিভিন্ন ব্ৰেণ্ডৰ আকৰ্ষণীয় পোষ্টাৰ, চেনেল সমূহত অভূতপূৰ্ব বিজ্ঞাপন আদিয়ে আমাৰ সাংস্কৃতিক অহৰহ পতনুৱা সংস্কৃতিক উৎসাহিত কৰি আহিছে।

গোলকীকৰণৰ চিৰন্তন সংস্কৃতিয়ে থলুৱা সংস্কৃতিৰ বিশেষ দিশত আঘাত হানিছে। ভোগবাদী সংস্কৃতিৰ আগ্ৰাসনে পৰম্পৰাগত জীৱনশৈলী আৰু পছন্দৰ ক্ষেত্ৰত অনিষ্ট সাধন কৰিছে। সংস্কৃতিৰ পণ্যকৰণে থলুৱা সংস্কৃতিকো পণ্যৰ বজাৰলৈ পৰ্যবসিত কৰাইছে আৰু সেয়ে তেনে সংস্কৃতি বজাৰ সংস্কৃতিৰ অন্যতম প্ৰতীক হিচাপে পৰিচিত কৰোৱা হৈছে। সাম্প্ৰতিক সময়ত থলুৱা সংগীতৰ স'তে পাশ্চাত্যৰ সংগীতৰ মিশ্ৰণ ঘটাই একপ্ৰকাৰ দুৰাৰোগ্য সংস্কৃতিৰ সৃষ্টি কৰা হৈছে যিটোৱে থলুৱা সংগীতৰ উত্তৰণ আৰু পৰিচিতিৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলাইছে। গোলকীকৰণ সংস্কৃতিয়ে ধৰ্মীয় মৌলবাদ সংস্কৃতিকো উৎসাহিত কৰি আহিছে। গোষ্ঠীয় জাতীয়তাবাদ আৰু ইয়াৰ মৌলবাদ সৃষ্টি আৰু বিকাশৰ মূলতে আছে গোলকীয় চিৰন্তন সংস্কৃতি।

এনেদৰেই গোলকীকৰণৰ অগ্ৰগতিয়ে অকল অৰ্থনীতিকেই নহয়, সামাজিক-সাংস্কৃতিক তথা ভাষিক দিশতো বিকৃত প্ৰভাৱ পেলাই জনগোষ্ঠীয় সংস্কৃতিক দুষ্কৃতিৰ গৰাহলৈ ঠেলি দি গোলকীয় সংস্কৃতিয়ে অজগৰ সাপৰ দৰে গিলি পেলাইছে। বহু সময়ত পৰম্পৰাগত সংস্কৃতিৰ দোহাই দি গোলকীয় সংস্কৃতিৰ বাহকবোৰে মুনাফা আহৰণৰ নানা কৌশল অব্যাহত ৰাখিছে। আমাৰ জনগোষ্ঠীসমূহক আভুৱা ভঁৰাই সেই সকলৰ সংস্কৃতিক বিশ্ব সংস্কৃতিলৈ লৈ যোৱাৰ পাশ্চাদপটত কিন্তু সদায়ে কপটতা অথবা মিথ্যাচাৰ তথা প্ৰলোভনৰ মানসিকতা সংপৃক্ত হৈ থাকে।

সেয়ে সময় আহি পৰিছে— এই গোলকীকৰণৰ তথাকথিত চিৰন্তন সংস্কৃতিৰ আগ্ৰাসনক প্ৰতিহত কৰা। স্বকীয় সংস্কৃতিৰ মৌলিকতাক বিসৰ্জন দিয়া মানে জনগোষ্ঠীৰ মৃত্যু ঘটা। সেয়ে আত্মঘাতী প্ৰৱণতাক প্ৰতিহত কৰি আমাৰ সাংস্কৃতিক বৈভৱ সুৰক্ষিত কৰিবলৈ নতুন প্ৰজন্মই শক্তি আৰু সামৰ্থ্য দুয়োটাই আহৰণ কৰিব পাৰিব লাগিব। দুষ্কৃতিক চিনি পাবলৈ, দুষ্কৃতিৰ ছলনা বুজি উঠিবলৈ আমি নিশ্চিতভাৱে সংস্কৃতিৰ অভিযান অত্যন্ত প্ৰয়োজন হ'ব। *ফোন ঃ ৬০০১৬৮৫৭৮৪*

## শুধৰণি

**যোৱা ১৮ ডিচেম্বৰত পঞ্চম পৃষ্ঠাত প্ৰকাশিত, 'অসমীয়া ভাষা নাথাকে, গৈছেই'— শীৰ্ষক মোৰ প্ৰৱন্ধটোৰ শেষৰ ফালে এটা ছপাৰ ভুল থাকি গৈছিল। উক্ত ভুলটো হ'ল '— বাংলাভাষীকে ধৰি, সমগ্ৰ পৃথিৱীত বাংলাভাষীৰ সংখ্যা ৪০৪২ কোটি।' দৰাচলতে সেই সংখ্যা '৪০৪২ কোটি' (চাৰি হেজাৰ বিয়াল্লিশ কোটি) নহয়, ৪০/৪২ কোটি (চল্লিশ/বিয়াল্লিশ কোটি)হে। কিন্তু ছপাৰ সময়ত ৪০ আৰু ৪২ৰ মাজৰ বক্ৰৰেখা (Obligue mark) ডাল থাকি যোৱা হেতুকে কোনো কোনো পাঠকৰ মনত বিভ্ৰান্তিৰ সৃষ্টি হোৱা বাবে এই স্পষ্টীকৰণটো আগবঢ়ালোঁ। লগতে, মোৰ ফৌন নম্বৰটো, ছপা হোৱাৰ দৰে,— ৯৮৬৪৩-৬৯৬২১ নহয়; ৯৮৬৪৩-৬৯৮২১-হে।**

**দেৱেন দত্ত, সুন্দৰপুৰ, গুৱাহাটী-৫, ফোনঃ ৯৮৬৪৩৬৯৮২১**

কিছুমান প্ৰসাধন সামগ্ৰী মানুহে প্ৰকৃতিজাত ফুল, পাত, ফল, কলি আদিৰ পৰা প্ৰস্তুত কৰিছিল। এই প্ৰসাধন সামগ্ৰীবোৰৰ নানা ঔষধি গুণো আছিল। আকৌ মানুহৰ ছাল ভালে ৰাখিবলৈ ওঁঠ নফটাকৈ ৰাখিবলৈ, মুখ মণ্ডলৰ সতেজতা বঢ়াবলৈ চুলি নসৰাকৈ ৰাখিবলৈ আদি নানা কামত নানা প্ৰসাধন সামগ্ৰী তৈয়াৰ কৰি ব্যৱহাৰ কৰিছিল।





# তাহানিৰ অসমৰ সুগন্ধি দ্ৰব্যৰ প্ৰসাধন শিল্প

## মৃগেন শৰ্মা

**প্ৰাচীন** কালত অসমত থলুৱাভাৱে প্ৰস্তুত কৰা প্ৰসাধন সামগ্ৰীবোৰ অংগসজ্জাত ব্যৱহাৰ হৈছিল। গতিকে সেই সময়ত প্ৰসাধন সামগ্ৰীৰ শিল্প প্ৰচলিত আছিল বুলি গম পোৱা যায়। আমি ক'ব বিচাৰিছো কিছুমান প্ৰসাধন সামগ্ৰী মানুহে প্ৰকৃতিজাত ফুল, পাত, ফল, কলি আদিৰ পৰা প্ৰস্তুত কৰিছিল। এই প্ৰসাধন সামগ্ৰীবোৰৰ নানা ঔষধি গুণো আছিল। আকৌ মানুহৰ ছাল ভালে ৰাখিবলৈ ওঁঠ নফটাকৈ ৰাখিবলৈ, মুখ মণ্ডলৰ সতেজতা বঢ়াবলৈ চুলি নসৰাকৈ ৰাখিবলৈ আদি নানা কামত নানা প্ৰসাধন সামগ্ৰী তৈয়াৰ কৰি ব্যৱহাৰ কৰিছিল।

**বিশ্বত প্ৰসাধন সামগ্ৰী প্ৰস্তুতৰ বৈচিত্ৰ্যময় কথা ঃ** বিশ্বৰ নানা ঠাইত প্ৰকৃতিজাত গছ, পাত আদিৰ পৰা নানা ধৰণৰ প্ৰসাধন সামগ্ৰী তৈয়াৰ কৰা হয়। এই বিষয়ত সেই ঠাইবোৰত পৰম্পৰাগত প্ৰসাধন শিল্প চলি আহিছে। আমি এই বিষয়ে ক'ব বিচৰা নাই। আমি ইয়াত সচৰাচৰ মানুহে ব্যৱহাৰ নকৰা কিছুমান বস্তুৰ পৰা প্ৰসাধন সামগ্ৰী প্ৰস্তুত শিল্পৰ বিষয়ে আলোকপাত কৰিব লৈছো আধুনিক ভেষজ বিজ্ঞানৰ পিতৃস্বৰূপ হিপ'ক্ৰেতাছে মানুহৰ দেহৰ পৰা জুয়ে পোৰা দাগ আঁতৰাবলৈ গাখীৰৰ স'তে শামুকৰ খোলাৰ গুড়ি ব্যৱহাৰ কৰাৰ পৰামৰ্শ দিছে।

জাপানত জীৱন্ত শামুক ব্যৱহাৰ কৰি প্ৰসাধন কৰা হয়। এই দেশৰ বিভিন্ন ঠাইত সৌন্দৰ্যকেন্দ্ৰ স্থাপন কৰা 'Ci:Z. Lado' নামৰ প্ৰতিষ্ঠানটোৰ মুখ্য কাৰ্যালয়ৰ মুখপত্ৰ 'মানামী টাকামূৰা'ত এই বিষয়ে ব্যাখ্যা কৰি তেওঁলোকৰ গ্ৰাহকসকল জীৱিত শামুক ব্যৱহাৰ কৰি লাভৱান হোৱাৰ কথা কয়। এই উদ্দেশ্য তেওঁলোকে বিশেষ প্ৰজাতিৰ শামুক বিধক পৰিষ্কাৰ পাত্ৰত ৰাখি আহাৰ হিচাপে জৈৱিক পদ্ধতিৰে উৎপাদন কৰা শাক-পাচলি ৰাখে, যাতে গ্ৰাহকৰ শৰীৰত তুলি দিয়াৰ আগতে ইহঁত পৰিষ্কাৰ হৈ থাকিব পাৰে। শামুকৰ দ্বাৰা সৌন্দৰ্য চৰ্চাৰ এই পদ্ধতিটোৰ নাম দিছে 'Celebrity Escargot Course'। এই সৌন্দৰ্য চৰ্চাৰ সম্পূৰ্ণ ক্ৰমটোৰ মূল্য ২৪,১৫০ ইয়েন বা ভাৰতীয় হিচাপত ১৪,৪২১ টকা। আকৌ সৌন্দৰ্য চৰ্চাত ব্যৱহাৰ কৰা এই শামুকবোৰৰ প্ৰতিটোৰ মূল্য ১০,৫০০ ইয়েন বা ভাৰতীয় হিচাপত ৬,২৭০ টকা।

মানুহৰ মুখমণ্ডলৰ পৰা বালিৰেখা আৰু বয়সৰ চাপ নাইকিয়া কৰিবৰ কাৰণে কেঁচুৰ বিষ্ঠা ব্যৱহাৰ কৰা হয়। এটা প্ৰতিষ্ঠানে কেঁচুৰ বিষ্ঠাৰে তৈয়াৰ কৰা সামগ্ৰীবিধ 'Wrinkle Butter Brand' নাম দি বজাৰত এৰি দিছে। এই সামগ্ৰীবিধ কেঁচুৰ বিষ্ঠাক বীজাণুমুক্ত কৰি তাৰ লগত নিৰ্দিষ্ট অনুপাতত চাহ, চায়েনী, বনস্পতি তেল আদি বস্তু মিহলাই লৈ তৈয়াৰ কৰা হয়।

এইবাৰ আহিছো অসমৰ প্ৰসাধন সামগ্ৰী প্ৰস্তুত শিল্পৰ ক্ষেত্ৰখনলৈ। অসমত সুদূৰ তাহানিৰ পৰা প্ৰকৃতিজাত গছৰ পাত, কাঠ, ফুল, ফল আদিৰ পৰা প্ৰসাধন প্ৰস্তুত কৰা শিল্প চলি আহিছে।

**প্ৰাচীন অসমৰ প্ৰসাধন শিল্প**

প্ৰাচীন কালত প্ৰসাধন সামগ্ৰী হিচাপে সুগন্ধি তেল ব্যৱহাৰ হৈছিল। এই তেল প্ৰকৃতিজাত গছ-গছনিৰ পৰা যন্ত্ৰপাতিৰ সহায় নোলোৱাকৈ প্ৰস্তুত কৰা হৈছিল। এই ক্ষেত্ৰত নাম ল'ব পাৰি অগৰু বা আতৰ তেল শিল্পৰ।

**প্ৰাচীন অসমৰ অগৰু শিল্প**

অগৰু গছৰ পৰা অগৰু সুগন্ধি তেল প্ৰস্তুত কৰা হয়। অসমত পৰ্যাপ্ত পৰিমাণে সাঁচিগছ আছে।



এই সাঁচিগছৰ কাঠৰ পৰা অগৰু এক পদ্ধতিৰে উৎপাদন কৰা হয়। এই সুগন্ধি তেল অতীতৰ পৰা বৰ্তমানলৈ প্ৰসাধন সামগ্ৰীৰূপে ব্যৱহাৰ হৈ আহিছে।

**সুগন্ধি তেল অগৰু উৎপাদন কৰা সাঁচিগছ**

এজোপা পূৰঠ সাঁচিগছৰ উচ্চতা সৰ্বোচ্চ ১৫ মিটাৰ আৰু ব্যাস ডেৰ বা দুই মিটাৰ। সাঁচিগছক সংস্কৃতত 'অগৰু' বোলে। সাঁচিগছৰ পৰা অগৰু তেল উৎপাদন হয়। অসমত দুই জাতৰ সাঁচিগছ পোৱা যায়। এই দুবিধ হ'ল 'জাতি' আৰু 'ভোলা'। ইয়াৰে ভোলা জাতৰ গছবিধ সোনকালে ডাঙৰ হয়। কিন্তু জাতি গছবিধৰ পৰা উৎকৃষ্ট তেল লাভ কৰা যায়। ইয়াৰ চাহিদা আন্তৰ্জাতিক বজাৰত সকলোতকৈ বেছি। আকৌ ব্যৱসায়িক দিশৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব অধিক।

**সাঁচিগছৰ পৰা তেল উৎপাদন পদ্ধতি ঃ**

সাঁচিগছত পোকে আক্ৰমণ কৰিলে গছজোপাত বিন্ধা কৰি ভেঁকুৰ সহজেই ভিতৰলৈ সোমাই যায়। ইয়াৰ উপৰি দা-কুঠাৰেৰে গছজোপাত ঘপিয়ালেও আঘাতপ্ৰাপ্ত ঠাইৰে পোকে গছজোপাত সহজে প্ৰৱেশ কৰে। এই পোকবিধৰ নাম 'এস্থেৰিয়া হেলফেৰি'। তেতিয়া গছজোপাত ভেঁকুৰ সৃষ্টি হয়। ভেঁকুৰযুক্ত সাঁচিগছৰ পৰা সুগন্ধি তেল প্ৰস্তুত কৰা হয়। তেলযুক্ত সাঁচিকাঠক কোৱা হয় 'কচ'। এনে এক কিলোগ্ৰাম সাঁচিকাঠৰ পৰা ০.৭৫ৰ পৰা ২.৫ তোলা তেল উৎপাদন হয়। বৰ্তমান এই তেলৰ দাম তোলাত সাত হেজাৰৰ পৰা ১২ হেজাৰ টকা। সাঁচিগছত তেল সৃষ্টি প্ৰক্ৰিয়াৰ কথাটো 'অসম উদ্ভিদ বিজ্ঞান সমিতি'ৰ দ্বাৰা প্ৰকাশিত আলোচনী' উদ্ভিদ বিজ্ঞান বিভাগৰ পত্ৰিকা (তৃতীয় বছৰ ঃ দ্বিতীয় সংখ্যাত ২০১২-১৩ত এক নিৰন্ধত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° নিলাক্ষী দেৱীয়ে লেখিছে— 'সাধাৰণতে প্ৰাকৃতিক পৰিৱেশৰ প্ৰভাৱত আঘাতপ্ৰাপ্ত সাঁচিগছত 'Phaecoacremonium Parasitica' নামৰ ভেঁকুৰৰ দ্বাৰা আক্ৰান্ত হ'লেহে অগৰু বা ৰজন উৎপন্ন হয়। প্ৰকৃতাৰ্থত ফ্ল'ৱেম কলাত উক্ত ভেঁকুৰ বিধৰ প্ৰৱেশ ঘটি আক্ৰমণ হ'লে তাক প্ৰতিহত কৰিবৰ বাবে গছজোপাৰ নিজক বচোৱাৰ কৌশলতহে উক্ত ৰজন নিঃসৰণ কৰে। উক্ত পৰিঘটনাৰ ফলৰূপে অন্তৰ্কাষ্ঠিত নিঃসৰিত ৰজন উচ্চ উদ্বায়ী জৈৱ পদাৰ্থ। এই সুগন্ধি ৰজনযুক্ত তেলেই হৈছে, ঔষধি গুণ সম্পন্ন অগৰু বা অগৰু তেল।

অগৰু কাঠৰ মাজত ক'লা কাঠ সৃষ্টি হয়। সেই ক'লা কাঠত অগৰু তেল থাকে। সেই কাঠ কাটি আনি সৰু সৰু টুকুৰা কৰা হয়। সেই টুকুৰাবোৰ পানীৰ পাত্ৰত ৮-১৫ দিন ভিজোৱা হয়। তাৰ পাছত সেয়া ডাঙৰ পাত্ৰত ৰাখি বিশেষভাৱে নিৰ্মিত গেছৰ চুলাত পাঁচ-১০ দিন গৰম কৰা হয়। তেতিয়া তাৰ পৰা নিৰ্গত তেল আগতে ৰখা আন এটা পাত্ৰত ৰয়গৈ। এই তেলেই সুগন্ধিযুক্ত আতৰ বা অগৰু।

এই তেল অতীতৰ পৰা অসমত প্ৰসাধন সামগ্ৰীৰূপে ব্যৱহাৰ হৈ আহিছে। আগৰ তেল ঔষধি গুণযুক্ত। এই তেলে মানুহৰ কিছুমান ৰোগ ভাল কৰে। আকৌ 'এৰ'মা থেৰাপি'ত এই তেল ব্যৱহাৰ কৰা হয়। এই তেলৰ পৰা পাৰফিউম ধূপ আদি প্ৰস্তুত কৰা হয়। অসমৰ বিশেষকৈ মুছলিম সম্প্ৰদায় এই শিল্পৰ লগত জড়িত।

**তাহানিতে মুখ নাফাটিবলৈ ব্যৱহাৰ কৰা প্ৰসাধন সামগ্ৰী**

পমেটম ঃ তাহানিৰ অসমত ৰূপচৰ্চাৰ বিষয়টোক বিশেষভাৱে গুৰুত্ব দিছিল। ইয়াৰ বাবে প্ৰয়োজনীয় প্ৰসাধন সামগ্ৰীবোৰ মানুহে ঘৰতে তৈয়াৰ কৰি লৈছিল। তেনে এবিধ সামগ্ৰী হ'ল-পমেটম। এই পমেটম প্ৰস্তুত কৰা হৈছিল ঘৰুৱাভাৱে। আৱাহন আলোচনীৰ সাত-১২ সংখ্যাত আছে— 'পকা সুমথিৰাৰ বাকলিৰ ওপৰৰ হালধীয়া ছাল মিহিকৈ কাটি লয়। বগা সৰিয়হৰ ফুল আৰু পিৰিকা শাকৰ ফুল সুমথিৰাৰ উপৰোক্ত বাকলিৰ টুকুৰাৰ লগত খুন্দি ৰস উলিয়াই কেঁচা হালধিৰ ৰস মিলাই মাটিৰ চৰুত গৰুৰ ঘিঁৰ স'তে তপতাব লাগে। মিশ্ৰণখিনি গোট মাৰিলে নমাই থৈ তাত অলপ চন্দন মিহলাই ল'লে পমেটম হয়।' ইয়াক ঘঁহিলে মুখ নাফাটে।

**মৃগনাভি ঃ** তাহানিতে মৃগনাভিও সুগন্ধি ৰূপে ব্যৱহাৰ হৈছিল। ই অতি মূল্যবান সুগন্ধি আছিল। ইয়াৰ সুগন্ধি অতি মনোমোহা। এবিধ হৰিণাৰ পৰা ইয়াক লাভ কৰা হৈছিল।

**তাহানিতে নানা সুগন্ধি ফুলৰ পৰা প্ৰসাধন তৈয়াৰ ঃ** তাহানিতে অসমত নানা সুগন্ধি ফুলৰ পৰা প্ৰসাধন সামগ্ৰী মানুহে ঘৰতে প্ৰস্তুত কৰিছিল। অসমত নানা সুগন্ধি ফুল পোৱা যায়। সুগন্ধি ফুলৰ গোন্ধ সৃষ্টিৰ কাৰণ আছে।

**ফুলৰ গোন্ধ সৃষ্টি হোৱাৰ কাৰণ ঃ** 'অসম উদ্ভিদ বিজ্ঞান সমিতি'ৰ আলোচনী 'উদ্ভিদ বিজ্ঞান পত্ৰিকা'ত কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৰ্পনা বুজৰবৰুৱাই লিখিছে— ফুলৰ পাহিৰ কোষবোৰত থকা এক বিশেষ গোন্ধযুক্ত তৈল পদাৰ্থৰ বাবেই ফুলৰ গোন্ধ হয়।সাধাৰণতে পাহি মেল খোৱাৰ লগে লগে এই গোন্ধযুক্ত পদাৰ্থ ব্যাপন প্ৰথাৰে বায়ুমণ্ডলত বিয়পি পৰে। পাহিৰ বাহিৰেও এই গোন্ধযুক্ত পদাৰ্থবোৰ ফুলৰ অন্যান্য চক্ৰ যেনে পুংস্তৱক আৰু স্ত্ৰীস্তৱক চক্ৰটো থাকে। এই পদাৰ্থবোৰ উদ্ভিদ জোপাই জীৱন কালত কিছু বিপাকীয় কাৰ্যৰ ফলত তৈয়াৰ কৰে। এইবোৰ তাৰ্পিণ জাতীয় অতি জটিল পদাৰ্থ। ফুলবোৰে পূৰ্ণতাপ্ৰাপ্ত হোৱা সময়ত এই পদাৰ্থবোৰ বিশেষ পাচক ৰসৰ সহায়ত ভাঙি গৈ এক বিশেষ উদ্বায়ী তেললৈ ৰূপান্তৰিত হয়। এই উদ্বায়ী তেল অতি সহজতে বতাহৰ মাধ্যমত ব্যাপন প্ৰথাৰে চাৰিওফালে বিয়পি পৰে। সকলো ফুলত একে ধৰণৰ ৰাসায়নিক পদাৰ্থ নাথাকে। বিভিন্ন প্ৰজাতিৰ ফুলত থকা ৰাসায়নিক পদাৰ্থৰ গঠন বেলেগ বেলেগ হয়। সেয়েহে সকলো ফুলৰ গোন্ধ বেলেগ বেলেগ হয়। তদুপৰি কিছুমান ফুলত আকৌ মধুগ্ৰন্থি থাকে'।

**অসমত পোৱা সুগন্ধি ফুল ঃ**

অসমত নানা ধৰণৰ সুগন্ধিযুক্ত ফুল ভৰি আছে। এই নানা ৰকমৰ ফুলবোৰ হ'ল— কুসুম ফুল, নাৰ্জি, কেশেৰু, গোলাপ, খৰিকাজাঁই, গুলঞ্চ, কনক চম্পা, তগৰ, যুতি, বকুল, মধুমালতী, ৰজনীগন্ধা আদি। এইবোৰ ফুলৰ কিছুমান প্ৰসাধন সামগ্ৰীৰূপে ব্যৱহাৰ হোৱাৰ লগতে কিছুমানৰ পৰা প্ৰসাধন সামগ্ৰী তৈয়াৰ কৰা হৈছিল।

**গোলাপ ফুলৰ প্ৰসাধন সামগ্ৰী ঃ** গোলাপ ফুলৰ পৰা তাহানিতে অসমত গোলাপ জল প্ৰস্তুত কৰা হৈছিল। এই গোলাপ জল ছাল, মুখ নিমজ আৰু মোলায়েম কৰিবলৈ ব্যৱহাৰ কৰা হয়। গোলাপ এবিধ সুগন্ধি ফুল। গুলপীয়া,ৰঙা, বগা আদিৰ লগতে বৰ্তমান আন কেইটামান ৰঙৰো গোলাপ পোৱা যায়। সুগন্ধি ফুলৰ পৰা সুগন্ধি দ্ৰব্য প্ৰস্তুত কৰা হয়। আজিৰ পৰা ১৩৫০ বছৰ পূৰ্বে গোলাপৰ পাহিৰ পৰা আৰৱ দেশৰ লোকসকলে পাতন প্ৰক্ৰিয়াৰ দ্বাৰা পোনপ্ৰথমে আতৰ বা সুগন্ধি দ্ৰব্য প্ৰস্তুত কৰিছিল। এক মেট্ৰিক টন ( এক হেজাৰ কিলোগ্ৰাম) গোলাপৰ পাহিৰ পৰা এক কিলোগ্ৰাম আতৰ বা সুগন্ধি দ্ৰব্য প্ৰস্তুত হয়।

অসমৰ নানা ফলমূল আৰু শাক-পাচলি আদিৰ পৰাও প্ৰসাধন সামগ্ৰী প্ৰস্তুত কৰা হৈছিল। তেনেকৈ গছ-গছনিৰ পাত, ডাল আদিৰ পৰাও প্ৰসাধন দ্ৰব্য প্ৰস্তুত কৰিছিল।

জেতুকাৰ পাতেৰে হাত বোলোৱাৰ লগতে নানা প্ৰসাধন সামগ্ৰী প্ৰস্তুত কৰিছিল।

হেঙুল আৰু হাইতালেৰে অংকীয়া ভাওনাত ভাৱৰীয়াৰ প্ৰসাধন কৰা হয়। এই হেঙুল আৰু হাইতাল তাহানি মানুহে ঘৰতে তৈয়াৰ কৰিছিল।

তাহানি কালত অসমত প্ৰস্তুত কৰা সুগন্ধি দ্ৰব্যৰ প্ৰসাধন সামগ্ৰীবোৰৰ ঔষধি গুণৰ বাবেও গুৰুত্বপূৰ্ণ আছিল। এইবোৰ ব্যৱহাৰত পাৰ্শ্ব প্ৰতিক্ৰিয়া নাছিল। সেইবাবে এই সামগ্ৰীবোৰে মানুহৰ মাজত বিশেষ সমাদৰ পাইছিল। এইবোৰ সামগ্ৰীৰ প্ৰস্তুত প্ৰায় সকলোতে আছিল।

*ফোন ঃ ৯৬৭৮১৭৯৩৪৬*

শীত ৰমণীয়-বৰণীয় ঋতু। শীতে যদিও নকৰে প্ৰকাশ বৰষাৰ গাভৰু নদীৰ দৰে দূৰন্ত যৌৱন, তথাপি মোৰ বাবে শীত এক শান্ত গহীনপূৰ্ণ যৌৱনা গাভৰু—ন-বোৱাৰী, যেন ঢাকি ৰাখিছে কুঁৱলীৰ সাজেৰে যৌৱনৰ প্ৰাচুৰ্য, ঢাকি ৰাখিছে যেন প্ৰাণ চঞ্চল হলফল কৰা যৌৱন। শীতৰ ৰাতিপুৱাটো যেন এটা কোমল কবিতা। কৈশোৰত প্ৰায়ে নিহালিৰ উম এৰি হাড় কঁপোৱা জাৰকো নেওচি বাহিৰলৈ ওলাই আহিছিলো চাবলৈ শীতৰ ৰূপ।

# শীতৰ সেমেকা ৰাতি

## দিনমণি দাস



**প্ৰকৃতিৰ** কোমল কোলাত লালিত অসম, মায়াপুৰী-সপোনপুৰী। ছয় ঋতুৱে সানি যায় ভিন্ন ৰঙৰ আবিৰ। সঁচাই আটাইকেইটা ঋতুৱে অসমক, অসমৰ অধিবাসীক দিছে জীৱনৰ আশীৰ্বাদ। প্ৰত্যেকটো ঋতুৱে ভিন্ন ভাব, ভিন্ন অনুভূতিৰ সৃষ্টি কৰে। যদিও কবি সাহিত্যিকসকলে কেৱল বৰষা, শৰৎ আৰু বসন্তৰ ৰূপ অৰ্চনা কৰি আহিছে, শীত যেন কিছু অৱহেলিতা, কবিয়ে কৰা নাই শীতৰ ঐশ্বৰ্য আৰু সৌন্দৰ্যৰ বৰ্ণনা।

মোৰ দৃষ্টিত ভাব হয়, শীত ৰমণীয়-বৰণীয় ঋতু। শীতে যদিও নকৰে প্ৰকাশ বৰষাৰ গাভৰু নদীৰ দৰে দূৰন্ত যৌৱন, তথাপি মোৰ বাবে শীত এক শান্ত গহীনপূৰ্ণ যৌৱনা গাভৰু—ন-বোৱাৰী, যেন ঢাকি ৰাখিছে কুঁৱলীৰ সাজেৰে যৌৱনৰ প্ৰাচুৰ্য, ঢাকি ৰাখিছে যেন প্ৰাণ চঞ্চল হলফল কৰা যৌৱন।

শীতৰ ৰাতিপুৱাটো যেন এটা কোমল কবিতা। কৈশোৰত প্ৰায়ে নিহালিৰ উম এৰি হাড় কঁপোৱা জাৰকো নেওচি বাহিৰলৈ ওলাই আহিছিলো চাবলৈ শীতৰ ৰূপ। আদিগন্ত বিয়পা কুঁৱলীৰ মাজেৰে ফুৰি পোৱা মিঠা মাদকতা, আজি কিছুদিন আগতে পুনৰ অনুভৱ কৰিলো লুইতৰ পাৰৰ গুমি পৰিদৰ্শন বঙলাৰ চোতালত থিয় দি সমুখত ৰহস্যময় কুঁৱলীৰ আদিগন্ত সমুদ্ৰ দেখি। মোৰ বাবে ই যেন এক অপাৰ বিস্ময়। ঠিক তেনেদৰে উকিয়ামৰ দ্ৰোণ, চিৰি নৈৰ বুকুত শীতৰ পুৱা কৰা নৌকা বিহাৰ মোৰ বাবে এই নষ্টালজিক অনুভৱ।

নিয়ৰ আৰু কুঁৱলীক লৈ শীত আহে, লৈ অপৰূপ ৰূপসুধা। ৰাতিপুৱা ৰ'দ ওলোৱা সময়লৈ পথাৰে-সমাৰে, আলি-পদূলিয়ে দুবৰিৰ দলিচা নিয়ৰে সজায়, ৰাতিপুৱা ৰ'দত জিল্‌মিলাই থকা খুতুৰা, তেলভতুৰা শাকত জিল্‌মিলাই থাকে নিয়ৰমণি। ফুলা সৰিয়হে সজায় সোণৰ দলিচা।

ডেৰ কুৰি বছৰ আগতে শীতৰ ৰাতিপুৱাই সাৰ পাইছিলো। ঢেঁকীৰ মাতত আৰু দেখিছিলো লখিমী বোৱাৰীয়ে পদূলি সৰা দৃশ্য। সেইবোৰ এতিয়া দুৰ্লভ।

আমাৰ শৈশৱ আৰু কৈশোৰৰ শীতৰ আবেলিবোৰ আছিল মনোৰম। প্ৰায়েই আবেলি পথাৰলৈ দৌৰিছিলো বগৰি খাবলৈ, মনে মনে পথাৰৰ মটৰ, বিলাহী খাবলৈ, প্ৰদীপ কাকাৰ লগত বৰপথাৰলৈ গৈ আনৰ আলুতলিৰ আলু ভৰিৰে খুচৰি আনি 'ছাগ' খাইছিলো। সন্ধা দিনমণি নৈৰ বুকুত মাৰ যোৱা সময়ত আমি দৌৰিছিলো ঘৰলৈ মা-দেউতাৰ মৰমসনা বকনি শুনিবলৈ, হাজোৰ লখাইতৰা (পুথিমাৰী) নৈত সন্ধিয়া ৰঙা কাঁহীৰ দৰে সূৰ্যটোৱে ঢালি যোৱা ৰক্তিম আভাই মন আকাশত মায়া আৰু বিষাদ সানিছিল। সূৰ্যাস্তৰ অপৰূপ দৃশ্যই আমাক লৈ গৈছিল অন্য এখন জগতলৈ; বাটৰ ধূলি উৰুৱাই অহা গৰখীয়া আৰু জাক জাক গৰুৰ স'তে উভতিছিলো ঘৰলৈ, কিছু বেদনা লৈ। এতিয়া গাঁৱৰ সন্ধিয়াবোৰ ঘৰমুৱা গৰুৰ ডিঙিত বন্ধা টিলিঙাৰ অপৰূপ সুৰ আৰু গৰখীয়াৰ বাঁহীৰ মাতে মুখৰিত কৰে নে নকৰে নাজানো।

শীতৰ এটা আবেলি ছয়গাঁও উকিয়াম পথৰ সন্ন্যাসী বনগাঁৱৰ পাহাৰৰ কেঁকুৰিত দেখা পাণ্টান গাভৰুৰ মনোমোহা ৰূপত য়ামাহাৰ গতি থমকিছিল; এটা সুৰৰ মূৰ্ছনা হৈ তাই মোৰ হৃদয় ভৰাই আছে বিষাদৰ ক্ষণবোৰত।

শেঁতা পৰা জোন আৰু কুঁৱলীৰ মায়া সনা ৰাতি গাঁৱৰ আলিৰে খোজকাঢ়ি আজি ৩০ বছৰ আগতে যি অনুভৱ কৰিছিলো, আজিও কাৰো চালকৰ আসনত বহি শীতৰ কুঁৱলী ফালি দূৰণিৰ গাঁৱলৈ অকলে গাড়ী চলাই গৈ মই অনুভৱ কৰো নিজকে, নিজৰ সত্তাক। সঁচাই কংক্ৰিটৰ অৰণ্যত হেৰাই যোৱাজনে হয়তো নিজক, নিজৰ সত্তাক বিচাৰিব পাৰে এইদৰেই।

শীতৰ এন্ধাৰ মাজনিশা সাৰ পাই নিয়ৰৰ টোপ-টোপ জৰ-জৰ ছন্দোময় ধ্বনি শুনিলে ভাব হয় শীত যেন এগৰাকী বিষাদগ্ৰস্তা নাৰী, কান্দি আছে নৱ প্ৰভাতৰ অপেক্ষাত।

শীত কৃষিজীৱী গঞা ৰাইজৰ বৰ আদৰৰ আৰু ভোগৰ ঋতু। অফুৰন্ত আজৰি সময় পাই কৃষকে ৰং-ৰহইচ কৰে, আলহী-মিতিৰৰ ঘৰলৈ যায়। এই সময়তে উদ্‌যাপিত হয় ভোগালী বিহু।

পুহৰ মাজভাগৰ পৰাই পথাৰৰ পৰা অনা, ভেলাঘৰ সজা, মেজি সজা আদি কামত ব্যস্ত হৈ পৰা যায়। গাঁৱৰ উৰুকাৰ নিশাবোৰ আছিল মাদকতা ভৰা, বিশেষকৈ মতা হাঁহৰ আঞ্জা আৰু জহা চাউলৰ গোন্ধ। এই ভাৱ প্ৰতিটো উৰুকাত মোৰ মনলৈ আহে। বৰদোমাহীৰ দিনাখন ৰাতিপুৱাই কে'বাবিধো আঞ্জাৰে ভাত খাই হাজো মাধৱ মন্দিৰ বা তেতেলিয়াৰ হৰগৌৰী মন্দিৰলৈ গৈ হাঁহি খিকিন্দালি কৰি সময়বোৰ কটাইছিলো। আজি ভাবো সেইবোৰ যেন জীৱনৰ সোণালী সুদিন। ক'ত গ'ল সেই ৰাঙলী দিন। আজিৰ যুৱক-যুৱতী, কিশোৰ-কিশোৰী ব্যস্ত দূৰদৰ্শন আৰু ভিডিঅ' গেমত, আজিৰ যুগ ইণ্টাৰনেট যুগ প্ৰতিযোগিতাৰ যুগ। এতিয়া হৃদয় বন্ধকত গৈছে। মগজু বিক্ৰী হৈছে কিলো হিচাপত।

ৰাইজে মাৰবান্ধি এতিয়া সমূহীয়াভাৱে বিহু নাপাতে, বছৰৰ বিহুটো আহিছে বুলি নামমাত্ৰ পালন কৰা হয়। কৃষিজীৱী মানুহৰ অমল আনন্দৰ উৎসৱটো আকৌ কৃষিৰ লগত সম্পৰ্ক নথকা এচামে আসুৰিক আনন্দৰ আন এক উৎসৱ হিচাপে পালন কৰিবলৈ লৈছে। বাটে-পথে জোৰ-জোলুমকৈ চান্দা আদায় কৰি উৰুকাৰ নিশা মদে-মাংসই খাই পৰিৱেশ বিষাক্ত কৰি তুলিছে। সংস্কৃতিক দুষ্কৃতিৰ ৰঘুমলাই ঢাকি ধৰিছে। এই সময়তে প্ৰাত্যহিক তুচ্ছতাৰ ভিৰত হেৰাই যোৱা, কংক্ৰীটৰ মাজত আবদ্ধ মানৱে জীৱনৰ যান্ত্ৰিকতাৰ পৰা ক্ষণিক মুক্তি বিচাৰি দৌৰি যায় প্ৰকৃতিৰ বুকুলৈ, মহানগৰীৰ ডেকা-ডেকেৰীয়ে চিৰিয়াখানা, উমানন্দ, নেহৰু পাৰ্কত বাদাম ভজা আৰু কমলা টেঙা খাই পিৰিতিৰ পোহাৰ মেলে।

শীতৰ নিশা দূৰণিৰ গাঁৱলৈ যোৱাটো মোৰ এটা পুৰণি অভ্যাস। প্ৰায়েই যাওঁ আৰু প্ৰায়ে দেখো জুপুৰিত টিমিক- ঢামাক পোহৰত দুৰ্দশাগ্ৰস্ত জীৱনৰ ছন্দ হেৰুওৱা ছবি। তেতিয়া মোৰ মনলৈ এই ভাব আহে—সভ্যতাৰ নামত আমি ক'লৈ গতি কৰিছো। পাঁচ হেজাৰ বছৰৰ মহান ভাৰতীয় সভ্যতাই আমাক শিকাব নোৱাৰিলে ত্যাগৰ মন্ত্ৰ, যি ভাৰতীয় সংস্কৃতিয়ে দিছিল মহত্ত্ব ত্যাগত— আজি ভোগবাদী সংস্কৃতিয়ে সমগ্ৰ সমাজ গ্ৰাস কৰিছে। আজি বিশ্ববিদ্যালয়ৰ তথাকথিত উচ্চ শিক্ষা লৈ আমি স্বাৰ্থপৰ, আপোনপটীয়া হৈ পৰা নাইনে বাৰু? অসমৰ পাহাৰ-ভৈয়াম আৰু নৈপৰীয়া গাঁৱৰ অনাহাৰ-অপুষ্টিত ভোগা বিষাদে মলিন কৰা শিশুৰ মুখে আমাৰ ১০ হেজাৰটকীয়া সাজ-পোছাকৰ তাচ্ছিল্য কৰা নাইনে?

ৰাইজগ ঠগি, প্ৰকৃতিক লুণ্ঠন কৰি শীতৰ নিশা হেজাৰটকীয়া দামী হুইস্কী খোৱাৰ সময়ত আমি জানো মানুহ হৈ থাকো? বৰ্তমানৰ সমাজ ব্যৱস্থাত ক'ৰবাত কেৰোণ থকা যেন লাগে। আজি একবিংশ শতিকাৰ মানুহৰ চৰম উন্নতিৰ (?) সময়তো শীতৰ নিশা জীৱশ্ৰেষ্ঠ এচাম মানুহে খাদ্যবিহীন, বস্ত্ৰবিহীন আৰু গৃহহীন জীৱন কটাবলগীয়া হোৱাটো মানৱ সভ্যতাৰ বাবে পৰিতাপৰ কথা নহয়নে?

জীৱশ্ৰেষ্ঠ মানুহৰ শেহতীয়া কিছুমান কাৰ্যকলাপৰ বাবে গোলকীয় উষ্ণতা বৃদ্ধি পাইছে। কেৱল উৎপাদনৰ বিষয়ত গুৰুত্ব আৰোপ কৰি জলবায়ু পৰিৱৰ্তনৰ কথা আওকাণ কৰিলে সেউজ সুন্দৰ পৃথিৱীলৈ বিপৰ্যয় নামি আহিব।

উষ্ণতা বৃদ্ধিৰ ফলত কুঁৱলীবিহীন হৈ পৰিছে আমাৰ প্ৰকৃতি। গাঁৱৰ গধূলি, পাহাৰ বাটৰ নামনিৰ অথবা কোনো পথৰুৱা আলিত কুঁৱলী সনা সন্ধিয়াৰ প্ৰেমময় আমেজ যেন নাইকিয়া হ'ব ধৰিছে। শীতৰ অলংকাৰ কুঁৱলী নামৰ সুকোমল দেহৰ গাভৰুগৰাকীয়ে যেন ঠেহ পাতিছে। ঠেহ ভাঙিব লাগিব মানুহেই। শীতৰ কুঁৱলীয়ে আৱৰা প্ৰকৃতিৰ এখন ছবি ৰেডিঅ'ৰ গীতিমালিকা অনুষ্ঠানত পৰিৱেশিত এটা গীতত অতি সজীৱ ৰূপত প্ৰকাশ পাইছে—

কুঁৱলী এই ছবিখন। পাহাৰ বাটৰ নামনিত। সুগভীৰ সৰল বননিত। হাঁহো নে নেহাঁহোকৈ ওলমি ৰয়। যেন সপোনৰ এটা মিঠা ইন্ধন..।'

ভোকাতুৰজনৰ নিৰন্ন দিনৰ ডায়েৰীৰ পাতবোৰ আশাৰে ভৰাব নোৱাৰালৈ আমাৰ আনন্দ সম্পূৰ্ণ হ'ব জানো?

প্ৰকৃতিয়ে আমাক দিছে ভালপোৱাৰ আনন্দ, জীৱনৰ ঐশ্বৰ্য, উদাৰতা আৰু বহু কিবা কিবি.. কিন্তু; আমি প্ৰকৃতিক কি দিছো.. শীতৰ মিঠা সময়ত অনুভৱ কৰা দৰকাৰ প্ৰকৃতিৰ স্নেহালিংগনত আবদ্ধ হৈ নতুন পুৰুষৰ বাবে এই মিঠা সময়বোৰ আমি সাঁচি থৈ যাব লাগিব।

**পাদটীকা**

ছাগ খোৱা -উত্তৰ কামৰূপৰ হাজো-দমদমা অঞ্চলত গৰখীয়া ল'ৰাই পথাৰৰ, বাৰীৰ পৰা আলু, তৰকাৰী, শাক-পাচলি আদি আনি পথাৰৰ মাজতে ভাজি খোৱা কাৰ্যক ছাগ খোৱা বোলে।

*ফোন ঃ ৯৪৩৫১৯২০৫৬*

তেওঁৰ জন্ম হয় ১৯৫৮ৰ ১২ মাৰ্চত। পিতৃ আছিল অসম চৰকাৰৰ মুখ্য সচিব ধৰ্মানন্দ দাস। তেওঁৰ পুত্ৰ ডাঃ দাস, সঁচা অৰ্থতে গুণী পিতৃৰ গুণী সন্তান। ডাঃ দাসে শ্বিলঙৰ চেইণ্ট এডমাণ্ডছ্ স্কুলৰ পৰা অনাৰ্ছসহ প্ৰথম বিভাগত ছিনিয়ৰ কেম্ব্ৰীজ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯৮০ত তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা ৰেংকসহ এমবিবিএছ ডিগ্ৰী লাভ কৰিছিল, এই চিকিৎসা মহাবিদ্যালয়ৰ পৰাই ১৯৮৫ত এমডি ডিগ্ৰীও লাভ কৰে।



# ডাঃ তন্ময় দাস

## মানৱতাৰ অম্লান উৎস

## ৰেণু দাস

**এজন** মানৱদৰদী চিকিৎসক ডাঃ তন্ময় দাস সকলো ধৰণৰ অসমৰ মানুহৰ বাবেই এটি পৰিচিত নাম। তেওঁৰ জন্ম হয় ১৯৫৮ৰ ১২ মাৰ্চত। পিতৃ আছিল অসম চৰকাৰৰ মুখ্য সচিব ধৰ্মানন্দ দাস। তেওঁৰ পুত্ৰ ডাঃ দাস, সঁচা অৰ্থতে গুণী পিতৃৰ গুণী সন্তান। ডাঃ দাসে শ্বিলঙৰ চেইণ্ট এডমাণ্ডছ্ স্কুলৰ পৰা অনাৰ্ছসহ প্ৰথম বিভাগত ছিনিয়ৰ কেম্ব্ৰীজ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯৮০ত তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা ৰেংকসহ এমবিবিএছ ডিগ্ৰী লাভ কৰিছিল, এই চিকিৎসা মহাবিদ্যালয়ৰ পৰাই ১৯৮৫ত এমডি ডিগ্ৰীও লাভ কৰে। ১৯৯০ত ডাঃ দাসে ডিএম ডিগ্ৰী লাভ কৰে, তেওঁ ইয়াৰ অধ্যয়ন সমাপ্ত কৰিছিল পিজিআইএমইআৰ (চণ্ডীগড়)ৰ পৰা আৰু তেওঁ তত্ত্বাৱধায়ক আছিল অধ্যাপক কে এছ চুঘ। তাৰ পাছতে তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত নেফ্ৰ'লজী বিভাগত ১৯৯১-১৯৯৬লৈকে শিক্ষকতা কৰিছিল, সেই বিভাগতে তেওঁ সহযোগী অধ্যাপক হৈছিল। আছাম হাস্পতালছ লিমিটেডৰ সঞ্চালকৰূপেও তেওঁ সেৱা আগবঢ়াইছিল। সম্প্ৰতি তেওঁ ইণ্টাৰনেছনেল হাস্পতালৰ মুখ্য নেফ্ৰ'লজিষ্ট আৰু নেফ্ৰ'লজী বিভাগৰ মুৰব্বী। ডাঃ দাসৰ আন কেইটামান গুৰুত্বপূৰ্ণ বৃত্তিগত অভিজ্ঞতা আছে। ১৯৮৬ৰ পৰা ১৯৮৮লৈ তেওঁ গুৱাহাটী মেডিকেল মহাবিদ্যালয়ৰ নেফ্ৰ'লজী বিভাগৰ পঞ্জীয়ক হিচাপে সেৱা আগবঢ়াইছিল। ১৯৯৬-১৯৯৭, সময়ছোৱাত তেওঁ ডাউন টাউন হাস্পতালৰ কনছালটেণ্ট আছিল।

এপল' হাস্পতালৰ ইণ্টাৰনেছনেল হাস্পতালৰ এটা গোট হিচাপে প্ৰতিষ্ঠা কৰি তাৰ বিকাশৰ ক্ষেত্ৰত ডাঃ দাসে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ডাঃ দাসে উত্তৰ-পূব ভাৰতবৰ্ষত চিএপিডি জনপ্ৰিয় কৰিছে। ডায়ালিচিছৰ প্ৰশিক্ষণ তেওঁ ব্যক্তিগতভাৱে প্ৰদান কৰিছে। তেওঁ বিভিন্ন ঠাইত ডায়ালিচিছ কেন্দ্ৰ গঢ়ি তোলাৰ ক্ষেত্ৰত পৰামৰ্শ আৰু সহায় আগবঢ়াইছে। ডায়ালিচিছ টেকনিচিয়ানৰ তিনিমহীয়া পাঠ্যক্ৰম প্ৰস্তুত কৰি নিয়মীয়া পাঠদানৰ ব্যৱস্থা কৰিছে। ইণ্টাৰনেছনেল হাস্পতালত ডাঃ দাসে পূৰ্ণপৰ্যায়ৰ ৰেনেল ট্ৰান্সপ্লাণ্ট কাৰ্যসূচীৰ আৰম্ভণি কৰিছিল। নাৰ্ছিং স্কুল প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো তেওঁ দিহা-পৰামৰ্শ দিছিল আৰু নেতৃত্ব প্ৰদান কৰিছিল। ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় নেফ্ৰ'লজীৰ ভালেমান আলোচনা সত্ৰ আৰু কৰ্মশালা আয়োজনতো তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। বিভিন্ন ৰাষ্ট্ৰীয়-আন্তৰ্জাতিক পত্ৰিকাত ডাঃ দাসৰ স্বাস্থ্য বিষয়ক ভালেমান গৱেষণা পত্ৰ প্ৰকাশ পাইছে। এইবোৰৰ ভিতৰত উল্লেখ্যযোগ্য হৈছে ইণ্ডিয়ান জাৰ্ণেল অৱ নেফ্ৰ'লজীত প্ৰকাশিত বায়প্সি বিষয়ক গৱেষণা পত্ৰ। ৰিনেল মেডিচিন বিষয়ক বিভিন্ন ৰাষ্ট্ৰীয় আৰু আঞ্চলিক আলোচনাচক্ৰত তেওঁ বক্তৃতা প্ৰদান কৰিছে।

বিভিন্ন ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ তেওঁ সদস্য। সমাজৰ অন্য দিশৰ ক্ষেত্ৰতো ড° দাসৰ অৱদান মন কৰিবলগীয়া। দিছপুৰ আইন মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ তেওঁ স্থায়ী সদস্য। স্বৰ্গীয় ধৰ্মানন্দ দাস, মেম'ৰিয়েল চিলভাৰ ট্ৰফীৰ তেওঁ দাতা। তেনেদৰে তেওঁ প্ৰতিবছৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক নগদ ধনেৰে পুৰস্কৃত কৰে। তদুপৰি বিভিন্ন সামাজিক অনুষ্ঠানৰ তেওঁ সদস্য। তেওঁৰ সান্নিধলৈ অহা প্ৰতিজনে তেওঁৰ এই বিৰল গুণৰ কথা স্বীকাৰ কৰে। চিকিৎসা ব্যয় বাহন কৰিব নোৱাৰা ভালেমান লোকক তেওঁ আৰ্থিক সহায়ো প্ৰদান কৰে। তেওঁৰ ব্যক্তিত্বৰ আকৰ্ষণীয়তাৰ আন এটি কাৰণ হ'ল তেওঁৰ ভদ্ৰ আৰু অমায়িক ব্যৱহাৰ।

ৰোগীৰ প্ৰতি তেওঁৰ একান্ত দায়বদ্ধতাৰ কথা অধিক স্পষ্ট হ'ব বুলি আশা কৰি এইখিনিতে এটি ব্যক্তিগত প্ৰসংগৰ অৱতাৰণা কৰিব বিচাৰিছো। মই আৰু মোৰ স্বামীয়ে চিকিৎসা ক্ষেত্ৰত যি অপৰিসীম সহায় পাই আহিছো সেয়া প্ৰকাশ কৰিবলৈ মোৰ ভাষাৰ অভাৱ।

এই বছৰৰে পহিলা জুনত মোৰ স্বামী ক'ভিডত আক্ৰান্ত হয়। খবৰ পায়ে তেওঁ আমাৰ অম্বিকাগিৰী নগৰৰ ঘৰলৈ গাড়ী পঠিয়াই দি লৈ গৈ এপল' হাস্পতালত ভৰ্তি কৰাই চিকিৎসা আৰম্ভ কৰে। তেওঁ আৰু তেওঁৰ সহকৰ্মীসকলে আপ্ৰাণ চেষ্টা কৰি তেওঁক ক'ভিড মুক্ত কৰে। কিন্তু দুৰ্ভাগ্যবশতঃ মোৰ স্বামী পোষ্ট ক'ভিডত ভুগিব লগা হ'ল। ভাগ্যৰ লিখন ডাঃ তন্ময় দাস আৰু তেওঁৰ সহযোগী চিকিৎসকসকলৰ নেৰানেপেৰা চেষ্টায়ো মোৰ স্বামীক বচাব নোৱাৰিলে। যোৱা ১৫ জুলাইত মোক অকলশৰীয়া কৰি মোৰ স্বামী বিমল দাস স্বৰ্গগামী হয়। মৃত্যু চিৰন্তন সত্য, কিন্তু সেয়া কেতিয়াও পাহৰি থাকিবি নোৱাৰি। তেনেদৰে আমাৰ মনত অম্লান হৈ থাকিব ডাঃ দাসে আমাক দেখুওৱা মানৱতা আৰু মহানুভৱতা। সেয়া পাহৰি যোৱা অসম্ভৱ।

*ফোন ঃ ৯৪৩৫০১৪৮৮৮*

## ধৰ্ম অৱমাননাকাৰীক প্ৰকাশ্যে ফাঁচিৰ দাবী পঞ্জাৱ কংগ্ৰেছৰ সভাপতি সিদ্ধুৰ




**নিউজ ব্যুৰ', চণ্ডীগড়, ২০ ডিচেম্বৰ ঃ** ধৰ্মীয় অৱমাননাৰ অভিযোগত পঞ্জাৱত দুই ব্যক্তিক দলবদ্ধ প্ৰহাৰ কৰি হত্যা কৰাৰ ঘটনাৰ ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে এই সন্দৰ্ভত বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিলে পঞ্জাৱ কংগ্ৰেছৰ সভাপতি নৱজ্যোৎ সিং সিদ্ধুৱে। এখন জনসভাত অংশ লোৱাৰ সময়ত সিদ্ধুৱে কয় যে যিসকল ব্যক্তিয়ে ধৰ্মৰ অৱমাননা কৰি তেওঁলোকক প্ৰকাশ্যে ফাঁচিকাঠত ওলমোৱা উচিত। মালেৰকোটলাৰ এখন জনসভাত অংশ লৈ ধৰ্মীয় অৱমাননাৰ ঘটনাক এটা সম্প্ৰদায়ৰ বিৰুদ্ধে ষড়যন্ত্ৰ বুলি সিদ্ধুৱে অভিহিত কৰে। পঞ্জাৱ কংগ্ৰেছৰ সভাপতিজনৰ অভিযোগ অনুসৰি মৌলবাদী শক্তিয়ে পঞ্জাৱৰ পৰিৱেশ বিনষ্ট কৰিবলৈ অপচেষ্টা চলাইছে আৰু সেয়েহে এনে অপৰাধীক প্ৰকাশ্যে ফাঁচি দিয়া উচিত।

## মাস্কে পুনৰ ৰচিব ইতিহাস, আদায় দিব ৮৫,০০০ কোটি টকাৰ কৰ



**নিউজ ব্যুৰ', টেক্সাছ, ২০ ডিচেম্বৰ ঃ** বিশ্বখ্যাত বৈদ্যুতিক গাড়ী নিৰ্মাতা মাৰ্কিন প্ৰতিষ্ঠান টেছলাৰ স্বত্বাধিকাৰী তথা বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কে প্ৰায়ে সংবাদ শিৰোনাম দখল কৰি আহিছে। এইবাৰ মাস্কে কৰ আদায়ৰ জৰিয়তে সংবাদ শিৰোনাম দখল কৰিলে। আজি মাস্কে এক টুইটত উল্লেখ কৰা অনুসৰি, চলিত বৰ্ষত তেওঁ ১১ বিলিয়ন ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ৮৫,০০০ কোটি টকাৰ কৰ আদায় দিব। যদিহে ঘোষণা কৰা অনুসৰি, মাস্কে এই কৰ আদায় দিয়ে, তেন্তে ইউ এছ ইণ্টাৰনেল ৰেভিনিউ ছাৰ্ভিছত কৰ আদায়ৰ ক্ষেত্ৰত নতুন অভিলেখ ৰচিত হ'ব। আজিলৈকে ইমান বৃহৎ পৰিমাণৰ কৰ কোনো মাৰ্কিন নাগৰিকে আদায় দিয়া নাই। চলিত মাহৰ আৰম্ভণিতে মাস্কে কৈছিল যে তেওঁ যি পৰিমাণৰ কৰ আদায় দিব সেই পৰিমাণৰ কৰ আমেৰিকাৰ ইতিহাসত কোনো ধনাঢ্য ব্যক্তিয়ে পূৰ্বে আদায় দিয়া নাছিল। কিছুদিন পূৰ্বে বিশ্বখ্যাত 'টাইম' আলোচনীয়ে মাস্কক চলিত বৰ্ষৰ 'পাৰ্ছন অৱ দ্য ইয়েৰ' সন্মান প্ৰদান কৰিছিল।

## 'ছুপাৰ টাইফুন'ত ফিলিপাইন্সত মৃতকৰ সংখ্যা ২০৮ জনলৈ বৃদ্ধি



**নিউজ ব্যুৰ', আৰ্চিপেলাগ', ২০ ডিচেম্বৰ ঃ** ভয়াৱহ 'ছুপাৰ টাইফুন'ত আক্ৰান্ত ফিলিপাইন্সত মৃতকৰ সংখ্যা ২০৮ জনলৈ বৃদ্ধি পালে। আজি উদ্ধাৰ কাৰ্যত জড়িত আৰক্ষীয়ে এই তথ্য প্ৰকাশ কৰি জনোৱা অনুসৰি ভয়ংকৰ ধুমুহাজাকৰ ফলত সমগ্ৰ ফিলিপাইন্স যথেষ্ট ক্ষতিগ্ৰস্ত হ'ল। উল্লেখ্য যে যোৱা বৃহস্পতিবাৰে নিশা 'টাইফুন ৰাই'ৰ তাণ্ডৱত সমগ্ৰ ফিলিপাইন্স ভয়াৱহ ধৰণৰে প্ৰভাৱিত হৈছিল। এই ধুমুহাজাকত দেশখনৰ কমেও তিনি লাখ লোক গৃহহীন হৈছে।

## দিল্লীত বৃদ্ধি দৈনিক আক্ৰান্ত, কেজৰিৱালে বিচাৰিলে বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ অনুমতি



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** দেশৰ ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত ক'ভিডৰ সংক্ৰমণ পুনৰ বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত দিল্লীত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল শতাধিক লোক। কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণো দিল্লীত বৃদ্ধি পাইছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে ক'ভিডৰ দুপালি প্ৰতিষেধক গ্ৰহণ কৰা লোকসকলক বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমতি বিচাৰিলে।

## উত্তৰাখণ্ডত ৬০ৰ অধিক আসন লাভ কৰিব বিজেপিয়ে, দাবী সিঙৰ



**নিউজ ব্যুৰ', ডেৰাডুন, ২০ ডিচেম্বৰ ঃ** উত্তৰাখণ্ডত ২০২২ত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনত বিজেপিয়ে কমেও ৬০টা সমষ্টিত জয়লাভ কৰিব বুলি দাবী কৰিলে বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ তথা উত্তৰ প্ৰদেশৰ উপ-নিৰ্বাচন প্ৰভাৰী চৰ্দাৰ আৰ পি সিঙে। সিঙে লগতে দাবী কৰি কয় যে উত্তৰাখণ্ডৰ ৰাইজে সদায় বিজেপিক সমৰ্থন দি আহিছে আৰু আগলৈকো সমৰ্থন বাহাল ৰাখিব। কংগ্ৰেছে উত্তৰাখণ্ডৰ বিকাশৰ বাবে কাহানিও চিন্তা-চৰ্চা কৰা নাই বুলিও সিঙে কংগ্ৰেছক কটাক্ষ কৰে।

### মাৰ্কিন আক্ৰমণত নিৰীহ নাগৰিকৰ মৃত্যুৰ তথ্য প্ৰথমবাৰ পোহৰলৈ আনিলে পেণ্টাগনৰ চোৰাংচোৱাৰ প্ৰতিবেদনে

# সাত বছৰত মাৰ্কিন সেনাৰ ভুলত ইৰাক-ছিৰিয়াত ১৩০০ নিৰীহৰ মৃত্যু

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২০ ডিচেম্বৰ ঃ** পেণ্টাগনৰ চোৰাংচোৱাৰ প্ৰতিবেদনত চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিল। বিগত সাত বছৰত ইৰাক আৰু ছিৰিয়াত আমেৰিকাই বিশেষ অভিযানৰ জৰিয়তে সংঘটিত কৰা আক্ৰমণৰ ঘটনাত ১৩০০ ৰো অধিক সাধাৰণ নাগৰিকৰ মৃত্যু হৈছিল। আমেৰিকাই দাবী কৰা অনুসৰি, এইসমূহ অভিযান মাৰ্কিন বায়ুসেনাই অত্যাধুনিক যুদ্ধাস্ত্ৰৰ জৰিয়তে কেৱল সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংসৰ বাবে চলাইছিল। আমেৰিকাই এনে সন্ত্ৰাস বিৰোধী অভিযানত ইৰাক আৰু ছিৰিয়াত সাধাৰণ নাগৰিকৰ মৃত্যুৰ কথা স্বীকাৰ কৰা নাই। চোৰাংচোৱাৰ প্ৰতিবেদন অনুসৰি, বিগত সাত বছৰত মাৰ্কিন সেনাই ইৰাক আৰু ছিৰিয়াত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান চলোৱাৰ সময়ত ভুলবশতঃ মাৰ্কিন সেনাৰ আক্ৰমণৰ বলি হৈছিল দুই দেশৰ নিৰীহ নাগৰিক। ইৰাক আৰু ছিৰিয়াত



স্থানীয় নাগৰিকৰ পৰা সন্ত্ৰাসবাদীৰ ঘাটিত সন্দৰ্ভত ভুল তথ্য লাভৰ পৰিণতিত মাৰ্কিন আক্ৰমণত নিৰীহ নাগৰিকৰ মৃত্যু হোৱাৰ তথ্য প্ৰথমবাৰৰ বাবে পোহৰলৈ আনিলে পেণ্টাগনৰ চোৰাংচোৱাৰ প্ৰতিবেদনে। একেখন প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি যোৱা সাত বছৰত আমেৰিকাই ছিৰিয়া, ইৰাক আৰু আফগানিস্তানত প্ৰায় ৫০ হেজাৰ আক্ৰমণ সংঘটিত কৰিছিল আৰু বায়ুসেনাই এইদৰে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে তিনি ৰাষ্ট্ৰত অভিযান চলাইছিল। ২০১৮ৰ পাছত আফগানিস্তানত মাৰ্কিন সেনাৰ আক্ৰমণৰ ফলত ১৮৮ৰো অধিক নাগৰিকৰ মৃত্যু হোৱা বুলি মাৰ্কিন চোৰাংচোৱাই প্ৰতিবেদনত উল্লেখ কৰিছে। জুলাই ২০১৬ত ছিৰিয়াত আইছিছৰ ঘাটিত বোমাবৰ্ষণ কৰি ৮৫জন সন্ত্ৰাসবাদীক ধৰাশায়ী কৰা বুলি আমেৰিকাই দাবী কৰিছিল। কিন্তু পেণ্টাগনৰ চোৰাংচোৱাৰ প্ৰতিবেদনত পোহৰলৈ অহা অনুসৰি, মাৰ্কিন সেনাৰ লক্ষ্যভ্ৰষ্ট হৈছিল আৰু গাঁৱত হোৱা বোমাবৰ্ষণৰ ফলত ১২০ জনৰো অধিক গাঁওবাসী, মহিলা আৰু শিশুৰ মৃত্যু হৈছিল।



## স্পেনিছ তাৰকা সংগীতজ্ঞ কাৰ্ল'ছ মেৰিনৰ কৰ'নাত মৃত্যু

**নিউজ ব্যুৰ' মানচেষ্টাৰ, ২০ ডিচেম্বৰ ঃ** পশ্চিমীয়া সংগীতৰ অন্যতম জনপ্ৰিয় সংগীতশিল্পী কাৰ্ল'ছ মেৰিনৰ কৰ'নাত মৃত্যু হ'ল। মানচেষ্টাৰৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত যোৱা নিশা মেৰিনে শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে যোৱা সাত ডিচেম্বৰত ৫৩ বছৰীয়া মেৰিনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল আৰু চিকিৎসকে তেওঁৰ শৰীৰত ক'ভিড-১৯ৰ ক'ভিড সংক্ৰমণ ধৰা পেলাইছিল। বিগত কে'বাদিন ধৰি ক'মা অৱস্থাত থকাৰ পাছত সংগীত শিল্পীজনে মৃত্যুক সাৱটি লয়। স্পেনিছ তাৰকা সংগীত শিল্পীজনে ডিভ' ষ্টাৰ নামেৰে এটা জনপ্ৰিয় বেণ্ডত সংগীত পৰিৱেশন কৰিছিল।

## হংকঙৰ গণতন্ত্ৰৰ ভৱিষ্যৎ উজ্জ্বল ঃ হঠাৎ আজৱ মন্তব্য চীনৰ



**নিউজ ব্যুৰ', হংকং, ২০ ডিচেম্বৰ ঃ** হংকঙৰ গণতন্ত্ৰৰ ভৱিষ্যৎ উজ্জ্বল। উক্ত প্ৰদেশলৈ শান্তি আৰু আইন-শৃংখলা উভতি আহিছে। এজনৰ পাছত আনজন গণতন্ত্ৰপ্ৰেমীক কাৰাগাৰলৈ নিক্ষেপ কৰি অহা চীনে হংকং প্ৰসংগত এই আজৱ মন্তব্য প্ৰকাশ কৰিলে। কালি হংকং আইনসভাৰ নিৰ্বাচনত বেইজিংপন্থীৰ জয়ৰ পাছত এখন শ্বেতপত্ৰ প্ৰকাশ কৰি হংকং প্ৰসংগত এই মন্তব্য প্ৰকাশ কৰিলে কমিউনিষ্ট দেশখনে। দেওবাৰে বিক্ষোভ আৰু ভোট বৰ্জনৰ মাজতে অনুষ্ঠিত হ'ল হংকং আইনসভাৰ নিৰ্বাচন। প্ৰত্যাশা কৰা অনুসৰি এই নিৰ্বাচনত জয়লাভ কৰিলে চীনপন্থীয়ে। মুঠ ৯০ আসনৰ ৮২ আসনত জয়লাভ কৰিলে চীনপন্থীয়ে।

## পহিলা জানুৱাৰীৰ পৰা সলনি হ'ব ডেবিট-ক্ৰেডিট কাৰ্ডৰ নিয়ম



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** অনলাইনত লেনদেন অতি সুৰক্ষিত কৰিবলৈ অহা পহিলা জানুৱাৰীৰ পৰা ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিৰ্দেশত ডেবিট আৰু ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰৰ নিয়ম সলনি হ'ব ভাৰতত। পহিলা জানুৱাৰীৰ পৰা ডেবিট-ক্ৰেডিট কাৰ্ড ব্যৱহাৰৰ ক্ষেত্ৰত গ্ৰাহকে প্ৰথমে এক পৰ্যায়ৰ অনুমতি (এ এফ এ) দিব লাগিব আৰু তাৰ পাছত কাৰ্ডৰ চি ভি ভি আৰু অ'টিপি জমা দিব লাগিব। তেতিয়াহে লেনদেন সম্পূৰ্ণ হ'ব। পহিলা জানুৱাৰীৰ পৰা এনেবোৰ লেনদেনত ব্যৱহাৰ কৰিব লাগিব এনক্ৰিপটেড ট'কেন। বিশেষজ্ঞসকলৰ মতে, বৰ্তমানৰ ডেবিট-ক্ৰেডিট কাৰ্ডৰ লেনদেন পদ্ধতিৰ তুলনাত এনক্ৰিপটেড ট'কেন পদ্ধতি অধিক নিৰাপদ আৰু এই পদ্ধতিৰে চাইবাৰ জালিয়াতি ৰোধ কৰা সম্ভৱ। ৰিজাৰ্ভ বেংকে জনোৱা অনুসৰি ট'কেন প্ৰক্ৰিয়াৰ মাধ্যমেৰে ডেবিট-ক্ৰেডিট কাৰ্ডৰ লেনদেনৰ ক্ষেত্ৰত প্ৰতিবাৰ কাৰ্ডৰ সবিশেষ তথ্য জমা দিব লাগিব।

## ই ডিৰ কাৰ্যালয়ত হাজিৰ ঐশ্বৰ্য, পানামা নথি গোচৰৰ জেৰাত ল'লে অংশ

**নিউজ ব্যুৰ', মুম্বাই, ২০ ডিচেম্বৰ ঃ** পানামা নথি কেলেংকাৰিৰ গোচৰত ঐশ্বৰ্য ৰাই বচ্চনলৈ চমন জাৰি কৰিছিল প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ। ই ডিৰ পৰা চমন লাভৰ পাছতে আজি বিয়লি বেলা বিভাগীয় কাৰ্যালয়ত হাজিৰ হ'ল প্ৰাক্তন বিশ্বসুন্দৰী। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, বিদেশত প্ৰচুৰ সম্পত্তি থকা হেতুকে ই ডিয়ে এই প্ৰসংগত জেৰাৰ বাবে ঐশ্বৰ্যলৈ চমন জাৰি কৰিছে। ফৰেইন এক্সচেঞ্জ মেনেজমেণ্ট এক্ট (ফেমা) আইনৰ অধীনত ই ডিয়ে ঐশ্বৰ্যলৈ চমন জাৰি কৰিছিল। উল্লেখ্য যে পূৰ্বেও ই ডিয়ে



ঐশ্বৰ্যলৈ দুবাৰকৈ চমন জাৰি কৰিছিল আৰু দুয়োবাৰে তেওঁ অতিৰিক্ত সময় বিচাৰিছিল। অৱশ্যে তৃতীয়বাৰৰ চমন এৰাই চলিব নোৱাৰিলে অমিতাভ বচ্চনৰ বোৱাৰীয়ে। বিদেশত যথেষ্ট পৰিমাণৰ সম্পত্তি আহৰণ কৰাক লৈ পানামা পেপাৰ্ছে পূৰ্বে প্ৰকাশ কৰা কেতবোৰ তথ্যপাতিৰ প্ৰসংগত ই ডিয়ে ঐশ্বৰ্যক প্ৰশ্ন কৰাৰ লগতে ২০০৫ বৰ্ষত প্ৰতিষ্ঠিত এটা কোম্পানীৰ সন্দৰ্ভতো তেওঁক সোধাপোছা কৰে। উল্লেখ্য যে পানামা নথি হ'ল এক কোটি ১৫ লাখ গোপন নথিপত্ৰ আৰু ২০১৬ৰ এপ্ৰিলত ইয়াক ফাদিল কৰা হৈছিল। পানামা নথিত নাম থকাত আদালতৰ নিৰ্দেশত পাকিস্তানৰ প্ৰধানমন্ত্ৰীৰ পদ হেৰুৱাব লগা হৈছিল নৱাজ শ্বৰীফে।




## পাকিস্তানত ইমৰান খানৰ দলৰ স্থানীয় নিৰ্বাচনত পৰাজয়

**নিউজ ব্যুৰ' খাইবাৰ পখটুনখাৱা, ২০ ডিচেম্বৰ ঃ** পাকিস্তানত ইমৰান খান নেতৃত্বাধীন পাকিস্তান তেহৰিক এ ইনছাফ (পি টি আই) দলে খাইবাৰ পখটুনখাৱা প্ৰদেশৰ স্থানীয় নিৰ্বাচনৰ ভোটগণনাত কে'বাখনো জিলাত পৰাজিত হ'ল। পি টি আইৰ এই নিৰ্বাচনী বিপৰ্যয়ৰ বিপৰীতে জমিয়ত উলেমা-এ-ইছলাম দলে স্থানীয় নিৰ্বাচনত কে'বাখনো জিলাত জয়লাভ কৰিছে। উল্লেখ্য যে কালি খাইবাৰ পাখটুনখাৱাৰ ১৭খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। প্ৰদেশত ছবছৰ পাছত এই স্থানীয় নিৰ্বাচন অনুষ্ঠিত হ'ল।

## দাৰ্জিলিঙতকৈও শীতল হ'ল দিল্লী, শীত প্ৰবাহত কঁপিছে উত্তৰ ভাৰত

**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** প্ৰচণ্ড শীতত কঁপিছে উত্তৰ ভাৰতৰ বিস্তৃৰ্ণ অঞ্চল। শীত প্ৰবাহৰ ফলত অৱনমিত হ'বলৈ ধৰিছে তাপমাত্ৰা। কাশ্মীৰ, দিল্লী, ৰাজস্থান, পঞ্জাৱ, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ একাংশত বিগত কে'বাদিন ধৰি সৰ্বনিম্ন তাপমাত্ৰা স্বাভাৱিকতকৈ যথেষ্ট অৱনমিত হৈছে। দিল্লীত আজি পুৱা তাপমাত্ৰা ৩.২ ডিগ্ৰী ছেলচিয়াছলৈ অৱনমিত হৈছিল। চলিত বৰ্ষত এয়ে প্ৰথমবাৰ দিল্লীৰ পাৰাস্তম্ভ ইমান তললৈ



নামিলে। আজি পশ্চিমবংগৰ দাৰ্জিলিঙত পুৱা সৰ্বনিম্ন তাপমাত্ৰা আছিল ৩.৫ ডিগ্ৰী ছেলচিয়াছ। অৰ্থাৎ দাৰ্জিলিঙতকৈও আজি অধিক শীতল হ'ল দেশৰ ৰাষ্ট্ৰীয় ৰাজধানী। উত্তৰ ভাৰতৰ শীত প্ৰবাহক লৈ বতৰ বিজ্ঞান বিভাগৰ বিজ্ঞানী আৰ কে জেনামণিয়ে কয়, 'বৰ্তমানে উত্তৰ আৰু উত্তৰ-পশ্চিম ভাৰতত প্ৰৱল শীতপ্ৰবাহ অব্যাহত আছে। কিয়নো পশ্চিমৰ পৰা ঠাণ্ডা বতাহ বৈছে। ফলত ৰাজস্থানৰ চুৰু, ছিকৰৰ দৰে অঞ্চলসমূহৰ তাপমাত্ৰা শূন্যৰ তললৈ নামিছে। অমৃতসৰ আৰু পঞ্জাৱত পাৰাস্তম্ভ শূন্য ডিগ্ৰীৰ আশে-পাশে আছে।' বিজ্ঞানীজনৰ মতে, ২২ ডিচেম্বৰৰ পাছত শীতৰ প্ৰকোপ কিছু হ্ৰাস পাব পাৰে। শ্ৰীনগৰত যোৱা নিশা তাপমাত্ৰা আছিল মাইনাছ পাঁচ ডিগ্ৰী ছেলচিয়াছ। পহেলগামত মাইনাছ ৭.৪ ডিগ্ৰী, লাডাখত মাইনাছ ১৯ ডিগ্ৰীলৈ তাপমাত্ৰা হ্ৰাস পাইছে। উত্তৰ প্ৰদেশ, বিহাৰ, ঝাৰখণ্ডতো শীতৰ প্ৰকোপ ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে।


## ইজৰাইলী আক্ৰমণৰ প্ৰত্যুত্তৰ দিবলৈ প্ৰস্তুত আছে ইৰান



**নিউজ ব্যুৰ', তেহৰান, ২০ ডিচেম্বৰ ঃ** ইজৰাইলে আক্ৰমণ চলালে ইয়াৰ কঠোৰ প্ৰত্যুত্তৰ দিবলৈ সম্পূৰ্ণ সাজু আছে ইৰান। ইৰানৰ কমাণ্ডাৰ ঘূলমালী ৰছিদে এই কথা প্ৰকাশ কৰি ইৰানৰ সংবাদ মাধ্যমৰ আগত কয় যে ইজৰাইলে আক্ৰমণ চলালে ইয়াৰ যথোচিত প্ৰত্যুত্তৰ দিয়া হ'ব। দেওবাৰৰ পৰা আৰম্ভ হোৱা সামৰিক অনুশীলনত অংশ লৈ ৰছিদে কয়, 'যদি ইজৰাইলে ইৰানৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰে, তেন্তে আমাৰ সশস্ত্ৰ বাহিনীয়ে লগে লগে ইজৰাইলৰ সকলোবোৰ মূল কেন্দ্ৰ, ঠিকনা, ৰাজপথ আৰু অন্যান্য ৰাজহুৱা গুৰুত্বপূৰ্ণ স্থানত আক্ৰমণ চলাব।' ইৰানে যুদ্ধ বিচৰা নাই যদিও ইজৰাইলে আক্ৰমণ চলালে দেশখনৰ সেনাবাহিনীয়ে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সম্পূৰ্ণ সাজু আছে বুলি ৰছিদে দাবী কৰে।

# অ'মিক্ৰনে ৰোগী শৰীৰৰ আভ্যন্তৰত কৰা নাই আক্ৰমণ ঃ দিল্লীৰ চিকিৎসকৰ দাবী

**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনে আক্ৰান্ত লোকৰ হাওঁফাওঁক বিশেষভাৱে আক্ৰমণ কৰা নাই। দিল্লীৰ লোকনায়ক হাস্পতালত বৰ্তমানলৈকে ভৰ্তি হোৱা অ'মিক্ৰন আক্ৰান্ত ৰোগীৰ চিকিৎসাৰ অভিজ্ঞতাৰ আধাৰত চিকিৎসালয়খনৰ চিকিৎসকে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, বৰ্তমানলৈকে কোনো ৰোগীৰ হাওঁফাওঁত অ'মিক্ৰনৰ ক্ষতিকাৰক প্ৰভাৱ প্ৰত্যক্ষ হোৱা নাই। ফলত অ'মিক্ৰনত আক্ৰান্ত ৰোগীৰ মাজত বৰ্তমানলৈকে ক'ভিড নিম'নিয়াৰ সংক্ৰমণ প্ৰত্যক্ষ হোৱা নাই বুলি চিকিৎসকে জানিবলৈ দিয়ে। অৱশ্যে চিকিৎসকৰ মতে, বৰ্তমানলৈকে অ'মিক্ৰনে ৰোগীৰ কোনো ক্ষতি কৰা নাই যদিও ক'ভিডৰ এই প্ৰজাতিৰ ভাইৰাছৰ সংক্ৰমণক লঘুভাৱে লোৱা উচিত নহ'ব। অ'মিক্ৰন প্ৰতিৰোধৰ বাবে সকলোৱে ক'ভিড বিধি কঠোৰভাৱে মানি চলা জৰুৰী বুলি লোকনায়ক হাস্পতালৰ চিকিৎসকে মত প্ৰকাশ কৰে। দৰাচলতে কৰ'নাত আক্ৰান্ত হ'লে ৰোগীৰ হাওঁফাওঁত সংক্ৰমণ আৰু নিম'নিয়া হোৱাৰ ফলত আক্ৰান্তৰ শাৰীৰিক অৱস্থাৰ অৱনতি ঘটাৰ শংকা থাকে। তদুপৰি কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৰ সময়ত আক্ৰান্ত ৰোগীৰ ক্ষেত্ৰত ডেল্টা প্ৰজাতিয়ে হাওঁফাওঁক



বিশেষভাৱে প্ৰভাৱিত কৰিছিল। কিন্তু সম্প্ৰতি অ'মিক্ৰনত আক্ৰান্ত ৰোগীসকল দিল্লীত পাঁচৰ পৰা ১০ দিনৰ ভিতৰত সুস্থ হৈ উঠিছে বুলি জানিবলৈ দি লোকনায়ক হাস্পতালৰ চিকিৎসা নিৰ্দেশক ডাঃ সুৰেশ কুমাৰে কয় যে অ'মিক্ৰন আক্ৰান্ত একাংশ ৰোগীৰ বুকুৰ এক্সৰে ইত্যাদি পৰীক্ষণ সম্পন্ন কৰি লাভ কৰা তথ্য অনুসৰি বৰ্তমানলৈকে ক'ভিডৰ নতুন প্ৰজাতিয়ে ভাৰতত আক্ৰান্তৰ হাওঁফাওঁত গভীৰ সংক্ৰমণ সৃষ্টি কৰা নাই। ফলত কোনো ৰোগীৰ শৰীৰত অক্সিজেনৰ অভাৱ ঘটা নাই বুলিও ডাঃ কুমাৰে জানিবলৈ দিয়ে। সেয়েহে অ'মিক্ৰন আক্ৰান্ত ৰোগীক অক্সিজেন দিয়াৰ প্ৰয়োজন হোৱা নাই। পাঁচৰ পৰা ১০ দিনৰ ভিতৰতে অ'মিক্ৰনত আক্ৰান্ত ৰোগীসকল সুস্থ হৈ উঠিছে।



## দেশত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ১৭১ জনলৈ বৃদ্ধি

**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** ভাৰতত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। আজি দিল্লী, কৰ্ণাটক আৰু কেৰালাত নতুনকৈ অ'মিক্ৰনত আক্ৰান্তৰ সন্ধান লাভ কৰা হ'ল। ক'ভিডৰ নতুন প্ৰজাতিৰ পুনৰ দিল্লীত ছজন, কৰ্ণাটকত পাঁচজন আৰু কেৰালাত চাৰিজন লোক আক্ৰান্ত হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বৰ্তমানলৈকে ভাৰতত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ১৭১ জনলৈ বৃদ্ধি পালে। উপৰোক্ত তিনি ৰাজ্যৰ লগতে মহাৰাষ্ট্ৰ, ৰাজস্থান, তেলেংগানা, অন্ধ্ৰপ্ৰদেশ, চণ্ডীগড়, তামিলনাডুত অ'মিক্ৰন আক্ৰান্তৰ সন্ধান লাভ কৰা হৈছে।

## উত্তৰ প্ৰদেশৰ নিৰ্বাচনত আপৰ ৩০ প্ৰাৰ্থীৰ তালিকা ঘোষণা



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২০ ডিচেম্বৰ ঃ** আম আদমী পাৰ্টি (আপ)-য়ে উত্তৰ প্ৰদেশ বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে আজি ৩০ জনীয়া প্ৰাৰ্থীৰ তালিকা এখন ঘোষণা কৰে। অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন দলটোৱে উত্তৰ প্ৰদেশৰ নিৰ্বাচনৰ বাবে এতিয়ালৈকে ২০০ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। নতুনকৈ ঘোষণা কৰা ৩০ জনীয়া প্ৰাৰ্থীৰ তালিকাত দলটোৱে ১১ টা সমষ্টিত পিছপৰা সম্প্ৰদায়ৰ, নটা সমষ্টিত ব্ৰাহ্মণ, পাঁচটাত অনুসূচিত জাতি, এটাত মুছলমান, এটাত ৰাজপুত আৰু এটাত কায়স্থ সমাজৰ লোকক প্ৰাৰ্থিত্ব প্ৰদান কৰিলে।

## বৈদেশিক ঋণৰ বোজা ঃ ইমৰানৰ চৰকাৰে তিনি বছৰত ল'লে ৩৫.১ বিলিয়ন ডলাৰৰ ঋণ

**নিউজ ব্যুৰ', ইছলামাবাদ, ২০ ডিচেম্বৰ ঃ** ভয়াৱহ বিত্তীয় সংকটৰ সন্মুখীন হৈ অহা পাকিস্তানৰ বৈদেশিক ঋণৰ বোজা দিনকদিনে বৃদ্ধি পাই আহিছে। ইমৰান খানৰ চৰকাৰে ২০২০-২১ বৰ্ষত বিদেশী ৰাষ্ট্ৰৰ পৰা ১৫.৩২ বিলিয়ন ডলাৰৰ ঋণ গ্ৰহণ কৰিলে। ইয়াৰ জৰিয়তে বৰ্তমানৰ চৰকাৰখনে পূৰ্বৰ ১০.৪৫ বিলিয়ন ডলাৰ ঋণ গ্ৰহণৰ অভিলেখ ভংগ কৰিলে। ইমৰানৰ চৰকাৰে মাত্ৰ তিনি বছৰতে পাকিস্তানৰ বৈদেশিক ঋণৰ পৰিমাণ দুগুণ বৃদ্ধি কৰিলে। ইমৰানে যেতিয়া পাকিস্তানৰ ক্ষমতা দখল কৰিছিল সেই সময়ত পাক প্ৰধানমন্ত্ৰীজনে দাবী কৰি কৈছিল যে তেওঁৰ চৰকাৰে দেশৰ ভাগ্য সম্পূৰ্ণ সলনি কৰিব। কিন্তু দেশৰ ভাগ্য সলনি কৰাৰ পৰিৱৰ্তে তিনি



বছৰত ইমৰান খানৰ চৰকাৰে ৩৫.১ বিলিয়ন ডলাৰৰ ঋণ গ্ৰহণ কৰি দেশখনৰ বিদেশী ঋণৰ পৰিমাণ ৮৫.৬ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰিলে। ইফালে, বিগত তিনি বছৰ ধৰি পাকিস্তানী টকাৰ মূল্য একেৰাহে অৱনমিত হৈ আহিছে। ২০১৮ত ডলাৰৰ বিপৰীতে পাকিস্তানী টকাৰ মূল্য ১২৩ টকা আছিল। বৰ্তমানে ৩০ শতাংশ মূল্য হ্ৰাসৰ ফলত প্ৰতি ডলাৰৰ বিপৰীতে পাকিস্তানী টকাৰ মূল্য ১৭৯ টকালৈ হ্ৰাস পাইছে।



## দেশৰ দৈনিক সংক্ৰমণ ৬,৫৬৩ জনলৈ হ্ৰাস, ২৪ ঘণ্টাত মৃত্যু ১৩২

**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** অ'মিক্ৰন উদ্বেগৰ মাজতে দেশত হ্ৰাস পালে ক'ভিডৰ দৈনিক সংক্ৰমণ। একেৰাহে চাৰিদিন ধৰি দৈনিক সংক্ৰমণ সাত হেজাৰৰ ঊৰ্দ্ধত থকাৰ পাছত আজি ৬,৫৬৩ জনলৈ আক্ৰান্তৰ সংখ্যা হ্ৰাস পালে। কেৱল কেৰালাতে যোৱা ২৪ ঘণ্টাত ক'ভিডত সংক্ৰমিত হ'ল প্ৰায় তিনি হেজাৰ লোক। মহাৰাষ্ট্ৰত ৯০২, তামিলনাডুত ৬০২ আৰু পশ্চিমবংগত ৫৬৫ জন লোক বিগত এদিনত কৰ'নাত আক্ৰান্ত হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি দেশত বৰ্তমানলৈকে মুঠ তিনি কোটি ৪৭ লাখ ৪৬ হেজাৰ ৮৩৮ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। ইফালে, যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত মৃতকৰ সংখ্যাও ১৩২ জনলৈ হ্ৰাস পালে। কেৱল কেৰালাতে এই ভাইৰাছত প্ৰাণ হেৰুৱালে ৯৬ জন লোকে।

# অনুসূচিত জাতি কামৰূপ জিলা উন্নয়ন ব'ৰ্ডৰ নৱনিযুক্ত অধ্যক্ষ

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২০ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ তীৰ্থ নগৰী হাজো নিবাসী, বিশিষ্ট সমাজকৰ্মী তথা অনুসূচিত জাতি মৰ্চাৰ প্ৰাক্তন ৰাজ্যিক সাধাৰণ সম্পাদক নীলকান্ত দাসক এইবেলি ২০২১ৰ অনুসূচিত জাতি কামৰূপ জিলা উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ পদত নিযুক্তি প্ৰদানত উৎফুল্লিত হৈ পৰিছে অঞ্চলবাসী তথা দলীয় কৰ্মীবৃন্দ।

সমান্তৰালভাৱে নৱনিযুক্ত অধ্যক্ষ নীলকান্ত দাসক সম্বৰ্ধনা জ্ঞাপন কৰে হাজোত বিজেপি কৰ্মী বজেন্দ্ৰ ভৰালী আৰু হাজো মণ্ডল বিজেপি যুৱ মৰ্চাৰ প্ৰাক্তন সভাপতি ভাস্কৰ ভৰালীয়ে। নৱনিযুক্ত অধ্যক্ষ নীলকান্ত দাসে দলীয় দায়িত্ব লাভ কৰি সন্তুষ্টি প্ৰকাশৰ লগতে সুচাৰুৰূপে নিজৰ দায়িত্ব পালন কৰি যাব বুলিও প্ৰতিশ্ৰুতিবদ্ধ হোৱা দেখা গ'ল। লগতে তেওঁ দলীয় নেতৃবৃন্দকো দায়িত্ব প্ৰদান কৰাত আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষা মন্ত্ৰী ৰণোজ পেগু, ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা, হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰীয়া, কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, সাংসদ দিলীপ শইকীয়া, বিজেপি নেতা ফনীন্দ্ৰ নাথ শৰ্মা, দীপ্তৰঞ্জন শৰ্মা, নন্দন তালুকদাৰ, ধনেশ্বৰ তালুকদাৰ, নৱাৰুণ মেধি, নৱজ্যোতি দাস, জিতেন্দ্ৰ পাটোৱাৰীকে প্ৰমুখ্য কৰি সমূহ দলীয় কৰ্মকৰ্তাক তেওঁ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

অৱশ্যে এজন আদৰ্শ নিষ্ঠাৱান কৰ্মীৰূপে নীলকান্ত দাসে পূৰ্বৰে পৰা দলীয় সেৱা আগবঢ়াই আহিছিল। বিশেষকৈ তেওঁ ২০০৭ত উত্তৰ কামৰূপ জিলা ভাৰতীয় জনতা যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক পদত, ২০১১ ত ভাৰতীয় জনতা পাৰ্টি অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক সম্পাদক পদত, ২০১২ৰ পৰা ২০১৮লৈ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক পদত, ২০১৯ৰ পৰা ২০২০ লৈ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি পদত, ২০২০ত পুনৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক পদত আৰু ২০২১ত বৰ্তমান অনুসূচিত জাতি কামৰূপ জিলা উন্নয়ন ব'ৰ্ডৰ নৱনিযুক্ত অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিবলৈ সক্ষম হৈছে।

# চোৰাংকৈ সৰবৰাহ কৰা ১৭টা গৰু জব্দ

*এক পৃষ্ঠাৰ পৰা* জব্দ কৰাৰ লগতে তিনিজন চোৰাং সৰবৰাহকাৰীকো আটক কৰে। আৰক্ষীয়ে জনোৱা মতে, এই গৰুসমূহ শিৱসাগৰৰ পৰা যোৰাবাটলৈ চোৰাংকৈ সৰবৰাহ কৰা হৈছিল। এই তথ্য লাভ কৰি আৰক্ষীয়ে ধৰমতুলত এ এছ-০১ এল চি-৩৩৪৬ নম্বৰৰ ট্ৰাকখন ৰখাই তালাচী চলোৱাত গৰুসমূহ দেখা যায়। সৰবৰাহকাৰীয়ে কোনো বৈধ নথি প্ৰদৰ্শন কৰিব নোৱাৰাত আৰক্ষীয়ে ট্ৰাকসহ গৰুসমূহ জব্দ কৰে। লগতে তিনি সৰবৰাহকাৰী চৰিফুদ্দিন আলী, ৰিবুল আলী আৰু মেৰাজুল ইছলামক আটক কৰে। ধৃত লোক তিনিজনে গৰুসমূহ শিৱসাগৰৰ পৰা যোৰাবাটলৈ সৰবৰাহ কৰাৰ কথা স্বীকাৰ কৰা বুলি আৰক্ষীয়ে জনাইছে।

# সিদলসতীত ডাম্পাৰৰ খুন্দাত নিহত

*এক পৃষ্ঠাৰ পৰা* গেৰুকাবাৰী নিবাসী মণিকা ৰায় (২৬)।

প্ৰাপ্ত তথ্য অনুসৰি, যুৱতীগৰাকীয়ে আজি জ্যেষ্ঠ ভ্ৰাতৃ প্ৰদীপ ৰায় (৩৮)ৰ স'তে চিকিৎসাৰ বাবে এখন স্কুটীত অভয়াপুৰী চহৰলৈ আহিছিল। সন্ধিয়া পৰত ৰাষ্ট্ৰীয় ঘাই পথেৰে ঘৰলৈ ওভতাৰ পৰত তেওঁলোক দুৰ্ঘটনাগ্ৰস্ত হয়। সিদলসতীত ৰাষ্ট্ৰীয় ঘাইপথত থকা গতিৰোধকত স্কুটীখনৰ গতি নিয়ন্ত্ৰণ কৰাৰ সময়তে পাছফালৰ পৰা দ্ৰুতবেগত অহা এখন ডাম্পাৰে সজোৰে স্কুটীত খুন্দা মাৰে। ফলত যুৱতীগৰাকীৰ ঘটনাস্থলীতে মৃত্যু হোৱাৰ উপৰি তেওঁৰ ভ্ৰাতৃ আহত হয়। দুৰ্ঘটনা সংঘটিত কৰিয়ে ডাম্পাৰখনে পলায়ন কৰে। দুৰ্ঘটনাৰ পাছতে স্থানীয় আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰাৰ লগতে আহত ৰায়ক বঙাইগাঁৱৰ ল'ৰাৰ আছাম হাস্পতালত ভৰ্তি কৰে। সম্প্ৰতি তেওঁ বিপদমুক্ত বুলি চিকিৎসালয় সূত্ৰই জনাইছে। গেৰুকাবাৰীৰ নিবাসী প্ৰসন্ন ৰায়ৰ কন্যা বিএড ডিগ্ৰীধাৰী মণিকাৰ অকাল মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰিছে।

# কাম হৈছে কাৰণে বিজেপি চৰকাৰৰ

*এক পৃষ্ঠাৰ পৰা* আজি বৃহৎ উচ্ছেদ চলিল তাত সৰ্বাধিক ড্ৰাগছৰ ব্যৱহাৰ হয়। আজিৰ পৰা ড্ৰাগছৰ প্ৰভাৱ হ্ৰাস পাব। এই কথাবোৰ সকলোৱে জানিছিল যদিও ব্যৱস্থা লোৱা নাছিল।' এইদৰে মুখ্যমন্ত্ৰীয়ে কয়। এনে ধৰণৰ চিন্তা-চৰ্চা পূৰ্বতে নাছিল বুলিও তেওঁ দাবী কৰে। ইপিনে, তেওঁ আন সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে নিয়ম-নীতি মানি প্ৰতিবাদ সাব্যস্ত কৰিলে তেওঁ বেয়া নাপায়। উল্লেখ্য যে বিধানসভাৰ সচিবালয়ৰ তেওঁৰ নিজস্ব কক্ষত আজি সাংবাদিকক মুখ্যমন্ত্ৰীয়ে এই বক্তব্য প্ৰকাশ কৰে।

ইপিনে, আজি বিধানসভাৰ অধিবেশনত কে'বাখনো প্ৰতিবেদন দাখিল কৰা হয়। লগতে আন কে'বাখনো সংশোধনী বিধেয়ক উপস্থাপন কৰা হয়। ইয়াৰ ভিতৰত উল্লেখযোগ্য হৈছে — অসম পশুধন সংৰক্ষণ সংশোধনী বিধেয়ক ২০২১, অসম আৰক্ষী সংশোধনী বিধেয়ক ২০২১ তথা তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ নিযুক্তিৰ বাবে অসম প্ৰত্যক্ষ নিয়োগ আয়োগ, অসম যানবাহন কৰ সংশোধনী বিধেয়ক আদি।

# কাকীত জীৱন্তে দগ্ধ ১০মহীয়া শিশু

*এক পৃষ্ঠাৰ পৰা* এই ঘটনা সংঘটিত হয় কাকী আৰক্ষী থানাৰ অন্তৰ্গত কাকী বনাঞ্চলৰ বৰমাংচু পানীগাঁৱত।

আৰক্ষী সূত্ৰই জনোৱা মতে, গাঁওখনৰ নিবাসী হাছেনউদ্দিন নামৰ লোকজনৰ বাসগৃহত এই অগ্নিকাণ্ড সংঘটিত হয়। নিশাৰ এই অগ্নিকাণ্ডত বাসগৃহটো ভস্মীভূত হোৱাৰ উপৰি হাছেনউদ্দিনৰ ১০মহীয়া কন্যা সন্তান তাছমিনা খাতুন দগ্ধ হোৱাত শিশুটিৰ ঘটনাস্থলীতে মৃত্যু হয়। এই ঘটনাত অৱশ্যে লোকজনৰ আন দুটি শিশু সন্তানৰ কথমপি প্ৰাণৰক্ষা পৰে। উল্লেখ্য যে কৰ্মসূত্ৰে কেৰালাত থকা হাছেনউদ্দিনৰ চাৰি সন্তানৰ তিনিটি ঘটনাৰ সময়ত নিজগৃহতে আছিল। তেওঁলোকৰ এটি কন্যা সন্তান আত্মীয়ৰ গৃহত আছিল। পৰিয়ালটোৰ ৰান্ধনিশালৰ চৌকাৰ পৰাই জুইৰ সূত্ৰপাত হোৱা বুলি ধাৰণা কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, হাছেনউদ্দিনৰ পত্নীয়ে নিশা ভাত ৰন্ধাৰ বাবে চৌকাত জুই জ্বলাই কোনো খাদ্যবস্তু অনাৰ বাবে প্ৰতিবেশী এঘৰলৈ গৈছিল। সেই সময়তে বাসগৃহটো জুয়ে ঘেৰি ধৰে। পৰিয়ালটোৰ দুটি সন্তানে ঘৰৰ পৰা ওলাবলৈ সক্ষম হ'লেও ১০মহীয়া শিশুটি ভিতৰত আবদ্ধ হৈ পৰে। প্ৰতিবেশী লোকসকলে জুই নিৰ্বাপনৰ লগতে শিশুটিক উদ্ধাৰৰ বাবে আপ্ৰাণ চেষ্টা চলায়ো ব্যৰ্থ হয়। এই ঘটনাই সম্প্ৰতি সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলাইছে।

# পাৰ্শ্বজ্যোতি

*এক পৃষ্ঠাৰ পৰা* সুবিধাৰ্থে উত্তৰবোৰ লবীৰ পৰিৱৰ্তে মেজত বিচাৰে। পৰিণতিত অধ্যক্ষয়ো সিদ্ধান্ত সলনি কৰিবলৈ বাধ্য হয়।

### কাম নিদিলে অনুবাদকে

অসম বিধানসভাত আজি প্ৰথমবাৰৰ বাবে বিধায়কসকলক হেডফোন দিয়া হয়। ইয়াৰ জৰিয়তে বিধায়কসকলে নিজৰ পছন্দৰ যিকোনো তিনিটা ভাষাত বিধানসভাত চলি থকা আলোচনা, ভাষণ আদি শুনাৰ ব্যৱস্থা কৰা হয়। ভাষা তিনিটা হ'ল অসমীয়া, বড়ো আৰু ইংৰাজী। নতুন ব্যৱস্থাটো লাভ কৰি বেছিভাগ বিধায়কে হেডফোনটো কাণত লগাই লয়; কিন্তু কেণা লাগে আৰম্ভণিতে। ইউপিপিএলৰ লৰেন্স ইছলাৰীয়ে ইংৰাজীত কৰা তেওঁৰ প্ৰথম প্ৰশ্নটো বড়ো ভাষাত উত্থাপন কৰে; কিন্তু হেডফোন লগাই লোৱা বিধায়কসকলৰ কে'বাজনেও আপত্তি দৰ্শায় যে অনুবাদ শুদ্ধ ৰূপত হোৱা নাই। বহুতে আকৌ কথাবোৰ বুজি নোপোৱা বুলিও আপত্তি কৰে। তাৰ মাজতে ৰকিবুল হুছেইনসহ কেইজনমান বিধায়কে হেডফোন তেওঁলোকক দিয়া হোৱা নাই বুলি অধ্যক্ষক জনায়। নোপোৱাসকলক অৱশ্যে লগে লগে হেডফোন যোগান ধৰা হয়; কিন্তু বাকী অভিযোগবোৰ মীমাংসা কৰিব নোৱাৰি অধ্যক্ষই বিধায়ক ইছলাৰীক অসমীয়াতে কথা ক'বলৈ আহ্বান জনায়। সেইমতে ইছলাৰীয়েও বড়ো এৰি অসমীয়া ভাষাত তেওঁৰ বক্তব্য দাঙি ধৰে। এনে আপত্তিবোৰক লৈ অধ্যক্ষই আক্ষেপেৰে কয়, 'আমি নতুন নতুন ব্যৱস্থাবোৰ গ্ৰহণ কৰিব লাগিব বুলিয়ে কেতবোৰ পদক্ষেপ লোৱা হৈছে। হয়তো বিধানসভাক ডিজিটেলাইজড কৰিব বিচৰাটো মোৰ ভুল ধাৰণা।'

# তিনিচুকীয়াৰ চাহবাগিচাত মাতৃয়েই

*এক পৃষ্ঠাৰ পৰা* পাছফালে মৃতদেহটো পুতি ৰাখিছিল।

আৰক্ষী সূত্ৰই জনোৱা অনুসৰি, মাদক দ্ৰব্য আৰু জুৱা খেলত আসক্ত পুত্ৰ ৰামে প্ৰায়ে টকা বিচাৰি মাতৃ সামনিক নানা ধৰণে অশান্তি কৰাৰ লগতে মাৰপিট পৰ্যন্ত কৰি আহিছিল। যোৱা চাৰি ডিচেম্বৰত বাগিচাখনত অনুষ্ঠিত হোৱা কালী পূজাত নিশা জুৱা খেলাৰ উদ্দেশ্যে ৰামে মাতৃক টকা বিচাৰিছিল, কিন্তু মাতৃয়ে এই দাবী পূৰণ কৰিব নোৱাৰাৰ বাবে পুত্ৰই তেওঁক মাৰপিট কৰিবলৈ ধৰে। এটা সময়ত মাতৃয়েও ধৈৰ্য হেৰুৱাই এডাল খৰিৰ টুকুৰাৰে পুত্ৰক উপৰ্যুপৰি প্ৰহাৰ কৰাত থিতাতে মৃত্যু হয়। পুত্ৰৰ অপ্ৰত্যাশিতভাৱে মৃত্যু হোৱাত ভীতিগ্ৰস্ত হৈ মাতৃয়ে মৃতদেহটো ঘৰৰ পাছফালে গাঁত খান্দি পুতি থয়। নিশা সংঘটিত হোৱা এই ঘটনা সন্দৰ্ভত কোনো লোক অৱগত নহ'ল যদিও হঠাতে ঘৰৰ একমাত্ৰ পুত্ৰ ৰাম সন্ধানহীন হৈ পৰাত একাংশ স্থানীয় যুৱকৰ কৌতূহল ওপজে। তেওঁলোকে মহিলাগৰাকীক পুত্ৰ ৰামৰ সন্দৰ্ভত জানিবলৈ বিচৰাত প্ৰথমে অৰুণাচল প্ৰদেশত কাম কৰিবলৈ যোৱা বুলি কৈছিল। যদিও সন্দেহবশতঃ যুৱকৰ দলটোৱে ঘৰৰ পাছফালে কিবা পুতি থোৱাৰ উমান পাই মাতৃক অধিক হেঁচা প্ৰয়োগ কৰি সোধপোছ কৰোতে তেওঁ পুত্ৰক হত্যা কৰি পুতি থোৱাৰ কথা প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত বাঘজান আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ দণ্ডাধীশৰ উপস্থিতিত গাঁতৰ পৰা ৰামৰ উৱঁলি যোৱা মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰাৰ লগতে মাতৃ সামনিক আজি গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে এই হত্যাকাণ্ডত অধিক লোক জড়িত থাকিব পাৰে নেকি তাৰ তদন্ত অব্যাহত ৰাখিছে। উক্ত ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চাহ জনজাতি ছাত্ৰ সন্থাই বাগিচা অঞ্চলত অবৈধ মাদক দ্ৰব্য আৰু জুৱা খেলৰ প্ৰচলন বৃদ্ধি পোৱাৰ বাবেই এনে ঘটনা সংঘটিত হৈ অহা বুলি প্ৰকাশ কৰি বাগিচা অঞ্চলত অবৈধ মাদক দ্ৰব্য আৰু জুৱা খেলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনক দাবী জনাইছে।

# জটিলতা বাঢ়িবহে ঃ খিলঞ্জীয়া কোন

*এক পৃষ্ঠাৰ পৰা* 'কিছুমান প্ৰশ্ন এৰাই চলিব পাৰিলে ভাল হ'ব। কিছুমান প্ৰশ্নৰ অৱতাৰণা কৰিলে জটিলতা বাঢ়ি যাব।' মন্ত্ৰীজনে কমলাক্ষ্য দে পুৰকায়স্থৰ নাম উল্লেখ কৰি কয়, 'আপোনালোকে এইবোৰ প্ৰশ্ন কৰি অসমীয়া ভূমিপুত্ৰক অসন্মান কৰাটো বাদ দিয়ক। আপোনালোকৰ যে ভোট বেংকৰ অংক আছে, জানো? কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়া, বড়ো, ৰাভা, মিচিংসকলক আপুনি অপমান কৰি থাকিব খোজে জানো? এইবোৰ বাদ দিয়ক।' হাজৰিকাৰ বক্তব্যৰ প্ৰতিবাদ জনায় কংগ্ৰেছে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ইমানতে বিষয়টোৰ সামৰণি মৰাৰ চেষ্টা চলায় যদিও পুৰকায়স্থই মন্ত্ৰী হাজৰিকাৰ বক্তব্যত তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰে।

সেই সময়তে বিজেপিৰ ৰমাকান্ত দেউৰীয়ে তেওঁক কিছু কথা কোৱাৰ সময় দিব লাগে বুলি অধ্যক্ষক আহ্বান জনায়। অধ্যক্ষই দেউৰীৰ আহ্বান নাকচ কৰে; কিন্তু বিধায়কজন নিজৰ স্থিতিত অটল থাকি কয়, 'মই ক'ব লাগিবই। মই ক'ব লাগিব। মোক সময় দিবই লাগিব। মই ক'মেই।' এই বুলি সন্মুখৰ মেজত জোৰেৰে চপৰিয়াই দেউৰীয়ে খিলঞ্জীয়াক লৈ সমস্যাবোৰ কিয় আহে বুলি কে'বাবাৰো চিঞৰি চিঞৰি প্ৰশ্ন কৰে। এনে প্ৰশ্ন কৰা সকলে লাজ পাব লাগে বুলি তেওঁ মন্তব্য কৰে। যাৰ খিলঞ্জীয়ানো কি সেই ধাৰণাই নাই তেওঁলোকে মনে মনে থকাই ভাল বুলিও দেউৰীয়ে কটাক্ষ কৰে। তেওঁৰ এই মন্তব্যক লৈ লগে লগে বিধানসভাত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। কংগ্ৰেছৰ লগতে এআইইউডিএফৰ একাংশ বিধায়কেও দেউৰীক উদ্দেশ্য কৰি বিভিন্ন বক্তব্য আগবঢ়ায় যদিও শাসক-বিৰোধীৰ কিছুসংখ্যক জনপ্ৰতিনিধিয়ে সৃষ্টি কৰা হুলস্থুলীয়া পৰিৱেশত সেইবোৰ তল পৰে। কিছুসময় পাছত অধ্যক্ষৰ হস্তক্ষেপত পৰিস্থিতিৰ শাম কাটে। তেতিয়া অধ্যক্ষই কয়, 'কমলাক্ষ্যৰ প্ৰশ্নটোক ইতিবাচকভাৱে ল'ব লাগে।'

# মাৰিয়ামপুৰত ই'কো টুৰিজিম লেকৰ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ২০ ডিচেম্বৰ ঃ** গ্ৰাম্য অৰ্থনীতিৰ লগতে পৰ্যটন ক্ষেত্ৰখনৰ উত্তৰণৰ লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি গোৱালপাৰা জিলাৰ ধুপধাৰাৰ অসম-মেঘালয় সীমান্তৱৰ্তী প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ মাৰিয়ামপুৰত কালি মাৰিয়ামপুৰ ই'কো টুৰিজিম লেকৰ উদ্বোধন কৰা হয়। এই টুৰিজিম লেক উদ্বোধন কৰে গোৱালপাৰা জিলাৰ ৩৬ নম্বৰ দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে। গ্ৰাম্য অৰ্থনীতিৰ লগতে গ্ৰাম্য পৰ্যটনৰ ক্ষেত্ৰসমূহৰ উত্তৰণৰ প্ৰচুৰ সম্ভাৱনা থকা মাৰিয়ামপুৰৰ এই টুৰিজিম লেক উদ্বোধন কৰি বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে মাৰিয়ামপুৰৰ এই টুৰিজিম লেক গ্ৰাম্য অৰ্থনীতি সবলীকৰণৰ ক্ষেত্ৰত এক উল্লেখ্যযোগ্য ভূমিকা পালন কৰাৰ কথা কয়। সমান্তৰালকৈ ইয়াৰ বাসিন্দাসকলৰ জীৱন-জীৱিকাৰ সবলভাৱে চলাই নিয়াৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ অৰিহণা যোগাব বুলি কয়। লগতে তেওঁ ৰাইজক এই পৰ্যটন ক্ষেত্ৰলৈ আহি ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰাৰ লগতে লগে ভাগে মিলি তৃপ্তিৰে বনভোজ খাবলৈও আহ্বান জনায়। ইফালে, উক্ত পৰ্যটন ক্ষেত্ৰখন জাকত-জিলিকা কৰি তোলাৰ ক্ষেত্ৰত পৰ্যায়ক্ৰমে আন্তঃগাঁথনি উন্নয়নৰ কাম কৰি থকা হ'ব বুলিও জানিবলৈ দিয়ে। এই পৰ্যটন ক্ষেত্ৰৰ আকৰ্ষণৰ বাবে বিধায়কগৰাকীয়ে শেহতীয়াকৈ তিনিখনকৈ নাও প্ৰদান কৰিছে। অৱশ্যে ইয়াৰ সংখ্যা পাঁচখনলৈ বৃদ্ধি কৰা হ'ব বুলি তেওঁ জনায়। উদ্বোধনী অনুষ্ঠানত কোঠাকুঠি গাঁও পঞ্চায়তৰ সভাপতি, ৰংজুলি উন্নয়নখণ্ডৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া আদিকে ধৰি কে'বাগৰাকীও সমাজকৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। এই পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ বাবে বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে লোৱা ইতিবাচক পদক্ষেপক প্ৰশংসা কৰে ৰাইজে।

# অসম লেখিকা সংস্থা লংকা শাখা লেখিকা সংস্থাৰ পঞ্চম দ্বি-বাৰ্ষিক অধিবেশন

**অগ্ৰদূত বাৰ্তা**
**লংকা, ২০ ডিচেম্বৰ ঃ** কালি লংকা পৰশুৰাম মজুমদাৰ ছোৱালী হাইস্কুলত অনুষ্ঠিত হয় অসম লেখিকা সংস্থা পঞ্চম দ্বি-বাৰ্ষিক অধিবেশন দিনজোৰা কাৰ্যসূচীৰে পুৱা ন বজাত পতাকা উত্তোলন কৰে সংস্থাৰ সভানেত্ৰী শেৱালি তামুলী ফুকনে, ইয়াৰ পাছত বন্তী প্ৰজ্বলন কৰে উপদেষ্টা তাপসী দত্তই। ৯-৩০ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে উপদেষ্টা ডাঃ কুইন বৰকটকীয়ে ১০ বজাৰ পৰা অনুষ্ঠিত অধিবেশনৰ সভাত সন্থাৰ নতুন সমিতি ৰিতুমনি তামুলী ফুকনক সভানেত্ৰী আৰু চন্দনা ডেকাক সম্পাদিকা হিচাপে লৈ এখন পুৰ্ণাংগ সমিতি লংকা লেখিকা সন্থাৰ গঠন হয় এক বজাৰ পৰা অনুষ্ঠিত শেৱালী তামুলি ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত সংস্থাৰ বাৰ্ষিক মুখপত্ৰ 'শ্ৰোতস্বিনীঞ উন্মোচন কৰে উদলী মহাবিদ্যালয়ৰ অধ্যক্ষ অৰুণ বৰাই, বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে হোজাই সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ সভানেত্ৰী কল্পনা দেৱী গোস্বামী, ৰেখা বৰা, ৰামচন্দ্ৰ গোস্বামী, জেষ্ঠ সাংবাদিক তোষেশ্বৰ তামুলী ফুকন, জেষ্ঠ সাংবাদিক মুকল গোস্বামী, সমাজকৰ্মী দিনেশ বৰা আদি। অধিবেশনৰ মুকলি সভাতে কল্পনা দেৱী গোস্বামীৰ এখন কবিতা পুথি 'দুৰবীত সৰা নিয়ৰৰ মকুতা' উন্মোচন কৰে 'নদী আৰু নাৰীৰ' প্ৰতিষ্ঠাপক সম্পাদক তথা সেউজ মনৰ কবি ৰোণাল্ডো টাইডে। সংস্থাৰ সম্পাদিকা নিবেদিতা শৰ্মাই আঁত ধৰা অনুষ্ঠানত সংস্থাৰ জেষ্ঠ উপদেষ্টা ডাঃ কুইন শৰ্মাই চিকিৎসাৰ দৰে মহান কৰ্মত নিয়োজিত হৈ সামাজিক সাংস্কৃতিক দিশত অৰিহণা আগবঢ়াই অহা বাবে সভাতে সংস্থাৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সাংস্কৃতিক অনুষ্ঠানত শিশু শিল্পীসকলে গীত, নৃত্য আদি পৰিৱেশন কৰাৰ লগতে সংস্থাৰ সদস্যাসকলেও গীত, কবিতা আদিও পাঠ কৰে। অনুষ্ঠানত সংস্থাৰ পত্ৰিকা সম্পাদিকা চন্দনা ডেকাৰ ৰচিত আৰু পৰিচালনা, সাংস্কৃতিক সম্পাদিকা বিন্দীয়া কৌৰৰ সংগীত পৰিচালনাত এখন একাংকিকা নাট 'আইতা তুমি জেৰেঙা' মঞ্চস্থ কৰা হয়।

# বিশিষ্ট চিকিৎসক, কবি লোহিত কুমাৰ চৌধুৰীৰ বিয়োগ



**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** গুৱাহাটী সৰুমটৰীয়া নিৱাসী কবি ডাঃ লোহিত কুমাৰ চৌধুৰীৰ আজি পুৱা ১১-২০বজাত বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত মৃত্যু ঘটে। চৌধুৰী ১৯৩০ত ভৱানীপুৰত জন্মগ্ৰহণ কৰিছিল শ্ৰতেওঁৰ পিতৃ সৰুপেটা হাইস্কুল, সৰুপেটা প্ৰাথমিক বিদ্যালয়কে আদি কৰি বিভিন্ন অনুষ্ঠানৰ প্ৰতিষ্ঠাতা বিশিষ্ট সমাজকৰ্মী প্ৰয়াত সনাৰাম চৌধুৰী আৰু মাতৃ প্ৰয়াত সুকেশিবালা চৌধুৰী চৌধুৰীয়ে সৰুপেটা হাইস্কুলৰ পৰা সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত (সেই সময়ত মেট্ৰিক) উত্তীৰ্ণ হৈ কটন কলেজৰ পৰা উচ্চতৰ মাধ্যমিক (সেই সময়ত আই এছ চি) পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তেওঁ ১৯৫৩ ত ডিব্ৰুগড় মেডিকেল কলেজত ভৰ্তি হৈ ১৯৫৮ত এম বি বি এচ ডিগ্ৰী লাভ কৰি চিকিৎসা সেৱাত ব্ৰতী হয় চাকৰিকালত তেওঁ জখলাবন্ধাত ১১বছৰ চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে সৰভোগ, বৰপেটা, নগাঁও, বিশ্বনাথ চাৰিআলি, তেজপুৰ, মঙলদৈ, নলবাৰী, হাফলং, গুৱাহাটী আদি স্থানত চিকিৎসা প্ৰদানৰ দৰে মহান কৰ্মত নিয়োজিত হৈ জনপ্ৰিয় চিকিৎসক হিচাপে সুনাম অৰ্জন কৰিছিল শ্ৰডাজ্ঞ চৌধুৰীয়ে ১৯৯২ত স্বাস্থ্য বিভাগৰ অতিৰিক্ত সঞ্চালক পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল যদিও অৱসৰৰ পাছতো চিকিৎসা প্ৰদানৰ কামত নিয়োজিত হৈ আছিল। আনহাতে সৰুকালৰে পৰা সাহিত্যানুৰাগী, চৌধুৰী কাব্যচৰ্চাও কৰিছিল শ্ৰতেওঁৰ কবিতা একাধিক আলোচনীত প্ৰকাশ হোৱাৰ লগতে গ্ৰন্থাকাৰেও প্ৰকাশ হৈছে। মৃত্যুৰ সময়ত তেওঁ পত্নী লোকগীতৰ অনাতাঁৰ শিল্পী ভাৰতী চৌধুৰী, দুই পুত্ৰ-বোৱাৰী, এৰি যায়। চৌধুৰীৰ মৃত্যুত তেওঁৰ সৰুমটৰীয়াৰ গৃহকে ধৰি সৰুপেটা, ভৱানীপুৰতো শোকৰ ছাঁ পৰিছে।


### স্পষ্টীকৰণ

মই শ্ৰীপদ্মকান্ত হাজৰিকা, অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ বিশেষ কৰ্তব্যৰত বিষয়া তথা প্ৰকল্প সঞ্চালক হওঁ। যোৱা কিছুদিন ধৰি একাংশ বাতৰি কাকত আৰু Electronic Mediaত মোৰ বিৰুদ্ধে মিছা বাতৰি প্ৰচাৰ কৰি মোৰ ভাবমূৰ্তি নষ্ট কৰিবলৈ চেষ্টা চলাইছে। এই ক্ষেত্ৰত স্পষ্টীকৰণ আগবঢ়ালো।

১। মই নিযুক্তি দিয়া বুলি কৈছে। মোৰ কোনো নিযুক্তি দিয়াৰ ক্ষমতা নাই। নিযুক্তি দিয়াৰ কৰ্তৃত্ব কেৱল পৰিচালন সঞ্চালকৰহে আছে। নিগমৰ সৰ্বোচ্চ কৰ্তৃত্বপ্ৰাপ্ত ক্ষমতা সম্পূৰ্ণ এখন ব'ৰ্ড আছে। আমাৰ দৰে বিষয়াই কোনো সিদ্ধান্ত গ্ৰহণ নকৰে।

২। নিযুক্তিৰ ক্ষেত্ৰত নিগমত ২০১৫-১৬, ২০১৬-১৭ৰ পৰা অবৈতনিকভাৱে (Honorary) কাম কৰি অহা বিলৰ পাৰৰ নিবনুৱা থলুৱা যুৱক-যুৱতীক নিগম তথা অসম চৰকাৰ মীন বিভাগৰ বিষয়াবৰ্গৰে গঠিত সমিতিয়ে নিৰ্বাচিত কৰি দৈনিক ভিত্তিত নিয়োগ কৰিছিল তেতিয়াৰ মীন নিগমৰ অধ্যক্ষ তথা মীন মন্ত্ৰী মহোদয়ৰ নিৰ্দেশ ক্ৰমে। পৰৱৰ্তী সময়ত মাননীয় উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু হোৱাত মাননীয় উচ্চ ন্যায়ালয়ে এই দৈনিক ভিত্তিত কাম কৰা যুৱক-যুৱতীক নিয়োগ তথা নিয়োজিত কৰাৰ নিৰ্দেশ দিয়ে। সেই মৰ্মে মীন নিগমে সঞ্চালক মণ্ডলীৰ নিৰ্দেশ তথা সিদ্ধান্ত অনুযায়ী নিগমৰ অধ্যক্ষৰ অনুমোদন সাপেক্ষে তথা নিগমৰ নিৰ্ণায়ক কমিটীৰ প্ৰতিবেদন অনুযায়ী ঠিকা ভিত্তিত কাম কৰা কৰ্মচাৰী ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ পদত Officiate হিচাপে ঠিকা ভিত্তিত অস্থায়ীভাৱে নিয়োজিত কৰে। এই পদবোৰ কোনো ধৰণৰ স্থায়ীকৰণ কৰা হোৱা নাই। (স্থায়ীকৰণৰ ক্ষেত্ৰত নিয়মানুবৰ্তিতা পালন কৰিব লাগে। তথাপিও নিগমে মীন নিগমত ২০১৫ৰ পৰা কৰি থকা কৰ্মচাৰীকহে নিৰ্বাচিত কৰি দুই-তিনিবাৰ প্ৰশিক্ষণ দি অস্থায়ীভাৱে ব'ৰ্ডৰ সিদ্ধান্ত অনুযায়ী Officiate কৰা হয়।)

৩। এই নিযুক্তি তথা অস্থায়ী নিয়োগৰ ক্ষেত্ৰত কোনো ধৰণৰ টকা-পইচাৰ লেনদেন হোৱা নাই। এয়া সম্পূৰ্ণ অসত্য, ভুৱা আৰু অসৎ উদ্দেশ্য প্ৰণোদিত।

৪। Electronic Media ই OSD য়ে যি টকা লোৱা Footage পৰিৱেশন কৰিছে এয়া এক গভীৰ চক্ৰান্ত। দুজন ব্যক্তি তথা মহলদাৰে Covid-19ৰ কাৰ্যালয় বন্ধৰ সময়ত মোৰ নিজা ঘৰ কামপুৰলৈ গৈ কথা পাতিছিল। তেওঁলোকে মোৰ অমনোযোগিতাৰ সুযোগ লৈ টেবুলত কেইখনমান নোট থৈ এটি ভিডিঅ' প্ৰস্তুত কৰে। যি দুজন ব্যক্তিয়ে এই ভিডিঅ' প্ৰস্তুত কৰিছিল তেওঁলোকে OSD য়ে ধন লোৱা বা বিচৰাৰ কথা অস্বীকাৰ কৰে। OSD য়ে এই ষড়যন্ত্ৰৰ উমান পাই বিহিত ব্যৱস্থা ল'বলৈ কামপুৰ থানাত FIR দিয়ে। পাছত ব্যক্তি দুজনে নিজৰ ভুল স্বীকাৰ কৰে।

৫। ঠিকা-ঠুকুলী তথা মীন মহলৰ উন্নয়নৰ ক্ষেত্ৰত মহলদাৰ আৰু সহযোগী সহায়কসকলক (Stake Holder) হে নিয়োজিত কৰা হৈছে ব'ৰ্ডৰ সিদ্ধান্ত অনুযায়ী। মীন মহলৰ উন্নয়নৰ কাম নিগমৰ ক্ষেত্ৰ কৰ্মচাৰী, অভিযন্তা আৰু মহলদাৰসকলে কৰিছে আৰু কামৰ অগ্ৰগতি অনুযায়ী অভিযন্তাসকলৰ প্ৰমাণপত্ৰ অনুযায়ী দেয়ক তথা Bill Payment অভিযন্তাৰ জৰিয়তে Stake Holderক দিয়া হৈছে। এই ক্ষেত্ৰত অভিযন্তাসকলৰ প্ৰমাণপত্ৰ আৰু Bill অনুযায়ী ধন ক্ষেত্ৰ-ভিত্তিত অভিযন্তাৰ জৰিয়তে আদায় দিয়া হৈছে। সেয়েহে এই ক্ষেত্ৰত কোনো ভুৱা কামৰ বিপৰীতে ধন আদায় দিয়া হোৱা নাই। ইয়াৰ বাবে অধ্যক্ষ, পৰিচালন সঞ্চালক, OSD জগৰীয়া নহয় বা জড়িত নহয়।

আক্ৰোশমূলকভাৱে জনমানসত আমাৰ ভাবমূৰ্তি বিনষ্ট কৰি এনে ধৰণৰ অপপ্ৰচাৰ নচলাবলৈ অনুৰোধ কৰা হ'ল।

ইয়াৰ দ্বাৰা সকলো অপপ্ৰচাৰ খণ্ডন কৰা হ'ল।

স্বাক্ষৰ/-
শ্ৰীপদ্মকান্ত হাজৰিকা
বিশেষ কৰ্তব্যৰত বিষয়া
অসম মীন উন্নয়ন নিগম


# হাউলীৰ চৰকাৰী কৃষি পামত অবৈধভাৱে খেলপথাৰ নিৰ্মাণ কৰি থকাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ২০ ডিচেম্বৰ ঃ** কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে একাংশ দুষ্ট চক্ৰৰ লগ লাগি চৰকাৰী ৰাজহ ধ্বংস কৰাৰ এক ভয়ংকৰ অভিযোগ উত্থাপন হৈছে। এনে ঘটনা সংঘটিত হৈছে বৰপেটা জিলাৰ হাউলীত। উল্লেখ্য যে হাউলীৰ বৰবাৰীঝাত জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ অধীনত থকা চৰকাৰী কৃষি পামত এতিয়া চলিছে বৃহৎ কেলেংকাৰি। ১৮ ডিচেম্বৰৰ বিয়লি বৰবাৰীঝাৰৰ সেই কৃষি পামত এখন ৰোলাৰে কৃষি পামৰ মাটিত খেলপথাৰ নিৰ্মাণ কাৰ্য চলাই থকাৰ পাছতে এই সমগ্ৰ তথ্য পোহৰলৈ আহিছে। কিয়নো জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ অধীনত থকা বৰবাৰীঝাৰৰ চৰকাৰী কৃষি পামখনত একাংশ কৃষি বিষয়া- কৰ্মচাৰীয়ে কেইজনমান যুৱকৰ লগত লগ লাগি কৃষি পথাৰতে খেলপথাৰ নিৰ্মাণ কৰিব দিছে। যাৰ ফলত কৃষি ভূমিৰ বহু বিঘা ঠাই এতিয়া খেলপথাৰত পৰিণত হোৱাৰ এক অভিযোগ উত্থাপন হৈছে। জানিব পৰা মতে ১৮ ডিচেম্বৰত একাংশ দুষ্টচক্ৰই কৃষি পামৰ পশ্চিম দিশৰ ভূমিত ট্ৰেম ড্ৰম ৰোড ৰোলাৰেৰে কৃষি ভূমিত ৰোলিং কৰি থকা অৱস্থাত ৰোলাৰখন ৰহস্যজনক ভাৱে অগ্নিদগ্ধ হয়। কৃষি পামত অবৈধভাৱে ৰোলিঙত ব্যস্ত অগ্নিদগ্ধ ৰোলাৰখন প্ৰথমে ৰোলাৰৰ কৰ্মচাৰী আৰু খেলপথাৰ নিৰ্মাণ কৰা চক্ৰই অগ্নিনিৰ্বাপণ কৰিবলৈ চেষ্টা চলাই যদিও বিফল হয়। ইয়াৰ পাছতে উপায়ান্তৰ হৈ হাউলীৰ অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে যদিও অগ্নিকাণ্ডত সম্পূৰ্ণৰূপে জাহ গল ট্ৰেম ড্ৰম ৰোড ৰোলাৰ। ঘটনাস্থলীত হাউলীৰ অগ্নিনিৰ্বাপক বাহিনীৰ লোক আৰু হাউলীস্থিত ৬৪ বেটেলিয়ন এছএছবিৰ জোৱান আৰু হাউলী আৰক্ষী উপস্থিত হৈ কিছু অংশ অগ্নিনিৰ্বাপণ কৰিবলৈ সক্ষম হয়। এতিয়া প্ৰশ্ন হ'ল চৰকাৰী কৃষি ভূমিত কাৰ সাহসত খেলপথাৰ নিৰ্মাণ কৰাৰ বাবে ৰোলাৰ চলাব পাৰিছে সেয়া এক ডাঙৰ ৰহস্য? এই ক্ষেত্ৰত জিলা কৃষি বিষয়াৰ স'তে গোপন বুজা বুজি থকাৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। ইয়াৰ উপৰি বৰবাৰীঝাৰত থকা কৃষিৰ প্ৰায় ৫০ বিঘা ভূমিত কোনে কৃষি কাৰ্য চলাই আহিছে। কোনে কেনেদৰে চৰকাৰী কৃষি ভূমি কৃষি কৰি চৰকাৰক ৰাজহৰ পৰা বঞ্চিত কৰি আহিছ? এই ক্ষেত্ৰত জিলা কৃষি বিষয়া তথা কোন কৰ্মচাৰী এনে বৃহৎ চৰকাৰী ৰাজহ লুণ্ঠনৰ লগত জড়িত হৈ আছে। এয়া এক ডাঙৰ প্ৰশ্ন। চৰকাৰী কৃষি পামত কৃষি কাৰ্য কৰা লুণ্ঠনকাৰী আৰু অবৈধ খেলপথাৰ নিৰ্মাণকাৰীৰ ওপৰত জিলা উপায়ুক্ত তথা উৰ্ধতম কৰ্তৃপক্ষই অনাগত দিনত কেনে পদক্ষেপ গ্ৰহণ কৰিব এয়া হ'ব লক্ষ্যণীয়।


## PRESS NOTICE (Re-Tender)

The Superintending Engineer, PWD, Guwahati Building Circle-II, Chandmari, Guwahati-3 on behalf of Governor of Assam re-invites item rate bids in electronic tendering system for the works mentioned below :

| Sl | Name of work | Approximate value of work | Eligibility of contractor |
|---|---|---|---|
| 1 | Establishment of i) 32/42 bedded paediatrics Care Unit, ii) 10 bedded Intensive Care Unit, iii) RT PCR laboratory and iv) LMO tank with MGPS at District Hospital/SDCH in various districts of Assam under ECRP-II [Establishment of 10 Bedded ICU & 12 Bedded PICU at Gynae Ward 1st floor & ENT Ward 2nd Floor of Hojai District Hospital] | Rs.66,53,779.00 | Registered APWD (Building) Class-I (A/B/C)/Class-II contractors under this circle |

Details of the bids may be seen at e-procurement portal website : www.assamtenders.gov.in and also in the office of the undersigned during office hours. The bidders must be enrolled in www.assamtenders.gov. in for participating in the bidding process.

The notice inviting bids for the above noted work invited vide Press Notice Memo No.SE/BII/Tech/CS/NHM/388/2021-22/9475 dt.06.12.2021 and Detail Notice Inviting bid vide Memo No.SE/BII/Tech/CS/NHM/388/2021-22/9476 are hereby cancelled.

Sd/-
Superintending Engineer, P.W.D
Guwahati Building Circle-II
Chandmari, Guwahati-3

Janasanyog/C/9349/21



## SHORT TENDER NOTICE

Sealed tenders in prescribed form affixing non-refundable court fee stamp of Rs.8.25 (Rupees eight and twenty five paisa) only are invited from the eligible registered contractors of Irrigation Department, Assam for the under mentioned works, and the same will be received by the undersigned up to 2.00 pm of 11-01-2022 and opened on the same day at the same place at 3.00 pm in presence of willing contractors or their authorised representatives if any. If for any reason, the last date of receiving and opening of tenders happens to be a declared holiday, the same will be received and opened in the next working day.

The detailed NIT, particulars of work, specification of work, terms and conditions etc. may be seen in the office of the undersigned during the office hour on any working days up to 12.00 pm on 10-01-2022.

The tender papers are to be collected from the office of the undersigned on payment of Rs.100.00 (Rupees one hundred) only in the form of IPO duly pledged to the Executive Engineer, Kaliabor-Samaguri Division (Irrigation), Jakhalabandha.

**Name of Work:** Repairing and renovation works of various schemes under M & R for the Year 2020-21.

**Approx. Value of Work:** Rs.23,75,800/- (Rupees twenty three lacs seventy five thousand eight hundred) only.

**Earnest Money:** 2% for general caste and 1% for OBC, MOBC, ST, SC etc. on the value of the work.

**Time of Completion:** 60 (Sixty) days from the date of issue of formal work order.

**Terms & Conditions:**
1) Work must be completed within the stipulated time as mentioned in formal work order.
2) This N.I.T.will form a part of the contract agreement in addition to APWD F-2 Form
3) Other Terms and Condition will remain same in F-2 Form.
4) All contractors are to submit self attested copies of PAN, GST upto date Labour Licence, Registration order copy and bank passbook page showing A/C No. and IFSC alongwith Tender Papers. The contractor must sign each and every page of the Tender Documents and all other supporting Documents which are to be enclosed with the Tender Documents.
5) The Payment of the work is subject to availability of fund and no claim of interest thereof will be entertained in the event of delayed payment..
6) Undersigned reserves the right to accept /reject any or all Tenders without assigning any reason thereof and is not bound to accept the lowest quoted rate.
7) Rates should be quoted both in words and figures on percentage (%) of basis.
8) Earnest Money in the form of Bank Draft/ Fixed Deposite Money etc duly pledged to the undersigned alongwith Tender Papers for each work separately.
9) Security Money will be deducted from the Final Bill and it will be refunded after 6 (six) months from the date of complition of the work on condition that the executed work remain in satisfactory state without showing any sign of deterioration/ devation from specifications.

Sd/-
Executive Engineer,
Kaliabor-Samaguri Division (Irrigation)
Jakhalabandha, Nagaon

Janasanyog/C/9453/21

■ বাগ্‌সাৰ অদলাত বিটিএডি প্ৰাথমিক সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিবেশনত গোস্বামী

# বিশ্বত শিক্ষকক সন্মান নকৰা দেশৰ তালিকাত ভাৰত

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ২০ ডিচেম্বৰ ঃ** 'মানৱ সম্পদ সৃষ্টি কৰা বিশ্বত শিক্ষকক সন্মান নকৰা দেশৰ তালিকাত স্থান লাভ কৰিছে ভাৰতবৰ্ষই। যোৱা অক্টোবৰত চলোৱা এক পৰিদৰ্শনৰ সময়ত ধৰা পৰিছে এই অনাকাংক্ষিত তথ্য। এই মন্তব্য কৰে অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ কাৰ্যকৰী সভাপতি তথা অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাজ্যিক সম্পাদক ৰাতুল গোস্বামীয়ে। কালি বাগ্‌সা জিলাৰ অদলাত অদলা প্ৰাথমিক বিদ্যালয়ত বিটিএডি প্ৰাথমিক শিক্ষক সন্মিলনীৰ সপ্তম দ্বি-বাৰ্ষিক অধিবেশনৰ আৰু মুছলপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিবেশনৰ মুকলি সভাত অংশগ্ৰহণ কৰি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাজ্যিক সম্পাদক ৰাতুল গোস্বামীয়ে কয় যে সময়ে সময়ে শিক্ষকসকল চৰকাৰ, সংবাদ মাধ্যম বা আনৰ দ্বাৰা বিভিন্ন সময়ত অপমানিত হৈ আহিছে। সংবাদ মাধ্যমে কেতিয়াবা শিক্ষকে ঘৰত বহিয়েই দৰমহা লয়, কেতিয়াবা চৰকাৰৰ মন্ত্ৰীয়ে ৰাজহুৱাভাৱে শিক্ষকসকলক ভিন্ন প্ৰশ্নৰে ব্যতিব্যস্ত কৰি অপমানিত কৰা পৰিলক্ষিত হৈছে। সম্ভৱতঃ ইয়াৰ বাবেই বিশ্বৰ ভিতৰত ভাৰতবৰ্ষতে শিক্ষকক সন্মান নকৰা দেশ হিচাপে পৰিগণিত হৈছে। সাংবাদিকৰ আগত তেওঁ কয় যে ৰাষ্ট্ৰীয় শিক্ষা নীতি তামিলনাডুৱে বেয়া বুলি মানি লোৱা নাই; কিন্তু এই শিক্ষানীতিত কিছু ভাল দিশো আছে। ভালখিনি আমি সকলোৱে গ্ৰহণ কৰিব লাগে। অসম চৰকাৰকো আমি কিছুমান পৰামৰ্শ দিছো যদিও চৰকাৰে এটা পৰামৰ্শ গ্ৰহণ কৰিছে। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত প্ৰাক্তন ছাত্ৰৰ পুঁজিৰ দিব লাগিব বুলি আশংকা কৰি আমি বিৰোধিতা কৰিছো। অসমত চাৰি হেজাৰ এজনীয়া বিদ্যালয় আছে। এই ধৰণৰ বিদ্যালয় থাকিলে ক'ত উন্নতি হ'ব। ভাৰতবৰ্ষৰ ১৯.১ শতাংশ শিক্ষকে শিক্ষাদান কৰাৰ বিপৰীতে আন বহু কামত নিয়োজিত হয় শিক্ষক। শিক্ষাদানৰ উপৰি চৰকাৰৰ বহু কাম কৰাৰ লগতে আন ৰাজহুৱা কামো কৰিবলগীয়া হয়। ৰাজহুৱা খণ্ডৰ শিক্ষকক ব্যক্তিগত খণ্ডৰ শিক্ষকৰ লগত প্ৰতিযোগিতা কৰাৰ কোনো কাৰণ নাই বুলি কয়। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অধিবেশনৰ মুকলি সভাত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মঃ আনোৱাৰ হুছেইন বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু চৰকাৰৰ বিভিন্ন দিশৰ ওপৰত বক্তব্য আগবঢ়ায়। বিটিএডি প্ৰাথমিক শিক্ষক সন্মিলনীৰ বানেশ্বৰ ব্ৰহ্মৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনত ৰাজ্যিক তথা জিলা পৰ্যায়ৰ কে'বাগৰাকী নেতৃস্থানীয় শিক্ষকে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে।



*সোণাৰীত বন্যহস্তীয়ে বিধ্বস্ত কৰা এটি গৃহ, সোমবাৰে।*

# মুছলপুৰত 'অবিভক্ত নলবাৰী জিলাৰ গোৰ্খাসকলৰ অৱদান' উন্মোচন

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২০ ডিচেম্বৰ ঃ** শ্ৰীপঞ্চমী হিমালী হাইস্কুলৰ শিক্ষক হেমলাল কাশ্যপৰ 'অবিভক্ত নলবাৰী জিলাৰ গোৰ্খাসকলৰ অৱদান' নামৰ গোৰ্খাসকলৰ ইতিহাস সম্বলিত গ্ৰন্থ উন্মোচন কৰা হয়। কালি নিকাছি জ্ঞানপীঠ ডিগ্ৰী কলেজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এই গ্ৰন্থ উন্মোচনী সভা। 'দিবাকৰ ঘিমিৰে স্মৃতি ন্যাস' আৰু 'অসম নেপালী সাহিত্য সভা নিকাচি শাখা'ৰ উদ্যোগত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাৰ সভাপতিত্বত কৰে, অসম নেপালী সাহিত্য সভা নিকাচি শাখাৰ উপ-সভাপতি উদ্ধৱ ৰেগ্মীয়ে। সভাৰ উদ্দেশ্য বাখ্যা কৰে 'দিবাকৰ ঘিমিৰে স্মৃতি ন্যাস'ৰ সম্পাদক চন্দ্ৰ প্ৰসাদ ঘিমিৰে। ওম প্ৰকাশ পোখ্ৰেলে আঁতধৰা সভাখনত গ্ৰন্থ উন্মোচকৰূপে উপস্থিত থাকে প্ৰৱক্তা তথা বিশিষ্ট প্ৰগতিশীল লেখক দ্বিজেন বৰ্মন। গ্ৰন্থ উন্মোচন কৰি উন্মোচক দ্বিজেন বৰ্মনে কয় যে অসমত গোৰ্খাসকলৰ অৱস্থিতি অথবা ইতিহাস সম্পৰ্কে জানিবলৈ হ'লে এই কিতাপখন এখন দলিল। উক্ত কিতাপখনত গোৰ্খাসকলৰ তথ্য সম্বলিত ইতিহাস, কলা-কৃষ্টি, সংস্কৃতি, ঐতিহ্য আছে। উক্ত কিতাপখনত হেমলাল কাশ্যপে অবিভক্ত নলবাৰী জিলা মাত্ৰ নহয় সমগ্ৰ অসমতে বসবাস কৰা গোৰ্খাসকলৰ অৱস্থানৰ তথ্য সম্বলিত ইতিহাস দাঙি ধৰিছে। এই কিতাপখন গোৰ্খাসকলৰ বাবে স্বাভিমানৰ এক প্ৰতীক বুলি মন্তব্য কৰাৰ লগতে গোৰ্খাসকলে এক বৌদ্ধিক সম্পদ পোৱাৰ উপৰিও অসমীয়া সাহিত্যইও এক সম্পদ লাভ কৰিছে বুলি মন্তব্য কৰে। গ্ৰন্থ উন্মোচনী সভাত উপস্থিত হৈ জ্ঞানপীঠ ডিগ্ৰী কলেজৰ অধ্যক্ষ ড° গুণজিৎ পাঠকে কয় যে এই কিতাপখনকলৈ মই গৰ্বিত আৰু এই কিতাপখন গোৰ্খা জাতিৰ এক দলিল স্বৰূপ বুলি মন্তব্য কৰে। লেখক হেমলাল কাশ্যপে কয় যে উক্ত কিতাপখন পাঠকৰ বাবে উচৰ্গিত। পাঠক বৰ্গৰ পৰা মোৰ ভুল-ত্ৰুটি দেখুৱাই দিয়াৰ লগতে পৰামৰ্শৰ আগবঢ়াবলৈ আহ্বান জনাই কিতাপখন লেখি উলিওৱাত তথ্য যোগান ধৰাৰ লগতে বিভিন্ন প্ৰকাৰে সহায়-সহযোগীতা আগবঢ়োৱা প্ৰতিজন ব্যক্তি তথা গ্ৰন্থ উন্মোচনী সভাত উপস্থিত মূখ্য উন্মোচনক লগতে সকলো অতিথিসকলকে ধন্যবাদ জ্ঞাপন কৰে। কিতাপখন এমাজনৰ লগতে গ্ৰন্থমেলাসমূহতো উপলব্ধ হোৱাৰ কথা জানিবলৈ দিয়ে। উক্ত গ্ৰন্থ উন্মোচনী সভাত আজাত হিন্দ ফৌজৰ স্বতন্ত্ৰতা সেনানী স্বৰ্গীয় পূৰ্ণ বাহাদুৰ ছেত্ৰীৰ পৰিয়ালবৰ্গক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত সদৌ অসম গোৰ্খা সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক পৃথ্বিবিলাস ভট্টৰাই, প্ৰাক্তন উপ-সভাপতি সোমনাথ পৰাজুলী, জ্ঞানপীঠ ডিগ্ৰী কলেজ পৰিচালনা সমিতিৰ সভাপতি দয়ানন্দ ভাণ্ডাৰী, জ্ঞানপীঠ মহাবিদ্যালয়ৰ প্ৰৱক্তা মাধৱীলতা ৰামচিয়াৰী, বাগ্‌সা জিলা সাহিত্য সভাৰ সম্পাদক কামদেৱ দাস, বাগ্‌সা জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি ৰাজু সুবেদি, সম্পাদক মাধৱ ছেত্ৰী, উপ- সভাপতি পাৰস পৰাজুলী, নিকাচি মহিলা মঞ্চৰ সভানেত্ৰী কৃষ্ণা বৰালৰ লগতে বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

■ নাগাৰা নামৰ শিল্পী অচ্যুত ডেকাক 'নামৰত্ন' উপাধি প্ৰদান

# ডিমুত ৫০গৰাকী নাগাৰা নামৰ শিল্পীক দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**কনিহা, ২০ ডিচেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি নাগাৰা নামৰ জৰিয়তে অধিক গতিশীল কৰাত অহোপুৰুষাৰ্থ কৰা ৰঙিয়া মহকুমাৰ অন্তৰ্গত কুমটিবাৰী বাথান নিবাসী বিশিষ্ট পাঠক তথা নাগাৰা নামৰ যুগদ্ৰষ্টা অচ্যুত ডেকাক যোৱা ১৫ ডিচেম্বৰত দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবে 'নামৰত্ন' উপাধি প্ৰদান কৰাৰ লগতে ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ ৫০গৰাকী নাগাৰা নামৰ শিল্পীক সম্বৰ্ধনা জনায়। ডিমু ৰাজহুৱা দুৰ্গা মন্দিৰ প্ৰাংগণত কেন্দ্ৰীয় লোক নিৰ্মাণ বিভাগৰ কনিষ্ঠ অভিযন্তা ধীৰেণ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট পাঠক তথা তিনিকুৰিৰো অধিক নাগাৰা নামৰ আখ্যানৰ স্ৰষ্টা অচ্যুত ডেকাক এই উপাধি প্ৰদান কৰা হয়। দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবৰ সম্পাদক তৰণী চৰণ কলিতাই আঁতধৰা উপাধি প্ৰদান অনুষ্ঠান উদ্বোধন কৰি অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক প্ৰণৱ শৰ্মাই অসমৰ অন্যতম লোক সংস্কৃতি নাগাৰা নামক নতুনত্ব প্ৰদান কৰা ডেকাৰ সমগ্ৰ সৃষ্টি ৰাজিক লৈ গৱেষণাৰ প্ৰয়োজন বুলি কয়। এমট্ৰনৰ উপ-প্ৰৱন্ধক দীনমণি ভাণ্ডাৰ কায়স্থই অনুষ্ঠানত অংশগ্ৰহণ কৰি জনসাধাৰণৰ সমবেত প্ৰাৰ্থনা স্বৰূপ নাগাৰা নামক মনোৰঞ্জনৰ লগতে জনশিক্ষাৰ উৎকৃষ্ট মাধ্যম বুলি কয়। নাগাৰা নামৰ ক্ষেত্ৰখনলৈ অনবদ্য বৰঙণি আগবঢ়োৱা ডেকাক নাগাৰা নামৰ জীৱন্ত সংগ্ৰহালয় বুলি অভিহিত কৰি এইজন শিল্পীৰ আদৰ্শৰে নতুন প্ৰজন্মক উদ্বুদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ দাসে নাগাৰা নামৰ জৰিয়তে জনসাধাৰণে মানসিক প্ৰশান্তি লাভ কৰে বুলি মন্তব্য কৰি নাগাৰা নামৰ ঐতিহ্য ৰক্ষা কৰাৰ আহ্বান জনায়। অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সম্পাদক দ্বিজেন্দ্ৰ মোহন শৰ্মাই কে'বা দশক ধৰি গাঁৱে-ভূঞে চাইকেল চলাই নাগাৰা নামক গতিশীল কৰা কিংবদন্তি শিল্পী অচ্যুত ডেকাৰ জীৱনআদৰ্শ নতুন প্ৰজন্মক জনোৱাৰ বাবে এখন তথ্যচিত্ৰ নিৰ্মাণৰ পোষকতা কৰে। বঙাইগাঁও তেল শোধনাগাৰৰ গাণনিক বিষয়া শৰৎ বৈশ্যই নৱ প্ৰজন্মক নাগাৰা নামৰ প্ৰতি আগ্ৰহী কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজি জীয়াই ৰখাৰ আহ্বান জনায়।

সদৌ অসম নাগাৰা নাম সংঘৰ সভাপতি বলোৰাম বৈশ্যই নাগাৰা নামক দৰঙৰ একচাপৰি নামৰ পৰৱৰ্তী ৰূপ বুলি মন্তব্য কৰি ৰাজ্যৰ একাংশ লোকে নাগাৰা নামৰ পৰম্পৰা আৰু ঐতিহ্য ম্লান কৰিছে বুলি কয়। দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবৰ 'নামৰত্ন' উপাধি গ্ৰহণ কৰি নিজৰ অনুভূতি ব্যক্ত কৰি কয় যে নামধৰ্ম অবিহনে অসমীয়া জাতিৰ অস্তিত্ব হেৰাই যাব। সাংবাদিকসকলে একমাত্ৰ খবৰ বিচাৰি ফুৰাৰ ধাৰণাটো দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবে নস্যাৎ কৰিলে বুলি মন্তব্য কৰি এনেধৰণৰ মৰম-স্নেহে তেওঁক জীয়াই থকাত প্ৰেৰণা যোগাব বুলি কয়। সদৌ অসম নাগাৰা নাম সংঘ, হাজো আঞ্চলিক নাগাৰা নাম সংঘ, দামোদৰ দেৱ আঞ্চলিক নাগাৰা নাম সংঘ, শংকৰ মাধৱ আঞ্চলিক নাগাৰা নাম সংঘ, ডিমু গাঁও উন্নয়ন সমিতি, পাঠক পংকজ তালুকদাৰ, গীতাঞ্জলি কলিতা, নমিতা কলিতা, পল্লৱী দাসৰ লগতে কে'বাগৰাকী ব্যক্তি আৰু সংগঠনে অচ্যুত ডেকাক উক্ত অনুষ্ঠানতে সম্বৰ্ধনা জনায়। উক্ত অনুষ্ঠানতে ৰাজ্যখনৰ ৫০গৰাকী নাগাৰা নামৰ পাঠক আৰু শিল্পীক সম্বৰ্ধনা জনোৱা হয়।





*মাজুলীত ব্ৰহ্মপুত্ৰ উৎসৱৰ এটি আকৰ্ষণীয় দৃশ্য, সোমবাৰে।*

# অম্ৰাৱাতী বৃদ্ধাশ্ৰমত আৱাসীৰ স্বাস্থ্য পৰীক্ষা বস্ত্ৰ প্ৰদান

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২০ ডিচেম্বৰ ঃ** মাতৃৰ ষষ্ঠ মৃত্যুবাৰ্ষিকী উপলক্ষে বিশিষ্ট চিকিৎসক ডাঃ সঞ্জীৱ বৰুৱা আৰু ড° সংগীতা বৰুৱা হাজৰিকাই নগৰৰ উপকণ্ঠ পটীয়া গাঁৱৰ অম্ৰাৱাতী বৃদ্ধাশ্ৰমৰ আৱাসীৰ স্বাস্থ্য পৰীক্ষা কৰি আৱশ্যকীয় বিধান প্ৰদান কৰাৰ লগতে প্ৰায় ৫০০০ টকাৰ মূল্যৰ ঔষধ আৰু মাস্ক, ৰক্ত চাপ জোখা যন্ত্ৰ, অস্থি মিটাৰ আদি প্ৰদান কৰে। তদুপৰি আৱাসীসকলৰ বাবে এসাঁজ আহাৰৰ ব্যৱস্থা কৰি সকলোৱে এসাঁজ অন্ন গ্ৰহণ কৰে। আবাসীসকলৰ মাজত শীতৰ বস্ত্ৰও প্ৰদান কৰা হয়। স্বেচ্ছাসেৱী অনুষ্ঠান ঋতসেৱাৰ কাৰ্যবাহী সঞ্চালক মৃদুল চন্দ্ৰ দলৈৰ তত্ত্বাৱধানত এই অনুষ্ঠানটো সম্পন্ন কৰা হয়। বৃদ্ধাশ্ৰমৰ সম্পাদক পুষ্প বৰুৱা, ভূমি দাতা পৰিয়ালৰ বৈকুণ্ঠ মহন্ত তথা সদস্য কুমুদ ফুকন, চিকিৎসা কৰ্মী, কাকু দত্তই সক্ৰিয় সহযোগ আগবঢ়ায়।

# হৰি মন্দিৰৰ দেউৰী নগেন দাসৰ মৃত্যুত শোক'

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২০ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মাধাপুৰ গাঁও নিৱাসী তথা আল্লিয়া হৰি মন্দিৰৰ মুখ্য দেউৰী নগেন দাস ৭৭ ৰ আজি পুৱা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ নিজ বাসগৃহত মৃত্যু হয়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। প্ৰায় ২৫ বছৰ কাল আল্লিয়া অঞ্চলৰ ধৰ্মীয় পীঠস্থান হৰি মন্দিৰত দেউৰী হিচাবে সেৱা আগবঢ়াই যোৱা নগেন দাসৰ মৃত্যুত আল্লিয়াৰ হৰিমন্দিৰ পৰিচালনা সমিতি, বজাৰ সমিতি, দোকানী সন্থা,বড়িগোগ বনভাগ মণ্ডল বিজেপি, ছাত্ৰ সন্থা, পশ্চিম বনভাগ আল্লিয়া হাইস্কুল আদিয়ে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰক এৰি যায়।

# অসম চিকিৎসা সেৱা সন্থাৰ ৰঙিয়া গোট গঠন

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২০ ডিচেম্বৰ ঃ** অসম চিকিৎসা সেৱা সন্থাৰ (আমছাৰ) ৰঙিয়া গোটৰ ২০২১-২২ৰ সমিতিখন যোৱা ১৮ ডিচেম্বৰত গঠন কৰা হয়। ৰঙিয়া অসামৰিক চিকিৎসালয়ৰ চৌহদত উপ-অধীক্ষক ডাঃ দিলীপ কুমাৰ বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিভিন্ন চিকিৎসকে তেওঁলোকৰ দীৰ্ঘদিনীয়া অভাৱ অভিযোগৰ উপৰি সন্থাৰ সাংগঠনিক দিশৰ বক্তব্য আগবঢ়ায়। বক্তাসকলে স্বাস্থ্য বিভাগৰ অধীনত কৰ্মৰত চিকিৎসকসকলৰ বাবে 'কেডাৰ পুনৰীক্ষণ' আৰু সময়োচিত পদোন্নতি, টাইম স্কেল পদোন্নতি, অনুজ চিকিৎসকৰ দৰমহাৰ তুলনাত পূৰ্বৰ পৰা কৰ্মৰত জ্যেষ্ঠ চিকিৎসকৰ দৰমহাৰ হাৰৰ অসমতুলতা, চিকিৎসক-স্বাস্থ্যকৰ্মীৰ সুৰক্ষা আদি দাবী উত্থাপন কৰে। উক্ত সভাত সৰ্বসন্মতি ক্ৰমে আমছাৰ ৰঙিয়া গোটৰ সমিতিখন গঠন কৰা হয়। নৱ গঠিত সমিতিত ৰঙিয়া অসামৰিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসক ডাঃ পদ্মেশ্বৰ কলিতাক সভাপতি, মহকুমা স্বাস্থ্য বিষয়া ডাঃ জোনাকী ডেকাক উপ-সভানেত্ৰী, গোটৰ সম্পাদক পদত ডাঃ কামাখ্যা দাস, সহকাৰী সম্পাদক ডাঃ অশোক কলিতা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বিহদিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ডাঃ হেমেন দাস, সাংগঠনিক সম্পাদক ৰঙিয়া মডেল হাস্পতালৰ ডাঃ মিন্টু মণি দাস, সাংস্কৃতিক সম্পাদক ডাঃ পিকুলি হাজৰিকা, কোষাধ্যক্ষ ডাঃ গৌৰাংগ মেধিক মনোনীত কৰা হয়। আনহাতে, ডাঃ দিলীপ কুমাৰ বৈশ্য, ডাঃ গুণ গোবিন্দ শৰ্মা, ডাঃ নৱনীতা বৰা, ডাঃ ডিম্বেশ্বৰ শৰ্মা, ডাঃ এম এ এ কামাল, ডাঃ সত্যৰাম বৈশ্যক উপদেষ্টা হিচাপে সমিতিত অন্তৰ্ভুক্ত কৰা হয়।

# বাসুগাঁৱৰ 'সাগ্নিক' নতুন পৰিচালনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২০ ডিচেম্বৰ ঃ** সাহিত্য আৰু সাংস্কৃতিক সংস্থা 'সাগ্নিক'ৰ আজি নতুন পৰিচালনা সমিতি গঠন কৰা হয়। বাসুগাঁও চহৰৰ চাৰি নম্বৰ 'সাগ্নিক' ভৱনত সংস্থাৰ সভাপতি সুভাষ লোধৰায়ৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত প্ৰথমতে বিগত কাৰ্যকালৰ হিচাপ নিকাচ দাখিল কৰে সংস্থাৰ সম্পাদক প্ৰকাশ চন্দই। দুবছৰীয়া কাৰ্যকালৰ বাবে সভাপতি পদত প্ৰবীৰ বৰ্মন, উপ-সভাপতি অজিত কুমাৰ সাহা, অৰুণ কুমাৰ দে আৰু মৃদুল দাস, সাধাৰণ সম্পাদক হিচাপে জয়ন্ত দেৱনাথক দায়িত্ব অৰ্পণ কৰে। সাহিত্য পত্ৰিকা সম্পাদক বাপী দে, সহকাৰী পত্ৰিকা সম্পাদক ক্ৰমে সমীৰ সাহা, সুনীল তালুকদাৰ আৰু বাপ্পাদিত্য বিশ্বাস, সাংস্কৃতিক সম্পাদক পীযুষ বৰ্মন, সহকাৰী সাংস্কৃতিক সম্পাদক সুজিত ৰায়, তুষাৰ সাহা আৰু বিভাষ দাস, প্ৰচাৰ সম্পাদক প্ৰসেনজিৎ কুমাৰ ৰায়, কোষাধ্যক্ষ বিনয় সাহাক লৈ ২১ জনীয়া পৰিচালনা সমিতি গঠন কৰা হয়। সভাৰ অন্তত এইবেলি সাগ্নিক সাহিত্য পত্ৰিকাৰ বেটুপাতৰ বাবে উদীয়মান শিল্পী বিবেক মণ্ডলে অংকন কৰা ছবিখনে ইণ্ডিয়া বুকছ অৱ ৰেকৰ্ডত সন্নিবিষ্ট হোৱাত 'সাগ্নিক' পক্ষৰ পৰা শিল্পী বিবেক মণ্ডলক বিদায়ী সভাপতি সুভাষ লোধৰায়ে এখন উত্তৰীয়ৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত সভাতেই স্নায়ুজনিত ৰোগত আক্ৰান্ত হৈ গৃহবন্দীৰ জীৱন অতিবাহিত কৰা বাসুগাঁও সুভাষনগৰ বাসিন্দা খগেন দাসক কিছু আৰ্থিক সাহায্য কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# মানৱ অধিকাৰ-অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ'ৰ জিলা সমিতি গঠন

বিশেষ সংবাদদাতা

**নগাঁও, ২০ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় মানৱ অধিকাৰ তথা অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ' নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ নগাঁও জিলা সমিতিখন যোৱা ১৬ ডিচেম্বৰত আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। নগাঁও প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত এই সমিতিখন ঘোষণা কৰে। এই সমিতিখনৰ সভাপতি অনিতা চাবু ধুটক, সাধাৰণ সম্পাদক চানাজ চুলতানাক, যুটীয়া সম্পাদিকা ড° ত্ৰিবেণী শইকীয়া আৰু অনিমা শৰ্মা, উপ-সভানেত্ৰী ড° কৰবী কোচ, আইনী উপদেষ্টা সীমা ডাব্ৰিয়াল। আনহাতে, সদস্যসকল হয় ক্ৰমে ৰূপশ্ৰী বৰা, গীতা শইকীয়া ভড়ালী, চায়েৰা বাণু, উৰ্বশী বাঢ়ৈ। সম্পাদিকা চানাজ চুলতানাই কয় যে এই সংগঠনটোৱে মানৱ অধিকাৰ সংৰক্ষণৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিব। তদুপৰি আৰক্ষীৰ লগত জনসাধাৰণৰ যোগাযোগ ৰক্ষাৰ ক্ষেত্ৰত এই সংগঠনটোৱে ভূমিকা ল'ব। পৰিৱেশ সুৰক্ষা, সমাজখনক দুৰ্নীতিমুক্ত কৰা কাৰ্যতো সংগঠনটোৱে পদক্ষেপ গ্ৰহণ কৰিব। নিষিদ্ধ ঘোষিত ড্ৰাগছ নিবাৰণৰ ক্ষেত্ৰতো পৰ্যায়ক্ৰমে জিলা প্ৰশাসন আৰু আৰক্ষীক সংগঠনটোৱে সহায় কৰিব বুলি কয়।

# বাদুংদুপ্পাৰ আণ্ডাৰ দ্যা শাল ট্ৰী নাট মহোৎসৱৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**আগিয়া, ২০ ডিচেম্বৰ ঃ** বাদুংদুপ্পাৰ কলা কেন্দ্ৰ ৰামপুৰৰ মেকবেথ জংঘলত মুকলি আকাশৰ তলত বাদুংদুপ্পাৰ উদ্যোগত আৰু ভাৰতীয় সংগীত নাটক একাডেমীৰ সহযোগত তিনিদিনীয়াকৈ অনুষ্ঠিত দ্বাদশ বাৰ্ষিক আণ্ডাৰ দ্যা শাল ট্ৰী নাট মহোৎসৱৰ কালি সামৰণি পৰে। যোৱা ১৭ ডিচেম্বৰত পুৱা ১০ বজাৰ পৰা হেইছনাম কানহাইলালৰ ৰচনা পৰিচালনাত মণিপুৰ কলাক্ষেত্ৰৰ দ্বাৰা মঞ্চস্থ কৰা হয়। অন্তিমখন নাট 'টমনা লাই'। ভাষাগত ব্যৱধান সত্ত্বেও আজিও নাট্য ৰস পান কৰিবলৈ হেজাৰ হেজাৰ দৰ্শকেৰে ঠাহ খাই পৰে মেকবেথ জংঘলৰ বাঁহেৰে তৈয়াৰ কৰা অস্থায়ী গেলেৰী। বিগত তিনিও দিনে নাট উপভোগ কৰিবলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা ঢাপলি মেলা দৰ্শকৰ উৎসাহে বাদুংদুপ্পাৰ উক্ত প্ৰচেষ্টাৰ সফলতাৰে পুনৰবাৰ প্ৰতীয়মান কৰিলে। বাদুংদুপ্পাৰ ৰূপকাৰ প্ৰয়াত নাট্যযোদ্ধা শুক্ৰাচাৰ্য ৰাভাৰ অবৰ্তমানত নাট মহোৎসৱ আগুৱাই নিয়াত বহু কষ্টসাধ্য হৈছে যদিও শুক্ৰচাৰ্য ৰাভাৰ সপোন আৰু পৰিকল্পনাবোৰ বাস্তৱায়িত কৰাৰ স্বাৰ্থত সকলো বাধা নেওচি আগুৱাই যোৱাৰ সংকল্প গ্ৰহণ কৰা বুলি কয় বাদুংদুপ্পা পৰিয়ালে। নাট্য আন্দোলনটো সফলভাৱে আগুৱাই নিবলৈ সদাশয় ৰাইজ তথা নাট্যপ্ৰেমী ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে বাদুংদুপ্পা পৰিয়ালে।

# শিৱসাগৰক বাদ দি অসমৰ ঐতিহ্য উনুকিয়াব নোৱাৰি ঃ ব্ৰহ্ম

■ অন্ত পৰিল গৌৰীসাগৰ চৰকাৰী ৰেচম পামৰ হীৰক জয়ন্তী

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২০ ডিচেম্বৰ ঃ** 'অসমৰ সভ্যতা, কলা-সংস্কৃতি মানেই বয়ন শিল্প অন্যতম। স্বাভিমান, কলা-সংস্কৃতি আৰু এই ঐতিহ্য ৰক্ষাৰ স্বাৰ্থতে বয়ন শিল্পৰ চৰকাৰী বিভাগ খোলা হৈছিল। এই মন্তব্য অসম চৰকাৰৰ ৰেছম হস্ততাঁত বস্ত্ৰ, শিল্প, ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মৰ। পৰহিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ব্ৰিটিছৰ আমোলাত ১৯৪১তে প্ৰতিষ্ঠা হোৱা গৌৰীসাগৰ চৰকাৰী ৰেছম পামৰ হীৰক জয়ন্তীৰ মুকলি সভাত কালিমুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মন্ত্ৰীজনে শিৱসাগৰক বাদ দি অসমৰ ঐতিহ্যৰ কথা উনুকিয়াব নোৱাৰি বুলি মন্তব্য কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰে শিৱসাগৰ জিলাখনক ঐতিহাসিক চহৰ হিচাপে গঢ়ি তোলাৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে বুলিও মন্তব্য কৰে। ইয়াৰ উপৰি মন্ত্ৰীজনে জিলাখনৰ প্ৰত্যেকজন ব্যক্তিৰ সামাজিকভাৱে দায়বদ্ধতা থাকিব লাগিব বুলি মন্তব্যও কৰে। মন্ত্ৰীজনে নিজৰ শিল্পক লৈ গৌৰৱ কৰিব পৰা হ'ব লাগে বুলি উল্লেখ কৰাৰ লগতে সংৰক্ষণ কৰাটো প্ৰত্যেকৰে নৈতিক দায়িত্ব বুলিও কয়। মন্ত্ৰীজনে বৰ্তমান চৰকাৰৰ ৰেছম বিভাগে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহ ৰাইজৰ আগত দাঙি ধৰাৰ উপৰি অতি সোনকালে গৌৰীসাগৰ ৰেছম পামখনৰ উন্নয়ন কৰা হ'ব বুলি ৰাজহুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰে। উদ্‌যাপন সমিতিৰ সভাপতি কন্দৰ্প শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ তথা বিশিষ্ট সাহিত্যিক ড° কৃষ্ণকান্ত সন্দিকৈ, কেন্দ্ৰীয় এৰী মুগা গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ লাহদৈগড়ৰ সঞ্চালক এম বিজয়া ৰাজকুমাৰী, ঔষধ নিয়ন্ত্ৰক হৃদয়ানন্দ মহন্ত, সদৌ অসম ৰেছম বিষয়া সন্থাৰ সভাপতি নীলোৎপল বুঢ়াগোহাঁই, আমগুৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মিতালি লাহন, গৌৰীসাগৰ খণ্ড উন্নয়ন বিষয়া পংকজ হাজৰিকা, ৰেছম বিভাগৰ উপ-সঞ্চালক আদিত্য গগৈ, হৰকান্ত হাজৰিকা, উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি বিনোদ বৰা, মনজিৎ ফুকন আদিকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উদ্‌যাপন সমিতিৰ সম্পাদক দিব্যজ্যোতি দাসে উদ্দেশ্য ব্যাখ্যা কৰা মুকলি সভাখনত মুনীন বড়াৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'চন্দ্ৰকী'ৰ শুভ উন্মোচন কৰে ৰেচম বিভাগৰ বিটি আৰৰ প্ৰাক্তন সঞ্চালক ড° যোগেশ দেউৰীয়ে। তাৰ উপৰি মুকলি সভাখনত মন্ত্ৰীজনে আগন্তুক ইংৰাজী নৱবৰ্ষৰ কেলেণ্ডাৰৰ শুভ উন্মোচন কৰে। উদ্‌যাপন সমিতিৰ সম্পাদক সোণজিৎ শইকীয়া আৰু সহকাৰী সম্পাদক মন্টু কলিতাই আঁত ধৰা সভাখনত জিলাখনত তিনিগৰাকীকৈ শ্ৰেষ্ঠ মুগা পালক ক্ৰমে কিৰণ ফুকন, (মুগা পালক), মৃদুলা কুমাৰ গগৈ (এৰী পালক) আৰু পদ্মেশ্বৰ কায়গুং (পাট পুল)ক বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে আন বহু কেইজন মুগা পালককো ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। তাৰ উপৰি মুকলি সভাখনতে বিভাগীয় মন্ত্ৰীজনৰ হাতত উদ্‌যাপন সমিতিয়ে ৰেছম পামখনৰ পুনৰ উদ্ধাৰৰ বাবে ছটাকৈ দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। পুৱাৰ ভাগত ৰেছম বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক বানেশ্বৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত ন-পুৰণি সতীৰ্থ সন্মিলনত বিভাগৰ বিটি আৰৰ প্ৰাক্তন সঞ্চালক ড° যোগেশ দেউৰী, অৱসৰপ্ৰাপ্ত সঞ্চালক হৰকান্ত হাজৰিকা, জ্যেষ্ঠ বিষয়া বীণা হাজৰিকাকে ধৰি ন-পুৰণি বহুকেইজন কৰ্মচাৰীয়ে নিজৰ বক্তব্য আগবঢ়োৱাৰ লগতে চাকৰি কাৰ্যকালত লাভ কৰা বহু অভিজ্ঞতাৰ স্মৰণ কৰে। সভাত হৰকান্ত হাজৰিকাই কয় যে বিভাগটোত থকা ৩৩৬ খন পামৰ প্ৰায়বোৰৰে হীৰক জয়ন্তী, ৰূপালী জয়ন্তী অনুষ্ঠিত কৰাৰ সময় সমাগত। কিন্তু এই জয়ন্তীসমূহ উদ্‌যাপন কৰাৰ পূৰ্বে জনসাধাৰণে আস্থাত ল'ব পৰাকৈ পামসমূহ সজাই-পৰাই ল'ব লাগে বুলি উল্লেখ কৰে।

# বংশীবাৰী আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২০ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ অন্তৰ্গত বংশীবাৰী আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বংশীবাৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত পৰহি এখন প্ৰতিনিধি সভা অনুষ্ঠিত হয়। বংশীবাৰী কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতিৰূপে দিলীপ ৰায় আৰু সম্পাদকৰূপে মদন বৰ্মনক লৈ মুঠ ৩১ জনীয়া নতুন সমিতি এখন গঠন কৰা হয়। সভাত বাগ্‌সা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি দয়াল মেধি, সাংগঠনিক সম্পাদক গোপাল বৰ্মনৰ লগতে কে'বাগৰাকী বিষয়ববীয়া, কোচ ৰাজবংশী মহিলা সমিতিৰ বিষয়ববীয়া আদি উপস্থিত থাকে। সভাত উপস্থিত থাকি বাগ্‌সা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি দয়াল মেধিয়ে কয় যে কোচ ৰাজবংশীসকলক চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি অতিশীঘ্ৰেই জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰিব লাগে আৰু পৃথক কমতাপুৰ ৰাজ্য গঠনৰ সমস্যা ৰাজনৈতিকভাৱে সমাধান কৰিব লাগে। অন্যথা কোচ ৰাজবংশী ছাত্ৰ সন্থাই হাত সাবটি বহি নাথাকি আন্দোলনৰ কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হ'ব বুলি সকীয়াই দিয়ে।

# লাহৰীঘাটত মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ কংগ্ৰেছৰ

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ২০ ডিচেম্বৰ ঃ** পৰহি মৰিগাঁও জিলাৰ লাহৰীঘাটত মূল্যবৃদ্ধিৰ প্ৰতিবাদত কংগ্ৰেছে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। আকাশলংঘী মূল্যবৃদ্ধি নিয়ন্ত্ৰণত ব্যৰ্থ বিজেপি চৰকাৰৰ বিৰুদ্ধে লাহৰীঘাট ব্লক কংগ্ৰেছ সমিতিয়ে এই প্ৰতিবাদী সমদল উলিয়ায়। বিজেপি চৰকাৰৰ বিৰুদ্ধে ৰাজপথ উত্তাল কৰি কংগ্ৰেছ কৰ্মীসকলে লাহৰীঘাট ৰাজহ চক্ৰ কাৰ্যালয়ও ঘেৰাও কৰে। শতাধিক কংগ্ৰেছ কৰ্মী উপস্থিত থকা এই প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়ে স্থানীয় বিধায়ক ডাঃ আছিফ নাজাৰে।

# বাদুলিপাৰত যুৱকে জন্মদিনত ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিলে শৈক্ষিক সামগ্ৰী-সাঁচি গছৰ পুলি

অগ্ৰদূত বাৰ্তা,

**খুমটাই, ২০ ডিচেম্বৰ ঃ** ওপজা দিন বুলিলেই প্ৰত্যেকৰে বাবে এটা বিশেষ দিন। বছৰটোৰ এই বিশেষ দিনটিক অতি বিশেষ কৰি তুলিবলৈ থাকে দুৰ্বাৰ হেঁপাহ,অনেক উৎসাহ। ঠিক একেদৰে ওপজা দিনটিত থাকে অনেক আয়োজন। সম্প্ৰতি সামাজিক মাধ্যমত ওপজা দিন উপলক্ষে দেখা যায় শুভানুধ্যায়ীৰ শুভেচ্ছাৰ বিভিন্ন ভাষা,অনেক শুভেচ্ছা। আনহাতে একাংশই নিজৰ জন্মদিন উপলক্ষে মন্দিৰত সেৱা লোৱা, কে'ক কটা,, তৃপ্তিৰ এসাঁজ খোৱা আৰু একাংশই সুৰাৰ ৰাগীত মতলীয়া হৈ অপসংস্কৃতি কৰাল গ্ৰাসত পৰা দেখা যায় । কিন্তু এই সকলোবোৰৰ পৰা আঁতৰি যোৱা ৰজ্জ্ব ডিচেম্বৰত বাদুলিপাৰৰ ইয়ালোদ্দিন হুছেইন নামৰ এজন যুৱকে বৃহত্তৰ বাদুলিপাৰ অঞ্চলৰ প্ৰায় ৩০-৩৫ গৰাকী দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক জন্মদিন উপলক্ষে হাতত তুলি দিলে কিতাপ-কলম আৰু একোটাকৈ মূল্যবান সাঁচি গছৰ পুলি। ইফালে, জন্মদিন উপলক্ষে শৈক্ষিক সামগ্ৰী বিতৰণ কৰা ছাত্ৰ ছাত্ৰীসকলক ভালদৰে পঢ়া-শুনাত মনোনিৱেশ কৰাৰ লগতে মূল্যবান সাঁচি গছৰ পুলিটো ৰোপণ কৰি লালন-পালন কৰিবলৈ আহ্বান জনায়। সাম্প্ৰতিক যান্ত্ৰিকতাৰ পৃথিৱীখনত ইয়ালোদ্দিনে নিজৰ ওপজা দিনটো ব্যতিক্ৰমভাৱে আয়োজন কৰা চিন্তাক সকলোৱে শলাগ লৈছে।

■ ছমাহৰ পাছতেই অকামিলা হৈ পৰিল অত্যাধুনিক আঁচনি ■ চৰকাৰী ধনৰ অপচয়

# শোণিতপুৰত ২১ লাখটকীয়া মীনপালন আঁচনি পৰিত্যক্ত

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২০ ডিচেম্বৰ ঃ** শোণিতপুৰত আৰম্ভ হোৱাৰ মাত্ৰ ছমাহৰ পাছতেই অকামিলা হৈ পৰিল এখন অত্যাধুনিক মীন পালন আঁচনি। ৰাজ্যখনত মুখ্যমন্ত্ৰী হিচাপে সৰ্বানন্দ সোণোৱালে তেওঁৰ কাৰ্যকালৰ শেষ সময়ত উদ্বোধন কৰা এই অভিলাষী আঁচনিখন বৰ্তমান পৰিত্যক্ত অৱস্থাত পৰি ৰৈছে। ২১ লাখ টকা ব্যয় হোৱা এইখন আঁচনিৰ টেংকিত দুবাৰকৈ মুকলি কৰা মাছ এটাও জীয়াই নাথাকিল। উল্লেখ্য যে জিলা মীন বিভাগৰ একাংশ বিষয়া কৰ্মচাৰীৰ অৱহেলাৰ বাবেই জিলাখনত উদ্বোধন কৰা এইখন ব্যয়বহুল আঁচনি এনেদৰে অস্তিত্বহীন হৈ পৰিছে বুলি অভিযোগ উঠিছে।

উল্লেখ্য যে ৰাজ্য চৰকাৰৰ মীন বিভাগৰ উদ্যোগত আৰু মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত শোণিতপুৰৰ ঘোঁৱামাৰী বুঢ়াগাঁৱত বিজ্ঞানসন্মতভাৱে মীন পালনৰ জৰিয়তে নিবনুৱাক সংস্থাপন দিয়াৰ বাবে এক আঁচনি ৰূপায়ণ কৰা হৈছিল। ৰাজ্য চৰকাৰৰ তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুকলি কৰা আঁচনিখন মাত্ৰ ছমাহৰ পাছতেই বিভাগীয় অৱহেলাৰ বাবেই সম্পূৰ্ণৰূপে অস্তিত্বহীন হৈ পৰে। উত্থাপিত অভিযোগ মতে, আঁচনিখনৰ যোগেদি মৰাভৰলী নৈৰ বিলত বিজ্ঞানসন্মত পদ্ধতিৰে সংস্থাপন কৰা আধুনিক টেংকিবোৰত মীন পালনৰ বাবে বিভিন্ন ধৰণৰ মাছৰ পোনা দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও মাছৰ পোনা দিয়াৰ পাছতেই সকলো পোনা মৰি যায়। আধুনিক পদ্ধতিৰ মীন পালনৰ এই আঁচনিখনৰ বাবে শোণিতপুৰ জিলা মীন বিভাগে নিৰ্মাণ কৰা ১০ টাকৈ টেংকি বৰ্তমান সময়ত ঘাঁহ বন মেটেকা আৰু বিভিন্ন আৱৰ্জনাৰে ভৰি পৰিছে। কিন্তু এই ক্ষেত্ৰত কোনো ব্যৱস্থাই গ্ৰহণ নকৰি হাত সাবটি বহি আছে বিভাগ। উল্লেখ্য যে ২০১৯-২০ এই বৃহৎ আঁচনিখন ৰূপায়ণৰ বাবে ২১ লাখ ১৩ হেজাৰ টকা ব্যয় কৰা হৈছিল। ইয়াৰ ভিতৰত চৰকাৰে ১৫ লাখ ৩৫ হেজাৰ ২৪০ টকা আৰু ইয়াৰে জড়িত গোটৰ হিতাধিকাৰীয়ে ছয় লাখ ৫৭ হেজাৰ টকা ব্যয় কৰিছিল। একমাত্ৰ মীন বিভাগৰ অমনোযোগিতাৰ বাবেই আঁচনিখন সঠিকভাৱে ৰূপায়ণ নোহোৱাৰ ফলত ২১ লাখৰো অধিক টকাৰ এই আঁচনিখন এনেদৰে বিফলৰূপত বন্ধ হৈ পৰে। ইয়াৰ বিপৰীতে বহু লোকে প্ৰতিবছৰে সফলতাৰে মীন পালনৰ জৰিয়তে লাখ লাখ টকা উপাৰ্জন কৰি আহিছে। দুৰ্নীতিৰ এক ঘাটিত পৰিণত হোৱা তেজপুৰস্থিত মীন কাৰ্যালয়টোৰে আঁচনিখনৰ উদ্বোধনৰ সময়ত যি ফটাঢোল কোবাইছিল পৰৱৰ্তী সময়ত সেয়া ফুটুকাৰ ফেনত পৰিণত হোৱাৰ লগতে চৰকাৰী ধন আৰু জড়িত গোটৰ ধনো পানীত পেলোৱাৰ দৰে হয় বিভাগীয় অৱহেলাৰ বাবে।


বিভিন্ন সমস্যা সন্দৰ্ভত সোণাবীলত চাহ শ্ৰমিকৰ সভা, সোমবাৰে।

# খাৰিজা বিজনীত বাগ্‌সা জিলা সাহিত্য সভাৰ অধিবেশনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২০ ডিচেম্বৰ ঃ** বাগ্‌সাৰ খাৰিজা বিজনী শাখা সাহিত্য সভাৰ উদ্যোগত আগন্তুক বৰ্ষৰ ১৭ আৰু ১৮ জানুৱাৰীত বাগ্‌সা জিলা সাহিত্য সভাৰ নৱম দ্বি-বাৰ্ষিক অধিবেশন বাৰাপেটা দক্ষিণ খাৰিজা বিজনী হাইস্কুল প্ৰাংগণত অনুষ্ঠিত হ'ব। ইতিমধ্যে অধিবেশনখন সুচাৰুৰূপে পৰিচালনাৰ্থে বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসক সভাপতি, ইন্দ্ৰ বাহাদুৰ ছেত্ৰীক কাৰ্যকৰী সভাপতি, বাছিদুৰ ৰহমান, নৱ বাহাদুৰ ছেত্ৰী, নিয়ন্ত তালুকদাৰক সম্পাদক, উপেন পাঠক, খগেন দাস, নীলাম্বৰ নাথক উপ-সভাপতি, অশ্বিনী বৰ্মন, সদানন্দ শৰ্মা, কাৰ্তিক বড়ো সহকাৰী সম্পাদক, পৰেশ ডেকা, বিনয় বৈশ্যক বিত্ত উপ-সমিতিৰ ক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে লৈ স্মৃতিগ্ৰন্থ, প্ৰচাৰ, সাংস্কৃতিক, খাদ্য, মঞ্চ, তোৰণ, শব্দ আৰু পোহৰ, স্বেচ্ছাসেৱক উপ-সমিতিসমূহ গঠন কৰাৰ লগতে বিজেশ ছেত্ৰী আৰু ধৰ্মেন্দ্ৰ দাসক কাৰ্যালয় সম্পাদক হিচাপে লৈ আদৰণি সমিতি গঠন কৰা বুলি প্ৰচাৰ সম্পাদক মিংকু ছেত্ৰীয়ে জানিবলৈ দিয়ে। আদৰণি সমিতিয়ে অধিবেশনখন সাফল্যমণ্ডিত কৰাৰ বাবে স্থানীয় জনসাধাৰণৰ সহায়-সহযোগিতা আন্তৰিকাৰে কামনা কৰিছে।

# মানকাচৰৰ খেতি পথাৰ পৰিদৰ্শন জিলা উপায়ুক্তৰ

**মানকাচৰ, ২০ ডিচেম্বৰ ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ জিলা উপায়ুক্ত পল্লৱী সৰকাৰে কালি জিলাখনৰ শাক-পাঁচলি উৎপাদনত অগ্ৰণী ভূমিকা লোৱা ঝাউডাঙা, কুছনীমাৰা ডোৰডাংগা গাঁৱৰ কৃষি পথাৰ পৰিদৰ্শন কৰে। উপায়ুক্তই কৃষি পথাৰত উপস্থিত হৈ আলু, ওলকবি, ফুলকবি, বেঙেনা, গাজৰ, মূলা আদি বিভিন্ন পাঁচলি খেতি চৰজমিন পৰিদৰ্শন কৰে। উপায়ুক্ত পল্লৱী সৰকাৰে পথাৰত কৃষি কৰ্মত

## খেতিয়কৰ লগত মত বিনিময়

নিয়োজিত হৈ থকা কৃষকৰ লগত মত বিনিময় কৰি কৃষকৰ বিভিন্ন অভাৱ-অভিযোগ, সমস্যাৰ বুজ লয়। জিলাখনৰ জিলা কৃষি বিষয়া ড° মোজাম্মেল হকক দুখীয়া কৃষকসকলক কৃষি বিভাগৰ ফালৰ পৰা পৰ্যাপ্ত পৰিমাণে সহায়-সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ প্ৰদান কৰে। দক্ষিণ শালমাৰা-মানকাচৰ জিলা উপায়ুক্ত পল্লৱী সৰকাৰে কৃষি পথাৰ পৰিদৰ্শনৰ কালত ভাৰপ্ৰাপ্ত কৃষি বিষয়া ড° মোজাম্মেল হক, মানকাচৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া আনিছুৰ ৰহমান, চীফ এমডিচিকে ধৰি ভালেমান বিষয়া-কৰ্মী উপস্থিত থাকে। উল্লেখ্য যে জিলাখনৰ কুছনীমাৰা জোৰডাঙা গাঁওখন আদৰ্শ গাঁও হিচাপে খ্যাত যদিও চৰকাৰীভাৱে আজিকোপতি পৰ্যাপ্ত সা-সুবিধা লাভ কৰা নাই।

■ টিপুক চাহ বাগিচাত শিশু শ্ৰম বন্ধ সন্দৰ্ভত সজাগতা সভা

# গাঁও-বাগিচাত আৰক্ষীৰ টহল বৃদ্ধি কৰিবলৈ আহ্বান

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২০ ডিচেম্বৰ ঃ** কালি তিনিচুকীয়া জিলাৰ তালাপৰ টিপুক চাহ বাগিচাৰ অংগনৱাড়ী কেন্দ্ৰৰ চৌহদত অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা তিনিচুকীয়া জিলা সমিতি আৰু তিনিচুকীয়া জিলাৰ মহিলা সমিতিৰ যুটীয়া উদ্যোগত আৰু মালপাহাৰীয়া সমাজৰ সহযোগত শিশু শ্ৰম বন্ধ কৰা, শিশু অবৈধ সৰবৰাহ তথা শিশু মাজত নিচাজাতীয় দ্ৰব্যৰ বৰ্ধিত আসক্তি সন্দৰ্ভত এক সজাগতা সভা অনুষ্ঠিত হয়। সজাগতা সভাত সভাপতিত্ব কৰে জাতীয় মহাসভা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি বাবলু কুলদ্বীপে। আৰু সভাখনৰ আঁত ধৰে সম্পাদক ৰবীন কুৰ্মিয়ে। সভাখনত শতাধিক চাহ বাগিচা ৰাইজৰ উপস্থিতিত জাতীয় মহাসভা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি বাবলু কুলদীপে জিলা প্ৰশাসনক শিশু শ্ৰমিকৰ পৰিয়ালবৰ্গক এম জি এনৰেগাৰ জৰিয়তে শ্ৰম উপলব্ধ কৰিবলৈ আহ্বান জনোৱাৰ লগতে স্থানীয়



আৰক্ষী বাহিনীক তহল গাঁও-চাহ বাগিচাত বৃদ্ধি কৰিবলৈ আহ্বান জনায়। উক্ত সভাখনত মুখ্য অতিথিৰূপে উপস্থিত থাকে চাহ জনগোষ্ঠী সাহিত্য সভা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি নগেন কুমাৰ, জাতীয় মহাসভা তিনিচুকীয়া জিলা মহিলা সমিতিৰ সভানেত্ৰী মঞ্জলি কুমাৰ, সম্পাদিকা মামনি গোৱালা আৰু সহকাৰী সম্পাদিকা কল্যাণী খাঞ্জয়া, মালপাহাৰীয়া সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ভদ্ৰনাথ মালপাহাৰীয়া, সম্পাদক বিনোদ মালপাহাৰীয়া, টিপুক চাহ বাগিচাৰ এৰিয়াবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মেৰী কাণ্ডুলনীৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ভৈৰৱকুণ্ডক দুৰ্ঘটনামুক্ত অঞ্চল হিচাপে গঢ় দিয়াৰ সংকল্প

■ ওদালগুৰিত তিনিদিনত দুই শতাধিক গোচৰ ৰুজু

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ২০ ডিচেম্বৰ ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে ওদালগুৰিতো সক্ৰিয় হৈ পৰিছে পৰিবহণ বিভাগ। বিশেষকৈ দুচকীয়া বাহনত হেলমেট পৰিধান নকৰা আৰোহীৰ বিৰুদ্ধে বিগত তিনিটা দিনত বিভাগটোৱে দুই শতাধিক গোচৰ ৰুজু কৰিছে। উল্লেখ্য যে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত সংঘটিত দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা হ্ৰাস কৰাৰ মানসিকতাৰে দুচকীয়া বাহনত চালক আৰু আৰোহী উভয়ৰে হেলমেট পৰিধান কৰাটো বাধ্যতামূলক কৰিছে। ইয়াৰ পাছতে সক্ৰিয় হৈ পৰিছে ৰাজ্যৰ পৰিবহণ বিভাগে। বিভাগটোৱে ওদালগুৰি আৰক্ষীৰ সহযোগত ওদালগুৰি জিলাৰ বিভিন্ন প্ৰান্তত হেলমেট তথা বাহনক নথিপত্ৰ পৰীক্ষণৰ বাবে তালাচীৰ ব্যৱস্থা কৰে। এই তালাচীৰ সময়ত কেৱল ওদালগুৰি চহৰ অঞ্চলতে বিগত তিনিদিনত দুই শতাধিক হেলমেট পৰিধান নকৰা আৰোহীৰ বাহনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। সমান্তৰালভাৱে তালাচীৰ সময়ছোৱাত বহু আইন অমান্য চালকৰ পৰা জৰিমনাও বিহে আৰক্ষী তথা পৰিবহণ বিভাগটোৱে। এই সন্দৰ্ভত তালাচীস্থলীত উপস্থিত থাকি জিলা পৰিবহন বিষয়া ধজেন বসুমতাৰীয়ে আগন্তুক দিনবোৰতো এনে অভিযোগ ব্যাপকভাৱে চলাই নিয়াৰ হুংকাৰ দিয়ে। 'আইন অমান্যকাৰী চালকৰ বিৰুদ্ধে অভিযান ধাৰাবাহিকভাৱে অব্যাহত থাকিব বুলি তেওঁ জনায় লগতে আগন্তুক ৩১ ডিচেম্বৰত যাতে জিলাখনত কোনো ধৰণৰ পথ দুৰ্ঘটনা সংঘটিত নহয়। তাৰ বাবে সকলো প্ৰকাৰৰ চেষ্টা তথা কাৰ্যপন্থা হাতত লোৱাৰ বাবে জিলা আৰক্ষী বিভাগৰ সহায় বিচৰা হৈছে বুলি কয়। প্ৰতিবছৰে ভৈৰৱকুণ্ড বনভোজস্থলীলৈ যোৱা পথত একাধিক পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ ফলত বহু লোকৰ প্ৰাণহানি হয়। সেয়েহে এইবাৰ ভৈৰৱকুণ্ডক দুৰ্ঘটনামুক্ত অঞ্চল হিচাপে গঢ় দিয়াৰ সংকল্প গ্ৰহণ কৰা হৈছে বুলি তেখেতে কয় আৰু উক্ত পথটোত যাতে কোনো ধৰণৰ দুৰ্ঘটনা নহয় তাৰ বাবে কাৰ্যপন্থা যুগুত কৰা হৈছে বুলি জনায়। ওদালগুৰি-ভৈৰৱকুণ্ড পথৰ দুৰ্ঘটনা প্ৰৱন অঞ্চলসমূহ চিনাক্ত কৰি গড়কাপ্তানী বিভাগৰ সহযোগত উক্ত স্থানত গতিৰোধক স্থাপনৰ পৰিকল্পনা হাতত লোৱাৰ কথা পৰিবহন বিষয়া গৰাকীয়ে কয়।

# আশাকৰ্মী গীতা হীৰাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ২০ ডিচেম্বৰ ঃ** আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত তথা শিকাৰহাতী উপ-স্বাস্থ্য কেন্দ্ৰত আশাকৰ্মী হিচাপে কৰ্মৰত গীতা হীৰাৰ কালি নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫০ বছৰ। দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ থকাৰ পাছত মাৰাত্মক ক'ভিড ভাইৰাছৰ বিৰুদ্ধে স্বাস্থ্য বিভাগে লোৱা প্ৰতিটো আঁচনিতে গীতাই হীৰাই সক্ৰিয়ভাৱে অংশ লৈছিল। ভেকচিনৰ লগতে নিজ অঞ্চলত সজাগতা সভা আদি অনুষ্ঠিত কৰি ৰাইজক ক'ভিডৰ বিৰুদ্ধে যুজিবলৈ সজাগ কৰিছিল। কিন্তু নিয়তিৰ ওচৰত হাৰ মানি কালি আকস্মিকভাৱে গীতা মৃত্যুমুখত পৰে। গীতা হীৰাই মৃত্যুত আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মহকুমা স্বাস্থ্য বিষয়া ড° ধ্ৰুৱজ্যোতি বৰুৱাই গভীৰ শোক ব্যক্ত কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত গীতাই হীৰাই পুত্ৰ-বোৱাৰীকে ধৰি বহু আত্মীয়-স্বজন এৰি থৈ যায়।

# বেলশৰত শিল্পী জীৱেশ্বৰ ডেকাৰ কেন্দ্ৰীয় স্মৃতিচাৰণ অনুষ্ঠান

## উন্মোচন হ'ল সোঁৱৰণী গ্ৰন্থ 'দধীচি জীৱেশ্বৰ'

**অগ্ৰদূত বাৰ্তা**
**চামতা, ২০ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বেলশৰত কালি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে নটসূৰ্য ফণী শৰ্মা বঁটা প্ৰাপক যশস্বী নাট্যশিল্পী জীৱেশ্বৰ ডেকাৰ কেন্দ্ৰীয় ৰাজহুৱা স্মৃতিচাৰণ সভা আৰু সোঁৱৰণী গ্ৰন্থ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। বেলশৰ গাঁও পঞ্চায়ত কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত এই অনুষ্ঠান উপলক্ষে ৰাতিপুৱা ন বজাৰ পৰা শিল্পী জীৱেশ্বৰ ডেকাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত বেলশৰ আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি লক্ষী পাটোৱাৰীয়ে শিল্পী ডেকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ পাছতে আৰম্ভ হয় নাম প্ৰসংগ। পুৱা ১০ টাত প্ৰয়াত জীৱেশ্বৰ ডেকাৰ সহধৰ্মিনী কুসুম ডেকা আৰু ভ্ৰাতৃ বৈকুণ্ঠ ডেকাই জীৱেশ্বৰ ডেকাৰ প্ৰতিচ্ছবিৰ সন্মুখত মাল্যাৰ্পন কৰে। দিনৰ ১০-৩০ বজাত জীৱেশ্বৰ ডেকা সোঁৱৰণী গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি তপন কুমাৰ শৰ্মাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা স্মৃতিচাৰণ অনুষ্ঠান আৰু সোঁৱৰণী গ্ৰন্থ উন্মোচনী সভাখন উদ্বোধন কৰে। সোঁৱৰণী গ্ৰন্থখন উন্মোচন কৰে অসমৰ যশস্বী নাট্যকাৰ, অভিনেতা, কবি, সমালোচক সমৰেন্দ্ৰ বৰ্মনে। বৰ্মনে কয় মানুহৰ মৃত্যু হ'লেও গ্ৰন্থৰ মৃত্যু নহয়। আজিৰ পৰা প্ৰয়াত শিল্পী জীৱেশ্বৰ ডেকা অমৰলৈ আমাৰ মাজত চিৰদিন জীয়াই থাকিব। অনুষ্ঠানটো উদ্বোধন কৰে ঐতিহাসিক শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়ৰ দলৈ ৰঞ্জিত মিশ্ৰই। অনুষ্ঠানত প্ৰশান্ত মেনা আৰু দ্বীপেন মেনাৰ সম্পাদনাত প্ৰকাশিত জীৱেশ্বৰ ডেকাৰ সোঁৱৰণী গ্ৰন্থ সম্পাদনা হৈ উঠে। উক্ত অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট অভিনেত্ৰী মণি বৰা, নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা, কালিদাস ফাউণ্ডেছনৰ সম্পাদক নৱৰত্ন পাটোৱাৰী, বেলশৰ শাখা সাহিত্য সভাৰ সভাপতি লক্ষী পাটোৱাৰী। এই অনুষ্ঠানতে লোক-কৃষ্টিৰ বিভিন্ন ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱা কেশৱ হাজৰিকা, ফিৰোতি কৈৱৰ্ত, জগদীশ বৰ্মন, দেৱেন ডেকা, ফণী বৰ্মন, প্ৰতাপ বেজবৰুৱা, ভূৱনেশ্বৰ তালুকদাৰ, বিনন্দী বৰ্মন, ভোগী বৰ্মন আৰু প্ৰমোদ বৰ্মনক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তদুপৰি এই অনুষ্ঠানতে 'কালিদাস ফাউণ্ডেছন, অসম'-এ বিশিষ্টা অভিনেত্ৰী মণি বৰাক আনুষ্ঠানিকভাৱে প্ৰদান কৰে 'জীৱেশ্বৰ ডেকা সোঁৱৰণী বঁটা-২০২১।'

# ডুমডুমাৰ জ্যেষ্ঠ সাংবাদিক অৰ্জুন বৰুৱাক সম্বৰ্ধনা

**ডুমডুমা, ২০ ডিচেম্বৰ ঃ** ডুমডুমা প্ৰেছ ক্লাবৰ উদ্যোগত আজি সংবাদসেৱাৰ দৰে গুৰুদায়িত্ব পালন কৰি ৫০ বছৰ অতিক্ৰম কৰা ডুমডুমাৰ জ্যেষ্ঠ সাংবাদিক অৰ্জুন বৰুৱাক ডুমডুমাত ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। ডুমডুমা প্ৰেছ ক্লাবে 'সব্যসাচী অৰ্জুন বৰুৱা' নামেৰে এখন অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰে। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি অনুজ কলিতাই সভাপতিত্ব কৰা অনুষ্ঠানটোত মুখ্য অতিথিৰূপে দৈনিক অসম কাকতৰ কাৰ্যবাহী সম্পাদক মুনিন বায়ন, তেজপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড° মদন শৰ্মা, বীৰ ৰাঘৱ মৰাণ আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিত শইকীয়া, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দ্বয় ড° প্ৰফুল্ল মেধি, ড° আব্দুল কাদিৰ, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতিত্ৰয় অমূল্য খাটনিয়াৰ, হিমেন ভট্টাচাৰ্য, ড° ঋষি দাস, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ-সভাপতি বিনয় ডুৱে, শিক্ষাবিদ শৰৎ চিৰিং ফুকন, ড° দীপক মহন্ত লগতে ডুমডুমা অঞ্চলৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অৰ্জুন বৰুৱাক অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিকে ধৰি বিভিন্ন দল-সংগঠনে সম্বৰ্ধনা জনায়।

# নামতিমুখত ৰাসলীলা-অসম ভিত্তিত ভাওনা প্ৰতিযোগিতাৰ লাইখুঁটা স্থাপন

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ২০ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ অন্তৰ্গত নামতিমুখত অহা দুই ফেব্ৰুৱাৰীৰ পৰা ছয় ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব লগা ৰাসলীলা আৰু সদৌ অসম ভাওনা প্ৰতিযোগিতাৰ আজি লাইখুঁটা স্থাপন কৰা হয়। নামতিমুখস্থিত শংকৰ মাধৱ সমন্বয় ক্ষেত্ৰত কালি সম্পূৰ্ণ সত্ৰীয়া পৰম্পৰাৰ মাজেৰে লাইখুঁটা আনুষ্ঠানিকভাৱে স্থাপন কৰে শ্ৰীশ্ৰীবৰখাটপাৰ সত্ৰৰ সত্ৰাধিকাৰ লীলাকান্ত মহন্তই। উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি হৰেশ বৰুৱাই আঁত ধৰা অনুষ্ঠানত অঞ্চলৱৰ্তী প্ৰায় ১৩ খন জনবহুল গাঁৱৰ কে'বাশতাধিক পুৰুষ-মহিলা, ডেকা-গাভৰুকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পাছতে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈৰ মাতৃ সৰুমাই গগৈৰ সোঁৱৰণী মঞ্চত অনুষ্ঠিত এক অনুষ্ঠানত অসম যুৱ পৰিষদৰ অন্যতম কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুদৰ্শন হাজৰিকা, আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ সম্পাদক বসন্ত গগৈ, সাংসদ গগৈৰ প্ৰতিনিধিৰূপে যুগান্ত লাহন, ম'ৰাবজাৰ সমবায় সমিতিৰ সভাপতি জগদীশ গগৈ, মৃণাল খনিকৰ আদি বহুকেইজন লোক বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি দিহা পৰামৰ্শ সূচক বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে আঠ লাখ টকাৰ বাজেটেৰে উদ্‌যাপন হ'ব লগা ভাওনা প্ৰতিযোগিতাত ৰাজ্যখনৰ প্ৰায় আঠটা জনপ্ৰিয় ভাওনা দলে অংশগ্ৰহণ কৰিব বুলি অৱগত কৰিছে ভাওনা সমিতিৰ সম্পাদকদ্বয় অখিল গগৈ আৰু মৃগাংক শইকীয়াই। আনহাতে, উদ্‌যাপন সমিতিৰ সভাপতি/সম্পাদক ক্ৰমে সঞ্জীৱ বৰা আৰু প্ৰাংকুল শইকীয়াই জানিবলৈ দিয়া মতে অনুষ্ঠানৰ মূল মণ্ডপটো সাংসদ তপন কুমাৰ গগৈৰ আৰ্থিক অনুদানেৰে প্ৰয়াত মাতৃ সৰুমাই গগৈৰ সোঁৱৰণত উছৰ্গিত হ'ব আৰু অনুষ্ঠানৰ কেউদিনৰ কাৰ্যসূচীত সকলো শ্ৰেণীৰ ৰাইজৰ আন্তৰিক সহায়-সহযোগিতা কামনা কৰে।

# ডিব্ৰুগড় ৰ'টাৰী ক্লাবৰ সাতগৰাকী লোকক কৃত্ৰিম হস্ত সংৰোপণ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২০ ডিচেম্বৰ ঃ** ডিব্ৰুগড় ৰ'টাৰী ক্লাবে কালি এক কৃত্ৰিম হস্ত সংৰোপণ শিবিৰৰ আয়োজন কৰি জিলাখনৰ বিভিন্ন প্ৰান্তৰ সাতগৰাকী লোকৰ শৰীৰত কৃত্ৰিম হস্ত সংৰোপণ কৰে। এই উপলক্ষে চহৰখনৰ তিনিকুনীয়াত অৱস্থিত ক্লাবৰ প্ৰেক্ষাগৃহত আয়োজন কৰা এক চমু অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে ক্লাবৰ প্ৰেচিডেন্ট প্ৰতুল বৰুৱাই। অনুষ্ঠানত ৰ'টাৰী ক্লাবৰ 'এলএন ফ'ৰ আপাৰ লিম্ব প্ৰজেক্টৰ সম্পৰ্কত বক্তব্য আগবঢ়াই প্ৰকল্পটোৰ ডিব্ৰুগড়ৰ চেয়াৰপাৰ্চন ডাঃ ফৌজিয়া এছ. হাকিমে কয় যে ২০০৬ত ৰ'টাৰী ক্লাবে আমেৰিকাত আৰম্ভ কৰা এই প্ৰকল্পই বিশ্বৰ ৮০ খনৰো অধিক দেশক সামৰি ল'বলৈ সক্ষম হৈছে। ইয়াৰ জৰিয়তে সৃষ্টিকৰ্তাই দিয়া এটি মূল্যৱান অংগ হাতখন দুৰ্ভাগ্যবশতঃ যিসকল লোকে কোনো কাৰণত হেৰুৱাইছে সেইসকলক এখন কৃত্ৰিম হাত বিনামূলীয়াকৈ প্ৰদান কৰি কৰ্মক্ষমতা বৃদ্ধি কৰাৰ প্ৰয়াস কৰি অহা হৈছে। ইয়াৰ দ্বাৰা পূৰ্বৰ হেৰুওৱা হাতখনৰ বিপৰীতে ৩০ শতাংশ কাৰ্যক্ষম হ'ব সংশ্লিষ্ট ব্যক্তিগৰাকীৰ কৃত্ৰিম হাতখন। লিখা-মেলাৰ পৰা আৰম্ভ কৰি বাইক পৰ্যন্ত চলাব পাৰিব সংশ্লিষ্ট ব্যক্তিগৰাকীয়ে। কিন্তু কিলাকুটিৰ পৰা ব্যক্তিগৰাকীৰ হেৰুওৱা হাতখনত ন্যূনতম সাত ইঞ্চি পৰ্যন্ত অতিৰিক্ত অংশ (ষ্টাম্প) থাকিব লাগিব। অৱশ্যে আঢ়ৈ ইঞ্চি পৰ্যন্ত অতিৰিক্ত অংশ থাকিলেও ইয়াক সংযোজন কৰি সংৰোপণ কৰাৰ ব্যৱস্থা কৰিব পৰা যায়। এই স্থায়ী প্ৰকল্পটোৰ অধীনত এনেধৰণৰ ব্যক্তিসকলে ক্লাবৰ স'তে যোগাযোগ কৰি সুবিধা গ্ৰহণ কৰিবলৈও ডাঃ হাকিমে আহ্বান জনায়।

# শিক্ষয়িত্ৰী অঞ্জলি দেৱীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ২০ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি শিক্ষা খণ্ডৰ অন্তৰ্গত আমগুৰি নগৰ কছাৰী লাইন প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত অঞ্জলি দেৱী (দলি)ৰ কালি অসম চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ থকা শিক্ষয়িত্ৰীগৰাকীয়ে ১৯৯২ত চাকৰিত যোগদান কৰিছিল। অতি অমায়িক স্বভাৱৰ সৰবৰহী শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যুত আমগুৰি সমল কেন্দ্ৰত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৮ বছৰ। তেওঁ ইহ সংসাৰত স্বামীৰ লগতে ১৩ বছৰীয়া কন্যা সন্তানক এৰি গৈছে।

# সাধাৰণ জাতি সুৰক্ষা সন্মিলনৰ নলবাৰী জিলা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**টিহু, ২০ ডিচেম্বৰ ঃ** অসমৰ অসংৰক্ষিত সাধাৰণ জাতিৰ লোকসকলৰ বিভিন্ন দিশৰ সুৰক্ষাৰ স্বাৰ্থত গঠিত সাধাৰণ জাতি সুৰক্ষা সন্মিলন, অসম (অসংৰক্ষিত)ৰ নলবাৰী জিলা সমিতিখন কালি গঠন কৰা হয়। এই উপলক্ষে নলবাৰীৰ আসাম ভেলী একাডেমীত সাহিত্যিক-সমাজকৰ্মী সমীন্দ্ৰ নাথ মহন্তৰ পৌৰহিত্যত অনুষ্ঠিত সাধাৰণ সভাত সাধাৰণ জাতি সুৰক্ষা সন্মিলন, অসমৰ সভাপতি দেৱজিৎ গোস্বামী, মুখ্য সাংগঠনিক সম্পাদক দিগন্ত গোস্বামী, সম্পাদক মানস প্ৰতীম মহন্তৰ আৰু কাৰ্যনিৰ্বাহক সদস্য গৌৰী শংকৰ তালুকদাৰে সংগঠনৰ লক্ষ্য-উদ্দেশ্যৰ লগতে সাংবিধানিক বিধিবিধান সম্পৰ্কে ব্যাখ্যা কৰে। উক্ত সভাতে হৰিমোহন তহবিলদাৰক সভাপতি, অজিত কুমাৰ শৰ্মাক কাৰ্যকৰী সভাপতি, সমীন্দ্ৰ নাথ মহন্ত আৰু প্ৰবোধ শৰ্মাক উপ-সভাপতি, দিলীপ বৰ্মনক সাধাৰণ সম্পাদক হিচাপে লৈ সাধাৰণ জাতি সুৰক্ষা সন্মিলনৰ নলবাৰী জিলা সমিতিখন গঠন কৰা হয়।

# কবি অজিত গগৈৰ কাব্য গ্ৰন্থ উন্মোচন



**চিনামৰা, ২০ ডিচেম্বৰ ঃ** 'বহু কবিৰ কবিতাত বৰ্ণনা থাকে; কিন্তু কবিতাত বৰ্ণনা থাকিব নালাগে। কবিতাত ব্যঞ্জনাহে থাকিব লাগে। অজিৎ গগৈৰ কবিতাত আমি ব্যঞ্জনা দেখিবলৈ পাও।' কালি যোৰহাটৰ মিউজিয়াম মাৰ্কেটৰ সালংকৃতাত অনুষ্ঠিত 'গ্ৰন্থ বাৰ্তা' শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠানত কবি অজিৎ গগৈৰ নৱতম কাব্য গ্ৰন্থ 'সত্য এক সুস্বাদু ফল' উন্মোচন কৰি এইদৰে কয় সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি, বিশিষ্ট কবি সমালোচক ড° মাণিক শইকীয়াই। লগতে উন্মোচক ড° শইকীয়াই কয় যে অজিৎ গগৈৰ কবিতা ইতিমধ্যে পাঠকে আদৰি লৈছে। অনুষ্ঠানত বিশিষ্ট গল্পকাৰ অনন্ত কুমাৰ শৰ্মাই কবি অজিৎ গগৈৰ কবিতাৰ কিছু উল্লেখনীয় দিশত আলোকপাত কৰে। সভাত সাহিত্য সভাৰ জিলা প্ৰতিনিধি মৃণালিনী গোস্বামী, কবি তথা চিকিৎসক প্ৰাঞ্জল জ্যোতি দত্ত, বিশিষ্ট খেলুৱৈ মৃদুল প্ৰৱন জোন উপস্থিত থাকি নিজৰ অনুভৱ ব্যক্ত কৰে। কবি সাংবাদিক অজন্ত কুমাৰ বৰাই আঁত ধৰা অনুষ্ঠানত যোৰহাট জিলা সাহিত্য সভাৰ সম্পাদক মাধৱ মহন্ত, যোৰহাট জিলা কবি সন্মিলনৰ সম্পাদক চৈয়দ পাৰভিজ হুছেইন, কবি স্বপ্নালী বৰা হাজৰিকা, বিনীতা গগৈ, কুসুম শইকীয়াকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত কবিগৰাকীয়েও নিজৰ অনুভৱ ব্যক্ত কৰে।

■ নলবাৰী কবি সন্মিলনৰ অধিবেশন সম্পন্ন, গ্ৰন্থ উন্মোচন

# কবিতা সকলো মানুহৰ অন্তৰত থাকে

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২০ ডিচেম্বৰ ঃ** অসম কবি সন্মিলনৰ নলবাৰী সদৰ শাখাৰ কালি এমএনচি বালিকা মহাবিদ্যালয় প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে মুকলি অধিবেশন আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। সদৰ শাখাৰ সম্পাদিকা অঞ্জলি দত্তই আঁতধৰা আৰু উপ-সভানেত্ৰী পাৰুল দেৱী গোস্বামীৰ গায়ত্ৰী মন্ত্ৰ পাঠেৰে আৰম্ভ হোৱা অনুষ্ঠানৰ পতাকা উত্তোলন কৰে সভানেত্ৰী কিৰণ দেৱীয়ে। স্মৃতি তৰ্পণ কৰে যুটীয়া সম্পাদিকা ৰুমা ভট্টাচাৰ্য আৰু বন্তি প্ৰজ্বলন কৰে কাৰ্যকৰী সভানেত্ৰী ডিম্বিকা চৌধুৰীয়ে। ৰাতিপুৱা ১০ বজাত সাহিত্যসেৱী বিপুল চক্ৰৱৰ্তীৰ সঞ্চালনাত আৰু শাখাৰ উপ-সভানেত্ৰী কবিতা ডেকা তালুকদাৰে পৰিচালনা কৰা কবিতা পাঠ অনুষ্ঠানত ২০গৰাকীৰ অধিক কবিয়ে কবিতা পাঠ কৰে। ইয়াৰ পাছতে গীতৰ শৰাই অনুষ্ঠান অনুষ্ঠিত হয়। বিয়লি প্ৰয়াত কবি নিৰুপমা দত্ত সোঁৱৰণী মঞ্চত অসম কবি সন্মিলনৰ কাৰ্যকৰী সভানেত্ৰী গীতা দত্তৰ সঞ্চালনাত আয়োজিত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত কবি মণিকা দেৱীৰ কাব্যগ্ৰন্থ 'পাগলদিয়া' উন্মোচন কৰে অধ্যাপক এম কামালুদ্দিন আহমেদে, প্ৰতিভা বৰ্মনৰ 'খহি পৰা ওঁঠৰ ভাষা' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক ড° লীনা ডেকাই। অসম কবি সন্মিলনৰ নলবাৰী সদৰ শাখাৰ পত্ৰিকা 'চিৰপ্ৰবাহ' উন্মোচন কৰে অসম কবি সন্মিলনৰ কাৰ্যনিৰ্বাহক ডাঃ জয় বৰাই, কল্যাণী বৰ্মনৰ 'মাথো তোমাৰ বাবে' উন্মোচন কৰে ডাঃ ৰাতুল ভট্টাচাৰ্যই, আৰতি মিশ্ৰ আৰু কবিতা ডেকা তালুকদাৰৰ গল্প সংকলন মৌ জোল উন্মোচন কৰে অসম কবি সন্মিলনৰ প্ৰচাৰ সম্পাদক বেদদ্বীপ উপাধ্যায়, অঞ্জলি দত্তৰ কাব্যপুথি 'বাঢ়ৈ টোকা' উন্মোচন কৰে অসম কবি সন্মিলনৰ যুটীয়া সম্পাদক মনোজ কুমাৰ দাসে। মুকলি অধিবেশনত অতিথিৰূপে অসম কবি সন্মিলনৰ সম্পাদক নীলকমল বৰা, লেখক হিতেশ ডেকা উপস্থিত থকা অনুষ্ঠানত সাংবাদিক প্ৰাঞ্জল শৰ্মা আৰু গ্ৰন্থ প্ৰকাশ কৰা বিশিষ্ট প্ৰকাশক প্ৰিয়ংকু নাৰায়ণ বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত পাৰুল দেৱী গোস্বামী আৰু শেৱালী কাকতিয়ে সংগীত পৰিৱেশন কৰে। অনুষ্ঠানত ভাষণ ৰাখি বিশিষ্ট সাহিত্যিক ড° লীনা ডেকাই কয় যে কবিতা সকলো মানুহৰ অন্তৰত থাকে। কেতিয়াবা সুপ্ত হৈ থাকে; কিন্তু উপযুক্ত পৰিৱেশত ই জাগ্ৰত হৈ হৃদয়ৰ শব্দৰ মাধ্যমেদি নিসৃত হয়। তেওঁ আৰু কয় যে অসমীয়া কবিতালৈ ভাল দিন আহিছে। কবিতাৰ জয়যাত্ৰা ঘোষিত হৈছে বুলি দোহাৰে। অনুষ্ঠানত অধ্যাপক, কবি এম কামালুদ্দিন আহমেদে কয় যে সঠিক ভাষা-জ্ঞান আহৰণত গুৰুত্বসহ কাব্য চৰ্চা কৰিলে অসমৰ কবি সমাজে অসমীয়া সাহিত্যলৈ উৎকৃষ্ট অৱদান আগবঢ়াব পাৰিব। তেওঁ নবীন কবিৰ কবিতাত সম্ভাৱনা দেখা বুলিও দোহাৰে।

# সৌন্দর্য পিপাসুৰে বিৰ দি বাট নোপোৱা হৈছে চিজুছা

## ডেৰ কোটি টকা ব্যয় সাপেক্ষে চিজুচাৰ বনভোজস্থলীক পর্যটন কেন্দ্ৰৰূপে গঢ়ি তুলিব বিধায়কে

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২০ ডিচেম্বৰ ঃ** এতিয়া বনভোজৰ বতৰ। পুৰণি বর্ষটিক বিদায় অথবা নতুন বর্ষটিক স্বাগতম জনোৱাৰ উদ্দেশ্যে ৰাজ্যৰ বিভিন্ন স্থানৰ বনভোজস্থলীত এতিয়া ভিৰ কৰিছে বনভোজকাৰীৰ দলে। ব্যতিক্ৰম হোৱা নাই ইটাখোলাৰ নিকটৱৰ্ত্তী তথা অসম অৰুণাচল সীমান্তৰ প্ৰকৃতিৰ ৰম্যভূমি চিজুছাও। শীতৰ আমেজভৰা পৰিবেশত প্ৰকৃতিৰ কোলাত লগে-ভাগে এসাঁজ আনন্দ মনৰে খোৱাৰ বাবে চিজুছাত এতিয়া দৈনিক উপস্থিত হৈছে শ শ বনভোজকাৰীৰ দল। বিগত ২০০৪ বৰ্ষত প্ৰলয়ংকৰী বানে তচনচ কৰি যোৱা মনোমোহা শিজুছা পৰৱৰ্তী সময়ত অসম চৰকাৰে প্ৰায় ৫০ কোটি টকা ব্যয় কৰি প্ৰাণ দিয়াৰ পাছৰে পৰা পুনৰ প্ৰাকৃতিক সৌন্দর্য পিপাসুৰ আগমন ঘটিবলৈ ধৰে চিজুছালৈ। ওখ-চাপৰ ঘন ঘন চিৰ সেউজীয়া বনাঞ্চলৰ অৰূপ সৌন্দর্য প্ৰাণ কৰি বৰদিকৰাই নদীৰ পাৰত এতিয়া ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা অহা বনভোজৰ দলে নাচি-বাগি আনন্দ মনৰে এসাজ তৃপ্তিৰে খোৱা পৰিলক্ষিত হৈছে। এইদৰেই এতিয়া শীতৰ বতৰত ইষ্ট কামেঙৰ 'নুমলীয়া জীয়ৰী' খ্যাত প্ৰকৃতিৰ এই ৰম্যভূমি চিজুছাত বনভোজ দলৰ উপস্থিতিত উখল-মাখল হৈ পৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে ইটাখোলা ব্যৱসায়িক কেন্দ্ৰস্থলৰ পৰা ১৬ কিলোমিটাৰ নাতিদূৰত্বত অৱস্থিত চিজুছাত শীতৰ বতৰত দেখা দিয়া হেজাৰ হেজাৰ ৰংবিৰঙৰ পখী আৰু পখিলাৰ বিচৰণো পৰ্যটকৰ অন্যতম আকৰ্ষণ কেন্দ্ৰবিন্দু হিচাপে বিবেচিত হৈছে। চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই অলপতে বিশ্বনাথৰ উপায়ুক্ত আৰু চতিয়া খণ্ড উন্নয়ন বিষয়াসহ চিজুচাত উপস্থিত হৈ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিৰ স'তে মত বিনিময় কৰে। খণ্ড উন্নয়ন বিষয়াগৰাকীৰ মতে, তৎপৰতাত চিজুচাক পৰ্যটন কেন্দ্ৰ হিচাবে গঢ়ি তোলাৰ বাবে ইতিমধ্যে ডেৰ কোটি টকা আবন্টন দিয়া হৈছে। অতি শীঘ্ৰেই ইয়াৰ সকলো কাম-কাজ আৰম্ভ হ'ব।



# অসম-অৰুণাচল সীমান্তত নামেৰী সাহিত্য উৎসৱ ২০২২ৰ আয়োজন

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২০ ডিচেম্বৰ ঃ** অসমীয়া সাহিত্য সন্মিলনীৰ প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি ঐতিহাসিক শোণিতপুৰ জিলাৰ চাৰিদুৱাৰ মৌজাৰ অন্তৰ্গত নামেৰী ৰাষ্ট্ৰীয় উদ্যানত তিনিদিনীয়া কাৰ্যসূচীৰে নামেৰী সাহিত্য উৎসৱ ২০২২ৰ আয়োজন কৰা হৈছে। নামেৰীৰ সুৰক্ষা, সজাগতাৰ লগতে জ্ঞান মন্থনৰ উদ্দেশ্যে অহা ১০, ১১ আৰু ১২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। নৱ প্ৰজন্মক সাহিত্য সাধনাৰ এই অভিযানত আগ্ৰহী কৰা উদ্দেশ্যৰে ১০ ফেব্ৰুৱাৰীত আয়োজন কৰা হৈছে এলানি সাহিত্য প্ৰতিযোগিতাৰ। এই উৎসৱৰ স'তে সংগতি ৰাখি ৰঙাপৰা মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ। বিগত এমাহ ধৰি উদ্‌যাপন সমিতিয়ে বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ লগতে গ্ৰামাঞ্চলত সাহিত্য সজাগতাৰ ব্যাপক প্ৰচাৰ অভিযান চলোৱা দেখা গৈছে। উদ্‌যাপন সমিতিয়ে উল্লেখ্য কৰা মতে, ১২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত অংশগ্ৰহণ কৰিব কেইবাগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ খ্যাতিমান লেখকে। চাৰিদুৱাৰৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত কে'বাখনো বৈঠকৰ অন্তত সাহিত্য উৎসৱ ভাগ গামানী, মেকাহী আৰু ৰঙাপৰা মহাবিদ্যালয়ত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# লাহৰীঘাটত চোৰাং মূল্যবান কাঠসহ গাড়ী জব্দ

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ১৮ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বৰছলাত বৃহৎ পৰিমাণৰ মূল্যবান কাঠসহ এখন বাহন আৰক্ষীয়ে জব্দ কৰে। পাছত বৰছলা আৰক্ষীয়ে বন বিভাগক গতাই দিয়ে জব্দকৃত বাহনখন। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰছলা আৰক্ষীয়ে মূল্যবান কাঠসহ এএছ-০১এমচি-৮৭৮৩ নম্বৰৰ বাহনখন জব্দ কৰাৰ লগত আটক কৰি পৰৱৰ্তী সময়ত বন বিভাগক গতাই দিয়ে। উল্লেখ্য যে ট্ৰাকখনৰ চালকে উক্ত কাঠখিনি জাগীৰোডৰ পৰা মৈৰাবাৰী লৈ নিয়াৰ কথা কোৱাৰ বিপৰীতে কাঠৰ ব্যৱসায়ীজনে উক্ত কাঠখিনি লাহৰীঘাটৰ তিনিচুকীয়াৰ পৰা জাগীৰোডলৈ নিয়াৰ যোৎজা চলোৱা বুলি কয়।

# গৰিয়া-মৰিয়া দেশীসকল অস্তিত্বৰ সংকটত ঃ আজিজুল

## ■ ভেল্লাত গৰিয়া-মৰিয়া দেশী জাতি পৰিষদৰ সভা

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২০ ডিচেম্বৰ ঃ** গৰিয়া-মৰিয়া দেশীসকল আজি সংকটত। সংকটমুক্ত হ'বলৈ আমি একত্ৰিত হ'ব লাগিব। বৰপেটা ভেল্লাৰ এখন সভাত মন্তব্য কৰে গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি আজিজুল ৰহমানে। ভেল্লা আঞ্চলিক সমিতিৰ উদ্যোগত আৰু বৰপেটা জিলা সমিতিৰ সহযোগত ভেল্লা চি.ভি.ৰমন একাডেমীত ১৭ ডিচেম্বৰত অনুষ্ঠিত সভাত নৱ নিৰ্বাচিত জিলা সমিতিৰ বিষয়ববীয়াৰ স'তে চিনাকি পৰ্ব আৰু মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আনচাৰী আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৰাজ্যিক গৰিয়া-মৰিয়া উন্নয়ন পৰিষদৰ সদস্য হিবজুৰ ৰহমান, ধনী আলী, গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি আজিজুল ৰহমান, নাচিৰুল্লাহ পাটগিৰি, সহকাৰী সাধাৰণ সম্পাদক আতিকুল হক, প্ৰচাৰ সম্পাদক মফিদুল হক, তথ্য প্ৰযুক্তি সম্পাদক ছহিজুল আলী, ভেল্লা বাণীকান্ত কাকতি শাখা সাহিত্য সভাৰ সভাপতি ইউচুফ আহমেদ, বিশিষ্ট সমাজসেৱক আব্বাচুজ জামান, জিলা সমিতিৰ বিষয়ববীয়া আঞ্চলিক সমিতিসমূহৰ কাৰ্যকৰ্তাসকল, মহিলা সমিতি আৰু ভেল্লা অঞ্চলৰ কে'বাগৰাকীও ব্যক্তি উপস্থিত থাকে।

# পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ১৫০ বছৰীয়া জয়ন্তীৰ আয়োজন

## ■ সাহিত্যৰ মহাসমাৰোহলৈ সাজু ঢেকীয়াল

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ২০ ডিচেম্বৰ ঃ** অসমীয়া সাহিত্যৰ পৰমাচাৰ্য-পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ১৫০ বছৰীয়া জয়ন্তী সমাৰোহৰ মুকলি সভাত অহা আঠ জানুৱাৰীত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ১৮৭২ৰ আঠ জানুৱাৰীত গোলাঘাট জিলাৰ ঢেকীয়ালৰ গৌৰাংগ সত্ৰৰ পৱিত্ৰ ভেটিত জন্মগ্ৰহণ কৰা অসমীয়া ভাষা-সাহিত্যৰ যুগস্ৰষ্টা মনীষী প্ৰত্নতাত্ত্বিক-পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ১৫০ বছৰীয়া জয়ন্তী ঐতিহ্যমণ্ডিত ঢেকীয়ালৰ শিক্ষাবিদ তুলসীনাথ বৰগোহাঁই সমন্বয় ক্ষেত্ৰত ১০ দিনীয়া গ্ৰন্থ আৰু বাণিজ্য মেলাসহ বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব। কাৰ্যসূচী অনুসৰি অহা সাত জানুৱাৰীৰ পুৱা পতাকা উত্তোলনৰ পাছতে পণ্ডিতজনৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব আমেৰিকা যুক্তৰাষ্ট্ৰ নিবাসী চিকিৎসক ডাঃ নৱ গোস্বামীয়ে। ইপিনে, ১৫০ বছৰীয়া স্মাৰক ফলক উন্মোচন কৰিব সাহিত্যসেৱী সূৰ্য হাজৰিকাই। সেইদিনাই শিক্ষাবিদ ৰত্নেশ্বৰ দত্ত সোঁৱৰণী তোৰণ উদঘাটন, যোগেন্দ্ৰনাথ খাউণ্ড সোঁৱৰণী ঢেকীয়াল সাংস্কৃতিক ভৱনৰ মূল মণ্ডপ উন্মোচনৰ পাছতে স্মাৰকগ্ৰন্থ উন্মোচন আৰু গোলাঘাটৰ নৱ প্ৰতিষ্ঠিত বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ৰ সহযোগত প্ৰত্নতাত্ত্বিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ কৃতি আৰু কৃতিত্ব শীৰ্ষক আলোচনাচক্ৰত মুখ্য আলোচকৰূপে নগাঁও আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰসিদ্ধ গৱেষক ড° নৱেন কলিতা আৰু কটন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ প্ৰত্নতত্ত্ব অধ্যয়ন বিভাগৰ মুৰব্বী অধ্যাপক ড° মঞ্জিল হাজৰিকাই অংশগ্ৰহণ কৰিব। উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিতব্য আলোচনাচক্ৰ উদ্বোধন কৰিব উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই আৰু মুখ্য অতিথিৰূপে সাহিত্য একাডেমী ৰত্ন ড° নগেন শইকীয়া, সন্মানীয় অতিথিৰূপে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যকে ধৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। সন্ধিয়া কবি সন্মিলনেৰে প্ৰথম দিনৰ কাৰ্যসূচী সামৰা হ'ব। পণ্ডিতগৰাকীৰ ১৫০ বছৰীয়া জয়ন্তীৰ দ্বিতীয় দিনা অধ্যাপক ড° গিৰিশ বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিতব্য মুকলি সভা উদ্বোধন কৰিব প্ৰথিতযশা সাহিত্যিক, প্ৰখ্যাত চিন্তাবিদ সাহিত্য একাডেমী ৰত্ন ড° নগেন শইকীয়াই। মুকলি সভাত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ উপৰি অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী বিত্তমন্ত্ৰী অজন্তা নেওগ কৃষিমন্ত্ৰী অতুল বৰা, আৰক্ষী অয়ুক্ত সাহিত্যিক পাৰ্থ সাৰথি মহন্ত আৰু কে'বাগৰাকীও বিশিষ্ট লেখক-গৱেষকে অংশগ্ৰহণ কৰিব। নিশা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে ইয়াৰ আগতে ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে অহা ৩০ ডিচেম্বৰৰ পৰা সমাৰোহস্থলীত গ্ৰন্থমেলা আৰু বাণিজ্যমেলা অনুষ্ঠিত হ'ব। এই গ্ৰন্থ-বাণিজ্য মেলা স্থলীত ৩১ ডিচেম্বৰত সাধু কোৱা, চিত্ৰাংকন কবিতা অবৃত্তি প্ৰতিযোগিতা পহিলা জানুৱাৰীত সন্মিলিত সাহিত্য মঞ্চৰ উদ্যোগত কবিতাৰ ছন্দৰে আৰু অনুগল্প পাঠৰ অনুষ্ঠান; দুই জানুৱাৰীত ফেচবুক গোট সপোনৰ পৰিধিৰ উদ্যোগত হেমন্তৰ আচ্ছাদনত শব্দৰ এদিন শীৰ্ষক কবিতা পাঠৰ অনুষ্ঠান, তিনি জানুৱাৰীত বিয়ানাম আৰু দিহানাম প্ৰতিযোগিতা চাৰি জানুৱাৰীত সংগীত চকী, ৰছী টনা, টেকেলি ভঙা, ভেশচন প্ৰতিযোগিতা। পাঁচ জানুৱাৰীত মেঘালী বোধিদ্ৰুম সাহিত্য চৰ্চা সমাজৰ দ্বাৰা কবি সন্মিলন আৰু ছয় জানুৱাৰীত অন্তৰংগ আলাপৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। লগতে কেওনিশাই সাংস্কৃতিক কাৰ্যসুচী অনুষ্ঠিত হ'ব বুলি আয়োজকসকলে জনাইছে।

# মেৰাপানীৰ পৰা চলিছে আওপুৰণি নৈশ

*১২ পৃষ্ঠাৰ পৰা* নৈশ বাছ কিয় দিয়া নাই তাক লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। সেয়েহে অসম চৰকাৰে মেৰাপানীত অসম পৰিবহণ নিগমৰ স্থায়ী কাৰ্যালয় স্থাপন কৰাৰ লগতে অত্যাধুনিক সা সুবিধা থকা এখন নৈশ বাছ সেৱা দি মেৰাপানী ৰাইজক উপকৃত কৰিব বুলি চৰকাৰক ৰাইজে আহ্বান জনাইছে।

# বাগনা হাইস্কুলত অৱসৰপ্ৰাপ্ত শিক্ষকক

*১২ পৃষ্ঠাৰ পৰা* সুচাৰুৰূপে পালন কৰে বিদ্যালয়খনত কৰ্মৰত শিক্ষক কৈল্যাশ চন্দ্ৰ দাস, সমৰ হালৈ আৰু ৰাতুল শৰ্মাই। সভানেত্ৰীৰ গাম্ভীৰ্যপূৰ্ণ বক্তব্যৰে ভংগ হোৱা সভাখনত শলাগৰ শৰাই প্ৰদান কৰে কংকন শৰ্মাই। বিদায় সভাখনত অতীতৰ অৱসৰপ্ৰাপ্ত আৰু এই বিদ্যালয়খনৰ পৰা আন বিদ্যালয়লৈ বদলি হৈ যোৱা শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিয়ে এক যোগাত্মক বাৰ্তা বহন কৰে।

# গদাধৰ নদীত দলং নিৰ্মাণৰ দাবী

*১২ পৃষ্ঠাৰ পৰা* ৰাইজে চৰকাৰৰ উপৰি স্থানীয় জনপ্ৰতিনিধিক এখন দলঙৰ বাবে আবেদন-নিবেদন কৰিও কোনো সুফল লাভ কৰা নাই। কেৱল ভোটৰ সময়ত গাঁওখনলৈ ভোট বিচাৰি যোৱা নেতা-পালিনেতাৰ এটা প্ৰতিশ্ৰুতিৰ সম্বল হৈ পৰিছে। ৰাইজে বহুতো চেষ্টা কৰাৰ পাছতো চকু নপৰিল জনপ্ৰতিনিধিৰ । গদাধৰ নদীৰ ওপৰত এখন দলং নিৰ্মাণ কৰিবলৈ চৰকাৰক দাবী জনাইছে আলোকঝাৰী গাঁৱৰ ৰাইজে। উল্লেখ যে আলোকঝাৰী পাহাৰত আছে এটা ঐতিহাসিক মন্দিৰ। যি মন্দিৰত নিতৌ ভক্ত আহে আৰু প্ৰতি বছৰে ব'হাগৰ প্ৰথম সপ্তাহত অনুষ্ঠিত হয় সাতদিনীয়া মেলা।

# ডিমৌ প্ৰেছ ক্লাবত অৱসৰী জ্যেষ্ঠ

*১২ পৃষ্ঠাৰ পৰা* অৱসৰপ্ৰাপ্ত অধ্যাপক মহেন্দ্ৰ নাথ দত্ত, ড° ৰাণু গগৈ, তুলন বেজবৰুৱাৰ উপৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি। খগেন চন্দ্ৰ বৰাৰ 'জীৱনৰ ডুখৰীয়া ছবি' গ্ৰন্থখনত লেখকে শৈশৱ আৰু কৈশোৰত দেখাপোৱা গাঁওখন, কঠোৰ পৰিশ্ৰম আৰু সংগ্ৰামেৰে পঢ়া-শুনা কৰা দিনবোৰ, অলেখ ঘাত-প্ৰতিঘাত নেওচি কলেজ, বিশ্ববিদ্যালয়ত পঢ়া-শুনা কৰা দিনবোৰৰ উপৰি ভাৰতৰ সন্মানীয় অনুষ্ঠান 'ভাবা পৰমাণু গৱেষণা কেন্দ্ৰ'ত কৰা অধ্যয়ন আৰু অনুষ্ঠানৰ বিষয়ে সাৱলিলভাৱে গ্ৰন্থখনত উল্লেখ কৰিছে।

# অম্বিকাগিৰী ৰায়চৌধুৰীৰ জন্মজয়ন্তী

*১২ পৃষ্ঠাৰ পৰা* ভাষণ প্ৰদান কৰে সভাপতি মতিৰাম হাজৰিকাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিগবৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° বিকাশ কুমাৰ বৰুৱা, বীণাপাণি বৰঠাকুৰ আৰু ৰণ কুমাৰ হাজঙে অম্বিকাগিৰী ৰায়চৌধুৰী জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰে। তিনিচুকীয়া জিলা সমিতিৰ কাৰ্যকৰী সভাপতি গুণীন্দ্ৰ নাথ গগৈয়ে অম্বিকাগিৰী ৰায়চৌধুৰীৰ বিষয়ে মনোগ্ৰাহী বক্তব্য আগবঢ়ায়। বৰবিল মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সভাত আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। বিনীতা মৰাণৰ বিয়া নাম পৰিবেশনে সকলোকে মুগ্ধ কৰে। উক্ত সভাতে শিক্ষয়িত্ৰী সুৰভি বৰাই আঁত ধৰা অনুষ্ঠানত বৰবিল মধ্য ইংৰাজী বিদ্যালয়ৰ পত্ৰিকা 'কঠিয়াতলি'ৰ শুভ উন্মোচনী কৰে পাৰ্থজ্যোতি বৰাই। প্ৰায় দুই শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাখন জাতীয় সংগীতেৰে সামৰণি মাৰে।

# 'টকা-পইচাৰ প্ৰাচুৰ্যই জীৱনত শেষ কথা

*১২ পৃষ্ঠাৰ পৰা* আৰু দৃষ্টিভংগীৰ সমন্বয় সাধন কৰা হয়। ঐক্য সম্প্ৰীতি গঢ়ি উঠে। বজাৰে মানুহক জীৱিকাৰ উপায় দিয়ে। প্ৰসংগক্ৰমে ড° বসুমতাৰীয়ে কয় যে টকা-পইচাৰ প্ৰাচুৰ্যই শেষ কথা নহয়। শান্তিপূৰ্ণ পৰিৱেশত জীৱন-যাপনহে মূল কথা। তেওঁ সৰুকৈ ব্যৱসায়িক যাত্ৰা আৰম্ভ কৰাত আৰোপ কৰি কয় যে সৰু সৰু পদক্ষেপৰ পৰাহে বৃহৎ লক্ষ্যত উপনীত হ'ব পাৰি। তেওঁ কয় যে সপোন দেখা ভাল যদিও টোপনিতে দেখা সপোনৰ কোনো কাম নাই। যি সপোনে শুব নিদিয়ে তেনে সপোনহে দেখা উচিত। অৰ্থাৎ যি ডাঙৰ লক্ষ্য পূৰণৰ তাগিদাই মানুহৰ নিদ্ৰাহৰণ কৰে, কঠোৰ পৰিশ্ৰমী কৰি তোলে, তেনে লক্ষ্যহে নিৰ্ধাৰণ কৰা উচিত। সভাখন উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী হৰিহৰ ব্ৰহ্মৰে। ইয়াৰ আগেয়ে শনিবৰীয়া সাপ্তাহিক বজাৰখন আনুষ্ঠানিকভাৱে ফিটা কাটি উদ্বোধন কৰে প্ৰাক্তন শিক্ষক, সমাজকৰ্মী, সংবাদসেৱী হৰিহৰ দাসে। পুৱা ককলাবাৰী বজাৰ কমিটীৰ সভাপতি বুদ্ধ ব্ৰহ্মৰে পতাকা উত্তোলন কৰে। প্ৰতিষ্ঠাপক সভাপতি সভাৰাম দাসে শান্তিৰ বাবে পাৰ চৰাই উৰুৱাই দিয়ে। বজাৰ কমিটীৰ প্ৰতিষ্ঠাপক সম্পাদক হাংখ্ৰাই উজীৰে ছহিদ তৰ্পণ কৰে। সভাত সাহিত্য একাডেমী বঁটা বিজয়ী গোবিন্দ নাৰ্জাৰী প্ৰমুখ্যে কে'বাগৰাকী গণ্য-মান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আজি নতুনকৈ উদ্বোধন কৰা বজাৰখনত অঞ্চলটোৰ ৰাইজে নিত্য প্ৰয়োজনীয় বয়-বস্তু ক্ৰয়-বিক্ৰয় কৰে।

# দলুৱাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নলবাৰী

*১২ পৃষ্ঠাৰ পৰা* বৈকুণ্ঠ কলিতাই। সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে জিলা শাখাৰ সম্পাদক কৰ্ণধৰ বৰ্মনে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি শংকৰদেৱ সংঘৰ যুটীয়া সম্পাদক ডাঃ দুৰ্লভ পাঠকে ভাষণত কয় যে শংকৰদেৱ সংঘৰ পৰিসৰ এতিয়া যথেষ্ট বৃদ্ধি পাইছে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে বাংলাদেশ, পশ্চিম বংগ, দিল্লী আদিৰ লোকসকলেও এই সন্মিলনত অংশগ্ৰহণ কৰে। পাঠকে নিজৰ ভাষণত কয় যে শংকৰদেৱ সংঘই গুৰুজনাৰ অসমৰ সৃষ্টি ধৰ্ম, দৰ্শন, সাহিত্য, সংস্কৃতি আৰু মানৱতাবাদী আদৰ্শসমূহ জনমানসত প্ৰচাৰ আৰু প্ৰসাৰ কৰাত আগভাগ লৈ অহাৰ উপৰি অসমৰ যুৱ প্ৰজন্মক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত সহায় কৰিবৰ বাবে শ্ৰীমন্ত শংকৰদেৱ সংঘ প্ৰায় প্ৰতিজ্ঞাবদ্ধ বুলি মন্তব্য কৰে। বিভিন্ন আলোচনাৰ অন্তত জিলা সভাপতি বৈকুণ্ঠ কলিতাই আগন্তুক অধিবেশনখন সৰ্বাংগ সুন্দৰ সফল কৰি তুলিবলৈ শংকৰদেৱ সংঘৰ নলবাৰী জিলাৰ আটাইবোৰ আঞ্চলিক সমিতিৰ বিষয়ববীয়াক আহ্বান জনায়। পবিত্ৰ লাইখুঁটা স্থাপন অনুষ্ঠান আৰু সজাগতা সভাখনত জিলাখনৰ প্ৰায় পাঁচ শতাধিক একশৰণ নাম ধৰ্মত বিশ্বাসী ভক্তই অংশগ্ৰহণ কৰে।

# 'একাংশ দল-সংগঠনৰ কৰ্মকাণ্ডৰ বাবে

*১২ পৃষ্ঠাৰ পৰা* দল-সংগঠনসমূহে জনতাৰ জাগ্ৰত প্ৰহৰী হিচাপে কাম কৰিছিল । তাৰ সাক্ষী হিচাপে ঐতিহাসিক অসম আন্দোলন, ভাষা আন্দোলন আদিৰ নাম ল'ব পাৰি। কিন্তু বৰ্তমান জাতীয়- জনগোষ্ঠীয় দল-সংগঠনসমূহৰ মাজত স্বেচ্ছাই সেৱা আগবঢ়াবলৈ ওলাই অহা মানুহৰ সংখ্যা কমি আহিছে। তাতোতকৈ আচৰিত কথাটো হ'ল একাংশ সংগঠনৰ নেতাই ক্ষমতা নতুবা অৰ্থৰ লোভত নীতি-আদৰ্শক জলাঞ্জলি দি নিশাটোৰ ভিতৰতে বিক্ৰী হোৱা ঘটনাবিলাকে জনসাধাৰণক সচকিত কৰি তুলিছে। বৰ্তমান একাংশ জাতীয়-জনগোষ্ঠীয় দল- সংগঠনৰ কু-কৰ্ম কিছুমানৰ বাবে ৰাইজে আস্থাত নোলোৱা হৈছে। একেটা বিষয়তে সংস্কৃতিৰ সাধক ড° অনিল শইকীয়া, বিশিষ্ট সাহিত্যিক ডাঃ লোহিত কুমাৰ বৰা, সমাজকৰ্মী ক্ষীৰোদ শইকীয়া, অসীম বৰুৱাকে ধৰি কে'বাজনো বক্তাই নিজৰ অনুভৱ ব্যক্ত কৰে। উক্ত বৈঠকতে অলপতে ভাৰতীয় লোকসেৱা আয়োগ প্ৰশাসনিক বিষয়া হিচাপে নিযুক্তি পোৱা চেপন হলগুৰি নিবাসী হেমাংগ ফুকন আৰু তাই ভাষাৰ ওপৰত গৱেষণা কৰি ডক্টৰেট লাভ কৰিবলৈ সক্ষম হোৱা চেপন মধুমুৰি গাঁৱৰ ড° বৰ্ণালী হাতীবৰুৱাক সম্বৰ্ধনা জনোৱা হয়। জনপ্ৰিয় কণ্ঠশিল্পী মাধৱ ৰঞ্জন গগৈয়ে গীতৰ শৰাই আগবঢ়োৱা বৈঠকখনত কবিতা পাঠ কৰে দ্বীজেন্দ্ৰ নাথ দত্ত, ৰশ্মিৰেখা গগৈ, নীলাক্ষী বৰুৱা, অঞ্জু বৰুৱা, সত্যনাথ শৰ্মা, লাবণ্য কলিতা, যোগেন্দ্ৰ সিং, আনন্দ ফুকনকে ধৰি বহু কেইজন নবীন-প্ৰবীণ কবিয়ে। মৰাণৰ বিশিষ্ট নাগৰিক প্ৰবীৰ শৰ্মা, হেম বৰা, নীলকান্ত গগৈ, দীপালী দত্ত শইকীয়া, নবীন গগৈ, ৰাণু গগৈ, নীভা আৰান্ধৰা, অবিনাশ চেতিয়া, অনলগিৰী বৰবৰা, ৰঞ্জন সেন , ছাজিদ হুছেইন, নিপন ফুকন, ধৰ্মেন্দ্ৰ গগৈ, বিতুপন বৰা, ৰঞ্জিত চাংমাই, ৰুদ্ৰ বুঢ়াগোহাঁই, সাংবাদিক ৰাজু মিশ্ৰ, পবিত্ৰ চুতীয়া প্ৰমুখ্যে বহু গুণী-জ্ঞানী ব্যক্তি উপস্থিত থাকে।

# হাতীয়ে বিধ্বস্ত কৰা বাসগৃহৰ পৰিয়াললৈ সাহায্য

**অগ্ৰদূত বাৰ্তা**



**মুছলপুৰ, ২০ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ মুছলপুৰ মহকুমাৰ অন্তৰ্গত দধিগাঁও, ব্ৰহ্মপুৰ, খামৰিগাঁও আদিত বিগত এসপ্তাহ ধৰি বন্যহস্তীয়ে বিচৰণ কৰি গাঁওকেইখনৰ বাৰীৰ তামোল-পাণ, গমাৰী বাগান আদিৰ অনিষ্ট কৰাৰ লগতে বাসগৃহ ভাঙি লণ্ডভণ্ড কৰে। বিগত এসপ্তাহে বৃহৎ অঞ্চলটোৰ ৰাইজে বন্যহস্তীৰ ভয়ত বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। বন বিভাগে বন্যহস্তীকেইটা ঘন অৰণ্যলৈ খেদি পঠোৱৰ চেষ্টা কৰি আছে যদিও সফল হ'ব পৰা নাই। ইয়াৰ মাজতে নিশাৰ ভাগত বন্যহস্তীয়ে অঞ্চলটোৰ ১৩টা বাসগৃহ ভঙাৰ পাছত আজি বাগ্‌সা জিলা বন সংমণ্ডল প্ৰাধিকাৰী দিপুল বৰ্মন আৰু বিট বিষয়া কনক কলিতাৰ নেতৃত্বত যোৱা বন বিভাগৰ দলে ক্ষতিগ্ৰস্ত পৰিয়ালকেইটালৈ সাহায্য আগবঢ়ায়। অঞ্চলটোৰ অনিল বড়ো, ৰতি নাৰ্জাৰী, ৰিতা বড়ো, যোগেশ্বৰ বড়ো, লক্ষীৰাম ব্ৰহ্ম, জুনু বড়ো, দণ্ডি বড়ো, নন্দী দৈমাৰী, থেংনা ব্ৰহ্ম, মঞ্জু ব্ৰহ্ম, সঞ্জীৱ ব্ৰহ্ম, মুথু বড়ো আৰু ৰাকেশ বড়োক বন বিভাগৰ পৰা আজি টিনপাত, তিৰপাল আৰু ৰন্ধা বঢ়া সামগ্ৰী প্ৰদান কৰে। আজিৰ এই কাৰ্যসূচীত বাগ্‌সা জিলা ইউপিপিএলৰ সম্পাদক দয়াল শৰণীয়াও উপস্থিত থাকি ক্ষতিগ্ৰস্ত পৰিয়ালকেইটাৰ ক্ষয়-ক্ষতিৰ বুজ লয় আৰু ভৱিষ্যতে দলৰ মুৰব্বী প্ৰমোদ বড়োক অৱগত কৰি দলৰ তৰফৰ পৰাও সাহায্য প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে। তেওঁ দলৰ কৰ্মকৰ্তাসকলৰ স'তে লগ হৈ আজি কেইটামান ভঙা বাসগৃহ মেৰামতিও কৰি দিয়ে।

# শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ নাহৰআটী থান সত্ৰ পৰিচালনা সমিতিৰ অধিবেশনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২০ ডিচেম্বৰ ঃ** সমগ্ৰ অসমৰ মায়ামৰা সম্প্ৰদায়ৰ একমাত্ৰ সেৱাৰ থলী বিহপুৰীয়াৰ পূৱ প্ৰান্তত অৱস্থিত মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ নাহৰআটী থান সত্ৰৰ পৰিচালনা সমিতিৰ একাদশ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনখন দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নাহৰআটী থান সত্ৰত অনুষ্ঠিত কৰাৰ ব্যাপক আয়োজন চলিছে। ২০১৯তে অনুষ্ঠিত হ'ব লগা দ্বি-বাৰ্ষিক অধিবেশনখন কৰ'না মহামাৰীৰ বাবে স্থগিত ৰখাৰ পাছত চলিত বৰ্ষৰ ২৫ আৰু ২৬ ডিচেম্বৰত অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলিছে। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা থান সত্ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি শশীধৰ ফুকনৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলন, থান সত্ৰ পৰিচালনা সমিতিৰ সভাপতি ধনীৰাম গগৈৰ দ্বাৰা স্মৃতি তৰ্পণ আৰু থান সত্ৰ পৰিচালনা সমিতিৰ উপ-সভাপতি লাচিত বৰুৱা, পূৱ ডিক্ৰং গাঁও পঞ্চায়তৰ সভাপতি মধুমিতা দাস আৰু অনিৰুদ্ধদেৱ নাহৰআটী যুৱক সংঘৰ সভাপতি সোমেশ্বৰ দাসৰ দ্বাৰা গছপুলি ৰোপণৰ পাছতে দুপৰীয়া, প্ৰতিনিধি তথা বিষয় বাছনি সভা আৰু সন্ধিয়া পাঁচ বজাত থান সত্ৰৰ পৰিচালনা সমিতিৰ উপদেষ্টা নৰেন দাসৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে প্ৰথম দিনৰ কাৰ্যসূচী সামৰণি পৰিব। দ্বিতীয় দিনা পুৱা ভাগৱত ভ্ৰমণ উদ্বোধন কৰিব নাহৰআটীৰ ভক্তসাধু সোমনাথ দাসে। দুপৰীয়া ধনীৰাম গগৈৰ সভাপতিত্বত অধিবেশনৰ মুকলি সভাখন আৰম্ভ হ'ব। থান সত্ৰ পৰিচালনা সমিতিৰ উপদেষ্টা নীলমনি হাজৰিকাই উদ্বোধন কৰিব লগা সভাখনিত ধলপুৰৰ ভক্তসাধু ভীমশেখৰ বনিয়াই নিৰ্দিষ্ট বক্তা, চাবুৱা বিধানসভা সমষ্টিৰ বিধায়ক পোনাকন বৰুৱাই মুখ্য অতিথি, গহপুৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মানিক চন্দ্ৰ গগৈ, সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ প্ৰাক্তন সম্পাদক হেমন্ত গোঁহাই, সদৌ অসম মটক সন্মিলনৰ সভাপতি চান্দ কুমাৰ গোঁহাই, সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ সম্পাদক বোদ্ধেশ্বৰ চুতীয়াই আমন্ত্ৰিত অতিথি, বিহপুৰীয়াৰ স্থানীয় বিধায়ক ড° অমিয় কুমাৰ ভূএঞা, বিহপুৰীয়া জিলা পৰিষদৰ সদস্যা গিৰিমা দলে পেগু, বিহপুৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি দীপক সভাপণ্ডিতে বিশিষ্ট অতিথি হিচাবে অংশগ্ৰহণ কৰিব। নাহৰআটীৰ বয়োজ্যেষ্ঠ ব্যক্তি নগেন হাজৰিকাৰ বন্তি প্ৰজ্বলনেৰে অধিবেশনৰ সামৰণি পৰিব। দুয়োদিনৰ কাৰ্যসূচীতে থান সত্ৰৰ সম্পাদক শিৰিৰাম দাসে সমূহ ভক্তিপ্ৰাণ ৰাইজৰ একান্ত উপস্থিতি কামনা কৰিছে।

## ■ 'প্ৰযুক্তি বিপ্লৱ-শিক্ষাৰ ওপৰত ইয়াৰ প্ৰভাৱ' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় মননশীল বক্তৃতানুষ্ঠান সম্পন্ন

# সুযোগ জীৱনৰ কাৰণে অতি গুৰুত্বপূৰ্ণ মুহূৰ্ত ঃ দীপ মেধি

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড় ২০ ডিচেম্বৰ ঃ** 'সুযোগ জীৱনৰ বাবে অতি গুৰুত্বপূৰ্ণ মুহূৰ্ত। সুযোগে জীৱনক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সুযোগ জীৱনত কেতিয়াও আগজাননী দি নাহে। সেয়ে সুযোগক সৎ ব্যৱহাৰ কৰি আগুৱাই গ'লে জীৱনত সফলতা লাভ কৰিব পাৰি।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগ আৰু আইকিউএচিৰ উদ্যোগত 19 ডিচেম্বৰৰ সন্ধিয়া অনলাইন মাধ্যমত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত ইউএছএৰ মিজৌৰী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা নেচ্‌নেল চাইণ্ড ফাইণ্ডেশ্যনৰ সঞ্চালক দীপ মেধিয়ে এইদৰে কয়। 'প্ৰযুক্তি বিপ্লৱ আৰু শিক্ষাৰ ওপৰত ইয়াৰ প্ৰভাৱ' শীৰ্ষক বক্তৃতানুষ্ঠানত মেধিয়ে কয় সামাজিক পৰিচয় প্ৰযুক্তি বিদ্যাৰ লগত খুবেই গুৰুত্বপূৰ্ণ। প্ৰযুক্তিতকৈ পূৰ্বে সমাজ অধ্যয়ন হয়। সমাজৰ বিষয়ে অধ্যয়ন তথা সমাজৰ বিষয়ে নাজানিলে প্ৰযুক্তিক কেতিয়াও আগুৱাই নিব নোৱাৰি। উদ্যোগিক বিপ্লৱৰ বিষয়ে ক'বলৈ গৈ তেওঁ কয়, 'অতীততে থকা কিছুমান কাম বৰ্তমান নাথাকিব আৰু বৰ্তমান থকা কিছুমান কাম হয়তো আজিৰ পৰা পাঁচ বছৰৰ পাছত নাথাকিব। বৰ্তমান পৃথিৱীত প্ৰযুক্তি বিপ্লৱে ইমাননেই বেছিকৈ প্ৰভাৱিত কৰিছে যে অনাগত ভৱিষ্যতত সমগ্ৰ পৃথিৱীখন প্ৰযুক্তিৰ দ্বাৰাই নিয়ন্ত্ৰিত হ'ব। তেওঁ কয় জীৱনত কৃতকাৰ্যতা লাভ কৰিবলৈ হ'লে ধাৰণা আৰু কল্পনা এই দুয়োটাই অতি গুৰুত্বপূৰ্ণ বিষয়। এই দুই বিষয়ক জীৱনত মানি চলিলে জীনটো সফল কৰি তোলাত সহায়ক হয় বুলি মত প্ৰকাশ কৰি কয় কম্পিউটাৰ প্ৰগ্ৰেম হৈছে একপ্ৰকাৰৰ কলা। যি কলাক আগুৱাই নিয়াত ধাৰণা আৰু কল্পনাই সহায় কৰে। কম্পিউটাৰ নেটৱৰ্কিং ক্ষেত্ৰৰ পৰা শিকা কিছুমান কথা ক'বলৈ গৈ মেধিয়ে কয়, 'মানুহৰ জীৱনত জ্ঞানৰ বিকাশ অতিকে প্ৰয়োজনীয়। জ্ঞান হৈছে এক প্ৰকাৰ ফলৰ দৰে বুলি মত প্ৰকাশ কৰি কয় জ্ঞানে আমাক কি শিকিব লাগে কেনেকৈ শিকিব লাগে ইয়াৰ ক্ষমতা বৃদ্ধি কৰে। কানৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা ডিম্পী সোণোৱালে আঁত ধৰা অনুষ্ঠানটি উদ্বোধন কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। কানৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী পূজা চাংকাকতিয়ে উদ্দেশ্য ব্যাখ্যা কৰা বক্তৃতানুষ্ঠানটিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা স্নেহবন্ধনৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতা, দক্ষিণ আফ্ৰিকাৰ বিশিষ্ট বিজ্ঞানী তথা স্নেহবন্ধনৰ সহকাৰী সম্পাদক ড° মুকুত গোহাঁই কানৈ মহাবিদ্যালয়ৰ আইকিউএচিৰ সমন্বয়ক ড° মৃদুল শৰ্মা, কানৈ মহাবিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় ঔদ্যোগিক সম্পৰ্কৰক্ষী ভাৰপ্ৰাপ্ত অধ্যাপিকা ড° সুনন্দা চাহু, সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা মনচুমী ভূএঞাই সাৱলীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত দেশ-বিদেশৰ বহুকেইগৰাকী প্ৰৱাসী অসমীয়াৰ লগতে দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শেষত শলাগ জ্ঞাপন কৰে কানৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা পাৰ্বতী কুৰ্মীয়ে।

# গোসাঁইগাঁৱত বিনামূলীয়া চিকিৎসা শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ২০ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ কচুগাঁও উন্নয়ন খণ্ডৰ অধীনৰ ভাৰত-ভূটান সীমান্তৱৰ্তী বাংটিঝোৰাত যোৱা ১৭ ডিচেম্বৰত ৩১ নম্বৰ সশস্ত্ৰ সীমাবলৰ উদ্যোগত মানৱ আৰু পশুধনৰ এক এদিনীয়া বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন হৈ যায়। উক্ত চিকিৎসা শিবিৰত বাংটিঝোৰা আৰু কুসুমবিল গাঁৱৰ স্থানীয় ১৭২ গৰাকী পুৰুষ-মহিলাৰ স্বাস্থ্য পৰীক্ষাৰ অন্তত তেওঁলোকক বিভিন্ন বিনামূলীয়া দৰব যোগান ধৰা হয়। অনুৰূপভাৱে গাঁও দুখনৰ ৪৯৪টা পশুধনৰো স্বাস্থ্য পৰীক্ষাৰ অন্তত বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানটোত ৩১ নম্বৰ সশস্ত্ৰ সীমাবলৰ বেটেলিয়ন সহকাৰী কমাণ্ডেণ্ট দেৱ শইকীয়াই তেওঁৰ বক্তব্যত আন্তঃৰাষ্ট্ৰীয় সীমা সংলগ্ন ৰাইজক চিকিৎসা সেৱাৰ ক্ষেত্ৰত সজাগ হ'বলৈ আহ্বান জনায়। তেওঁ ভাষণ প্ৰসংগত কেন্দ্ৰীয় চৰকাৰে ৰাইজৰ কল্যাণাৰ্থে চলাই থকা বিভিন্ন জনকল্যাণমূলক আঁচনিসমূহ গ্ৰহণৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনোৱাৰ লগতে ৰাইজক সজাগ আৰু সচেতন হোৱাৰ পৰামৰ্শ প্ৰদান কৰে। বিশাল ভাৰতবৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰেখাত যিকোনো ধৰণৰ ভাৰতবিৰোধী শক্তিক প্ৰতিহত কৰিবলৈ আৰু দেশৰ নাগৰিকক নিশ্চিত নিৰাপত্তা দিবলৈ ৩১ নম্বৰ সশস্ত্ৰ সীমাবল দায়বদ্ধৰ লগতে সদা প্ৰস্তুত বুলি সহকাৰী কমাণ্ডেণ্ট দেবা শইকীয়াই ৰাইজক উদ্দেশি গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ডাঃ টি টি হটজা, (চিএমঅ') ডাঃ লক্ষিজ্যোতি পাটগিৰি, ডাঃ সুমিত্ৰা কুমাৰী আৰু পশু চিকিৎসক ডাঃ এম এন তালুকদাৰ উপস্থিত থাকি শিবিৰটো পৰিচালনা কৰাৰ লগতে ৩১ নম্বৰ সশস্ত্ৰ বাহিনীৰ বিষয়া-জোৱানসকলে সহযোগ কৰা উক্ত শিবিৰটোত বাংটিঝোৰা আৰু কুসুমবিল গাঁৱৰ ভালেসংখ্যক ৰাইজে অংশগ্ৰহণ কৰে।

অসম দাপোণ
দৈনিক অগ্ৰদূত
গুৱাহাটী, ২১ ডিচেম্বৰ, মঙলবাৰ, ২০২১ পৃষ্ঠা ১৪

## টিংখাঙত জুৱাৰ ঘাটি উৎখাত ঃ নগদ ধনসহ গ্ৰেপ্তাৰ ১১ জুৱাৰী

**অগ্ৰদূত বাৰ্তা**

**ৰাজগড়, ২০ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ টিংখাং ৰাজগড়ৰ লগতে নিকট অঞ্চলসমূহত দীৰ্ঘদিনৰ পৰা চলি অহা এক বৃহৎ জুৱাৰ ঘাটি আজি গোপন সূত্ৰৰ পম খেদি উৎখাত কৰে টিংখাং আৰক্ষীয়ে। টিংখাং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া লক্ষীনাথ দলেৰ নেতৃত্বত যোৱা এটি আৰক্ষীৰ দলে অভিযান চলাই টিংখাঙৰ ঘুগুলনি গাঁৱৰ পৰা বৃহৎ পৰিমাণৰ নগদ ধন সহ ১১ জনকৈ জুৱাৰীক আটক কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ঘুগুলনি গাঁৱৰ এটা গৰাকীবিহীন ঘৰত দীৰ্ঘদিন ধৰি অবৈধ জুৱা-মদৰ বেহা চলি আহিছিল। ফলত ভিতৰুৱা অঞ্চলটোৰ শৈক্ষিক-সামাজিক পৰিবেশত বিৰূপ প্ৰভাৱ পৰিছিল। জুৱা স্থলীৰ পৰা আৰক্ষীয়ে প্ৰায় ৩৫ হেজাৰ টকা নগদ ধনৰ লগতে জুৱাৰ সামগ্ৰী জব্দ কৰে। আৰক্ষীয়ে আটক কৰা জুৱাৰীকেইজন হৈছে ক্ৰমে- কুলদ্বীপ গগৈ, গৌতম ফুকন, বিকাশ নাথ, মিন্টু শইকীয়া, ভাবা লাহন, যোগেন গগৈ, ৰকী বৰপাত্ৰ, নাহৰ বৰুৱা, অনন্ত গগৈ, দীপেন বৰুৱা, সুজিত গগৈ। উক্ত জুৱাৰীকেইজন চৰাইদেউ, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ। ধৃতকেইজনক জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰিছে টিংখাং আৰক্ষীয়ে। ইপিনে, ৰাজগড় অঞ্চলৰ অলিয়ে-গলিয়ে, দোকানে-পোহাৰে চলি থকা লুডুৰ জুৱাৰ লগতে তাচ পাতৰ জুৱা খেলৰ ঘাটিসমূহ শীঘ্ৰে উৎখাত কৰিবলৈ আৰক্ষীক দাবী জনাইছে স্থানীয় ৰাইজে।

■ এবছৰে গাৰামদেউত পথ মেৰামতিৰ নামত পেলালে সামান্য শিল ■

# মুছলপুৰত পথ পুনৰ্নিৰ্মাণৰ দাবীত ৰাইজৰ ধৰ্ণা




**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২০ ডিচেম্বৰ ঃ** অৰ্ধনিৰ্মিত পথ শীঘ্ৰেই পকীকৰণৰ দাবীত আজি ৰাজপথলৈ ওলাই আহিল সাধাৰণ ৰাইজ। মুছলপুৰৰ গাৰামদেউত পথ অৱৰোধ কৰি আজি ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। জালাহৰ পৰা মুছলপুৰ সংযোগী গড়কাপ্টানী পথটো অৱৰোধ কৰি গঞাই এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। এজন ঠিকাদাৰে এবছৰ পূৰ্বে পথটোৰ নিবিদা পোৱাৰ পাছত পথটোত মাত্ৰ শিলকেইটা পেলাই থৈ দায়িত্ব সামৰি পথৰ নিৰ্মাণ কাৰ্য বছৰদিয়েক বন্ধ কৰি থয়। ফলত পথটোত যাতায়াত কৰা পথচাৰীসকলে বিভিন্ন অসুবিধাৰ সন্মুখীন হোৱাৰ লগতে এখন গাড়ী গ'লে ধূলিৰ সৃষ্টি হয়। পথটো অতি শীঘ্ৰে সম্পূৰ্ণৰূপে পকীকৰণ কৰাৰ দাবীত ৰাইজে পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে মুছলপুৰ পৰিষদীয় সমষ্টিৰ এমচিএলএ ৰাকেশ ব্ৰহ্মৰ ঘনিষ্ঠ ঠিকাদাৰে পথটোৰ নিবিদা পোৱাৰ পাছত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ বিপৰীতে লেহেমীয়া কৰাৰ অভিযোগ উত্থাপন কৰে প্ৰতিবাদকাৰীসকলে। সম্প্ৰতি পথটোৰে খোজকাঢ়ি যাব নোৱাৰা অৱস্থা। আজি পথটো অৱৰোধ কৰাৰ ফলত বহু যানবাহন আবদ্ধ হৈ পৰে। অৱৰোধকাৰীৰ নেতৃস্থানীয় ব্যক্তি হৰেকৃষ্ণ পাঠকে কয়, 'আমাক চৰকাৰে প্ৰতাৰণা কৰিছে। পথটো মেৰামতিৰ নামত বিভাগীয় ঠিকাদাৰে আমাৰ ৰাজহৰ ৰং চাইছে। আমাক ধূলিৰ মাজত ৰাখি বিভিন্ন বেমাৰৰ মাজলৈ ঠেলি দিছে। ইয়াৰ জনপ্ৰতিনিধিবোৰে চাৰিচকীয়া এচি গাড়ীত আহ যাহ কৰে বাবে সমস্যাবোৰ দেখা নাপায়। আমাক সমস্যাৰ সমাধান লাগে। ইউপিপিএলৰ দলৰ চৰকাৰে এবছৰ সম্পূৰ্ণ কৰিলে, পিছে ব্যস্ত পথটোৰ সমস্যাটো দেখা নাপালে। আমি সেইসকল জনপ্ৰতিনিধিক ধিক্কাৰ দিছো।' আন এজন প্ৰতিবাদকাৰী চানক্য ভৰালীয়ে কয়, 'আমাৰ এই ছাপাগুৰি সমষ্টিৰ পৰা ইউ জি ব্ৰহ্মক মন্ত্ৰী হিচাপে পালো। পিছে মন্ত্ৰী হৈ তেওঁ ৰাইজৰ সমস্যা দেখা নাপালে। আমি শীঘ্ৰেই পথটোৰ পকীকৰণ বিচাৰো।' পাছত মুছলপুৰ আৰক্ষী আৰু চক্ৰ বিষয়া মনোজ দলে গৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে আৰু প্ৰতিবাদৰ বিষয়টো ঊৰ্ধ্বতন কৰ্তৃপক্ষক জনাব বুলি আশ্বাস দিয়ে।

## যোৰহাটত আজুৰ প্ৰতিষ্ঠা দিৱসত ১৩ গৰাকী বাতৰি কাকতৰ হকাৰক সম্বৰ্ধনা

## সাংবাদিক, পাঠক-বাতৰি কাকতৰ বিতৰকৰ অন্তৰংগ আলাপ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২০ ডিচেম্বৰ ঃ** সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে কালি সন্ধিয়া যোৰহাটৰ 'তাইচাব'ৰ চৌহদত 'শীতৰ এসন্ধ্যা' শীৰ্ষক ন-পুৰণি সাংবাদিক, পাঠক আৰু বাতৰি কাকতৰ বিতৰকৰ মাজত এক অন্তৰংগ আলাপ অনুষ্ঠিত হয়। উল্লেখ্য যে এই অন্তৰংগ আলাপ অনুষ্ঠানতে যোৰহাট চহৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বিগত 25 বছৰৰো অধিক কাল বাতৰি কাকত বিতৰণ কৰি অহা 13 জনকৈ জ্যেষ্ঠ হকাৰক ফুলাম গামোচা, মানপত্ৰ, স্মাৰক আদিৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধিত জ্যেষ্ঠ হকাৰকেইজন হ'ল লক্ষীধৰ বৰা, তোযেশ্বৰ বৰা, অমিয় ৰাজখোৱা, প্ৰসিদ্ধ হাজৰিকা, সীমান্ত বৰা, ৰমেশ শইকীয়া, ৰাজু দত্ত, বাবুলাল ভাৰতী, বিনন্দ দুৱৰা, জয়ন্ত বৰদলৈ, অভিজিৎ শৰ্মা আৰু ৰঞ্জিত শইকীয়া। অন্তৰংগ আলাপৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে জ্যেষ্ঠ সাংবাদিক তথা সাংবাদিক কল্যাণ নিধি, যোৰহাটৰ সম্পাদক নৱজ্যোতি বৰুৱাই। উদ্দেশ্য ব্যাখ্যাত তেওঁ বিগত এটা বছৰে আজুৰ যোৰহাট জিলা সমিতিয়ে গ্ৰহণ কৰি অহা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰে। ইয়াৰ পাছতে অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। এই অন্তৰংগ আলাপত জ্যেষ্ঠ হকাৰ তোযেশ্বৰ বৰা আৰু প্ৰসিদ্ধ হাজৰিকাই তেওঁলোকৰ তিতা-মিঠা অভিজ্ঞতাৰ সন্দৰ্ভত বক্তব্য ৰাখে। আনহাতে, অন্তৰংগ আলাপত অৱসৰপ্ৰাপ্ত সাংবাদিক তাজউদ্দিন আহমেদ, ললিত বৰা, নিৰঞ্জন মহন্ত, মনোজ শৰ্মা, জয়দ্বীপ বুঢ়াগোহাঁই, সীমান্ত বৰা, ৰঞ্জিত কুমাৰ বৰাৰ উপৰি বৰ্তমান কৰ্মৰত সাংবাদিক ৰাজীৱ কুমাৰ বৰাকে ধৰি কে'বাগৰাকীও সাংবাদিকে ভাগ লয়। অৱসৰপ্ৰাপ্ত সাংবাদিকসকলে অতীত স্মৃতি ৰোমন্থন কৰি তেওঁলোকৰ দিনৰ ৰোমাঞ্চকৰ অভিজ্ঞতাৰ সন্দৰ্ভত ব্যাখ্যা কৰে। তদুপৰি বাতৰি কাকতৰ বিতৰক যোৰহাটৰ চাংকাকতি বুকচ এণ্ড পাবলিকেছনৰ স্বত্বাধিকাৰ নিৰোদ চাংকাকতি, পিপুলচ বুক ষ্টলৰ স্বত্বাধিকাৰ মৃদুল হাজৰা, সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক জুল খাউণ্ডকে ধৰি আন কে'বাজনো ব্যক্তিয়েও অংশ লয় অন্তৰংগ আলাপ অনুষ্ঠানত। অনুষ্ঠানত আজুৰ যোৰহাট জিলা সমিতিৰ সভাপতি যোগেশ ওজাই সাংবাদিক কল্যাণ নিধিৰ সন্দৰ্ভত বহলাই ব্যাখ্যা কৰে আৰু এই নিধিৰ প্ৰতি সহযোগিতা আগবঢ়াবলৈ সকলোকে আহ্বান জনায়। উল্লেখ্য যে এই অনুষ্ঠানত যোৰহাটৰ যুৱ সমাজকৰ্মী ঈশ্বৰপ্ৰসন্ন বৰদলৈ, যুৱ-ছাত্ৰ পৰিষদৰ যোৰহাট জিলা সমিতিৰ সভাপতি প্ৰণৱ কুমাৰ শইকীয়া, তাইচাবৰ সভাপতি অৱনী চেতিয়া, আটাছুৰ যোৰহাট জিলা সমিতিৰ সভাপতি ৰাজীৱ গগৈ, বিশিষ্ট চিকিৎসক তথা বিহুৱা ডাঃ গোলাপ ডেকা, ক্ৰীড়া সংগঠক মহেন্দ্ৰ দত্তকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইপিনে, এই অনুষ্ঠানত প্ৰতিষ্ঠিত শিল্পী প্ৰসেনজিৎ লাহন, আশিস চৌধুৰী, আকাশ গগৈ, ৰিণ্টু বৰা আৰু ডাঃ গোলাপ ডেকাই গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। বিশেষকৈ কোনো ধৰণৰ আনুষ্ঠানিক সংগীতৰ শিক্ষাৰ অবিহনে ৰিণ্টু বৰাৰ কণ্ঠৰ কুমাৰ কিশোৰৰ গীতে উপস্থিত সকলোকে আপ্লুত কৰে।

## ফৰকাটিঙৰ উৰণীয়া সেতু নিৰ্মাণ শীঘ্ৰে সমাপ্ত হ'ব

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২০ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ গোলাঘাট-মেৰাপানী সংযোগী অতি ব্যস্ততা ৰাজপথৰ মাজেদি যোৱা ফৰকাটিং জংছনৰ ৰেল গেটখন সঘনাই বন্ধ হৈ অহাৰ পৰিপ্ৰেক্ষিতত ৰাইজৰ বিভিন্ন কাৰণত দীৰ্ঘদিন ধৰি অতি স্পৰ্শকাতৰ সমস্যা ৰূপে দেখা দি অহা সমস্যা সম্প্ৰতি সমাধানৰ দিশে গতি কৰিছে। এই ৰেল গেটখন বন্ধ হৈ থকাৰ ফলত ৰাইজে বহু সময়ত অনেক তিতা-কেঁহা, জ্বলা-কলা খাই অহাৰ লগতে চিকিৎসালয়লৈ নিয়া ভালে সংখ্যক সংকটজনক ৰোগী মৃত্যু মুখত পৰি অহা বুলিও ৰাইজে অভিযোগ উত্থাপন কৰি আহিছে। পিছে আৰু কিছুদিনৰ পাছতে গোলাঘাট জিলা ৰাইজে প্ৰথমখন উৰণীয়া সেতু লাভ কৰিব। উল্লেখ্য যে ২০১৪তে অসম চৰকাৰৰ গড়কাপ্টানী বিভাগে হাইট্ৰেক কোম্পানীৰ জৰিয়তে নিৰ্মাণ কৰা ফ্লাই অভাৰখনৰ নিৰ্মাণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হোৱাৰ দিশে গতি কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে বিগত সময়ত ৰেলৱে বিভাগৰ জৰুৰী ৰেল সেৱাৰ বাবে ৰেল গেট বন্ধ কৰিবলগীয়া হোৱাত ৰাইজৰ অভাৱনীয় সমস্যাৰ সৃষ্টি হৈ আহিছিল যদিও বৰ্তমান সমস্যাটো সমাধানৰ দিশে গতি কৰাত ৰাইজে সন্তোষ প্ৰকাশ কৰিছে। উক্ত উৰণীয়া সেতুখন শীঘ্ৰে মুকলি কৰিবলৈ সংশ্লিষ্ট বিভাগে দুয়ো কাষৰ দেৱালত অসমৰ ঐতিহ্যপূৰ্ণ ঠাই, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰৰ তোৰণ, দেওপানী দুৰ্গা স্থান, নেঘেৰিটিঙৰ শিৱ দ'ল ভগৱান বিষ্ণুৰ অৱতাৰ আদি তথ্যচিত্ৰ অংকন কৰি আটকধুনীয়াকৈ সজাই তুলিছে। অহা নতুন বছৰত উৰণীয়া সেতুখন মুকলি কৰাৰ সম্ভৱনা আছে বুলি জানিব পৰা গৈছে।

■ পাৰিবাৰিক কন্দলৰ ভয়ংকৰ পৰিণতি

## পত্নীয়ে জ্বলাই দিলে ঘৰ

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ২০ ডিচেম্বৰ ঃ** আজি পুৱা নেলী আৰক্ষী চকীৰ অন্তৰ্গত বৰখাল গাঁৱত পাৰিবাৰিক কন্দলৰ বাবেই নিজৰ ঘৰকে জ্বলালে এগৰাকী মহিলাই। পুৱা স্বামীৰ স'তে হোৱা কাজিয়াৰ পাছত মহিলাগৰাকীয়ে জ্বলাই দিলে আপোন ঘৰখন। উল্লেখ্য যে পুৱা পত্নী ৰেখা বৈশ্যৰ স'তে কাজিয়াত লিপ্ত হৈছিল স্বামী বিপুল বৈশ্য। এনে কাজিয়াৰ মাজতে স্বামী বিপুলে পত্নী ৰেখাক প্ৰহাৰ কৰে। এই বিবাদৰ কিছু সময়ৰ পাছতে কামলৈ ওলাই গৈছিল মিনি টেণ্ট হাউছৰ স্বত্বাধিকাৰী তথা ৰেখাৰ স্বামী। ইপিনে, বিদ্যালয়লৈ গৈছিল নৱম শ্ৰেণীত অধ্যয়নৰত তেওঁলোকৰ কন্যা। তাৰ পাছতেই অঘটন। ৰেখাই ঘৰত কোনো নথকাৰ সুযোগ লৈ নিজৰ ঘৰটোতেই অগ্নিসংযোগ কৰি পলায়ন কৰে। মুহূৰ্ততে জুইয়ে বাঁহ কাঠেৰে নিৰ্মাণ কৰা ঘৰটো ভস্মীভূত হয়। ঘটনাস্থলীত মৰিগাঁও অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হোৱাৰ পূৰ্বেই ভস্মীভূত হয় সকলো।

## সোণতলীৰ জোৰশিমুলীত গাঞ্জা খেতি নষ্ট কৰিলে আৰক্ষীয়ে



**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ২০ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপ জিলাৰ জোৰশিমুলীত নিষিদ্ধ গাঞ্জাৰ বিৰুদ্ধে কামৰূপ জিলা আৰক্ষীয়ে আজিও অভিযান চলাই বৃহৎ পৰিমাণৰ গছ ধ্বংস কৰি জ্বলাই দিয়ে। উল্লেখ্য যে ছয়গাঁও সমষ্টিৰ জোৰশিমুলী আৰক্ষী চকীৰ অন্তৰ্গত জোৰশিমুলী গাঁৱত অভিযান চলাই প্ৰায় দুই লক্ষাধিক টকাৰ গাঞ্জা ধ্বংস কৰে। ছয়গাঁও আৰু বকো সমষ্টিৰ চৰ অঞ্চলত আৰু বহু অবৈধ গাঞ্জা খেতি কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ মুহূৰ্ততে আজি আৰক্ষীয়ে এইদৰে গছ ধ্বংস কৰে।

## অসম জাতীয় পৰিষদৰ সমন্বয়ৰ দিন উদ্‌যাপন

## আব্দুল মালিক অসমীয়া জাতীয় জীৱনৰ এক অমূল্য ৰত্ন ঃ লুৰীণজ্যোতি

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ২০ ডিচেম্বৰ ঃ** অসম জাতীয় পৰিষদে বৰেণ্য সাহিত্যিক চৈয়দ আব্দুল মালিকৰ জন্মস্থান নাহৰণিত থকা আব্দুল মালিক ভৱনৰ বাকৰিত কালি 'সমন্বয়ৰ দিন' উদ্‌যাপন কৰে। পৰিষদে যোৱা ১০ ডিচেম্বৰৰ ছহিদ দিৱসৰ দিনাৰ পৰা আৰম্ভ কৰা 'স্বাভিমান যাত্ৰা'ৰ সামৰণি দিনা অনুষ্ঠিত কৰা সমন্বয় দিনৰ অনুষ্ঠানত মুখ্য বক্তাৰ ভাষণ দি অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই যোৱা সাহিত্যিচাৰ্য চৈয়দ আব্দুল মালিক অসমীয়া জাতীয় জীৱনৰ এক অমূল্য ৰত্ন বুলি মন্তব্য কৰে। কিন্তু অসমীয়া সাহিত্যৰ কেউটা দিশলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আমাৰ সাহিত্যৰ ভঁৰাল চহকী কৰি যোৱা মালিকৰ মহানতাক তথা গৰিমাক এচাম বিভাজনকামীয়ে নস্যাৎ কৰিব বিচৰা কাৰ্যত উদ্বেগ প্ৰকাশ কৰি গগৈয়ে তেনে বিভাজনৰ ৰাজনীতি কৰাসকলক অসমবাসীয়ে কেতিয়াও ক্ষমা নকৰিব বুলি কয়। ভাষণ প্ৰসংগত তেওঁ অসমৰ জাতীয়তাবাদী ভাৱধাৰা আৰু প্ৰাচীন কালৰ পৰা উত্তৰ-পূৰ্বাঞ্চলত থকা ঐক্যবদ্ধতাৰ বিষয়ে বিশ্লেষণ দাঙি ধৰি কয় যে অসমৰ দৰে উদাৰ জাতীয়তাবাদ ক'তো পাবলৈ নাই। অসমৰ সমাজ জীৱনত ঐক্যবদ্ধ হৈ থকাটো এক মহানতা আৰু সৌন্দৰ্য। বহুতে বৰ্তমান ৰাজ্যখনত বিভাজনৰ ৰাজনীতিত নামি পৰিছে যদিও অসমত বিভাজনৰ স্থান আগতেও নাছিল আৰু এতিয়াও নাই। গগৈয়ে ভাষণত অসমৰ অমূল্য ৰত্ন চৈয়দ আব্দুল মালিকৰ জীৱন আদৰ্শ, দৰ্শন, সাহিত্য সম্ভাৰৰ বিষয়ে নতুন প্ৰজন্মক সাম্প্ৰতিক সময়ত আকৰ্ষিত কৰাটো অতি প্ৰয়োজন হৈ পৰিছে বুলি উল্লেখ কৰে।

উক্ত অনুষ্ঠানত নিমন্ত্ৰিত অতিথিৰ ভাষণ দি গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সুৰেন্দ্ৰ মোহন হাজৰিকাই চৈয়দ আব্দুল মালিকৰ উপন্যাস, গল্প, কবিতা আদিৰ বিষয়ে এক চমু আলোচনা আগবঢ়াই মালিকক অসমীয়া সাহিত্যৰ পিতৃ বুলি অভিহিত কৰে। নাহৰণিৰ লেখক এম ছাইফুল হুছেইনে নাহৰণিৰ ঐতিহ্যৰ বিষয়ে অনুষ্ঠানত ব্যাখ্যা আগবঢ়ায়। আৰম্ভণিতে অসম জাতীয় পৰিষদৰ মুখপাত্ৰ জিয়াউৰ ৰহমানে সমন্বয় দিনৰ বিষয়ে বক্তব্য আগবঢ়াই কয় যে যি সময়ত অসমীয়া জাতিটো ভাগ ভাগ কৰাৰ বাবে একাংশ কুচক্ৰান্তকাৰীয়ে প্ৰচেষ্টা চলাই থকাৰ সময়ত জাতিটো ঐক্যবদ্ধ কৰি ৰাখিবৰ বাবে সাহিত্যিচাৰ্য চৈয়দ আব্দুল মালিকক গীতে-মাতে স্মৰণ কৰি সমন্বয় দিনৰ উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। উল্লেখ্য যে অসম জাতীয় পৰিষদে যোৱা ১০ ডিচেম্বৰৰ ছহিদ দিৱসৰ দিনাৰ পৰা আৰম্ভ কৰা জাতীয় স্বাভিমান যাত্ৰাৰ আজি সমন্বয়ৰ দিন পালনেৰে সামৰণি পেলোৱা হয়। অজাপৰ দীপক দত্তই আঁত ধৰা আজিৰ সমন্বয় দিনৰ অনুষ্ঠানত অসম জাতীয় পৰিষদৰ সম্পাদক ৰাজু ফুকনকে ধৰি অমৃত খাটনিয়াৰ, ৰঞ্জু বৰা, আনন্দ দাস, ৰেখা শইকীয়াসহ গোলাঘাট জিলা শাখাৰ সভাপতি- সম্পাদক প্ৰমুখ্যে যথেষ্ট সংখ্যক দলীয় কৰ্মীৰ উপৰি স্থানীয় ৰাইজ, ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল। অনুষ্ঠানৰ শেষত মালিকৰ অমৰ সৃষ্টি 'জীৱনে মৰণে মই চিৰদিন অসমীয়া' শীৰ্ষক গীতটি সমস্বৰে পৰিৱেশন কৰি সমন্বয় দিনৰ কাৰ্যসূচীৰ অন্ত পেলোৱা হয়।

## বৰহোলাত আটছাৰ 'চল যাব স্কুল' শ্ল'গানেৰে শৈক্ষিক সমদল



**বিশেষ সংবাদদাতা**

**নগাবাট, ২০ ডিচেম্বৰ ঃ** চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ বৰহোলা উপ-শাখাৰ উদ্যোগত আজি গড়াজান চাহ বাগান অঞ্চলত এক শৈক্ষিক শোভাযাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আটছাৰ বৰহোলা উপ-শাখা সমিতিৰ অৰ্ধ শতাধিক কৰ্মী আৰু ছাত্ৰ-ছাত্ৰীয়ে কাৰ্যসূচীত অংশগ্ৰহণ কৰে। 'চল যাব স্কুল' শ্ল'গানক সৰোগত কৰি আটাছৰ কৰ্মী আৰু ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে বেনাৰ, ফেষ্টুন লৈ 'শিশু শ্ৰমিক বন্ধ কৰক', 'শিক্ষা আমাৰ মৌলিক অধিকাৰ', 'আটছা জিন্দাবাদ' আদি শ্ল'গান দিয়ে। গড়াজান বাগান প্ৰাথমিক বিদ্যালয়ৰ পৰা গড়াজান বাগান অঞ্চলৰ এক কিলোমিটাৰ পথত পদযাত্ৰাৰে ৰূপায়িত শৈক্ষিক শোভাযাত্ৰা কাৰ্যসূচীত আটছাৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক সন্তুষ চিষ, তিতাবৰ শাখাৰ সভাপতি মন্তু ভক্তা, সাধাৰণ সম্পাদক বিমল বাৰ্লো, শিক্ষা সম্পাদক জন মুন্দ্ৰী, সহকাৰী সম্পাদক দীপ কাঁৱাৰ, বৰহোলা উপ-শাখাৰ সভাপতি সুমন কিষাণ, সম্পাদক লিলেন ৰাজপুত, যোৰহাট জিলাৰ সহকাৰী সম্পাদক প্ৰদীপ ওৰাং, তিতাবৰ শাখাৰ উপ-সভাপতি প্ৰদীপ তাঁতী, গড়াজান বাগান প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক হৰেন ঘাটোৱাৰ আদিয়ে অংশগ্ৰহণ কৰে।

## বাঘবৰৰ আলোপতিত বিধায়ক শ্বেৰমান আলীৰ বিৰুদ্ধে কংগ্ৰেছীৰ প্ৰতিবাদ



**আলোপতি, ২০ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ ৪৫ নম্বৰ বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে একাংশ কংগ্ৰেছীয়ে। যোৱা নিশা সমষ্টিৰ আলোপতিত একাংশই 'কংগ্ৰেছী বিধায়ক শ্বেৰমান আলী গ' বেক, শ্বেৰমান আলী মুৰ্দাবাদ' ধ্বনি দিয়ে। প্ৰতিবাদকাৰীসকলে বিতৰ্কিত বিধায়কজনৰ পুত্তলিকা দাহ কৰে। উল্লেখ্য যে অসম আন্দোলনৰ ছহিদৰ বিৰুদ্ধে অপমানসূচক মন্তব্য কৰি জেলৰ ভাত খোৱা বিধায়ক শ্বেৰমান আলী জেলৰ পৰা ওলায়েই কংগ্ৰেছৰ কে'বাজন জ্যেষ্ঠ নেতাৰ বিৰুদ্ধে বিৰূপ মন্তব্য কৰি আহিছে। বিধায়কজনে কংগ্ৰেছ বিধায়িনী দলৰ উপ-দলপতি তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, পশ্চিম গোৱালপাৰা সমষ্টিৰ বিধায়ক আব্দুল ৰছিদ মণ্ডলৰ বিৰুদ্ধে অশালীন মন্তব্য কৰাত জাঙুৰ খাই উঠিছে বাঘবৰ সমষ্টিৰ একাংশ কংগ্ৰেছী। দলৰ নীতি-আদৰ্শ নমনা বিধায়ক শ্বেৰমান আলীক শীঘ্ৰে দলৰ পৰা বৰ্খাস্ত কৰাৰ দাবী জনাইছে।

## জৰাজীৰ্ণ বাঁহৰ দলঙেৰে যাতায়াত ঃ ৰাইজৰ দুৰ্ভোগ প্ৰতিবাদ

## চাৰি বছৰে পল্লা নৈত নিৰ্মাণ নহ'ল ভকুৱামাৰী-কুৰিবিল সংযোগী পকী দলং



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২০ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ শালবাৰীৰ ভকুৱামাৰীত পল্লা নৈৰ ওপৰত দলং নিৰ্মাণৰ দাবীত আজি পুৱাই ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। শালবাৰীৰ আনন্দ বজাৰৰ সমীপৱৰ্তী ভকুৱামাৰী-কুৰিবল সংযোগী পল্লা নৈৰ ওপৰত বছৰ বছৰ ধৰি থকা জৰাজীৰ্ণ বাঁহৰ দলঙৰ ঠাইত পকী দলং নিৰ্মাণৰ বাবে বাৰম্বাৰ চৰকাৰক দাবী জনাইছিল যদিও আজিকোপতি বৃহত্তৰ অঞ্চলৰ ৰাইজৰ যাতায়াতৰ বাবে নিৰ্মাণ নহ'ল পকী দলং। চাৰি বছৰ পূৰ্বে বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে ভকুৱামাৰীত পল্লা নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল যদিও সেয়া আজিও আধাৰশিলা হৈয়ে থাকিল। নিৰ্মাণ নহ'ল প্ৰতিশ্ৰুতি দিয়া এখন পকী দলং। ইফালে, শাসনাধিষ্ঠিত চৰকাৰখনেও এই ক্ষেত্ৰত কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাত আজি উপায়ান্তৰ হৈ পুৱাই ৰাইজে দলং নিৰ্মাণৰ দাবীত নৈৰ পাৰত একত্ৰিত হৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। 'আমাক দলং লাগিবই, আমাৰ দাবী ন্যায্য দাবী, ৰঞ্জিত দাস মুৰ্দাবাদ, ইউপিপিএল চৰকাৰ মুৰ্দাবাদ, প্ৰমোদ বড়ো মুৰ্দাবাদ, প্ৰমোদ বড়ো গ' বেক, হাগ্ৰামা মহিলাৰী মুৰ্দাবাদ, মনোৰঞ্জন তালুকদাৰ মুৰ্দাবাদ, বিজেপি চৰকাৰ হায় হায়' আদি শ্ল'গান দিয়ে। উল্লেখ্য ৰে ৫০ খনকৈ গাঁৱৰ ১২ হেজাৰ লোকে এই বাঁহৰ দলংখনেৰে অহা-যোৱা কৰে। স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীকে ধৰি শিক্ষক-শিক্ষয়িত্ৰীৰ নিতৌ আহ-যাহ চলা এই বাঁহৰ দলংখনত ইতিমধ্যে ২০ৰো অধিক দুৰ্ঘটনা সংঘটিত হৈছে। বাৰিষাৰ সময়ত নাওৰে পাৰাপাৰ হোৱা বৃহত্তৰ অঞ্চলৰ ৰাইজে অতি সোনকালে উক্ত স্থানত এখন পকী দলং নিৰ্মাণৰ জোৰদাৰ দাবী উত্থাপন কৰিছে।

## অৰুণাচলৰ ৰয়িঙত 'দ্য অৰ্কিড ছ'চাইটি অৱ ইষ্টাৰ্ণ হিমালয়া'ৰ অসম চক্ৰৰ নতুন সমিতি গঠন

## অৰ্কিড সংৰক্ষণত গুৰুত্ব আৰোপ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২০ ডিচেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ লৱাৰ ডিবাং ভেলী জিলাৰ ৰয়িঙৰ সমীপৰ ইজেংগ'ত দেওবাৰে 'দ্যা অৰ্কিড ছ'চাইটি অৱ ইষ্টাৰ্ণ হিমালয়া'ৰ অৰ্কিড সংৰক্ষণ আৰু জনসজাগতা বিষয়ত এখন গুৰুত্বপূৰ্ণ সভা সম্পন্ন হয়। গুৱাহাটী মহাবিদ্যালয়ৰ উদ্ভিদবিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক ড° জিন্টু শৰ্মাই সভাপতিত্ব কৰা সভাত সমল ব্যক্তি হিচাপে উপস্থিত থকা ৰূপে পৰিৱেশ সংৰক্ষক মৃদুপৱন ফুকনে অৰ্কিডৰ লগতে প্ৰকৃতি সুৰক্ষা আৰু সংৰক্ষণৰ ক্ষেত্ৰত সকলো স্তৰৰ নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভত বিস্তাৰিভাৱে আলোকপাত কৰে। তেওঁ প্ৰকৃতি সংৰক্ষণৰ সমান্তৰালভাৱে মানৱ জাতিৰ জীৱন-জীৱিকাও যাতে অক্ষুণ্ণ থাকে সেই সম্পৰ্কেও ব্যাখ্যা আগবঢ়ায়। উত্তৰ-পূৰ্বৰ প্ৰথমগৰাকী এভাৰেষ্ট শৃংখ বিজয়ী মহিলা টিনে মিনাৰ আতিথ্য তথা বাসগৃহত আয়োজিত সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় অৰ্কিড বিশেষজ্ঞ ক্ষণজিৎ গগৈয়ে। উক্ত সভাত মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা ড° ৰুণজুন শইকীয়াই উপস্থিত থাকি অৰ্কিডৰ বিষয়ে সৰ্বসাধাৰণ ৰাইজে বুজি পোৱাকৈ অসমীয়া ভাষাত কেতবোৰ প্ৰবন্ধ-পাতি প্ৰকাশৰ পোষকতা কৰে। সভাত উপস্থিত থকা আন এগৰাকী প্ৰকৃতিপ্ৰেমী তথা গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদবিদ্যা বিভাগৰ প্ৰবক্তা দীপাংকৰ বৰাই অৰ্কিড সংৰক্ষণৰ ক্ষেত্ৰত বিভিন্ন দিশ উন্মোচন কৰাৰ লগতে সমাজৰ কৰণীয় সন্দৰ্ভত পৰ্যালোচনা কৰে। সভাৰ মাজতে এভাৰেষ্ট শৃংগ জয় কৰা টিনে মেনাক অনুষ্ঠানটোৰ তৰফৰ পৰা সম্বৰ্ধনাপত্ৰ, ফুলাম গামোচা, শৰাই, জাপি, চেলেং আদিৰে সম্বৰ্ধনা জনোৱা হয়। ইফালে, এই সভাতে 'দ্য অৰ্কিড ছ'চাইটি অৱ ইষ্টাৰ্ণ হিমালয়া'ৰ অসম চক্ৰৰ এখন নতুন সমিতি গঠন কৰা হয়। সেইমৰ্মে ড° জিন্টু শৰ্মাক সভাপতি, ড° দেৱজিৎ ডেকাক উপ-সভাপতি, দীপাংকৰ বৰাক সম্পাদক, মানসপ্ৰতীম দত্তক কোষাধ্যক্ষ হিচাপে লৈ নতুন সমিতিখন গঠন কৰা হয়। সভাখনত চৰাইদেউ জিলাৰ বিশিষ্ট অৰ্কিড সংৰক্ষক অংকুৰৰাজ গগৈৰ লগতে কে'বাগৰাকীও স্থানীয় পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে ।

## লাহৰীঘাটত চোৰাং মূল্যবান কাঠসহ গাড়ী জব্দ

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ১৮ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বৰছলাত বৃহৎ পৰিমাণৰ মূল্যবান কাঠসহ এখন বাহন আৰক্ষীয়ে জব্দ কৰে। পাছত বৰছলা আৰক্ষীয়ে বন বিভাগক গতাই দিয়ে জব্দকৃত বাহনখন। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰছলা আৰক্ষীয়ে মূল্যবান কাঠসহ এএছ-০১এমচি-৮৭৮৩ নম্বৰৰ বাহনখন জব্দ কৰাৰ লগত আটক কৰি পৰৱৰ্তী সময়ত বন বিভাগক গতাই দিয়ে। উল্লেখ্য যে ট্ৰাকখনৰ চালকে উক্ত কাঠখিনি জাগীৰোডৰ পৰা মৈৰাবাৰীলৈ নিয়াৰ কথা কোৱাৰ বিপৰীতে কাঠৰ ব্যৱসায়ীজনে উক্ত কাঠখিনি লাহৰীঘাটৰ তিনিচুকীয়াৰ পৰা জাগীৰোডলৈ নিয়াৰ যো-জা চলোৱা বুলি কয়।

# দৰ্শক অবিহনে হ'ব ভাৰত-দক্ষিণ আফ্ৰিকাৰ টেষ্ট শৃংখলা



**চেঞ্চুৰিয়ন, ২০ ডিচেম্বৰ ঃ** দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাটো ষ্টেডিয়ামত দৰ্শক অবিহনে হ'ব। কৰ'নাৰ বাবে এই সিদ্ধান্ত লৈছে দক্ষিণ আফ্ৰিকা ক্ৰিকেট ব'ৰ্ডে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাত তিনিখনীয়া টেষ্ট শৃংখলা খেলাৰ বাবে ইতিমধ্যে গৈ মেণ্ডেলাৰ দেশত উপস্থিত হৈছে ভাৰতীয় ক্ৰিকেট দল। টীম ইণ্ডিয়াৰ সদস্যসকলে অনুশীলনো আৰম্ভ কৰে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাত ভাৰতীয় দলে তিনিখন টেষ্টৰ এক শৃংখলা খেলিব। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা। উল্লেখ্য যে দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট 26-30 ডিচেম্বৰত, দ্বিতীয় টেষ্ট তিনিৰ পৰা সাত জানুৱাৰী আৰু তৃতীয় টেষ্ট 11-15 জানুৱাৰীত অনুষ্ঠিত হ'ব। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে উক্ত তিনিখনীয়া টেষ্ট শৃংখলাত খেলিব লগা ভাৰতীয় দলটো হ'ল ঃ বিৰাট কোহলি, লোকেছ ৰাহুল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, প্ৰিয়াংক পাঞ্চল, ঋষভ পন্ট, ঋদ্ধিমান সাহা, ৰবিচন্দ্ৰন অশ্বিন, জয়ন্ত যাদৱ, ঈশান্ত শৰ্মা, মহম্মদ ছামি, উমেশ যাদৱ, যশপ্ৰীত বুমৰাহ, ছাৰ্দুল ঠাকুৰ আৰু মহম্মদ চিৰাজ। উল্লেখ্য যে এই শৃংখলাত দলৰ সহঃঅধিনায়কৰ দায়িত্ব দিয়া হৈছে লোকেছ ৰাহুলক। দক্ষিণ আফ্ৰিকাত ভাৰতীয় ক্ৰিকেট দলে খেলিব লগা তিনিখনীয়া টেষ্ট শৃংখলা খেলাৰ বাবে ইতিমধ্যে দল ঘোষণা কৰা হৈছিল যদিও সহঃঅধিনায়ক কোন হ'ব সেয়া নিৰ্ণয় হোৱা নাছিল। উল্লেখ্য যে টীম ইণ্ডিয়াৰ এদিনীয়া আৰু টি-20 ৰ অধিনায়ক ৰোহিত শৰ্মাক এইবাৰ টেষ্ট দলৰ সহঃঅধিনায়কৰ দায়িত্ব দিয়া হৈছিল পূৰ্বৰ অজিংক্য ৰাহানেৰ স্থানত। কিন্তু এতিয়া ৰোহিতে দক্ষিণ আফ্ৰিকাত হ'বলগা টেষ্ট শৃংখলাত অংশ ল'ব নোৱাৰিলে। মুম্বাইত অনুশীলন কৰি থকাৰ সময়তে আঘাত পাই ৰোহিতে। তেওঁৰ স্থানত নিৰ্বাচকে অন্তৰ্ভুক্ত কৰিছে প্ৰিয়াংক পাঞ্চলক। উল্লেখ্য যে ইয়াৰপূৰ্বে আঘাতৰ বাবে বিৰাট কোহলিৰ নেতৃত্বত ঘোষিত দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলটোত স্থান পোৱা নাছিল ৰবীন্দ্ৰ জাডেজা, শুভমন গিল আৰু অক্ষৰ পেটেলে।

## শ্ৰীৰামপুৰ ক্ৰিকেট ক্লাবৰ খিতাপ লাভ

**অগ্ৰদূত বাৰ্তা,**
**শ্ৰীৰামপুৰ, ২০ ডিচেম্বৰ ঃ** শ্ৰীৰামপুৰত অনুষ্ঠিত হোৱা টি-20 ক্ৰিকেট প্ৰতিযোগিতাত চেম্পিয়ন হৈছে শ্ৰীৰামপুৰ ক্ৰিকেট ক্লাব। ফাইনেলত শ্ৰীৰামপুৰ ক্ৰিকেট ক্লাব দলে তিনি উইকেটত পৰাস্ত কৰে কোচবিহাৰৰ মহাকাল ক্ৰিকেট দলক। পোনতে বেটিং কৰি মহাকাল ক্ৰিকেট দলে 92 ৰাণ কৰে। প্ৰত্যুত্তৰত, শ্ৰীৰামপুৰ ক্ৰিকেট ক্লাবে সাত উইকেট হেৰুৱাই বিজয়লক্ষ্যত উপনীত হয়। চেম্পিয়ন শ্ৰীৰামপুৰ ক্ৰিকেট ক্লাবে এক লাখ আৰু ৰানাৰ্ছ আপ কোচবিহাৰৰ মহাকাল ক্ৰিকেট দলে 50 হেজাৰ টকা লাভ কৰে।

## শ্ৰীলংকাত তিনিটা সোণ লাভ অসমৰ সাহিনাৰ



**অগ্ৰদূত বাৰ্তা,**
**মাটিয়া, ২০ ডিচেম্বৰ ঃ** শ্ৰীলংকাত অনুষ্ঠিত হোৱা সংযুক্ত ভাৰতীয় খেল ফেডাৰেশ্বনৰ আন্তৰ্জাতিক প্ৰতিযোগিতাত অসমৰ দৌৰবিদ সাহিনা বেগমে তিনিটা পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে শ্ৰীলংকান ক্ৰীড়া ফাউণ্ডেছনে আয়োজন কৰা উক্ত সংযুক্ত ভাৰতীয় খেল ফেডাৰেশ্বনৰ আন্তৰ্জাতিক প্ৰতিযোগিতাখন কলম্বোত অনুষ্ঠিত হৈছিল। 10-15 ডিচেম্বৰলৈ অনুষ্ঠিত হোৱা আন্তৰ্জাতিক প্ৰতিযোগিতাখনত গোৱালপাৰাৰ সাহিনাই 100 আৰু 200 মিটাৰ দৌৰৰ লগতে লংজাম্পত সোণ অৰ্জন কৰে। উল্লেখ্য যে যোৱা মাহত সাহিনাই নেপালত হোৱা আন্তৰ্জাতিক প্ৰতিযোগিতাত তিনিটা পদক লাভ কৰিবলৈ সক্ষম হৈছিল।

## বৰৌচা কাপ ফুটবল প্ৰতিযোগিতাৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২০ ডিচেম্বৰ ঃ** প্ৰায় এমাহ ধৰি চলা বৰৌচা কাপ ফুটবল প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। ফাইনেলত কেৰেলাৰ লুকাচোকা ক্লাবে একমাত্ৰ গ'লত কেৰালা ইউনাইটেড এফ চিক পৰাস্ত কৰি খিতাপ লাভ কৰে। উল্লেখ্য যে এইবাৰ বৰৌচা কাপ ফুটবল প্ৰতিযোগিতাৰ মেচ ছখন জিলাৰ 16 টা স্থানত অনুষ্ঠিত হৈছিল।

## পূব মণ্ডল ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবলৰ সামৰণি
## অসমৰ ল'ৰা-ছোৱালী দল চেম্পিয়ন

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** অসমৰ ল'ৰা আৰু ছোৱালী দলে গুৱাহাটীত অনুষ্ঠিত হোৱা পূব মণ্ডল ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে। উল্লেখ্য যে অসম ৰোল বল সন্থাৰ উদ্যোগত কালিৰে পৰা গুৱাহাটীত আৰম্ভ হোৱা দুদিনীয়া পূব মণ্ডল ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতাখনৰ আজি সফল সামৰণি পৰে। আজি হোৱা ফাইনেলত অসমৰ ল'ৰাৰ দলে ঝাৰখণ্ডক 21-3 ৰ ব্যৱধানত পৰাস্ত কৰি খিতাপ লাভ কৰাৰ বিপৰীতে অসমৰ ছোৱালী দলে খিতাপৰ যুঁজত ঝাৰখণ্ডকে 23-0 ৰ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়ন হয়। ল'ৰা-ছোৱালীৰ তৃতীয় স্থান লাভ কৰে অৰুণাচল আৰু মেঘালয়ে। উল্লেখ্য যে ল'ৰা-ছোৱালীৰ উভয় শাখাৰ উক্ত পূব মণ্ডল ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতাত প্ৰায় দুশ খেলুৱৈ-কৰ্মকৰ্তাই অংশ লৈছিল। আয়োজক অসমৰ লগতে প্ৰতিযোগিতাত অংশ লয় ঝাৰখণ্ড, বিহাৰ, চত্তিছগড়, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ে। দুদিনীয়া ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতাখন উদ্বোধন কৰিছিল ভাৰতীয় ৰোল বল ফেডাৰেছনৰ সম্পাদক চেতন ভাণ্ডাৰকাৰে। দিছপুৰ ৰোলাৰ স্কেটিং ৰিঙত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত অসমৰ ল'ৰা-ছোৱালী দলৰ প্ৰদৰ্শনত সন্তুষ্টি প্ৰকাশ কৰিছে অসম ৰোল বল সন্থাৰ সম্পাদক ভূমিধৰ বৰ্মনে। উল্লেখ্য যে অসম ৰোল বল সন্থাই অলপতে গুৱাহাটীত আয়োজন কৰিছিল পাৰবিন আখতাৰ-লাচিত ডেকা সোঁৱৰণী আন্তঃজিলা ৰোলবল প্ৰতিযোগিতাৰ। এই প্ৰতিযোগিতাৰ প্ৰদৰ্শন ভিত্তিতে অসম দল দুটা ঘোষণা কৰা হৈছিল। ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতাৰ পূৰ্বে হোৱা এই ৰাজ্যিক প্ৰতিযোগিতাখনে অসমৰ ল'ৰা আৰু ছোৱালী দলক সহায় কৰাৰ কথা কয় অসম ৰোল বল সন্থাৰ সম্পাদক ভূমিধৰ বৰ্মনে।



## ইউনাইটেড বয়জ এফ চি চেম্পিয়ন



**অগ্ৰদূত বাৰ্তা**
**খুমটাই, ২০ ডিচেম্বৰ ঃ** মহুৱামুখ শাখা ছাত্ৰ সন্থা আৰু মহুৱামুখ যুৱ নাট্য সংঘৰ অনুষ্ঠিত হোৱা চিন্ময় ৰাজফুকন, ৰবীন ডেকা আৰু অশোক বৰা ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে ইউনাইটেড বয়জ এফ চি। প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ ফাইনেলত ইউনাইটেড বয়জ এফ চি দলে 4-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে চাওৱাবস্তি দলক।

## সমুদ্ৰ গুপ্ত দাস ফুটবলৰ সামৰণি

**অগ্ৰদূত বাৰ্তা,**
**হাজো, ২০ ডিচেম্বৰ ঃ** সমুদ্ৰ গুপ্ত দাস সোঁৱৰণী ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে বৰম্বে এফ চি। ফাইনেলত বৰম্বে এফ চি দলে পৰাস্ত কৰে ৰোস্তাৰ একাডেমীক। চেম্পিয়ন বৰম্বে এফ চিয়ে লাভ কৰে নগদ পাঁচ হেজাৰ টকা। আনহাতে, ৰানাৰ্ছআপ ৰোস্তাৰ একাডেমীয়ে তিনি হেজাৰ টকা লাভ কৰে। এইবাৰ সমুদ্ৰ গুপ্ত দাস সোঁৱৰণী ফুটবল প্ৰতিযোগিতাত 20 টা দলে যোগদান কৰিছিল।

## আজি আৰ জি বৰুৱা ৰাজ্যিক ক্ৰিকেটৰ ফাইনেল

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন কাইলৈ বৰ্ষাপাৰা ষ্টেডিয়ামত বৰপেটা আৰু ধেমাজিৰ মাজত অনুষ্ঠিত হ'ব। উল্লেখ্য যে প্ৰতিযোগিতাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা ছেমিফাইনেলত বৰপেটা জিলা দলে 121 ৰাণত গুৱাহাটী জিলা দলক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। পোনতে বেটিং কৰি বৰপেটা জিলা দলে 193-8 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, গুৱাহাটী জিলা দলে মাত্ৰ 72-10 ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ইফালে, নেহৰু ষ্টেডিয়ামত হোৱা আন এখন ছমিফাইনেলত ধেমাজি জিলা দলে 22 ৰাণত ডিব্ৰুগড় জিলা দলক পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। পোনতে বেটিং কৰি ধেমাজি জিলা দলে 151-10 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, ডিব্ৰুগড় জিলা দলে 129-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ পাছতে অসম ক্ৰিকেট সন্থাই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ বাবে অসম দলটো নিৰ্বাচন কৰিব।

## প্ৰিমিয়াৰ চেম্পিয়নশ্বিপত ইলাইটৰ জয়

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২০ ডিচেম্বৰ ঃ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি নগাঁৱৰ নৰুল আমিন ষ্টেডিয়ামত হোৱা মেচত ইলাইট ক্লাবে তিনি উইকেটত পৰাস্ত কৰে ষ্টাৰ স্পৰ্টিং ক্লাবক। পোনতে বেটিং কৰি ষ্টাৰ স্পৰ্টিং ক্লাবে 118-10 ৰাণ কৰে। প্ৰত্যুত্তৰত, ইলাইট ক্লাবে সাত উইকেটত 119 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত কৰিছে। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ ল'ব। 31 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল 41 টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ 41 টা স্থানত অনুষ্ঠিত হ'ব। প্ৰতিটো স্থানতে জিলাৰ পঞ্জিয়ন থকা গড় 10 টা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিব। আনহাতে, এই চাৰিশ ক্লাবৰ হৈ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ খেলিছে এ চি এৰ পঞ্জিয়ন থকা প্ৰায় ছয় হেজাৰ ক্ৰিকেটাৰে।



টি জি বৰুৱা আন্তঃমিডিয়া ক্ৰিকেটত অংশ লোৱা 'দৈনিক অগ্ৰদূত'ৰ দলটো।

## কৰ্দৈগুৰি ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ সাফল্য



**অগ্ৰদূত বাৰ্তা,**
**শালবাৰী, ২০ ডিচেম্বৰ ঃ** সদ্য সমাপ্ত আন্তঃজিলা ভলীবল প্ৰতিযোগিতাত পংকজ উজিৰৰ কৰ্দৈগুৰি ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ তিনিগৰাকী ছোৱালীয়ে গুৱাহাটী দলৰ হৈ খেলি সফলতা লাভ কৰে। তেওঁলোক হ'ল সাধনা উজিৰ, ডিম্পি দাস আৰু সোণালী উজিৰ। উল্লেখ্য যে মৰাণত অনুষ্ঠিত হোৱা ছোৱালীৰ আন্তঃজিলা ভলীবল প্ৰতিযোগিতাত চেম্পিয়ন হয় ডিব্ৰুগড় দল। ৰাজ্যিক প্ৰতিযোগিতাখনৰ ফাইনেল মেচত ডিব্ৰুগড় জিলা ছোৱালী ভলীবল দলে পৰাস্ত কৰে গুৱাহাটীৰ ছোৱালীৰ ভলীবল দলক। চাৰিটা ছেটৰ অন্তত 26-24, 25-7, 24-26, 25-18 ৰ ব্যৱধানত পৰাস্ত হৈ ৰানাৰ্ছআপ হয় গুৱাহাটীৰ ছোৱালীৰ ভলীবল দল।

## গড়গাওঁ প্ৰশিক্ষণ কেন্দ্ৰ চেম্পিয়ন



**অগ্ৰদূত বাৰ্তা,**
**নাজিৰা, ২০ ডিচেম্বৰ ঃ** গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত ৰাষ্ট্ৰীয় খেলুৱৈ পল্লৱ ফুকন সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে আয়োজক গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ। ফাইনেলত গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰই একমাত্ৰ গলত পৰাস্ত কৰে পানীবিল ক্ৰীড়া সন্থাক। উল্লেখ্য যে আজি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ প্ৰথম ছেমিফাইনেলত গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰই খেলে দিখৌ-দিচাং ফুটবল একাদশৰ বিৰুদ্ধে। পেনাল্টি গ'লৰ জড়িয়তে দিচাং ফুটবল একাদশক 1-0 গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰই। উল্লেখ্য যে ইয়াৰপূৰ্বে গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰই 2-0 গলত পৰাস্ত কৰিছিল লাকুৱা ফুটবল একাদশক।

## সদৌ অসম প্ৰাইজমানি ক্ৰিকেট

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২০ ডিচেম্বৰ ঃ ঃ** নগাবন্ধা মিনি ষ্টেডিয়ামত কালিৰে পৰা আৰম্ভ হৈছে সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা। উদ্বোধনী মেচত খলিহামাৰী ধীৰাজ একাদশে তিনি উইকেটত পৰাস্ত কৰে জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাক। আনহাতে, প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাখনৰ আজি হোৱা মেচত জাগীৰোডৰ চেনীমাৰী লোকেল বয়জ দলে (51-10] আঠ উইকেটত পৰাস্ত কৰে এন কে ইলেভেনক (53-2)। কাইলৈ কেনো খেল নাই।



## অইল ইণ্ডিয়া এফ চিৰ খিতাপ



**অগ্ৰদূত বাৰ্তা,**
**টেঙাখাত, ২০ ডিচেম্বৰ ঃ** টাই আহোম যুৱ পৰিষদ, অসমৰ টেঙাখাত আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা চ্যুকাফা ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে অইল ইণ্ডিয়া এফ চি। ৰাজ্যিক পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাখনৰ ফাইনেলত অইল ইণ্ডিয়া এফ চি দলে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে টেঙাখাত এফ চিক। উল্লেখ্য যে চেম্পিয়ন হোৱাৰ সূত্ৰে অইল ইণ্ডিয়া এফ চি দলে 40 হেজাৰ টকা আৰু চ্যুকাফা ট্ৰফী লাভ কৰে। আনহাত, ৰানাৰ্ছ আপ টেঙাখাত এফ চিয়ে লাভ কৰে 20 হেজাৰ টকা।

## দিকৰায় চাহ বাগিচা দলৰ খিতাপ লাভ

**অগ্ৰদূত বাৰ্তা,**
**যমুনামুখ, ২০ ডিচেম্বৰ ঃ** দিকৰায় চাহ বাগিচা দলে কঠিয়াতলি চাহবাগিচাৰ খেলপথাৰত অনুষ্ঠিত হোৱা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে। আজি হোৱা ফাইনেলত দিকৰায় চাহ বাগিচা দলে একমাত্ৰ গ'লত পৰাস্ত কৰে অক্ৰেং গ্ৰীণ ক্লাবক।

## মেজৰ ৰেংকিং টেবুল টেনিছ
## তৃষা-অগ্নিৱ চেম্পিয়ন

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ ঃ** তৃষা গগৈ আৰু অগ্নিৱ গোহাঁয়ে মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাৰ মহিলা আৰু পুৰুষ শাখাৰ এককত খিতাপ লাভ কৰিছে। তৃষা গগৈয়ে ফাইনেলত পৰাস্ত কৰে কৃতীকা উপধ্যায়ক। আনহাতে, অগ্নিৱ গোহাঁয়ে খিতাপৰ যুঁজত অনল কাশ্যপক হৰুৱায়। উল্লেখ্য যে অসম টেবুল টেনিছ সন্থাৰ উদ্যোগত কালিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে ৰাজ্যিক প্ৰতিযোগিতাখন। উল্লেখ্য যে কৰ'নাৰ বাবে অসম টেবুল টেনিছ সন্থাই বিগত বৰ্ষত আয়োজন কৰা নাছিল অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাখন। কিন্তু এইবাৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত প্ৰতিযোগিতাখন আয়োজন কৰা হৈছে। উল্লেখ্য যে অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাখনত ৰাজ্যৰ 15 খন জিলাৰ প্ৰায় চাৰিশ খেলুৱৈয়ে অংশ লৈছে। আজি বঁটা অনুষ্ঠানত অসম টেবুল টেনিছ সন্থাৰ সভাপতি তথা মন্ত্ৰী পিয়ুষ হাজৰিকা আৰু তেওঁৰে সতীৰ্থ মন্ত্ৰী অশোক সিংহাল উপস্থিত থাকে।



## প্ৰাইজমানি চাইকেল ৰেলী

**অগ্ৰদূত বাৰ্তা,**
**বিহপুৰীয়া, ২০ ডিচেম্বৰ ঃ** নাৰায়নপুৰ ক্ৰীড়া সন্থাই অহা 26 ডিচেম্বৰত আয়োজন কৰিছে আৰতি শইকীয়া আৰু দত্তদেৱ ভট্ট সোঁৱৰণী প্ৰাইজমানি চাইকেল ৰেলী। উক্ত ৰাজ্যিক পৰ্যায়ৰ প্ৰাইজমানি চাইকেল ৰেলীত অংশ ল'ব বিচৰাসকলে 9101656028 ত যোগাযোগ কৰিব পাৰিব।

## দ্বিতীয় টেষ্টতো ইংলণ্ড বিৰুদ্ধে অষ্ট্ৰেলিয়াৰ জয়



**এডেলেইড, ২০ ডিচেম্বৰ ঃ** চলিত এছেজ শৃংখলাৰ দ্বিতীয়খন টেষ্টতো অষ্ট্ৰেলিয়াই জয়লাভ কৰি শৃংখলাত 2-0 ৰ অগ্ৰগতি লৈছে। উল্লেখ্য যে আজি অন্তিম দিনা ইংলণ্ডে 192 ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু 275 ৰাণত পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াই দিয়া 468 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি ইংলণ্ডে কালি চতুৰ্থ দিনাৰ খেলৰ অন্তত 82 ৰাণত চাৰিটা উইকেট হেৰুৱাই বিপদত পৰাৰ পাছত আজিও দলে ধাৰাবাহিকভাবে উইকেট হেৰুৱাই আৰু অষ্ট্ৰেলিয়াই জয়লাভ কৰি শৃংখলাত 2-0 ৰ অগ্ৰগতি লয়। এডেলেইডত হোৱা দিবা-নৈশ টেষ্টখনত পোনতে বেটিং কৰি অষ্ট্ৰেলিয়াই 473-9 ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰিছিল। অষ্ট্ৰেলিয়াৰ হৈ অপেনাৰ ডেভিদ ৱাৰ্ণাৰে (95] অনবদ্য ইনিংছ খেলি দলক আত্মবিশ্বাস দিছিল। ৱাৰ্ণাৰ শতকৰ পৰা বঞ্চিত হয় যদিও তেওঁক যোগ্য সহযোগ কৰা লাবুচেঙে 103 ৰাণৰ শতকীয় ইনিংছ খেলে। তদুপৰি স্মিথে 93 তথা এলেক্স কেৰীয়ে 51 ৰাণ কৰে। প্ৰত্যুত্তৰত ইংলণ্ড প্ৰথম ইনিংছত 236 ৰাণত অলআউট হয়। ইংলণ্ডৰ হৈ মালানে 80 ৰাণ আৰু জ' ৰুটে 62 ৰাণ কৰে। অষ্ট্ৰেলিয়াৰ হৈ মিচেল ষ্টাৰ্কে চাৰিটা আৰু লিয়নে তিনিটা উইকেট পায়। ইফালে, অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছ আৰম্ভ কৰি 230-9 ৰাণত ইনিংছ ঘোষণা কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াই এছেজ শৃংখলাৰ প্ৰথমখন টেষ্টত ন উইকেটত জয়লাভ কৰিছিল।





আজিৰে পৰা আৰম্ভ হোৱা অসম বিধানসভাৰ অধিৱেশনকালীন মহানগৰীৰ চচলত বিভিন্ন দল-সংগঠনৰ ধৰ্ণা-প্ৰতিবাদ, সোমবাৰে।


## বিলাসনন্দন চ'ৰা



# মেড ইন ইণ্ডিয়া

**বহুতৰে** চাগে মনতেই নাই। মনত নাই যদি মনত পেলাওক—সেই যে দিল্লীৰ গাদীত বহিয়ে বাদশ্বাহে এটাৰ পাছত এটাকৈ নতুন নতুন প্ৰজেক্ট ঘোষণা কৰিছিল, তাৰে ভিতৰত এটা আছিল 'মেড ইন ইণ্ডিয়া'। মানে সকলো বস্তু ইণ্ডিয়াত বনাব। 'মেড ইন ইণ্ডিয়া' বোলোতে বহুতৰে সেই পুৰণি কৌতুক এটালৈ মনত পৰি গ'ল। সেই যে ইণ্ডিয়াকে ধৰি কে'বাখনো দেছৰ চাইণ্টিষ্টে লগ লাগিল গাড়ী এখন বনাম বুলি। জাপানৰ চাইণ্টিষ্টে গাড়ীত মেচিনটো বনালে। এমেৰিকাৰ চাইণ্টিষ্টে ব'ডীটো বনালে। জাৰ্মানীৰ চাইণ্টিষ্টে ছীটবোৰ বনালে। এনেকৈ বিভিন্ন দেশৰ চাইণ্টিষ্টে ভাগে ভাগে বস্তুবোৰ বনাই গাড়ীখন কমপ্লিট কৰি পেলালে। দূৰৈত বহি গাড়ীখনৰ নিৰ্মাণ কাৰ্য চাই আছিল ইণ্ডিয়াৰ চাইণ্টিষ্টে। গাড়ীখন কমপ্লিট হোৱাৰ লগে লগে ইণ্ডিয়ান চাইণ্টিষ্টজনে হাতত এখন লেবেল লৈ আহি গাড়ীখনৰ গাত লগাই দিলে। লেবেলত লিখা আছিল— 'মেড ইন ইণ্ডিয়া'।

বহুতে ভাবিলে বাদশ্বাহৰ এই 'মেড ইন ইণ্ডিয়া'ও চাগে সেই লেবেল লগোৱা কামেই হ'ব। ফৰেইনৰ পৰা মালবস্তু আহি থাকিব আৰু বাদশ্বাহে তাত 'মেড ইন ইণ্ডিয়া' লেবেল লগাই মাৰ্কেটলৈ পঠিয়াই থাকিব। সেইটো একো ডাঙৰ কথা নহয়! আমাৰ দেছততো আৰু প্ৰিণ্টিং প্ৰেছৰ অভাৱ নাই। তাৰ পৰা জাপ জাপ লেবেল ছপাই আনিলেই হ'ল। দিল্লীৰ দৰবাৰৰ পৰা ভাহি অহা টপ চিক্ৰেট নিউজৰ মতে, বাদশ্বাহে তেনে এটা ধান্দাই কৰিছিল। বাহিৰৰ পৰা অহা গাড়ী-মটৰ, ইলেকট্ৰনিক সামগ্ৰী আদি আনি তাৰ লেবেলখন আঁতৰাই 'মেড ইন ইণ্ডিয়া' বুলি লিখা থকা লেবেলখন আঠা লগাই দিয়াৰ চিন্তা-চৰ্চা কৰিলে বাদশ্বাহে। সেই মতে সব আয়োজন শেষ। প্ৰেছে প্ৰেছে অৰ্ডাৰ দি দিয়া হ'ল লেবেলবোৰ প্ৰিণ্টিং কৰি আনিবলৈ। প্ৰিণ্টিং হৈ আহিল। প্ৰিণ্টেড লেবেলবোৰ বিভিন্ন ফৰেইন মালৰ গাত আঠা মাৰি দিয়া হ'ল আৰু এদিন বাদশ্বাহক চাবলৈ মতা হ'ল।



বাদশ্বাহে অহংকাৰৰ শিখৰ আৰোহণৰ সময়ত দিয়া ভব্য-গব্য ভংগিমাৰে আহি জাগাত উপস্থিত হ'ল। এফালৰ পৰা চাই গ'ল—ঠিকেই আছে। সব ফৰেইন মালতে লেবেল মৰা আছে MADE IN INDIA দেখি বাদশ্বাহৰ মনটো ভাল লাগি গ'ল—যা হওক ইণ্ডিয়াতো যে কিবাকিবি বনিছে। এনেকৈ চাই চাই গৈ থাকোতে হঠাতে বাদশ্বাহৰ চকুত পৰিল কে'বাখনো লেবেললৈ। তাতো মেড ইন ইণ্ডিয়া বুলিয়ে লিখা আছে, কিন্তু 'MADE' ৰ 'E' টো নাই। মানে 'MAD IN INDIA' বুলি লিখা আছে। দেখাৰ লগে লগে বাদশ্বাহৰ তাঁৰডাল ছিগি গ'ল। এয়া কি কাণ্ড! 'MAD IN INDIA' মানে কি? লগত থকা দুজনমানে ক'লে— 'ইয়াৰ বহু অৰ্থ ওলাব পাৰে জাহাপনা!'

ঃ কি অৰ্থ?

ঃ 'ই'টো নাথাকিলে মেডৰ অৰ্থ হৈ যায় পাগল। গতিকে মেড ইন ইণ্ডিয়া মানে ইণ্ডিয়াৰ পাগল।

বাদশ্বাহ জাঁপ মাৰি উঠিল। নিমিষতে সব লেবেল এৰুৱাই পেলাবলৈ ক'লে। লগতে ঘোষণাও কৰি দিলে—নতুন লেবেল ছপাব নালাগে। এটা আখৰৰ ইফাল-সিফালে গোটেইখন পণ্ড কৰি পেলাব পাৰে। বাদশ্বাহৰ হুকম মতেই সেই দিন ধৰি 'মেড ইন ইণ্ডিয়া' বন্ধ হৈ পৰি আছিল।

ঃ কিন্তু সৌসিদিনা বাদশ্বাহে দিল্লীৰ ৰাজসভাত বহি নিজ মুখে ঘোষণা কৰিলে যে 'মেড ইন ইণ্ডিয়া' আৰম্ভ হৈ গ'ল। আটায়ে শুনি আচৰিত। বাদশ্বাহক সুধিলে— 'জাহাপনা মেড ইন ইণ্ডিয়া সঁচাই আৰম্ভ হৈছে নেকি?'

ঃ হৈ গৈছে।

ঃ কিমান লেবেল ছপাইছে?

ঃ এইবাৰ লেবেল মৰা কাম কৰা নাই।

ঃ তেন্তে?

ঃ সঁচাসঁচি ইণ্ডিয়াত বনাইছো। নিজে বনাইছো।

ঃ কি বনাইছে? গাড়ী-মটৰ?

ঃ নহয়।

ঃ ইলেকট্ৰনিক সামগ্ৰী?

ঃ নহয়।

ঃ তেন্তে নিৰ্মাণ সামগ্ৰী?

ঃ নহয়।

ঃ ম'বাইল-লেপটপ?

ঃ নহয়।

ঃ ডেক'ৰেছনৰ সামগ্ৰী?

ঃ নহয়।

ঃ হাতঘড়ী-দেৱাল ঘড়ী?


ঃ নহয়।

ঃ তেন্তে ইণ্ডিয়াত কি বনাইছে জাহাপনা?

ঃ বাদশ্বাহে দাড়িকোছা মোহাৰি মোহাৰি ক'লে— 'মঠ-মন্দিৰ! কাশীৰ মন্দিৰটো দেখা নাই? সেইটো মেড ইন ইণ্ডিয়া!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# জন্মৰ পাছত পাঁচ বছৰলৈ খুদকণ এটাও পৰা নাই মুখত



## খোজ কাঢ়ে-কথা কয়, খাবহে নোৱাৰে শিশুটিয়ে

■ **নিউজ ব্যুৰ'**

**লণ্ডন, ২০ ডিচেম্বৰ ঃ** মুখত কিবা খাদ্য দিলে সেই খাদ্যই ডিঙিয়েই নাপায়গৈ। তাৰ আগতেই বমি হৈ ওলাই যায়। জন্মৰ পাছত পাঁচটা বছৰ অতিক্ৰম কৰিলে, অথচ আজি পৰ্যন্ত একো খাদ্যৰে স্বাদ পোৱা নাই এটি শিশুৰ। এই পৰ্যন্ত খুদকণ এটাও পেটলৈ যোৱা নাই। তৎসত্ত্বেও স্কুললৈ গৈ সমনীয়াৰ স'তে ভালদৰেই খেলা-ধূলা কৰি সময় অতিবাহিত কৰি আছে পাঁচ বছৰীয়া শিশু বেলা ক'লে।

জন্মৰ পৰাই বেলা এক বিৰল ৰোগত আক্ৰান্ত। চিকিৎসকৰ মতে, এই ৰোগ হৈছে 'এচিড ৰিফ্লেক্স'ৰ এক ধৰণ। শৈশৱত গাখীৰ খুওৱাৰ সময়ত মাতৃ ফিলিপ্পেৰ দৃষ্টিত বিষয়টো ধৰা পৰে। তেওঁ কয়, 'গাখীৰ খুৱালেই বমি কৰি দিয়ে। তেতিয়া বহুতে কৈছিল যে এয়া একো অস্বাভাৱিক কথা নহয়, কিন্তু মোৰ সন্দেহ ওপজে।' ইয়াৰ পাছতে মাতৃয়ে বেলাক চিকিৎসকৰ ওচৰলৈ নিয়ে। ফিলিপ্পেই কয়, 'চিকিৎসকে কৈছিল যে মোৰ ছোৱালীয়ে হেনো কেতিয়াও খোজকাঢ়িব, কথা ক'ব নোৱাৰিব। অথচ এতিয়া তাই সকলো পাৰে।' সম্প্ৰতি নাকত পাইপ ভৰাই বেলাক খাদ্য খুওৱা হয়। অৱশ্যে সেই দিনো এতিয়া শেষ হ'বলৈ আগবাঢ়িছে। সঠিক চিকিৎসা হ'লে শিশুটিয়ে শীঘ্ৰেই মুখেৰে খাব পাৰিব বুলি পিতৃ-মাতৃক জনাইছে এজন বিশেষজ্ঞ চিকিৎসকে। চিকিৎসাৰ বাবে বেলাই আটলাণ্টাৰ মাৰ্কাছ অটিজম চেণ্টাৰত কিছু মাহ থাকিব লাগিব।



# তক্ষশীলাতকৈও প্ৰাচীন মন্দিৰৰ সন্ধান ওলাল পাকিস্তানত

## প্ৰায় ২৩শ বছৰৰ পূৰ্বে বৌদ্ধ যুগত হৈছিল নিৰ্মাণ

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** পাকিস্তানত সন্ধান ওলাল বৌদ্ধ যুগৰ এক স্থাপত্য। পাকিস্তানী আৰু ইটালীৰ প্ৰত্নতত্ত্ববিদ এদলে উত্তৰ-পশ্চিম পাকিস্তানৰ খাইবাৰ-পাখতুনখাৱা প্ৰদেশৰ ছুৱাট জিলাৰ বাৰিকোট তহচিলৰ বাজিৰা চহৰত খনন চলাই কমেও ২৩শ বছৰৰ পুৰণি এটা মন্দিৰৰ লগতে আৰু কিছুমান মূল্যবান প্ৰত্নবস্তু আৱিষ্কাৰ কৰিছে।

বাজিৰা চহৰৰ এই নিদৰ্শনসমূহে প্ৰমাণ কৰিছে যে ছুৱাট অঞ্চলত কমেও ছয়ৰ পৰা সাতটা ধৰ্মৰ পৱিত্ৰ স্থান আছিল। বৌদ্ধ যুগৰ স্থাপত্যটো পাকিস্তানৰ তক্ষশীলাত আৱিষ্কৃত পুৰাকীৰ্তিতকৈও প্ৰাচীন বুলি ধাৰণা কৰা হৈছে। সম্প্ৰতি এইটোৱেই পাকিস্তানত আৱিষ্কৃত সবাতোকৈ পুৰণি স্থাপত্য। মন্দিৰৰ উপৰি প্ৰত্নতাত্ত্বিকসকলে বৌদ্ধ যুগৰ ২৭শৰো অধিক নিদৰ্শন উদ্ধাৰ কৰিছে। যাৰ ভিতৰত আছে মুদ্ৰা, আঙঠি, পাত্ৰ আৰু গ্ৰীক ৰজা মেনান্দৰ বা মিলিন্দৰ আমোলৰ খৰোষ্ঠী লিপিত লিখা কিছু কথা। এই গ্ৰীক ৰজাজন যথেষ্ট বিখ্যাত আছিল। কাৰণ বৌদ্ধাচাৰ্য নাগসেনে তেওঁক বৌদ্ধধৰ্মত দীক্ষিত কৰাৰ চেষ্টা কৰে। পালি ধৰ্ম-সাহিত্যত তেওঁলোকৰ কথোপকথন 'মিলিন্দ পঞ্চহো' গ্ৰন্থত লিপিবদ্ধ হৈ আছে।

পাকিস্তানত ইটালীৰ প্ৰত্নতাত্ত্বিক অভিযানৰ প্ৰধান ড° লুকা মাৰিয়া অলিভেৰীয়ে কয়, 'বৌদ্ধ আমোলৰ স্থাপত্যৰ আৱিষ্কাৰে প্ৰমাণ কৰিছে যে ছুৱাটত তক্ষশীলাতকৈও প্ৰাচীনতম প্ৰত্নতাত্ত্বিক ধ্বংসাৱশেষ আছে।' ভৱিষ্যতে উক্ত স্থানত আৰু বেছি প্ৰত্নতাত্ত্বিক আৱিষ্কাৰ কৰিব পৰা যাব বুলিও তেওঁ আশা প্ৰকাশ কৰে। কেৱল ইটালীয় বিশেষজ্ঞসকলেই নহয়, যাদুঘৰ আৰু প্ৰত্নতত্ত্ব বিভাগৰ পৰিচালক ড° আব্দুছ ছামাদেও ধাৰণা কৰে যে ছুৱাটৰ বাজিৰা চহৰ তক্ষশীলাৰ ধ্বংসাৱশেষতকৈও প্ৰাচীন। ইটালীৰ শীৰ্ষস্থানীয় বিশ্ববিদ্যালয় তথা খাইবাৰ পাখতুনখাৱা প্ৰত্নতত্ত্ব বিভাগৰ পিএইছডি শিক্ষাৰ্থীসকল এই স্থানসমূহৰ খননত নিযুক্ত হৈ আছে। পাকিস্তানত নিযুক্ত ইটালীৰ ৰাষ্ট্ৰদূত আন্দ্ৰেয়া ফেৰাৰেছে সংবাদ মাধ্যমৰ আগত কয়, 'পাকিস্তানৰ প্ৰত্নতাত্ত্বিক নিদৰ্শন বিভিন্ন ধৰ্মৰ বাবে গুৰুত্বপূৰ্ণ। সেয়ে খাইবাৰ পাখতুনখাৱা প্ৰত্নতাত্ত্বিক বিভাগৰ সহযোগিতাত ইটালীয় প্ৰত্নতাত্ত্বিক অভিযানে বিগত ৭০ বছৰ ধৰি পাকিস্তানৰ প্ৰত্নতাত্ত্বিক স্থানসমূহক ৰক্ষা আৰু খনন অব্যাহত ৰাখিছে।'

এই কুকুৰবোৰে চৌহদৰ ভিতৰত ঘূৰি ফুৰে। সেই কুকুৰবোৰক বিল্ডিংটোত বাস কৰা বহু বাসিন্দাই খাবলৈ দিয়ে। কুকুৰক খাদ্য খুওৱাৰ বিষয়টো বিল্ডিঙৰ নিৰাপত্তাৰক্ষীয়ে দীৰ্ঘদিনৰ পৰাই লক্ষ্য কৰি আছিল। কোনে কোনে কুকুৰক খাদ্য দিয়ে তেওঁলোকৰ নামো নথিভুক্ত কৰি ৰাখিছিল। পাছত সেইবোৰ নামৰ তালিকা নিৰাপত্তাৰক্ষীয়ে পৰিচালনা সমিতিক অৰ্পণ কৰে।



# পথৰ কুকুৰক আহাৰ খুৱাই ভৰিলে আঠ লাখ

## হুলস্থুল-আতংক সৃষ্টিৰ বাবেই পৰিচালনা সমিতিয়ে বিহিলে জৰিমনা

■ **নিউজ ব্যুৰ'**

**থানে, ২০ ডিচেম্বৰ ঃ** আবাসৰ চৌহদত পথৰ কুকুৰৰ আহাৰ খুৱাই আঠ লাখ টকা ভৰিবলগীয়া হ'ল এগৰাকী মহিলাই। নৱি মুম্বাইৰ এটা আবাসস্থলৰ পৰিচালনা সমিতিয়ে চৌহদৰ ভিতৰলৈ পথৰ কুকুৰসমূহক মাতি অনাৰ বাবেই এই বৃহৎ পৰিমানৰ জৰিমনা বিহিলে মহিলাগৰাকীক। অংশু সিং নামৰ আবাসস্থলৰ বাসিন্দাগৰাকীয়ে এই অভিযোগ কৰিছে। মহিলাগৰাকীয়ে সংবাদ মাধ্যমৰ আগত জনোৱা মতে, কুকুৰবোৰক খাদ্য দিয়াৰ বাবে তেওঁক দৈনিক পাঁচ হেজাৰকৈ টকা জৰিমনা বিহা হৈছে। ইতিমধ্যেই তেওঁৰ জৰিমনাৰ পৰিমাণ আঠ লাখ টকা হৈছেগৈ।

আবাসস্থলৰ লীলা বাৰ্মা নামৰ আন এগৰাকী আবাসীয়ে অভিযোগ কৰে যে তেওঁলোকৰ আবাসস্থলৰ চৌহদত এতিয়া পথত ঘূৰি ফুৰা অসংখ্য কুকুৰৰ ৰাজত্ব। এই কুকুৰবোৰে চৌহদৰ ভিতৰত ঘূৰি ফুৰে। সেই কুকুৰবোৰক বিল্ডিংটোত বাস কৰা বহু বাসিন্দাই খাবলৈ দিয়ে। কুকুৰক খাদ্য খুওৱাৰ বিষয়টো বিল্ডিঙৰ নিৰাপত্তাৰক্ষীয়ে দীৰ্ঘদিনৰ পৰাই লক্ষ্য কৰি আছিল। কোনে কোনে কুকুৰক খাদ্য দিয়ে তেওঁলোকৰ নামো নথিভুক্ত কৰি ৰাখিছিল। পাছত সেইবোৰ নামৰ তালিকা নিৰাপত্তাৰক্ষীয়ে পৰিচালনা সমিতিক অৰ্পণ কৰে। তাৰ পাছতে সংশ্লিষ্ট লোকসকলক জৰিমনা বিহা হয়।

অৱশ্যে সমিতিয়ে জৰিমনাৰ বিপুল পৰিমাণৰ বিষয়টো অস্বীকাৰ কৰিছে। সমিতিৰ সম্পাদক বিনীতা শ্ৰীনন্দনে প্ৰতি অভিযোগ কৰি কয়, 'কুকুৰৰ বাবে আবাসনৰ শিশুসকলে ভালদৰে দৌৰা-দৌৰি কৰি খেলিব নোৱাৰে। বয়স্ক লোকসকলো আতংকিত হৈ থাকে। ইয়াৰ উপৰি কুকুৰবোৰে য'তে য'তে লেতেৰা কৰে। সিহঁতৰ উপদ্ৰৱত আৰু ভুকভুকনিত বাসিন্দাসকলে নিশা ভালদৰে শুবও নোৱাৰে।' কুকুৰৰ বাবেই বিল্ডিঙৰ চৌপাশ বেৰি দিয়া সত্ত্বেও একাংশ লোকে সিহঁতক খাবলৈ দিয়ে বুলি সম্পাদকে অভিযোগ কৰে।

# বান্দৰৰ প্ৰতিশোধত আতংকিত এখন গাঁও



■ **নিউজ ব্যুৰ'**

**মুম্বাই, ২০ ডিচেম্বৰ ঃ** বান্দৰৰ প্ৰতিশোধ কিমান ভয়ংকৰ হ'ব পাৰে, তাৰ প্ৰমাণ ভালদৰেই পাইছে মহাৰাষ্ট্ৰৰ বীড় জিলাৰ মজলগাঁও অঞ্চলৰ এখন গাঁৱৰ বাসিন্দাসকলে। গাঁওবাসীয়ে দাবী কৰিছে যে প্ৰায় এমাহৰ পূৰ্বে এজাক কুকুৰে গাঁওখনত এটা বান্দৰ পোৱালিক কামুৰি মাৰিছিল। এই ঘটনাৰ পাছৰ পৰাই বান্দৰৰ বৃহৎ জাক এটাই সমগ্ৰ অঞ্চলতে আতংকৰ সৃষ্টি কৰি আছে। কুকুৰ পোৱালি দেখা পালেই বান্দৰে দাঙি নি ওখ স্থানৰ পৰা পেলাই নিধন কৰি আছে। বিগত এমাহত বান্দৰৰ আক্ৰমণত কমেও ২৫০ কুকুৰ পোৱালিৰ মৃত্যু হৈছে বুলি জনাইছে গাঁওবাসীয়ে। বান্দৰৰ এই উপদ্ৰৱে সম্প্ৰতি গাঁওবাসীকো আতংকিত কৰি ৰাখিছে। মজলগাঁৱৰ পৰা প্ৰায় ১০ কিলোমিটাৰ নিলগৰ লাভুল গাঁও। প্ৰায় পাঁচ হেজাৰ লোকে গাঁওখনত বাস কৰে। গাঁওবাসীয়ে দাবী কৰিছে যে গাঁওখনত এতিয়া এটাও কুকুৰ পোৱালি জীয়াই থকা নাই। বিগত এমাহত কমেও ২৫০ কুকুৰ পোৱালি মাৰিছে খৰ্গহস্ত বান্দৰৰ জাকে। বান্দৰৰ প্ৰতিশোধৰ ফলতে এনে অৱস্থা হোৱা বুলিও তেওঁলোকে কয়। গাঁওবাসীয়ে সদৰী কৰে যে এটা বান্দৰ পোৱালিক কুকুৰৰ জাক এটাই কামুৰি মৰাৰ পাছৰে পৰাই এই ভয়ানক প্ৰতিশোধ পৰ্ব আৰম্ভ হৈছে। কুকুৰ পোৱালি দেখা পালেই বান্দৰে দাঙি নি কোনো ওখ ঠাইলৈ নিয়ে আৰু তাৰ পৰা আছাৰ মাৰি দিয়ে। ফলত কমেও ২৫০ কুকুৰ পোৱালিৰ এই পৰ্যন্ত মৃত্যু হৈছে।

## কপিকুলৰ আক্ৰমণত নিহত হ'ল ২৫০ কুকুৰ পোৱালি

বান্দৰৰ প্ৰতিশোধৰ পৰা ৰক্ষা পাবলৈ গাঁওবাসীয়ে বন বিভাগৰো শৰণাপন্ন হৈছয়। একাংশ গাঁওবাসীয়ে বান্দৰৰ কবলৰ পৰা কুকুৰ পোৱালিক ৰক্ষা কৰাৰ চেষ্টা কৰিছিল। তেনে চেষ্টাত ওপৰৰ পৰা পৰি কে'বাজনো গাঁওবাসী আহতও হয়। গাঁওবাসীয়ে লগতে অভিযোগ কৰিছে যে কুকুৰৰ পোৱালিবোৰক মাৰিয়ে বান্দৰৰ জাকটো ক্ষান্ত থকা নাই। গাঁৱৰ সৰু সৰু ল'ৰা-ছোৱালীসমূহকো সুযোগ পালেই আক্ৰমণ কৰে। ইয়াৰ ফলতে অঞ্চলটোৰ বাসিন্দাসকল অধিক আতংকিত হৈ পৰিছে। ইফালে, গাঁওবাসীৰ অভিযোগৰ পাছৰে পৰা বন কৰ্মীয়ে বান্দৰ ধৰিবলৈ অশেষ চেষ্টা অব্যাহত ৰাখিছিল। অৱশেষত কালি বন কৰ্মীয়ে দুটা বান্দৰ পিঞ্জৰাবদ্ধ কৰিবলৈ সক্ষম হয়। ধৃত বান্দৰ দুটা ইতিমধ্যে নাগপুৰলৈ প্ৰেৰণ কৰা হৈছে আৰু তাতেই বনাঞ্চলত এৰি দিব। আন বান্দৰবোৰ ধৰাৰ বাবেও বন বিভাগে অভিযান অব্যাহত ৰাখিছে। দুটা বান্দৰ ধৰাৰ পাছত কপিকুলৰ সন্ত্ৰাস কিছু হ্ৰাস পাব বুলিয়ে বন বিভাগে ধাৰণা কৰিছে।

# পেঞ্চনৰ ধনেৰে ৰাজহুৱা স্থানত ৰুইছে গছপুলি

**নৰজ্যোতি তামুলী**

**চিনামৰা, ২০ ডিচেম্বৰ ঃ** প্ৰকৃতি ধ্বংসৰ ফলত হোৱা জলবায়ুৰ পৰিৱৰ্তনে বিশ্বমানৱৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ সময়তে সমাজৰ একাংশই নীৰৱে কৰি গৈছে প্ৰকৃতি পৰিচৰ্যা। তেনে এগৰাকী নীৰৱ প্ৰকৃতিপ্ৰেমী যোৰহাটৰ সত্যেন লাহন। লাহনে আজি যোৰহাট নগৰৰ উপকণ্ঠ ৰজাবাৰী সমীপত বহুসংখ্যক গছপুলি ৰোপণ আৰু দুবছৰৰ আগেয়ে ৰোপণ কৰা পুলিবোৰ চাফ-চিকুণ পৰিষ্কাৰ কৰি এক ব্যতিক্ৰমী কাৰ্যসূচী পালন কৰে। উল্লেখনীয় যে যোৰহাট চন্দন নগৰ নিবাসী তথা গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা সত্যেন লাহনে একক প্ৰচেষ্টা আৰু পেঞ্চন লাভৰ টকাৰে ৰাজহুৱা স্থানত প্ৰায় আঠ বছৰৰ পৰা এই কাম কৰি আহিছে। ইয়াৰ কাৰণে সত্যেন লাহনে গ'ল্ডেন এণ্ড গ্ৰীণ ড্ৰিম আসাম নামৰ এটা অনুষ্ঠান নিজে গঢ় দি ইতিমধ্যে মাজুলী, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাটৰ একাংশ ৰাজহুৱা স্থানত গছপুলি ৰোপণ কৰিছে । ৰোৱাই নহয় সেই পুলিবোৰ ডাঙৰ হোৱাৰ ক্ষেত্ৰত সম্পূৰ্ণ লালন-পালনৰো দায়িত্ব বহন কৰিছে। গৰু-ছাগলীয়ে যাতে পুলিবোৰ অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে গাঁঠিৰ ধন খৰচ কৰি গছপুলিৰ বেৰা নিৰ্মাণ কৰিছে। যি সময়ত ৰাজ্যৰ বিভিন্ন ঠাইত একাংশই গছ-গছনি ধ্বংস কৰি সমগ্ৰ জলবায়ুলৈ ভাবুকি আনিছে তেনে সময়ত সত্যেন লাহনৰ দৰে নীৰৱ পৰিৱেশকৰ্মীৰ কাৰ্যই সুন্দৰ বাৰ্তা কঢ়িয়াই আনিছে। মন কৰিবলগীয়া যে সত্যেন লাহনে আজি আয়োজন কৰা ব্যতিক্ৰমী গছপুলি ৰোপণ আৰু লালন-পালন কৰাৰ সময়ত সাংবাদিকক জনায় যে আগন্তুক নৱবৰ্ষত পাঁচ হেজাৰ গছপুলি অসমৰ বিভিন্ন ঠাইৰ ৰাজহুৱা স্থানত ৰোপণ কৰিব আৰু লালন-পালন কৰিব।

# পৰ্যটনথলী বগামাটিত বনভোজ দলৰ বাহনৰ পৰা ধন সংগ্ৰহক লৈ এনজিঅ'ৰ মাজত সংঘাত

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২০ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ প্ৰকৃতিৰ ৰম্যভূমি ৰাজ্যৰ এখন অন্যতম পৰ্যটনথলী বগামাটিলৈ বিভিন্ন প্ৰান্তৰ পৰা অহা বনভোজ দলৰ বাহনৰ পৰা ধন সংগ্ৰহক লৈ দুটা স্থানীয় এনজিঅ'ৰ মাজত আজি সংঘাতৰ সৃষ্টি হয়। যাৰ বাবে তামুলপুৰ আৰক্ষীয়ে হস্তক্ষেপ কৰি দুয়োটা এনজিঅ'ৰে ধন সংগ্ৰহ অনিৰ্দিষ্টকাললৈ বন্ধ কৰি দিয়ে। এই ঘটনাই আজি অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।

প্ৰাপ্ত তথ্য অনুসৰি, বগামাটি পৰ্যটনস্থলীৰ মাজেৰে বৈ যোৱা বৰনদীৰ উত্তৰ-পশ্চিম অংশৰ চোৱা-চিটা কৰাৰ বাবে ২০০৬তে স্থানীয় গেৰামছা নামৰ এনজিঅ' এটাই জিলা বন বিভাগৰ পৰা অনুমতি লাভ কৰিছিল। পৰৱৰ্তী সময়ত বন বিভাগে নিৰ্ধাৰণ কৰি দিয়া নিৰিখত এনজিঅ'টোৱে বিভাগীয় চালান দি বনভোজ দলৰ বাহনৰ পৰা ধন সংগ্ৰহ কৰি সংগৃহীত ধনৰ ৩০ শতাংশ ৰাজহৰূপে বন বিভাগক আদায় দি আহিছিল। শেহতীয়াকৈ জাখাইকোনা চুদেম টুৰিজম্ ছ'চাইটি নামৰ এনজিঅ' এটাই বিটিচি পৰ্যটন বিভাগৰ পৰা বগামাটি পৰ্যটনস্থলীত চোৱা-চিটা কৰাৰ অনুমতি আনি একে ঠাইতে আদৰণি তোৰণ দি বনভোজ দলৰ পৰা ধন সংগ্ৰহ আৰম্ভ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিততে এনজিঅ' দুটাৰ কৰ্মীসকলৰ মাজত সংঘাতৰ সূত্ৰপাত হয়। ইপিনে, বনভোজ দলসমূহেও বগামাটিলৈ যোৱা একেটা পথতে ওচৰাওচৰিকৈ দুই ঠাইত ধন দিবলগীয়া হোৱাত অসন্তুষ্টি প্ৰকাশ কৰে। পূৰ্বৰে পৰা বগামাটিৰ উত্তৰ-পশ্চিম অংশ চোৱা-চিটাৰ দায়িত্ব লাভ কৰা গেৰামছা এনজিঅ'ৰ সভাপতি ৰেবেন বড়োৱে সংবাদ মাধ্যমৰ আগত সদৰী কৰা মতে, বিগত ১৫ বছৰে তেওঁলোকে বিভাগীয় অনুমতি লৈ বগামাটি পৰ্যটনস্থলী চোৱা-চিটা কৰাৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিছে, যাতে বনভোজৰ দলে ভাল পৰিৱেশত এটা দিন উপভোগ কৰিব পাৰে। অথচ বিটিচিৰ পৰ্যটন বিভাগৰ পৰা নতুনকৈ এটা এনজিঅ'ই তেওঁলোকে দায়িত্ব লাভ কৰা ঠাইতে চোৱা-চিটাৰ অনুমতি লাভ কৰাত শেহতীয়াকৈ কিছু সংঘাতৰ সৃষ্টি হয়। গেৰামছাৰ সভাপতিজনে কয় যে একমাত্ৰ বগামাটিলৈ অহা বনভোজ দলৰ সুবিধাৰ্থে তেওঁলোকৰ এনজিঅ'ৰ ফালৰ জোখাইকোনা চুদেম টুৰিজিম ছ'চাইটিৰ কৰ্মকৰ্তাসকলক সমিলমিলেৰে কাম কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল, কিন্তু তেওঁলোকৰ প্ৰস্তাৱ এনজিঅ'ই প্ৰত্যাখান কৰে। লগতে সেই এনজিঅ'ই বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ড° ধৰ্মনাৰায়ণ দাসৰ ফটো সম্বলিত এখন আদৰণি তোৰণ স্থাপন কৰি ধন সংগ্ৰহ আৰম্ভ কৰে। এই লৈ দুয়োটা এনজিঅ'ৰ মাজত সংঘাত বৃদ্ধি পায়। যাৰ ফলস্বৰূপে আজি দুয়োটা এনজিঅ'ৰ সদস্যৰ মাজত হতাহতিৰ সৃষ্টি হয়। এই ঘটনা গম পোৱাৰ লগে লগে তামুলপুৰ আৰক্ষীৰ এটি দলে ঘটনাস্থলীত উপস্থিত হৈ দুয়োটা এনজিঅ'ৰ কৰ্মকৰ্তাক বনভোজ দলৰ পৰা ধন সংগ্ৰহ কৰা কাৰ্য অনিৰ্দিষ্টকাললৈ বন্ধ কৰি দিয়ে। উল্লেখ্য যে শীতৰ আৰম্ভণিৰ লগে লগে প্ৰকৃতিৰ ৰম্যভূমি বগামাটিলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা লক্ষাধিক পৰ্যটকৰ আগমন ঘটে। লক্ষাধিক বনভোজ দলৰ উপস্থিতিৰ পাছতো বিগত বহু বছৰ ধৰি সম্পূৰ্ণ পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থকা বগামাটিৰ উত্তৰ-পশ্চিম অংশত একমাত্ৰ বনভোজ দলৰ বাহনৰ পৰা ধন সংগ্ৰহ কৰাক লৈ দুটা এনজিঅ'ৰ মাজত সৃষ্টি হোৱা সংঘাতে সমগ্ৰ তামুলপুৰ মহকুমাতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সমগ্ৰ বিষয়টো নিষ্পত্তি কৰাৰ বাবে তাৎক্ষণিকভাৱে তামুলপুৰ মহকুমা প্ৰশাসন, বন বিভাগে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি বগামাটিৰ সুনাম অক্ষুণ্ণ ৰখাৰ বাবে আহ্বান জনাইছে তামুলপুৰৰ সচেতন মহলে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com